


# সূত্ৰধাৰ


চতুৰ্থ বছৰ, দ্বাদশ সংখ্যা
১-১৫ জুলাই, ১৯৯২
Vol. IV No. 12.
1-15 July, 1992


## বিষয়-সূচী

### মলয়া গোস্বামীয়ে কি কয়


◻ ৫


ভাৰতীয় চলচ্চিত্ৰত অভিনয়ৰ বাবে ১৯৯১ চনৰ শ্ৰেষ্ঠা অভিনেত্ৰীৰ সন্মান অৰ্জন কৰি যশস্বী অভিনেত্ৰী মলয়া গোস্বামীয়ে অসমলৈ কঢ়িয়াই আনিছে গৌৰৱ। সৰ্বভাৰতীয় ভিত্তিত প্ৰথমবাৰৰ বাবে এই মৰ্যাদাত অধিষ্ঠিত হ'ল এগৰাকী অসমীয়া নাৰী। 'ফিৰিঙতি'ৰ মাধ্যমেৰে তেওঁৰ প্ৰতিভাই স্বীকৃতি পালেও তেওঁৰ অভিনয়ে দৰ্শকৰ মনত আগেয়েই ৰেখাপাত কৰি থৈ গৈছে। এই গৰাকী শিল্পীৰ শিল্পী জীৱনৰ ওপৰত আধাৰিত এইবাৰৰ প্ৰচ্ছদ নিবন্ধ। এই বিষয়ত লেখা তথা শিল্পী গৰাকীৰ সৈতে এটি অন্তৰঙ্গ সাক্ষাৎকাৰ আগবঢ়াইছে ক্ৰমে উৎপল দত্ত, বাদল দাস আৰু নয়ন প্ৰসাদে।

সাময়িক প্ৰসঙ্গ

### বিদেশী নাগৰিকৰ সমস্যা, অসম চুক্তি আৰু ইয়াৰ উত্তৰ কাল


◻ ১৩


সদৌ অসম ছাত্ৰ সংস্থা আৰু সদৌ অসম গণসংগ্ৰাম পৰিষদৰ নেতৃত্বত ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ বিদেশী বহিষ্কাৰৰ দাবীত অসমৰ ৰাইজে ঐতিহাসিক গণ আন্দোলন চলায়। আন্দোলনৰ সময়ছোৱাত সংগ্ৰামী ৰাইজে অবৰ্ণনীয় দুখ-দুৰ্গতি, লঘু-লাঞ্ছনা, অত্যাচাৰ নিৰ্যাতন মূৰ পাতি লব লগীয়াত পৰিছিল। অৱশেষত ১৯৮৫ চনৰ ১৫ আগষ্টৰ মাজ নিশা অসম চুক্তিৰ জৰিয়তে আন্দোলনৰ সমাপ্তি ঘটিল। ধ্ৰুৱ প্ৰসাদ বৈশ্যই তেখেতৰ নিবন্ধত বিদেশী নাগৰিকৰ সমস্যা, অসম চুক্তি আৰু ইয়াৰ উত্তৰ কালৰ বিষয়ে আলচ কৰিছে।


প্ৰতিবেদন
যিচাম মানুহৰ টোপনি হিতেশ্বৰ শইকীয়াই হৰণ কৰিছে ◻ দেৱব্ৰত বৰগোহাঞিঞ ◻ ১৭

দৃষ্টিপাত
আত্মকথা ◻ ৰসানন্দ অভাজন ◻ ২১

মাধুকৰী
মনীষী উবাচ ◻ মুখলেছুৰ ৰহমান ◻ ৩১

বিশ্বসাহিত্য (চুটি গল্প)
টেডিঅ' ইছিড'ৰ ক্ৰাজৰ জীৱন ◻ জৰ্জ লুই বৰহাছ ◻ অনুবাদক ঃ হোমেন বৰগোহাঞি

সাহিত্য
অন্য এক দৃষ্টিত হিৰণ্য কুমাৰ ◻ জ্ঞানানন্দ শৰ্মা পাঠক ◻ ৩৪

গ্ৰন্থজগত
নাটক আৰু নাট্যকাৰ ◻ মুনীন শৰ্মা ◻ ৩৮

আলোচনা
কবীন ফুকনৰ এটি কবিতা ◻ অৰূপ কুমাৰ গোস্বামী ৩৮

শিক্ষা
ৰাতুল ভৰালীয়ে তেওঁৰ প্ৰতিভাৰ স্বীকৃতি পাবনে ? পদ্ম পাটৰ ◻ ৪১

সভ্যতা
মানব সভ্যতা আৰু সংস্কৃতি ◻ পবিত্ৰ কুমাৰ শৰ্মা ◻ ৪৩

বিজ্ঞান
বিবৰ্তনত পদাৰ্থ বিজ্ঞানৰ ভাষা ◻ দীপক কুমাৰ বৰকাকতী ◻ ৪৫

আলেখ্য
সাহিত্যিক বিহুৰাম বড়োৰ জীৱন আৰু কৃতি ◻ হৰিচৰণ দাস ◻ ৪৮

মতান্তৰ
বাতৰিৰ আঁৰৰ বাতৰি ◻ বদন বৰুৱা ◻ ৪৯

অসম আৱিষ্কাৰ
ঐতিহ্যমণ্ডিত আঠলেখীয়া নামঘৰ ◻ সত্যৰঞ্জন শইকীয়া ◻ ৫০

প্ৰতিবেদন
অৱক্ষয়ৰ গৰাহত অসম কৃষি বিশ্ববিদ্যালয় ◻ স্বপ্না বেজবৰুৱা ◻ ৫৩

**চিঠি পত্ৰ ৪**
**সম্পাদকৰ টোকাবহী ১৯**
**উপন্যাস ২৩**
**কবিতা ২৯**
**লীলা-খেলা ৩৯**
**গল্প ৫৫**
**চিনেমা ৬০**
**একপৃষ্ঠা ৬২**


বেটুপাতৰ ফটো ◻ উৎপল দত্ত


সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি
সম্পাদনা সহকাৰী
মালবিকা পাঠক
কলা নিৰ্দেশক
চম্পক বৰবৰা
কাৰ্যাধ্যক্ষ
অনিল কুমাৰ গগৈ
অংগসজ্জা
মোহন নাথ

পূৰ্বী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এণ্ড পাব্লিকেশ্যনচ প্ৰা: লি:-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী ১-ৰ পৰা প্ৰকাশিত; ◻ ফোন ২৪৮৫৪, ২৭৮২৩, ৩৩৬১৮



Calcutta:-
Mr. Gautam Sengupta.
7/1C Lindsay Street. (1st Floor)
Calcutta-700087
Ph. 449363, 448574

Delhi:-
Mr. Ranaji Sen.
B-51, Soami Nagar.
New Delhi-110017
Ph. 642, 8608


OKDISCP

## ডাঃ বিজয় বৰাৰ 'হেমলেট

জানুৱাৰী মাহৰ 'সূত্ৰধাৰ'ত ডাঃ বিজয় বৰাৰ হেমলেটৰ মনোবিশ্লেষণৰ ধাৰা পঢ়ি ভাল পালো। প্ৰত্যেক সমালোচকে আৰু আমাৰ শিক্ষাগুৰুৱেও হেমলেটক বলিয়ালিৰ ভাওধৰা বুলি অভিহিত কৰি আহিছে। ডাঃ বৰাই মনস্তত্ত্বৰ দিশৰ পৰা অতি সুন্দৰভাবে ফঁহিয়াই দেখুৱাইছে হেমলেটে বলিয়ালিৰ ভাও ধৰা নাছিল। তেওঁ অসুস্থ মনৰহে আছিল। হেমলেট এনে পৰিস্থিতিত পৰিছিল যে দোধোৰ মোধৰত পৰি তেওঁৰ Ego crisis হৈছিল। সেই কাৰণে তেওঁৰ চিন্তা আৰু কথা বতৰাত অসুস্থ মনৰ আভাস পোৱা যায়। লেখকে অফেলিয়া আৰু হেমলেটৰ যি অৱস্থা উনুকিয়াইছে তাৰ পৰা বুজিব পাৰি তেওঁৰ মনৰ বিভ্ৰম কিমান আছিল। অফেলিয়াৰ উক্তি আছিল–

"লৰ্ড হেমলেটৰ চেদেলী ভেদেলী হৈ থকা সাজপাৰ
টুপীবিহীন শিৰ, খহিপৰা মোজা, শৈতা পৰি
যোৱা মুখ, থৰক-বৰককৈ খোজত অসহায় ভাবৰ
লগত ফুটি উঠিছে এক বিভ্ৰমতা
... ... ... ... ... ... ... ... ... ...
তেওঁ দীঘল দীঘল হুমুনিয়াহ পেলাইছে আৰু
দৃষ্টিহীন হিচাপে নিজৰ বাট লৈছে (He seem'd to find his ways without his eyes)

ডাঃ বৰাই সাহিত্যপ্ৰেমী সকলৰ কাৰণে হেমলেটৰ মনৰ ৰূপ এক নতুন বিশ্লেষণত দাঙি ধৰিছে। আমি আশা কৰো তেখেতে শ্বেক্সপীয়েৰৰ বিভিন্ন চৰিত্ৰৰ মনৰ ৰূপবোৰ মনস্তত্ত্বৰ দিশৰ পৰা বিশ্লেষণ কৰি দেখুৱায় যেন।

অনীতা বৰচেতিয়া
কমলাবাৰী, দুলিয়াজান

## বুদ্ধিজীৱী আৰু হতাশাগ্ৰস্ত ৰাজনীতিকৰ গেঙনি

আমাৰ বিশ্বাস, ডঃ হীৰেণ গোহাঁই আৰু হোমেন বৰগোহাঞিৰ ব্যক্তিত্বক অসন্মান, অৱজ্ঞা কৰা লোক অসমত খুব কমেই ওলাব। অৱশ্যে বহুলোকৰ এই ব্যক্তি দুজনৰ সৈতে হয়তো মতাদৰ্শগত অমিল আছে। কিন্তু ইয়াৰ অৰ্থ নিশ্চয় এইটো নহয় যে এই দুগৰাকী ব্যক্তিৰ জীৱন দৰ্শন, ব্যক্তিত্ব তথা প্ৰতিভাৰাজিক অস্বীকাৰ কৰা, সন্মান প্ৰদৰ্শন নকৰা অথবা অৱজ্ঞা কৰা। ব্যক্তি অথবা ব্যক্তি সমূহৰ মাজৰ মতাদৰ্শগত পাৰ্থক্য হ'ল এক বৌদ্ধিক দ্বন্দ্ব বা সংঘাত আৰু কেৱল বৌদ্ধিক অনুশীলনৰ মাধ্যমেৰেহে ইয়াক নিষ্পত্তি কৰা সম্ভৱ। আসুৰিক শক্তি, আবেগিক উন্মাদনা নাইবা অসভ্যাচৰণৰ দ্বাৰা এনে দ্বন্দ্ব সংঘাতৰ নিষ্পত্তি কোনো কালে সম্ভৱ নহয়!

উল্লিখিত দুগৰাকী ব্যক্তিৰ কথা নেজানে কোনে? অসমীয়া মানুহ মাত্ৰেই এখেতসকলৰ কথা এবাৰলৈ হ'লেও সুঁৱৰিব লাগিব। জাতিৰ দুৰ্যোগ আৰু মহাসংকটৰ সময়ত ব্যক্তিগত তথা পাৰিবাৰিক জীৱনৰ সকলো সুখ-স্বাচ্ছন্দ্য পৰিত্যাগ কৰি স্পষ্ট, নিৰ্ভীক আৰু নিঃস্বাৰ্থভাবে থিয় দি আহিছে সত্যৰ পক্ষত। বিগত 'বিদেশী বহিষ্কাৰ' আন্দোলনৰ সময়ত এওঁলোকে গ্ৰহণ কৰা স্থিতিৰ বিষয়ে নজনা মানুহ অসমত কেইজন ওলাব? এচাম স্বাৰ্থান্ধ, কু-অভিপ্ৰায়ী, ধুৰন্ধৰ নেতাই এক সম্পূৰ্ণ অবাস্তৱ আৰু ভিত্তিহীন বিষয়ক ৰাজনৈতিক 'ইচ্যু' কৰি নিৰীহ হোজা, সহজ-সৰল অসমীয়া মানুহখিনিক উত্তেজিত কৰি, সিহঁতৰ নিকৃষ্ট ৰাজনৈতিক দুৰাকাংক্ষা চৰিতাৰ্থ কৰাৰ গোপন অভিসন্ধিৰ কথা যেতিয়া এওঁলোকে 'বেফাচ' কৰি দিলে তেতিয়া ইহঁতৰ চকু কপালত উঠিল আৰু এওঁলোকৰ ওপৰত লগাই দিয়া হ'ল দেশ-দ্ৰোহী, জাতিদ্ৰোহী, বদন আদি লেবেল। পৃথিৱীৰ ভিতৰতে (তেওঁলোকৰ মতে) উল্লেখযোগ্য অহিংস আন্দোলনটোৰ সেই সময়ৰ বিশ্ববন্দিত নেতৃত্বই, আন্দোলনৰ বিৰোধিতা কৰা এই দুগৰাকী ব্যক্তিক ন্যায়সংগত যুক্তি তৰ্কৰে পৰাস্ত কৰিব 'ৱাৰি, শাৰীৰিক ভাবে আক্ৰমণ নিৰ্দ্দেশ দিবলৈ কুণ্ঠিত নহৈ, উলঙ্গ আৰু অত্যন্ত লজ্জাকৰভাবে নিজৰ স্বৰূপ প্ৰকাশ কৰি দেখুৱালে ৰাইজৰ ওচৰত। আমাৰ বাবে, আমাৰ জাতিটোৰ বাবে অতি সুখদায়ক স্মৃতি হ'ল– এই জঘন্য, বৰ্বৰ আৰু অমানুষিক অতিচাৰৰ– পিছতো ভ্ৰষ্টাচাৰী, লম্পটইহঁতৰ সমুখত তেওঁলোকে মূৰ দোৱাবলৈ ৰাজী নহ'ল। হিংসাশ্ৰয়ী আসুৰিক শক্তিৰ বিৰুদ্ধে সত্য আৰু অহিংসাৰ পথাচাৰী সকলৰ এই জয়ৰ বিমল আনন্দ যুগে যুগে আমাৰ বাবে প্ৰেৰণা হৈ ৰ'ব।

সম্প্ৰতি অসমত চলি থকা (স্বাধীন অসম প্ৰতিষ্ঠাৰ বাবে) তথাকথিত 'বিপ্লৱ'ৰ পৰিপ্ৰেক্ষিততো এই দুয়োগৰাকী ব্যক্তিৰ লগতে শেহতীয়াকৈ 'অগ্ৰদূত'ৰ সম্পাদক শ্ৰীকনক সেন ডেকাকো প্ৰতি-বিপ্লৱী, গণশত্ৰু, ৰাষ্ট্ৰযন্ত্ৰৰ চাতুকাৰ আদি বিশেষণেৰে বিভূষিত কৰা হৈছে। তেওঁলোকৰ 'বিপ্লৱ'ৰ সশস্ত্ৰ পন্থাক সমৰ্থন জনাই বিপ্লৱী সতীৰ্থ হ'ব নোৱৰাটোৱেই এওঁলোকৰ অপৰাধ। কেউজনৰ নামত ইতিমধ্যে কেইবাবাৰো মৃত্যু পৰোৱানা পৰ্যন্ত জাৰি হৈছে। প্ৰতি বিপ্লৱী কাৰ্যকলাপত লিপ্ত থকাৰ অপৰাধত ইতিমধ্যেই বহুলোকক মৃত্যুদণ্ড দিছে বিপ্লৱী আদালতে। নিজকে বৈজ্ঞানিক সমাজবাদী আদৰ্শত বিশ্বাসী বুলি জাহিৰ কৰা এইসকল বিপ্লৱীয়ে এনে আদৰ্শক প্ৰাথমিক সোপান মাৰ্ক্সীয় 'দ্বন্দ্বাত্মক বস্তুবাদ"ৰ আধাৰক ভৰিৰে মোহাৰি কেনে সমাজবাদৰ কথা কয় আমাৰ বোধগম্য নহয়।

'বিপ্লৱ' মানেই 'সন্ত্ৰাস' নহয়। 'বিপ্লৱ' হ'ল সমাজ পৰিৱৰ্তনৰ স্বাভাৱিক প্ৰক্ৰিয়াটোৰ এক বিশেষ পৰিস্থিতি, য'ত পৰিবৰ্তন প্ৰক্ৰিয়াৰ গতি দ্ৰুততৰ হয়। এই সমস্ত প্ৰক্ৰিয়াটোৰ মূল চালিকা শক্তি জনসাধাৰণ; নেতৃত্বই ইয়াক মাত্ৰ সঠিক দিশত যথাৰ্থভাৱে পৰিচালনা কৰাৰ দায়িত্ব লয়। ইয়াৰ বাবে নেতৃত্বৰ হাতত অত্যাধুনিক মাৰণাস্ত্ৰৰ কোনো প্ৰয়োজন নাই। কিয়নো জনগণৰ গোটেই অংশটোক জড়িত কৰিব পাৰিলেহে বিপ্লৱ সফল হ'ব পাৰে আৰু জনগণৰ মনত বিপ্লৱী চেতনা উদ্ৰেক কৰিবৰ বাবে নেতৃত্বৰ প্ৰয়োজন শীতল মগজু, তীক্ষ্ণ বুদ্ধিমত্তা আৰু তত্ত্বগত ব্যাখ্যাৰ বাবে কিছু বৌদ্ধিক কছৰৎ। খুচি-কাটি জনসাধাৰণৰ মনত বিপ্লৱী চেতনা জগাই তুলিব পৰা নাযায়। অৱশ্যে, বিশেষ পৰিস্থিতিত বিপ্লৱৰ সপক্ষে অস্ত্ৰধাৰণৰ যুক্তি অস্বীকাৰ কৰিব নোৱাৰি। কিন্তু সম্প্ৰতি অসমত 'বিপ্লৱ' আৰু 'সন্ত্ৰাস' দুয়োটাকে একাকাৰ কৰি পেলোৱা হৈছে। অপ্ৰৰোচিতভাবে ঘটা হত্যা, মাৰপিট, লুণ্ঠন আদি ঘটনাই 'বিপ্লৱ'ৰ প্ৰকৃত অৰ্থটোকে ধুঁৱলি-কুঁৱলি কৰি পেলাইছে। ব্যক্তি সন্ত্ৰাসৰ চৰম উশৃঙ্খলিৰ ফলত ৰাষ্ট্ৰসন্ত্ৰাসৰ পথ প্ৰশস্ত হৈ পৰিছে। উভয় সন্ত্ৰাসত জনসাধাৰণে চকুৰে সৰিয়হ ফুল দেখিছে। জনসাধাৰণৰ মনত নামমাত্ৰ জীপ লৈ উঠা 'বিপ্লৱ'ৰ চেতনাৰো উভয় সন্ত্ৰাসৰ দৌৰাত্ম্যত নস্যাৎ হোৱাৰ উপক্ৰম হৈছে।

পৰিস্থিতিৰ এনে সঠিক বিশ্লেষণক এচাম অতি বিপ্লৱী বুদ্ধিজীৱীয়ে সহ্য কৰিব পৰা নাই। অলপতে গুৱাহাটীৰ পৰা প্ৰকাশিত 'দিল্লীবাদ বিৰোধী সংগ্ৰাম'ত উৎসৰ্গিত এখন 'সাপ্তাহিক'ত বিগত 'অসম আন্দোলন'ৰ পুৰোহিত, কিন্তু সংগ্ৰামী সতীৰ্থই লেং মৰাৰ ফলত 'দিল্লী কা লাড্ডু'ৰ সোৱাদ লবলৈ নেপায় খঙে-বেজাৰে জৰ্জৰিত হোৱা এগৰাকী হতাশাগ্ৰস্ত প্ৰবীণ ৰাজনীতিবিদে 'সকলো দোষ নন্দ ঘোষ' বুলি ডঃ হীৰেণ গোহাঁই আৰু হোমেন বৰগোহাঞিক গালি পাৰিছে উধাই-মুধাই। তেওঁৰ মতে "এই দুয়োজন হেনো "The post Mortem Doctor" হে। অৰ্থাৎ দোষ খুচৰা বা কবৰস্থ অতীতৰ বিৱৰণ দিয়াহে এওঁলোকৰ একমাত্ৰ গুণ আৰু সম্পদ। ভৱিষ্যতৰ কথা ক'ব নোৱাৰে।" অতীতৰ কাৰ্যকলাপ আৰু ফলাফলৰ পুংখানুপুংখ বিশ্লেষণ নকৰাকৈ ভৱিষ্যতৰ কথা ক'বলৈ যোৱাটো মূৰ্খামি বুলিহে আমি ভাবো। আজিলৈকে এই দুয়োজন ব্যক্তিৰ যিমানবোৰ লেখা পঢ়িছো, অতীতৰ বিশ্লেষণৰ ওপৰত নিৰ্ভৰ কৰিহে ভৱিষ্যদ্বাণী কৰা প্ৰত্যক্ষ কৰিছো। উপৰোক্ত ৰাজনীতিক গৰাকীৰ সকলো সপোন বালিঘৰৰ দৰে ভাগি পৰাৰ বাবেই হয়তো এনে প্ৰলাপ শুনাৰ আমাৰ দুৰ্ভাগ্য।

ভালবস্তুৰ যিদৰে আদৰ বেছি, তেনেদৰে দামো বেছি। মূৰৰ ব্যৱসায় হয়তো চলিছে; কিন্তু ভাল 'মূৰ'ৰহে। গেলামূৰৰ দামো নাই গ্ৰাহকো কম।

দিব্যধৰ বৰুৱা।
বৰুৱা গাওঁ (ওৱাটিং)
গোলাঘাট।





# মলয়া গোস্বামীয়ে কয় ............

সাক্ষাৎগ্ৰহণ ঃ উৎপল দত্ত

বহু বছৰ আগৰ কথা। গুৱাহাটীৰ জিলা পুথিভঁৰালত অনুষ্ঠিত কিবা এখন সাংস্কৃতিক সন্ধিয়া উপভোগ কৰি আছিল ড° ভবেন্দ্ৰনাথ শইকীয়াই। মঞ্চত এজনী ছোৱালীৰ অভিনয় নে আবৃত্তি দেখি ড° শইকীয়াই ভাবিলে – এই ছোৱালীজনীয়ে বাৰু ছবিত অভিনয় নকৰে কিয়?

তাৰ বহু বছৰ পিছৰ কথা। ড° শইকীয়াই 'অগ্নিস্নান' ছবিখন কৰাৰ বাবে সাজু হৈছে। 'মেনকা'ৰ চৰিত্ৰত অভিনয় কৰাৰ বাবে অভিনেত্ৰীৰ প্ৰয়োজন। মনে বিচৰা অভিনেত্ৰী পোৱা নাই। বাতৰি কাকতত দিয়া বিজ্ঞাপনৰ যথেষ্ট সঁহাৰি আহিছে, কিন্তু পৰিচালকৰ কল্পনাৰ অভিনেত্ৰী গৰাকীজনী অহা নাই। ইতিমধ্যে ছবিৰ দৃশ্যগ্ৰহণৰ দিন ওচৰ চাপি আহিল। হঠাৎ ড° শইকীয়াৰ মনলৈ আহিল জিলা পুথিভঁৰালত দেখা সেই ছোৱালীজনীৰ কথা। কোন আছিল ছোৱালীজনী? মলয়া ৰাজখোৱা। এতিয়া মলয়া গোস্বামী। তেওঁ বাৰু অভিনয় কৰিবনে?

নগাঁওৰ ফালে লোকেচন চাবলৈ ওলাইছিল ড° শইকীয়াই। জাগীৰোডত গাড়ীয়ে মেইন ৰোড এৰি মলয়াৰ স্বামীগৃহৰ পিনে আগবাঢ়িল। কথাটো এবাৰ সুধি চোৱা যাওক। মলয়া গোস্বামী ঘৰত নাছিল। অভিযন্তা স্বামীকেই কথাটো কোৱা হ'ল। অৱশেষত ঠিক হ'ল, শ্ৰীযুত গোস্বামীয়ে নিজে গৈ মলয়াক গুৱাহাটীৰ পৰা লৈ আহিব আৰু সন্ধিয়া ঘূৰি যাওতে ড° শইকীয়া পুনৰ জাগীৰোডত সোমাব আৰু মলয়াৰ লগত কথা পাতি যাব।

'মলয়াৰ গিৰিয়েক শ্ৰীগোস্বামীয়ে ইমান আগ্ৰহ দেখুৱাইছে যেতিয়া ঘৰৰ পৰা নিশ্চয় অভিনয় কৰাত আপত্তি নকৰিব।' ড° শইকীয়াই তেতিয়া ভাবিছিল। সন্ধিয়া কথা-বতৰা হ'ল। অসমৰ মঞ্চ আৰু অনাতাঁৰৰ বিশিষ্টা অভিনেত্ৰীয়ে ৰূপালী পৰ্দালৈ যাত্ৰা কৰাৰ প্ৰথম পদক্ষেপটো দিয়া হৈ গ'ল।

'মেনকা'ৰ বাবে অভিনেত্ৰী বিচৰা কথাটো খুব ব্যাপক আৰু অভিনব ধৰণে প্ৰচাৰ হৈছিল। কিন্তু মলয়া গোস্বামীক এই চৰিত্ৰৰ বাবে নিৰ্বাচন কৰা কথা গোপনেই ৰখা হৈছিল। এনে সময়তে মলয়া গোস্বামীৰ শহুৰেকে শুনিলে যে ড° শইকীয়াই মেনকাৰ বাবে অভিনেত্ৰী বিচাৰি আছে। তেখেতে মলয়াক ক'লে – 'যদি তুমি ড° শইকীয়াক অভিনয় কৰিবা বুলি কৈছিলাই, তেন্তে তেখেতে অভিনেত্ৰী বিচাৰি আছে কিয়?'

ছবিত অভিনয় কৰা প্ৰসংগটো পৰিয়ালৰ মানুহে কেনেদৰে লয় সেই বিষয়ে মলয়াৰ মনৰ মাজত খুদুৱনি থাকিলেও এই কথা শুনাৰ পিছত সেই খুদুৱনি নোহোৱা হৈ গ'ল।

◆

চলচ্চিত্ৰ অভিনয়ৰ ৰাষ্ট্ৰীয় বঁটা ঘোষিত হোৱাৰ পিছত মলয়া গোস্বামীৰ কেইখনমান ফটো তুলিছিলো, তাৰে এখন এই সংখ্যাৰ 'সূত্ৰধাৰ'ৰ বেটুপাতত ছপা হৈছে। সেই আটাইখিনি ফটোকেই দেখা পাইছিল বিশিষ্ট সম্পাদক প্ৰদীপ বৰুৱাই। ফটোখিনি চাই থাকোতে তেখেতক ক'লো – 'এই ছবিখিনি বৰ লৰালৰিকৈ তোলা হ'ল। মই লগত হেয়াৰ ড্ৰেচাৰ আৰু মেক আপ মেন লৈ গৈ আকৌ এবাৰ ধুনীয়া গ্লেমাৰাছ ফটো কেইখনমান তোলাৰ কথা ভাবিছো।'

শ্ৰীযুত বৰুৱাই ক'লে – 'নহয়, এইকেইখনহে মলয়াৰ আচল ফটো। মলয়া গৃহিনী, মাতৃ, শিক্ষয়িত্ৰী, মলয়া 'চেহেৰাৰ গ্লেমাৰাছ' অভিনেত্ৰী নহয়। গতিকে মলয়াৰ 'গ্লেমাৰাছ' ফটোই তেওঁৰ আচল ৰূপটো দাঙি নধৰিব।'

শ্ৰীযুত বৰুৱাৰ যুক্তিত মই পতিয়ন গলো।



ফটো : উৎপল দত্ত

অসমৰ সৰু-বৰ অলেখ অভিনেত্ৰীক লগ পোৱাৰ, কথা পতাৰ সুবিধা হৈছিল। যিসকলৰ একমাত্ৰ কাম অভিনয় কৰা তেওঁলোকৰ মুখত প্ৰায়েই শুনো –'এনেকুৱা পোছাক নিপিন্ধো, এনেকুৱা চৰিত্ৰত অভিনয় নকৰোঁ, মঞ্চত অভিনয় নকৰোঁ' ইত্যাদি। পোছাক আৰু চৰিত্ৰক লৈ ইমান বাছ-বিচাৰ কৰাৰ কাৰণ হ'ল – 'মানুহে কি ক'ব ?' কিন্তু মলয়া গোস্বামীয়ে 'অগ্নিস্নান' আৰু 'তৃষ্ণা' ছবিত এনেকুৱা দুটি চৰিত্ৰত অভিনয় কৰিছিল – সেই দুয়োটি চৰিত্ৰতে আমাৰ তথাকথিত অভিনেত্ৰীসকলে অভিনয় কৰিবলৈ ভয় খালেহেঁতেন। কিন্তু 'বোৱাৰী-পত্নী-মাতৃ-শিক্ষয়িত্ৰী' মলয়াই দুয়োটি চৰিত্ৰকেই স্মৰণীয় কৰি থৈ গ'ল আৰু 'মানুহেওতো একো নকলে !' কৰবাত পঢ়া মনত পৰে – 'চৰিত্ৰৰ ভাল-বেয়া, সৰু-ডাঙৰ নাথাকে, অভিনেতা-অভিনেত্ৰীৰহে ভাল-বেয়া, সৰু-ডাঙৰ থাকে। মলয়া গোস্বামীয়েই ইয়াৰ প্ৰমাণ বা উদাহৰণ।

চলচ্চিত্ৰৰ বঁটা ঘোষিত হোৱাৰ পিছদিনাই 'সূত্ৰধাৰ'ৰ সম্পাদকে নিৰ্দেশ দিছিল 'মলয়া গোস্বামীক'লৈ 'সূত্ৰধাৰ'ৰ এটি প্ৰচ্ছদ-নিবন্ধ যুগুতাবৰ বাবে। পুৰস্কাৰ লৈ অহাৰ পিছত সাক্ষাৎকাৰটি লোৱা হ'ব আৰু সংবাদ মাধ্যমত 'মলয়া ক্ৰেজ' শেষ হোৱাৰ পিছত সুত্ৰধাৰত ছপোৱা হ'ব।

সাক্ষাৎকাৰৰ বাবে শ্ৰীযুতা গোস্বামীক একাধিকবাৰ লগ ধৰি, কথা-বতৰা পাতি শেষত ঠিক কৰা হ'ল যে তেখেতে লিখিত উত্তৰ দিব। আৰু সেই মতেই এই প্ৰশ্নোত্তৰ যুগুতোৱা হ'ল।

? অভিনয় কিয় কৰে ?

❑ অভিনয় হ'ল এক কলা। এই কলাক মই আদৰ কৰো – শ্ৰদ্ধা কৰো। সমাজৰ লগত সম্পৰ্ক ৰখাত ই এটি সহজ মাধ্যম।

? এপিনৰ পৰা চাবলৈ গলে অভিনয় হ'ল অনুকৰণ আৰু পুনৰ ৰূপায়ণৰ কৌশল (CRAFT), গভীৰ অৰ্থত অভিনয় 'শিল্প' (Art)। এই কৌশলৰ পৰা শিল্পলৈ উত্তৰণৰ পথটো আপোনাৰ মতে কেনেকুৱা ?

❑ ঠিকেই – তুমি ভবাৰ দৰে অভিনয় এক অনুকৰণ পদ্ধতি আৰু পুনৰ ৰূপায়ণৰ কৌশল যাক আমি গভীৰ অৰ্থত শিল্প বুলি কওঁ। গতিকে কৌশলৰ পৰা শিল্পলৈ উন্নীত কৰাৰ গোটেই কাৰ্যটো নিৰ্ভৰ কৰিছে বিশেষকৈ শিল্পীজনৰ ওপৰত।

কৌশলটো আয়ত্ত কৰি তাৰ গভীৰতা শিল্পীজনে কেনে ধৰণে বা কিমান উপলব্ধি কৰিব পাৰিছে সেইখিনি শিল্পীজনৰ ওপৰতেই নিৰ্ভৰশীল। এটা চৰিত্ৰ বুজি উঠি কেনে ধৰণে উপস্থাপন কৰিছে আৰু দৰ্শকেও সেই চৰিত্ৰটো শিল্পীজনৰ যোগেদি কি ধৰণে গ্ৰহণ কৰিছে তাৰ ওপৰতেই অভিনয় শিল্পৰ সফলতা অথবা বিফলতা প্ৰকাশ পায়।

আনফালে এইটোও ঠিক যে অনুকৰণ আৰু পুনৰ ৰূপায়ণৰ কৌশলৰ লগত এজন শিল্পীৰ নিজস্ব বুদ্ধি আৰু গভীৰ চিন্তা-চৰ্চাৰো প্ৰয়োজন যাৰ দ্বাৰা সেই কৌশলৰ (পুনৰ ৰূপায়ণৰ) গভীৰতালৈ



*'অগ্নিস্নান'ৰ মেনকা চৰিত্ৰত মলয়া গোস্বামী*





*দুই কন্যাৰ সতে মলয়া গোস্বামী* ফটো : উৎপল দত্ত

শিল্পীজনক লৈ গৈ শিল্পৰ ৰূপ দিব পাৰে।

গতিকে এই উত্তৰণৰ পথটো যদিও দেখাত কঠিন তথাপিতো যদি এজন শিল্পীৰ এই শিল্পৰ প্ৰতি শ্ৰদ্ধা, একাগ্ৰতা আৰু সাধনা থাকে তেনেহলে গোটেই কাৰ্যটো সহজ হৈ পৰিব।

? মঞ্চৰ অভিনয় ধাৰাবাহিক আৰু ছবিৰ অভিনয় খণ্ডিত। দুই ধৰণৰ অভিনয়ৰ বাবে দুই ধৰণৰ মানসিক প্ৰস্তুতিৰ প্ৰয়োজন হয় বুলি আমাৰ ধাৰণা। আপোনাৰ মত কি ?

❑ ঠিকেই। এই দুই মাধ্যমত অভিনয়ৰ বাবে কিছু পৃথক মানসিক প্ৰস্তুতিৰ প্ৰয়োজন হয়। মঞ্চৰ অভিনয়ত গোটেই দিশটো সামগ্ৰিক ভাবে অধ্যয়ন কৰিবলগীয়া হয়। গোটেই নাটকখন মনত ৰাখি মঞ্চখনৰ সম্পৰ্কে সচেতনতা, লগতে দৰ্শকৰ লগত যিটো প্ৰত্যক্ষ যোগাযোগ ঘটে। এই সকলো দিশতে বহু আগৰে পৰা নিজকে প্ৰস্তুত কৰিবলগীয়া হয়।

ছবিৰ ক্ষেত্ৰত অভিনয় খণ্ডিত হোৱাৰ বাবে প্ৰত্যেক গৰাকী শিল্পীয়ে অভিনয়ৰ পৰিবেশ, পৰিস্থিতিৰ প্ৰতি সকলো সময়তে সচেতন, সজাগ থাকিব লাগিব।

যিহেতু ধাৰাবাহিকতা ৰক্ষা নহয় এতেকে সেই অভিনয়ৰ ধাৰাবাহিকতা অনাৰ দায়িত্ব পৰিচালকৰ লগতে বেছিখিনি নিৰ্ভৰ কৰিছে শিল্পীজনৰ ওপৰত।

? কোনখন ছবিৰ কোনটো চৰিত্ৰই (আপুনি চোৱা ছবিবোৰৰ) 'ইস্ এই চৰিত্ৰটোত মই অভিনয় কৰিবলৈ পোৱা হলে' বুলি ভাবিবলৈ বাধ্য কৰাইছিল ? কিয় ?

❑ মই চোৱা কিছু ছবিত মোক বিশেষভাবে আকৃষ্ট কৰা চৰিত্ৰ নিশ্চয় আছে। কিন্তু চৰিত্ৰটোত অভিনয় কৰা শিল্পী গৰাকীৰ অভিনয়কহে মই গুৰুত্ব দিওঁ। সেই চৰিত্ৰত নিজকে সাঙুৰি লৈ তেনে চিন্তা নকৰো। অৱশ্যে যদি মোৰ অজানিতে তেনে চিন্তা কেতিয়াবা মোৰ মনৰ মাজলৈ আহিছে – সেয়া বোধহয় চৰিত্ৰটোত থকা উল্লেখযোগ্য বৈশিষ্ট্যৰ বাবেই তেনে হয়। তেনে কোনো বিশেষ চৰিত্ৰৰ কথা উল্লেখ কৰিব পৰাকৈ মনলৈ অহা নাই।

? এই চৰিত্ৰকেইটিৰ বিষয়ে কওকচোন

মেনকা, 'মা'ৰ চৰিত্ৰটো, তৃষ্ণা, ঋতু আৰু টিংখঙৰ চৰিত্ৰটো – কি ক'ব ? চৰিত্ৰকেইটিৰ কোনবোৰ দিশে আপোনাক আকৰ্ষিত কৰিছিল ?

❑ 'মেনকা' অগ্নিস্নানৰ এক শক্তিশালী নাৰী চৰিত্ৰ যাৰ মাজেদি আমাৰ নাৰী সমাজত চলি থকা অন্যায়, শোষণৰ এক প্ৰতিবাদ দাঙি ধৰা হৈছে।

ড° ভবেন্দ্ৰনাথ শইকীয়া ছাৰৰ অন্তৰীপ উপন্যাসখন পঢ়াৰ দিনৰে পৰা এই চৰিত্ৰটোৱে মোক ব্যক্তিগত ভাবে আকৰ্ষণ কৰিছিল। উপন্যাখন পঢ়ি থাকোতেই চকুৰ আগত মেনকাৰ সেই সবল প্ৰতিমূৰ্তিটো যেন চকুৰ আগত ভাহি ফুৰিছিল। চৰিত্ৰটো এক প্ৰতিবাদৰ প্ৰতীক, সাহসৰ প্ৰতীক আৰু কঠোৰ ব্যক্তিত্বৰ প্ৰতীক যিবিলাক গুণাগুণে মোক আকৰ্ষণ কৰিছিল। লগতে চৰিত্ৰটোৰ মাজেদি সমাজলৈ যি বক্তব্য দাঙি ধৰা হৈছে সেই সমূহৰ প্ৰতিও মই বিশেষভাবে আকৰ্ষিত হৈছিলো।

মা ছবিত 'মা'ৰ চৰিত্ৰটোৰ মাজেদি এগৰাকী সন্তানহীনা মাতৃৰ বেদনা দাঙি ধৰা হৈছে। চৰিত্ৰটোৰ গুণাগুণ সম্পৰ্কে বিশেষ

কবলগীয়া নাই ।

তৃষ্ণাত – 'তৃষ্ণা' চৰিত্ৰটোৰ মাজেদি এগৰাকী বয়সে চুই যোৱা অবিবাহিতা যুৱতীৰ অন্তৰ্দ্বন্দ্ব দাঙি ধৰা হৈছে ।

চৰিত্ৰটোৰ আকৰ্ষণীয় দিশ হৈছে - মানসিক পীড়া, মানসিক সংঘাত এই সমূহক dialogueতকৈ Facial expressionৰ দ্বাৰাই ফুটাই তুলিবলৈ চেষ্টা কৰা হৈছিল। ছবিখন সম্পূৰ্ণ মনস্তাত্ত্বিক আৰু এই ধৰণৰ ছবি অসমত আগেয়ে কোনেও লোৱা নাই বুলি মই ভাবো ।

'ফিৰিঙতি'ত – ঋতুৰ চৰিত্ৰটো এগৰাকী সহজ সৰল শিক্ষয়িত্ৰীৰ চৰিত্ৰ ।

এই চৰিত্ৰটোত সৰলতাৰ মাজেদি এখন ভিতৰুৱা গাঁৱত শিক্ষা প্ৰসাৰৰ বাবে যি সাহস, ধৈৰ্যৰে ঋতুৱে গাওঁবাসীৰ সৈতে সমুখৰ পৰিস্থিতিৰ মাজত মুখা-মুখি হৈছে সেয়া এক উল্লেখযোগ্য দিশ ।

'টিংখঙত' – ৰোহিনী চৰিত্ৰটো এগৰাকী ডাক্তৰৰ চৰিত্ৰ ।

নগৰৰ বিলাসিতা এৰি নিজৰ ডাক্তৰ স্বামীৰ লগত গাঁৱৰ চিকিৎসাৰ প্ৰয়োজনীয়তা অনুভৱ কৰি গাওঁমুখী হোৱাৰ উপলব্ধিয়েই এক উল্লেখনীয় দিশ ।

? সমকালীন ভাৰতৰ কোন কোন পৰিচালকৰ ছবিত অভিনয় কৰিবলৈ আপুনি ভাল পাব আৰু কিয় ?

❑ বৰ্তমান তপন সিন্‌হা, বুদ্ধদেৱ দাসগুপ্ত, হৃষীকেশ মুখাৰ্জী, আদুৰ গোপালাকৃষ্ণণ আদিৰ দৰে পৰিচালকে ভাল ছবি নিৰ্মাণ কৰি আছে । কেতিয়াবা যদি এইসকল পৰিচালকৰ ছবিত অভিনয় কৰিবলৈ পাওঁ ভাল পাম ।

এই সকল পৰিচালকে তেওঁলোকৰ ছবিত বাস্তৱবাদ, মানৱীয় দিশৰ গুণাগুণৰ ওপৰত অধিক গুৰুত্ব দিয়া দেখা যায় । তাৰ উপৰি এইসকলৰ পৰা শিকিবলগীয়া বহুত আছে বুলি মই ভাবো ।

? ছবিৰ কাহিনী-চিত্ৰনাট্যই সম্পূৰ্ণভাৱে দাবী কৰিলেও নগ্নতা, চুম্বন আদি দৃশ্যবোৰৰ প্ৰতি আপোনাৰ মনোভাব (ক) দৰ্শক হিচাপে (খ) অভিনেত্ৰী হিচাপে আপোনাৰ কেনে হ'ব ?

❑ ইয়াৰ উত্তৰত কওঁ – দৰ্শক হিচাপে বা অভিনেত্ৰী হিচাপে এনেবোৰ দৃশ্যৰ সংযোজনৰ মই সম্পূৰ্ণ বিপক্ষে । দৰ্শক হিচাপে ভাবো এনেবোৰ দৃশ্যই দৰ্শকৰ ওপৰত এক অসুস্থ প্ৰভাৱ বিস্তাৰ কৰে । বিশেষকৈ উঠি অহা চামৰ বাবে কোনো পধ্যেই শিক্ষামূলক নহয় । লগতে বিকৃত ৰুচিৰ পৰিচায়ক । অভিনেত্ৰী হিচাপে এগৰাকী শিল্পীয়ে এনেবোৰ দৃশ্যত আগভাগ লোৱাৰ পৰা শিল্পী গৰাকীৰ সুস্থ ৰুচিৰ পৰিচয় দিয়ে বুলি নাভাবো । লগতে অভিনয়ৰ কলাত্মক দিশটোৰ গভীৰতা হ্ৰাস পায় বুলি ধাৰণা হয় । এইখিনিতে আৰু এটা কথা কওঁ – এগৰাকী শিল্পী সামাজিক ভাবে যিহেতু দায়বদ্ধ – গতিকে যদি কেৱল ব্যৱসায়িক দিশটোৰ কথা চিন্তা কৰিয়েই এনেবোৰ দৃশ্যত অৱতীৰ্ণ হয় তেনেহলে সামাজিক দায়বদ্ধতাৰ পৰা আঁতৰত থকাটো বুজাব ।

? অসমীয়া সাহিত্যৰ কোনটো চৰিত্ৰ আপুনি ছবিত ৰূপায়িত কৰিবলৈ পালে ভাল পাব ? কিয় ?

❑ একে আষাৰতে কওঁ, 'জয়মতী'ৰ চৰিত্ৰটোৱে মোক আজিও আকৰ্ষণ কৰে । কাৰণ জয়মতীৰ চৰিত্ৰটোত অসমীয়া নাৰীৰ যি ধৈৰ্য, সাহস আৰু ত্যাগৰ কাহিনী লেখা আছে সেয়া প্ৰত্যেকজন অসমীয়াৰ অন্তৰত আজিও জীৱন্ত হৈ আছে ।

অসমীয়া সাহিত্যৰ আন এটা গুৰুত্বপূৰ্ণ নাৰী চৰিত্ৰ যিটোৱে মোক খুব আকৰ্ষণ কৰিছিলে সেই চৰিত্ৰৰ ৰূপায়ণৰ আশা কিন্তু মোৰ ইতিমধ্যে সফল হৈছে । সেই চৰিত্ৰটো হৈছে ড° ভবেন্দ্ৰনাথ শইকীয়া ছাৰৰ অন্তৰীপ উপন্যাসৰ 'মেনকা'ৰ চৰিত্ৰটো ।

? প্ৰত্যেক গৰাকী শিল্পীয়ে মনৰ ভিতৰত অসন্তুষ্টি বা অপূৰ্ণতাৰ বেদনা বহণ কৰি ফুৰে । আপোনাৰ তেনে কিবা অনুভৱ ?

❑ সন্তুষ্টি, অসন্তুষ্টি, পূৰ্ণতা, অপূৰ্ণতা এইবোৰ নিশ্চয় সকলোৰে থাকে । বিশেষকৈ শিল্পী সকলৰ মাজত থকাটো খুবেই স্বাভাৱিক । কাৰণ অসমলৈ এতিয়াও শিল্পী সকলে পাবলগীয়া সা-সুবিধা আৰু এটা সুস্থ পৰিবেশ অহা নাই । শিল্পী হিচাপে ময়ো, একেবাৰে ইয়াৰ পৰা মুক্ত বুলি ক'ব নোখোজো ।

কেতিয়াবা কিবা এটা কৰাৰ প্ৰতি থকা হেঁপাহত যেতিয়া কোনো ফালৰ পৰা বাধা পাওঁ তেতিয়া কষ্ট হয় । আৰু এটা কথা কওঁ মই ব্যক্তিগতভাৱে অভিনয়ক একাগ্ৰতাৰে লৈছো আৰু সেই জগতখনক খুব পোনভাৱে সহজ-সৰল দৃষ্টিৰে চাওঁ । কিন্তু মোৰ সৰলতাৰ যদি কোনোবাই সুবিধা লয় আৰু মোৰ দৃষ্টিভঙ্গীৰ বিপৰীতে যদি তাত মেৰপাক লগাবলৈ চেষ্টা কৰে তেতিয়া ভীষণ দুখ পাওঁ । এয়া মোৰ অনুভৱ – সেই অনুভৱ তোমাক বুজাবলৈ সক্ষম হৈছো নে নাই মই নিজেই ঠিক ধৰিব পৰা নাই ।

? ভাল ছবি, ভাল অভিনয়, ভাল পৰিচালক – আপোনাৰ সংজ্ঞা কি ?

❑ ভাল ছবি ঃ যি ছবিয়ে সমাজৰ প্ৰকৃত ছবিখন দাঙি ধৰি সমাজখনলৈ এক সুস্থ বাৰ্তা বহণ কৰিব পাৰে আৰু এক সুস্থ প্ৰভাৱ পেলাবলৈ সক্ষম হয় ।

ভাল অভিনয় ঃ চৰিত্ৰটোক ভাল দৰে ফুটাই তুলি, চৰিত্ৰটোক জীৱন্ত কৰি মানুহৰ মাজলৈ সচেতনতা আনিব পাৰে আৰু কিছু হলেও অনুপ্ৰাণিত কৰিব পাৰে ।

ভাল পৰিচালক ঃ যি পৰিচালকে সামাজিক দায়বদ্ধতাৰ কথা চিন্তা কৰি ভাল ছবি নিৰ্মাণ কৰে আৰু শিল্পীসকলৰ পৰা অভিনয় প্ৰতিভাখিনি উলিয়াই আনিবলৈ সক্ষম হয় ।

? বিখ্যাত ব্যক্তিৰ ব্যক্তিগত জীৱনৰ কথা জনাৰ আগ্ৰহ সকলোৰে থাকে । আমাৰ পাঠকৰ বাবে আপোনাৰ ব্যক্তিগত জীৱনৰ কি কি খবৰ জনাবলৈ আপুনি ভাল পাব ?

❑ বিখ্যাত শব্দটোৰে নিশ্চয় তুমি মোকেই (মোৰ অভিনয়ৰ বাবে) বুজাইছা । কিন্তু এই বিখ্যাত শব্দটোৱে মোৰ ব্যক্তিগত জীৱনৰ বিশেষ কিবা পৰিবৰ্তন আনিছে বুলি নাভাবো । গতিকে মোৰ জীৱনৰ ব্যক্তিগত কিবা খবৰ পাঠকক জনাবলৈ আছে বুলিও মই নাভাবো । কাৰণ আন দহজনৰ দৰেই মই জীৱন নিৰ্বাহ কৰিছো ।

? ধৰি ললো, Dear Brutus নাটকৰ চৰিত্ৰবোৰৰ দৰে আপুনিও জীৱনটো পুনৰ আৰম্ভণিৰে পৰা আৰম্ভ কৰা সুযোগ পালে । জীৱনটো আপুনি কেনেদৰে সজাব ?

❑ জীৱনটো পুনৰ আৰম্ভণিৰে পৰা আৰম্ভ কৰাৰ সুযোগ আকৌ আহে জানো ? ঠিক আছে তোমাৰ দৰে ময়ো যদি ধৰি লওঁ তেনেহলে যিখিনি ভুল কৰিলো পুনৰ শুধৰাবলৈ চেষ্টা কৰিম । যিখিনি হেৰুৱাইছো, পোৱা নাই সেয়া পাবলৈ চেষ্টা কৰিম । তেনেদৰেই সজাব লাগিব নিশ্চয় ।





# পূজা, মেনকা, ঋতু আৰু মলয়া

## (মলয়া গোস্বামী সম্পৰ্কে)

বাদল দাস

*(শ্ৰীহোমেন বৰগোহাঞিৰ উপন্যাস/কাহিনীৰ অৱলম্বনত শ্ৰীজাহ্নু বৰুৱাৰ পৰিচালনাত নিৰ্মিত "হালধীয়া চৰায়ে বাওধান খায়" কথা ছবিখনত শ্ৰী বাদল দাসে এটি বিশিষ্ট ভূমিকাত অভিনয় কৰিছিল । এই বছৰৰ পুৰস্কৃত জাহ্নু বৰুৱাৰ 'ফিৰিঙতি'ত (যিখনত শ্ৰীমতী মলয়া গোস্বামী 'শ্ৰেষ্ঠা অভিনেত্ৰী' বুলি পুৰস্কৃত হৈছে) শ্ৰীবাদল দাসে আন এটি বৈশিষ্ট্যপূৰ্ণ ভূমিকাত অৱতীৰ্ণ হৈছে ।*

*নাট্য পৰিচালক হিচাপে লগ পোৱাৰে পৰা 'ফিৰিঙতি'ৰ সহশিল্পী লৈকে মলয়া গোস্বামীৰ সাহচৰ্যৰ পটভূমিত আগবঢ়োৱা এই চমু আলোচনাটি লেখকৰ ব্যক্তিগত ।)*

এজনী ছোৱালী আছিল দেউতাক মাকৰ একেটি সন্তান । প্ৰচুৰ পৈত্ৰিক সম্পত্তিৰ একমাত্ৰ উত্তৰাধিকাৰিণী । স্বভাৱত শান্তা, সুশীলা আৰু সুশোভনা ।

ছোৱালীজনীৰ জীৱনলৈ এদিন প্ৰেম আহিল । সাধাৰণ ডেকা ল'ৰা এজন । কিন্তু অসাধাৰণ এক উজ্জ্বল টেনিচ প্ৰতিভা । স্বাভাৱিকতেই আহিল বিৰোধ । তাৰ পিছত প্ৰতিৰোধ । আৰু শেষত অৱৰোধ ।

কিন্তু সকলো অৱৰোধৰ প্ৰাচীৰ ভাঙি ছোৱালীজনী ওলাই আহিল বাঞ্ছিতজনৰ কাষলৈ । নতুন জীৱনৰ প্ৰাণ প্ৰাচুৰ্যৰে, পিছত এৰি থৈ অহা সকলো ঐশ্বৰ্য ম্লান কৰি দিলে ।

ইপিনে এবছৰ নৌ হওঁতেই ল'ৰাজন এক অচিন হৃৎৰোগত আক্ৰান্ত হ'ল । বিশেষজ্ঞই একান্ত সঙ্গোপনে ছোৱালীজনীক ক'লে যে এই ৰোগৰ নিৰাময় নাই । জীৱন সীমিত হৈ আহিছে । প্ৰায় নিৰ্দ্ধাৰিত সময়ত প্ৰিয়জনৰ অৱধাৰিত বিয়োগৰ সমুখীন হৈ ছোৱালীজনী হতাশাত ভাঙি নপৰিল । কাৰোপৰা অনুকম্পা নিবিচাৰি আনকি বাহ্যিকভাৱে কোনো শোক প্ৰতিফলন নকৰাকৈ, প্ৰেম আৰু আনন্দেৰে প্ৰিয়জনৰ জীৱনৰ অসম্পূৰ্ণ অধ্যায়টোক পৰিপূৰ্ণতা দিলে ।

অৱৰুদ্ধ বেদনা বুকুত লৈ তিলে তিলে ভয়াবহ মুহূৰ্ত এটালৈ প্ৰিয়জনক আগুৱাই নিয়া এই ছোৱালীজনী আন কোনো নহয়– এখন নাটকৰ এটা চৰিত্ৰহে ।

নাটকখন পৰিচালনাৰ দায়িত্ব আমাৰ ওপৰত ন্যস্ত হোৱাত এদিন পৰিকল্পনাত বহিলো । বাকীবোৰ চৰিত্ৰৰ বাবে শিল্পী ঠিক হৈ গ'ল । ল'ৰাজন– অৰুণ বৰুৱা, বন্ধু– বিজু ফুকন, বান্ধৱী–



ফটো ঃ উৎপল দত্ত



OKDISCD

ৰুণু দেৱী, ডাক্তৰ –অনিল দাস, এটা চৰিত্ৰত অমূল্য কাকতি আৰু মাক অমলা কটকী। কিন্তু 'পূজা' অৰ্থাৎ সেই ছোৱালীজনী ? অজানিতে সিদিনা এটা নাম মনলৈ আহিল– মলয়া ৰাজখোৱা।

শিক্ষিতা ছোৱালী। ইতিমধ্যে গুৱাহাটীৰ নাট্যমঞ্চত কেইটামান মুখ্য নাৰী চৰিত্ৰত কৰা অভিনয়ৰ যোগেদি এক গভীৰ ৰেখাপাত কৰিবলৈ সক্ষম হোৱা মলয়া ৰাজখোৱালৈ পূজাৰ চৰিত্ৰটো আগবঢ়োৱা হ'ল।

ইয়াৰ পিছত অনুশীলন। মই বহু অভিনেত্ৰীক লগ পাইছো। পৰিচালনাও কৰিছো। কিন্তু আখৰাৰ অনুশীলনত মলয়াক লগ পোৱাৰ পৰাই বোধ হ'ল– এইজনী ছোৱালী একক– অনন্যা।

অভিনয় কুশলতাৰ উপৰিও মলয়াৰ গাত আছে সৰল আৰু নিৰহংকাৰী এক ব্যক্তি স্বাতন্ত্ৰ্য। চৰিত্ৰৰ মনস্তাত্ত্বিকতা গভীৰ ভাবে অধ্যয়ন কৰি পৰিচালকৰ পৰা নিৰ্দেশ ৰূপায়ণ কৰাত এওঁৰ কোনো ত্ৰুটি নাই।

নিতৌ সন্ধিয়া সেই সময়ত ৰুগ্না মাকৰ শুশ্ৰূষা কৰি নিশাৰ ৰন্ধা বঢ়াৰ কাম আগুৱাই থৈ মলয়া আহে। অকণো সময় অবাবত নষ্ট নকৰি অত্যন্ত নিষ্ঠা আৰু একাগ্ৰতাৰে অনুশীলন কৰি নিশা দেউতাকৰ লগত ওভতে। ক্লান্তিহীন আৰু সদা প্ৰসন্নময়ী মলয়াৰ কাৰণে এপিনে ঘৰখনৰ প্ৰতি থকা কৰ্তব্য আৰু আনপিনে নাটকৰ নিয়মিত অনুশীলন কোনোটোৱেই বিঘ্নিত হোৱা নাই। এই যৌথ দায়িত্ব পালনত কোনো পক্ষৰ পৰা অভিযোগ কৰিবলগীয়া হোৱা নাই।

সেই নাটক যেতিয়া মঞ্চত উঠিল গোটেই কেই নিশা দৰ্শকৰ মন পূজাৰূপী মলয়াৰ স্বতঃস্ফূৰ্ট অভিনয়েৰে বিহ্বল কৰি ৰাখিছিল। সেই সাফল্যৰ গুৰিতে আছিল মলয়াৰ নিষ্ঠা আৰু একাগ্ৰতা।

ইয়াৰ পিছত মলয়াৰ চিত্ৰজগতত প্ৰৱেশো এক উল্লেখনীয় পদক্ষেপ। আমি নাট্য শিল্পী, দুই এখন নাটক পৰিচালনা কৰিছো মাত্ৰ। চলচ্চিত্ৰত অভিনয় কৰিছো যদিও চিত্ৰ পৰিচালনাত হাত দিয়া নাই। মোৰ কিন্তু ইতিমধ্যে এটা ধাৰণা হৈছিল যে এনে এগৰাকী সম্ভাৱনাময়ী অভিনেত্ৰীক কোনো চিত্ৰ পৰিচালকে সুযোগ দিলে তেওঁৰ প্ৰতিভা চলচ্চিত্ৰ জগতলৈকো ব্যাপক হোৱাৰ বাট মুকলি হয় দেখোন।

মই নিজে নোৱাৰো যেতিয়া দুই এজন জনাশুনা প্ৰতিষ্ঠিত পৰিচালকক কথাটো কৈয়েই নাচাওঁ কিয় ? কিন্তু প্ৰায় ভাগৰে উত্তৰ একেটাই। এই গৰাকী মঞ্চসফল অভিনেত্ৰী পৰ্দাৰ বাবে উপযুক্ত নহয়। হায় বিধাতা ! পৰিচালকসকলৰ সেই মন্তব্যত নিশ্চয় বিধাতা পুৰুষে সিদিনা মিচিকিয়া হাঁহি মাৰিছিল।

ইয়াৰ পিছতেই মলয়াৰ চিত্ৰজগতত প্ৰৱেশ। (ইতিমধ্যে মলয়া ৰাজখোৱা বৈবাহিক সূত্ৰত গোস্বামী হৈছে) এইবাৰ ডঃ ভবেন্দ্ৰ নাথ শইকীয়াৰ ছবিৰ বাবে। কথাতে কয় "জহুৰীয়ে জহৰ চিনে"। তথাকথিত Technical taboo লৈ কাণ নিদি মলয়াৰ কাৰণে ডঃ শইকীয়াই 'অগ্নিস্নান'ত এটা যেনিবা প্ৰত্যাহ্বান জনালে। প্ৰত্যাহ্বান এই কাৰণেই ক'ব লগীয়া হৈছে যে ই আছিল মলয়াৰ স্ব-ব্যক্তিত্বৰ পৰিপন্থী আহ্বান। সম্পূৰ্ণ বিপৰীত ধৰ্মী চৰিত্ৰ এটা বিশ্বাসযোগ্যতাৰে ফুটাই তুলিবলগীয়া প্ৰত্যাহ্বান গ্ৰহণ কৰিছিল এইজনী সাদৰী অভিনেত্ৰীয়ে। কিন্তু প্ৰতিভা– প্ৰতিভাই।

নিতান্ত সৎ স্বভাৱৰ অভিনেতায়ো সফল খলনায়কৰ ৰূপ দিয়াত দক্ষতা প্ৰদৰ্শন কৰাৰ দৰেই মলয়া গোস্বামীয়েও বিতৰ্কিত চৰিত্ৰ এটা অতি বিশ্বাসযোগ্যতাৰে অভিনয় কৰি দেখুৱালে।

কাৰো কাৰো মতে সেইখনৰ অভিনয়তেই মলয়াই শ্ৰেষ্ঠা অভিনেত্ৰীৰ সন্মান অৰ্জন কৰিব লাগিছিল। কিন্তু যিহেতু ছবিখনত বিজু ফুকনৰ চৰিত্ৰটোও আন এটা বলিষ্ঠ শক্তিশালী চৰিত্ৰ, আৰু যিহেতু ফুকনেও নিষ্ঠাৰে ৰূপায়ণ কৰাত ত্ৰুটি ৰখা নাছিল, এই দ্বৈত প্ৰকাশত নাৰী চৰিত্ৰটোৰ প্ৰতি গুৰুত্বপূৰ্ণ সন্তোলনৰ ব্যাঘাত ঘটিল। ইংৰাজীত ইয়াকেই Subdued Characterisation বোলে। সেই বাবেই বোধহয় তেওঁৰ অভিনয়ে সিদিনাই বাঞ্ছিত স্বীকৃতি নাপালে।

ইয়াৰ পিছত 'মা' ছবিখনত মলয়াৰ অভিনয় বেয়া হোৱা নাছিল। কিন্তু সেই অভিনয়েও বৈশিষ্ট্য অৰ্জন কৰিব নোৱাৰিলে। এই কথা বহলাই নকৈ– ইয়াকে মাথোন ক'ব পাৰি যে শিল্পী যিমানেই সুদক্ষ নহওক কিয়, পৰিচালকে সেই শিল্পীক যথাযথ ভাবে exploit কৰি অভিনয়ৰ সুযোগ দিব লাগে। এই ক্ষেত্ৰত ডঃ ভবেন্দ্ৰ নাথ শইকীয়াৰ ওচৰত অসমীয়া চিত্ৰজগত চিৰদিন ঋণী হৈ থাকিব।

এদিনৰ কথা। আমাৰ ঘৰলৈ জাহ্নু বৰুৱা আহিল। লগত প্ৰযোজক শৈলধৰ বৰুৱা। 'ফিৰিঙতি' নামৰ তেওঁলোকৰ পৰৱৰ্তী ছবিখনৰ বাবে– আমি দুজনক (মই আৰু পত্নী শ্ৰীমতী গিৰিজা দাস) চুক্তিবদ্ধ কৰিবলৈ।

কথা প্ৰসঙ্গত গল্পটোৰ সামান্য আভাস পালো। লগতে পালো চুক্তিবদ্ধ হোৱা অন্যান্য শিল্পী সকলৰ নাম। মনটো আনন্দত উৎফুল্লিত হৈ পৰিল, যেতিয়া গম পালো ছবিখনৰ প্ৰাণকেন্দ্ৰ চৰিত্ৰটোৰ বাবে নিৰ্বাচিত হৈছে মলয়া গোস্বামী। জাহ্নু বৰুৱাৰ ছবি, শৈলধৰ বৰুৱাৰ প্ৰযোজনা আৰু মুখ্য ভূমিকাত মলয়া গোস্বামী। ভাবিলো এইবাৰ ত্ৰ্যহ্যস্পৰ্শ নঘটাকৈ থাকিব নোৱাৰে।

ইয়াৰ পিছত দিনৰ পিছত দিন ধৰি প্ৰায় এমাহৰো ওপৰ কাল গুৱাহাটীৰ ব্যস্ততাৰ পৰা দূৰৈৰ লাওগাঁৱত জাহ্নু বৰুৱাৰ 'ফিৰিঙতি' বাহিনীটোৱে বাহৰ পাতি লৈছে। লাওগাঁও, শিঙিমাৰি, মহাৰাণী আদি দাঁতিকাষৰীয়া গাওঁবোৰত দুৰ্বাৰ গতিত চিত্ৰ গ্ৰহণ কৰি গৈছে।

কাম কৰা কলেজখনৰ পৰা মলয়াই ছুটী ললে। সাময়িক ভাবে ছুটী ললে স্বামী আৰু দুটি মৰম লগা কন্যা সন্তানৰ পৰা। কৰ্মক্ষেত্ৰৰ পৰা দূৰৈত, পৰিয়ালৰ পৰা আঁতৰত মলয়াই সম্পূৰ্ণ গাঁৱৰ পৰিবেশতেই ঋতুৰ চৰিত্ৰটোত নিমগ্ন হৈ গ'ল। যেনিবা কেমেৰাৰ সমুখত নহয়, এক বাস্তৱ জীৱনৰ সমুখীন হ'ল 'মাষ্টৰনী' মলয়াই। তেওঁ এগৰাকী শিক্ষয়িত্ৰী। হাজাৰ প্ৰতিকূলতাৰ মাজেদি কাম কৰি যাব। এয়াই যেন আছিল জীৱনৰ লক্ষ্য আৰু একমাত্ৰ সংকল্প।

এক বিৰল প্ৰতিভাৰ অধিকাৰীয়েই নহয় আৰু এক বিৰল গুণৰ অধিকাৰীও মলয়া, সেয়া– নিৰহংকাৰ। কেন্দ্ৰীয় চৰিত্ৰটোত অভিনয় কৰিছে বুলি কোনো অহৈতুকী ভেম নাই। 'মেডাম' হৈ আচুতীয়া কোনো সুযোগ বিচৰাৰ মানসিকতা নাই। ইমান খাটিব লগা চৰিত্ৰ এটা কৰিবলগীয়া হৈছে। তাকো প্ৰাকৃতিক দুৰ্যোগৰ মাজেদিও। ঠেঁটুৱৈ ধৰা শীত, অথচ মাজে মাজে ধুমুহা বৰষুণৰ প্ৰতিকূলতাকো সমুখত লৈ। কিমানখিনি কঠোৰ পৰিশ্ৰম কৰিবলগীয়া হৈছিল তাক দেখাজনেহে দেখিছে। অথচ হাঁহি মুখে সকলোৰে সৈতে অন্তৰঙ্গতাৰে কাম কৰি গৈছে। সেয়েহে প্ৰতিটো দৃশ্যত সহশিল্পী কলাকুশলী সকলৰ পূৰ্ণ সহযোগিতা আদায় কৰি লব পাৰিছে।

খোৱা-বোৱাতো একো ওজৰ-আপত্তি নাই। ব্যৱহাৰত শিল্পী কলাকুশলী কোনো ভেদা-ভেদ নাই। আটাইৰে সৈতে শাৰী পাতি বেঞ্চত বহি খাইছে। সকলোৰে প্ৰতি সমান শ্ৰদ্ধা প্ৰদৰ্শন। হাঁহি মাতি কথা বতৰা হয়। আনকি 'লাইট বয়' আৰু কেম্পৰ ৰান্ধনি লিগিৰা ল'ৰা পৰ্যন্ত মলয়া বাইদেউৰ নামত গদ্গদ্। গোটেই শিবিৰটোৰ মাজত জাহ্নু বৰুৱাৰ নিয়ন্ত্ৰিত সাম্যবাদৰ নমুনা বিৰাজমান।

এদিনৰ চিত্ৰগ্ৰহণৰ কথা।

লক্ষ্য চৌধুৰী প্ৰমুখ্যে গাঁৱৰ তিনি গৰাকী বুঢ়া মেথা আহঁতৰ তলত দৈনন্দিন তাছৰ আড্ডাত ব্যস্ত। এনেতে সেইপিনে মাষ্টৰনী পাৰ হওক। তেওঁ ককাসকলক মাত লগালে। ককাসকলেও এই সুযোগতে মাষ্টৰনীৰ পৰা 'এটম-বম'ৰ কথা জানিব খুজিলে। মাষ্টৰনীয়ে কৰিলে কি আথেবেথে বহিল। 'সিমান নাজানো' বুলি কৈ মাটিত পৰি থকা কাঠি এডাল বুটলি লৈ সেই গাঁৱলীয়া অশিক্ষিত বুঢ়াসকলক ইলেক্ট্ৰন, প্ৰটন আদি বুজাবলৈ ধৰিলে।

দিনটোৰ শ্বুটিং শেষ হ'ল। ক্লান্ত শিল্পী সকল কেম্পলৈ উভতিল। জা-জলপান খাই ঠেঁটুৱৈ ধৰা জাৰত জুই একুৰাৰ চাৰিওফালে বহিল। অভিনেতা লক্ষ্য চৌধুৰীয়ে তেওঁৰ চিৰাচৰিত ৰসাল কথন ভঙ্গীত দিনটোৰ অভিজ্ঞতাৰ বৰ্ণনা দি কলে : বুইছা, মলয়াই সৰু ল'ৰা-ছোৱালীবোৰক পঢ়ুৱাই থকা চিনবোৰ দেখিলো। কিন্তু আমাৰটোতহে আচৰিত। তেওঁ কৈ গ'ল : মলয়াই যেতিয়া কিবা এডাল তুলি মটিত আঁক-বাক মাৰি আমাৰ বুঢ়াকেইটাক এটম বমৰ কথা ক'ব আৰম্ভ কৰিলে বিশ্বাস কৰা, মোৰ নিজকে অশিক্ষিত বুঢ়া এটাৰ দৰেই লাগি গ'ল। মই যেন একো নাজানো। মলয়াৰ পৰাহে এইবোৰ শিকিলো এনে যেন লাগিল।"

লক্ষ্য চৌধুৰীৰ দৰে অভিজ্ঞ এজন পৰিচালক তথা সহ অভিনেতাৰ এই কুণ্ঠাহীন স্বীকৃতিয়ে কি সূচায় বাৰু ?

মলয়াই দিনটোৰ চিত্ৰ গ্ৰহণৰ সমাপ্তিত নিৰ্দ্ধাৰিত গাড়ীত নুঠি শিল্পী কলাকুশলী আটাইৰে লগত প্ৰায়ে খোজকাঢ়ি বাহৰলৈ ওভতে। কান্ধত সাজপাৰ, টুকিটাকি আদি ভৰোৱা এটা মেটমৰা মোনা লৈ খোজকঢ়া মলয়াক দেখিলে কোনে ক'ব দিনটোৰ কঠোৰ পৰিশ্ৰমৰ অন্তত ক্লান্ত দেহ মন লৈ ওভতা এইজনী নায়িকা। যাৰ ওপৰত সমগ্ৰ চিত্ৰখনৰ সফলতা বিফলতা ভালেখিনি নিৰ্ভৰ কৰিছে।

মলয়াৰ এই স্বভাৱটোৱে শিক্ষয়িত্ৰীৰ চৰিত্ৰটো অত্যন্ত সফলতাৰে ফুটাই তোলাত কিমানখিনি অৰিহণা যোগাইছিল তাক 'ফিৰিঙতি' চোৱাজনে বুজিব পাৰিব। নিজৰটোৰ বাহিৰেও অন্যান্য চৰিত্ৰবোৰৰ মানসিকতা অধ্যয়ন, প্ৰাসংগিকতা বিচাৰ, পৰিবেশ পৰ্যবেক্ষণ– ইয়াৰ ওপৰত পৰিচালকৰ লগত কৰিবলগীয়া অভিনয় সম্পৰ্কে খুটিনাটি আলোচনা– এইখিনি মলয়াৰ নিজস্ব বৈশিষ্ট্য।

গাঁওবোৰৰ যিকেইটা ঘৰত মলয়াৰ চিত্ৰগ্ৰহণ কৰিবলগীয়া হৈছে তাতেই জিৰণি পৰত তেওঁ ঘৰৰ তিৰোতা মানুহ খিনিৰ লগত এটা স্বাভাৱিক সম্পৰ্ক গঢ়ি তুলিছিল যাতে তেওঁলোকক বুজিবলৈ সহজ হয়। 'মহাৰাণী' নামৰ গাঁওখনৰ এটা দৰিদ্ৰ পৰিয়ালৰ কথা। মাইকী মানুহ খিনিয়ে আমাক চাহ কৰি খুৱালে। কিন্তু মলয়াক ভিতৰলৈ লৈ গৈ টিপতে গাখীৰ খুৱালে। আমি ধেমালি কৰি এই বিশেষ মৰমৰ কাৰণ সোধাত যি উত্তৰ দিলে তাৰ মৰ্মাৰ্থ হ'ল "মাষ্টৰনীয়ে দিনটো ইমান কষ্ট কৰি কাম কৰি আছে। অলপ গাখীৰ খালে গাটোত বল পাব।" ইয়াৰ উপৰিও পিঠা লাৰু সান্দহ আদিতো আছেই। সেই মানুহখিনিৰ. থ্লেমাৰ সম্পৰ্কে কোনো ধ্যান ধাৰণা নাই। চিনেমা ষ্টাৰ সম্পৰ্কেও কোনো কৌতূহল বা ঔৎসুক্য নাই। তেওঁলোকৰ বাবে মলয়া মাষ্টৰনী। চকুৰ আগতে দেখি আছে কিমান কষ্ট কৰিছে "মাইজনীয়ে"। এইজনীয়েই ঋতু মাষ্টৰনী ওৰফে মলয়া গোস্বামী।

'ফিৰিঙতি'ৰ শীৰ্ষক গীতটিৰ দৃশ্যগ্ৰহণৰ দিনা। সেইদিনা গুৱাহাটীৰ পৰা চলন্ত ট্ৰেনত গৈ থকা ঋতু মাষ্টৰনীৰ দৃশ্য গ্ৰহণ কৰি কৰিয়েই ছবিখনৰ চিত্ৰ গ্ৰহণৰ সামৰণি মৰা হৈছিল। সেই দৃশ্যটিত মলয়াৰ চিন্তাক্লিষ্টতা, ভাবাবেগ পৰিবৰ্তন, অতীত ৰোমন্থনৰ উচুপনি আদি বিভিন্ন অভিব্যক্তি ছবিখনৰ এক সম্পদ হৈ থাকিব। সেইদিনা প্ৰতিজন শিল্পীয়ে অন্তৰেৰে সৈতে অনুভৱ কৰিছিল যে মলয়াৰ অভিনয় এইবেলি স্বীকৃত হ'বই হ'ব।

বাঙ্গালোৰত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ ইণ্ডিয়ান পেনোৰামাত প্ৰদৰ্শিত হোৱাৰ পিছতেই বিভিন্নজনে 'ফিৰিঙতি'ৰ ওপৰত আৰু তাত অভিনয় কৰা মলয়াৰ বিষয়ে কৰা ভূয়সী প্ৰশংসা নিজকাণে শুনি এই ধাৰণা আমাৰো দৃঢ়তৰ হ'ল। আৰু তাৰেই ফলশ্ৰুতি সৰ্বভাৰতীয় স্তৰত যথাক্ৰমে ছবিখন দ্বিতীয় শ্ৰেষ্ঠ ছবি আৰু মলয়ালৈ শ্ৰেষ্ঠা অভিনেত্ৰীৰ পুৰস্কাৰ। ইয়াকেই কয় Poetic justice.

কোনো কোনো ব্যক্তি তথা শিল্পীৰ জীৱনলৈ খ্যাতিয়ে কেতিয়াবা দুঃসংবাদো কঢ়িয়াই আনে। প্ৰভুত প্ৰশংসাই আনে বিভ্ৰান্তি। সৃষ্টিৰ পথত প্ৰশস্তি হৈ উঠে অন্তৰায়। কিন্তু মলয়া গোস্বামীহঁত যি জাতৰ শিল্পী– তেওঁলোক ইয়াৰ ব্যতিক্ৰম। তেওঁৰ লগতে এইবাৰ অসমলৈ পুৰস্কাৰ কঢ়িয়াই অনা গৌতম বৰা, সঞ্জীৱ হাজৰিকা, জাহ্নু বৰুৱাহঁতো এই জাতৰে। তেওঁলোকে ভালদৰেই জানে যে এয়া তেওঁলোকৰ আৰম্ভণিহে। কৰিবলগীয়া আৰু বহুত আছে।


সাম্প্ৰতিক ভাৰতীয় নাটক আৰু
নাট্যকাৰৰ ওপৰত

ড° তড়িৎ চৌধুৰীৰ

*মননশীল নিবন্ধ পুথি*

## নাট্যমুক্তি

নাট্যপ্ৰেমীসকলৰ বাবে এখন
অপৰিহাৰ্য গ্ৰন্থ
মূল্য : ২০.০০ টকা

প্ৰকাশক : শ্যাম বুক ষ্টল।
বৰপেটা ৰোড।



সূত্ৰধাৰ ০ ১–১৫ জুলাই, ১৯৯২

# প্ৰসঙ্গ ঃ মলয়া বাইদেউ

নয়ন প্ৰসাদ

১৯৭৬ চনৰ কথা । নিউ আৰ্ট প্লেয়াৰ্ছৰ শিল্পীসকলে পৰিৱেশন কৰিব মোহন ৰাকেশৰ বিখ্যাত হিন্দী নাট 'আষাঢ় কা এক দিন'ৰ অসমীয়া অনুবাদ 'উপেক্ষিতা মল্লিকা' । অনুবাদ আৰু পৰিচালনা দেব কুমাৰ নাথৰ । শিল্পী সকলৰ মাজত মোৰ মা আছে । সেই সময়তেই নাটকৰ প্ৰতি অনুৰাগ আৰু নিউ আৰ্ট প্লেয়াৰ্ছৰ প্ৰতি আকৰ্ষণ জন্মিছে । মঞ্চৰ আঁৰৰ সৰু-সুৰা কামৰ দায়িত্ব পাইছো । আৰু তেতিয়াই প্ৰথম মলয়া বাইদেউৰ সতে দেখা । আৰু একেলগেই মোহন ৰাকেশৰ নাট আৰু মলয়া বাইদেউৰ অভিনয়ত মুগ্ধ হ'লো । অভিনেত্ৰী হিচাপে মলয়া বাইদেউৰ প্ৰথম কেন্দ্ৰীয় চৰিত্ৰ 'মল্লিকা' । মলয়া বাইদেউৰ 'মল্লিকা' সম্বন্ধে কেইটামান মতামত–

"New Find Malaya Rajkhowa as Mallika Showed Promise" (The Assam Tribune)

"মল্লিকাৰ ৰূপত নব আৱিষ্কৃত মলয়া ৰাজখোৱা নিঃসন্দেহে ভৱিষ্যতৰ এক উজ্জ্বল চিনাকি" (নতুন অসমীয়া)

সেয়াই আৰম্ভণি, ইয়াৰ পাছত মলয়া বাইদেৱে উভতি চাব লগা হোৱা নাই । নিউ আৰ্ট প্লেয়াৰ্ছৰ 'এ ভিউ ফ্ৰম দ্য ব্ৰীজ', 'লভিতা' কিংশুক প্ৰযোজিত 'ফল্গু' আৰু 'এতিয়া হঠাৎ সন্ধ্যা' আৰু শৌভিক প্ৰযোজিত 'মৃণাল মাহী' নাটত অভিনয়েৰে মলয়া বাইদেৱে অসমৰ মঞ্চ জগতত এক সুকীয়া স্থান অধিকাৰ কৰিলে । দক্ষ মঞ্চাভিনেত্ৰী ৰূপে ডাঃ সান্ত্বনা বৰদলৈ, মলয়া ৰাজখোৱা আৰু ৰুণুদেৱী– এই তিনিটা নাম নাট্যমোদী দৰ্শকৰ আলোচনাত আৰু গ্ৰুপ থিয়েটাৰৰ কৰ্মী সকলৰ মাজত নিয়মিতভাবে উচ্চাৰিত হ'বলৈ ধৰিলে ।

'উপেক্ষিতা মল্লিকা'ত মহাকবি কালিদাসৰ প্ৰেমিকা মল্লিকা আৰু পিছৰখন নাটতে সম্পূৰ্ণ বিপৰীত মেৰুৰ এটি চৰিত্ৰ ৰূপায়ণেৰে মলয়া বাইদেৱে নিজৰ অভিনয় ক্ষমতাৰ প্ৰমাণ দিলে । আৰ্থাৰ মিলাৰৰ নাট 'এ ভিউ ফ্ৰম দ্য ব্ৰীজ' এখন জটিল নাট । নিউইয়ৰ্ক চহৰৰ ওচৰৰ ব্ৰুকলীন ব্ৰীজৰ দাঁতিত বাস কৰা আৰু জাহাজত বনুৱা হিচাপে কাম কৰা এডি কাৰ্বন নামৰ মানুহজনে, তেওঁৰ ঘৰতে থকা ভাগিনীয়েক কেথেৰিনৰ প্ৰতি অন্তৰত পুহি ৰখা ভালপোৱাক লৈ নাটকৰ বিষয়বস্তুৱে গঢ় লৈ উঠিছে । আমেৰিকীয় সমাজৰ প্ৰতিনিধি কেথেৰীনৰ চৰিত্ৰ ৰূপ দিছিল মলয়া বাইদেৱে । দৈনিক অসম কাকতত ডঃ শৈলেন ভড়ালীয়ে লিখিছিল– "কেথেৰিনৰ চৰিত্ৰ ৰূপায়ণ কৰা মলয়া ৰাজখোৱাই এটি বিদেশী পৰিৱেশৰ সৈতে নিজকে খাপ খুৱাই ল'ব পাৰিছিল ।"

নিউ আৰ্ট প্লেয়াৰ্ছৰ 'পেপাৰ কাটিং' গাঁঠি থোৱা বহীখন লুটিয়াই চাই দেখিলো– 'ভিউ ফ্ৰম দ্য ব্ৰীজ' কৰাৰ পাছতে 'সুন্দৰম' নামৰ আলোচনী এখনত তেখেতৰ সাক্ষাৎকাৰ প্ৰকাশিত হৈছিল । তাৰে দুটামান লাইন তুলি দিছো ।

❑ উপেক্ষিতা মল্লিকা ঃ মল্লিকাৰ চৰিত্ৰটোৱে মোক বিশেষভাবে আকৃষ্ট কৰিছিল আৰু সেই চৰিত্ৰটো ৰূপায়িত কৰি মোৰ ভীষণ ভাল লাগিছিল ।

❑ প্ৰেৰণা ঃ মা-দেউতা বা আমাৰ ঘৰখনে অভিনয়ৰ প্ৰতি মোৰ এই হেঁপাহক বাধা নিদিয়ে আৰু আচলতে সেয়াই মোৰ প্ৰেৰণা ।

❑ অভিনয় ঃ মোক অভিনয় কৰিবলৈ শিকোৱা প্ৰতিজন পৰিচালকেই মোৰ শ্ৰদ্ধেয় । আনহাতে নিউ আৰ্ট প্লেয়াৰ্ছক শ্ৰদ্ধাৰে সুঁৱৰিছো ।

❑ বিয়া ঃ বিয়া হোৱাৰ পিছত যদি গম পাওঁ, অভিনয় কৰাটো তেখেতে নিবিচাৰে, তেনে হ'লে মই তেওঁক বুজাই ল'ম । বুজাব পাৰিম বুলি মোৰ আত্মবিশ্বাস আছে । কাৰণ প্ৰকৃত কলাৰ সাধনাত পাপ বা কলুষতা নাই ।

জ্যোতি প্ৰসাদৰ 'লভিতা' মলয়া বাইদেউৰ অভিনয় জীৱনৰ আন এক মাইলৰ খুঁটি । সত্য প্ৰসাদ বৰুৱাৰ 'মৃণাল মাহী'ত সন্তানৰ বাবে হাহাকাৰ কৰা এগৰাকী নাৰীৰ বেদনাখিনি মলয়া বাইদেৱে দক্ষতাৰে ফুটাই তুলিছিল । সেই নাটখন মঞ্চস্থ কৰিবৰ বাবে আমি নগাওঁলৈ গৈছিলো । মঞ্চ অথবা মঞ্চৰ বাহিৰত মলয়া বাইদেউৰ সুন্দৰ, অমায়িক ব্যৱহাৰে সদায় মোহিত কৰিছিল । সাধাৰণতে নাটকৰ অভিনেতা অভিনেত্ৰী আৰু মঞ্চৰ আঁৰৰ মানুহখিনিৰ মাজত অলপ ব্যৱধান থাকি যায় । মলয়া বাইদেউৰ ক্ষেত্ৰত এয়া নাছিল । আমি যেন একেটা দলৰ, একেটা পৰিয়ালৰ– তেখেত যেন আমাৰ নিজা বাইদেউ– এনে এটা পৰিৱেশ গঢ় লৈ উঠিছিল । মঞ্চৰ আঁৰৰ খুটি-নাটিবোৰ মলয়া বাইদেৱে খৰচি মাৰি বুজি লৈছিল ।

আজিৰ চামে মলয়া বাইদেউক মঞ্চত দেখা নাই । বাইদেউ কৰ্মসূত্ৰে এতিয়া জাগীৰোডত । আগৰ নিচিনাকৈ দেখা-সাক্ষাৎ নহয় । তথাপিও কৰবাত এক যোগসূত্ৰ আছে । আমি বাইদেউৰ খবৰ ৰাখো– আমাৰ খবৰ বাইদেৱে ৰাখে । সাফল্যৰ বতৰা শুনি দুয়ো পক্ষ আনন্দিত হওঁ । আৰু এই আত্মীয়তা, চেনেহ– থিয়েটাৰৰ পৰা গঢ় লৈ উঠা । থিয়েটাৰ কৰা মানুহখিনি যেন আমি একেটা পৰিয়ালৰে ।



'উপেক্ষিতা মল্লিকা'ত মলয়া আৰু নীৰেণ বৰুৱা





# বিদেশী নাগৰিকৰ সমস্যা, অসম চুক্তি আৰু ইয়াৰ উত্তৰ কাল

ধ্ৰুব প্ৰসাদ বৈশ্য

## সমস্যাটোৰ ওপৰত আলোকপাত

অসমলৈ বাংলাদেশ আৰু নেপালৰ পৰা হোৱা অপ্ৰতিৰোধ্য অবৈধ জনপ্ৰব্ৰজন ৰাজ্যখনৰ খিলঞ্জীয়া জনসাধাৰণৰ পৰিচয়ৰ প্ৰতি এক ভয়ংকৰ ভাবুকি স্বৰূপ হৈ পৰিছে । ১৯০১ চনৰ পৰা ১৯৭১ চনলৈ এই সত্তৰ বছৰত লোক পিয়লৰ হিচাপ মতে, অসমৰ জনসংখ্যা বৃদ্ধিৰ হাৰ হ'ল ৩৪৪.৫৮% আৰু ভাৰতবৰ্ষৰ জনসংখ্যাৰ ৰাষ্ট্ৰীয় বৃদ্ধিৰ হাৰ হ'ল–১২৯.৬৭% অসমত বিদেশী নাগৰিকৰ বহিষ্কাৰৰ দাবীত চলা অভূতপূৰ্ব গণ আন্দোলনৰ বাবে, ১৯৮১ চনত ৰাজ্যখনত লোক পিয়লৰ কাম বন্ধ আছিল । ১৯৯১ চনৰ লোক পিয়লৰ প্ৰতিবেদন প্ৰকাশ হোৱা নাই । ১৯৯১ চনৰ লোক পিয়লে যে, জনসংখ্যা বৃদ্ধিৰ এক ভয়ংকৰ চিত্ৰহে দাঙি ধৰিব ই নিশ্চিত ।

জনসংখ্যাৰ ৰাষ্ট্ৰীয় বৃদ্ধিৰ হাৰৰ লগত অসমৰ বৃদ্ধিৰ হাৰৰ তুলনা–

তালিকা নং ১ দেশ বিভাজনৰ পূৰ্বৰ

| চন | জনসংখ্যা/ভাৰত | এটা দশকত শতকৰা প্ৰভেদ | জনসংখ্যা/অসম | এটা দশকত শতকৰা প্ৰভেদ |
|---|---|---|---|---|
| ১৯০১ | ২৩৮৩৯৬৩২৭ | | ৩২৮৯৬৮০ | |
| ১৯১১ | ২৫২০৯৩৩৯০ | + ৫.৭৫ | ৩৮৪৮৬১৭ | + ১৬.৯৯ |
| ১৯২১ | ২৫১৩২১২১৩ | – ০.৩১ | ৪৬৩৬৯৮০ | + ২০.৪৮ |
| ১৯৩১ | ২৭৮৯৭৭২৩৮ | + ১১.০০ | ৫৫৫০৩৭১ | + ১৯.৯১ |
| ১৯৪১ | ৩১৮৬৬০৫৮০ | + ১৪.২২ | ৬৬৯৪৭৯০ | + ২০.৪০ |

তালিকা নং ২ দেশ বিভাজৰ পিছত

| চন | অসমৰ জনসংখ্যা | এটা দশকত অসমত শতকৰা প্ৰভেদ | এটা দশকত ভাৰতত শতকৰা প্ৰভেদ |
|---|---|---|---|
| ১৯৫১ | ৮০২৮৮৫৬ | ১৯.৯৩ | ১৩.৩১ |
| ১৯৬১ | ১০৮৩৭৩২৯ | ৩৪.৯৮ | ২১.৬৪ |
| ১৯৭১ | ১৪৬২৫১৫২ | ৩৪.৯৫ | ২৪.৮০ |

ওপৰৰ তালিকা দুখনত দেখা গ'ল যে, অসমৰ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ সৰ্বভাৰতীয় বৃদ্ধিৰ হাৰতকৈ যথেষ্ট বেছি । এই বৃদ্ধি, জন্মৰ দ্বাৰা হোৱা স্বাভাৱিক বৃদ্ধি নহয় । অসমৰ বাহিৰৰ ৰাজ্যসমূহ তথা পৰৰাষ্ট্ৰৰ পৰা হোৱা জন প্ৰব্ৰজনে, অসমৰ জনসংখ্যা স্ফীত কৰি তুলিছে । স্বাধীনতাৰ আগেয়ে অখণ্ড ভাৰতৰ পূৰ্ব বংগৰ পৰা অসমলৈ যি জন প্ৰব্ৰজন ঘটিছিল, দেশ বিভাজনৰ পিছত, পাকিস্তানৰ জন্ম হোৱাৰ পিছতো পূব পাকিস্তানৰ পৰা অহৰ্নিশে অবৈধ বিদেশী নাগৰিকৰ অনুপ্ৰৱেশ ঘটি থাকিল ।

আজিৰ বাংলাদেশ অৰ্থাৎ পূৰ্বৰ পূব পাকিস্থানৰ জিলা ভিত্তিক জনসংখ্যা বৃদ্ধিৰ হাৰ পৰীক্ষা কৰিলে, দেশখনৰ কেইখনমান জিলাৰ পৰা যে, অসম আৰু চুবুৰীয়া ৰাজ্য সমূহলৈ ব্যাপক হাৰত জন প্ৰব্ৰজন ঘটিছে ই ধৰা পৰে ।

পূব পাকিস্তানৰ জিলা সমূহত, স্বাভাৱিকতে, জনসংখ্যা বৃদ্ধিৰ হাৰ কম-বেছি পৰিমাণে সমান হ'ব লাগিছিল । কিন্তু দেখা গ'ল যে, জিলাসমূহত জনসংখ্যা বৃদ্ধিৰ হাৰৰ যথেষ্ট তাৰতম্য ঘটিছে । এই তাৰতম্যই এই সত্যকে সহজে ধৰা পেলায় যে, সেই দেশখনৰ কেইখনমান জিলাৰ পৰা অসম আৰু দাঁতিকাষৰীয়া ৰাজ্য সমূহলৈ ব্যাপক হাৰত অবৈধ জন প্ৰব্ৰজন ঘটিছে ।

একেদৰে নেপালৰ পৰাও বিৰামবিহীনভাবে, সেই দেশৰ নাগৰিকৰ অসমলৈ অবাধ অবৈধ অনুপ্ৰবেশ ঘটি আছে ।

পাৰ পত্ৰ, ভিচা আদি কোনো ধৰণৰ অনুমতি পত্ৰ নোলোৱাকৈয়ে লক্ষ লক্ষ বিদেশী নাগৰিকৰ অনুপ্ৰবেশে অসমত আজি এক ভয়ংকৰ জনবিস্ফোৰণ ঘটাইছে । ইয়াৰ পৰিণতিত অসমৰ জন গাঁথনিৰ অভাৱনীয় পৰিবৰ্তন ঘটিছে । অসমৰ খিলঞ্জীয়া লোকসকলৰ ভাষা, সংস্কৃতি ভয়াবহ বিপদৰ সমুখীন হৈছে । খিলঞ্জীয়া লোকসকলৰ অস্তিত্বৰ ভেটি দুৰু দুৰুকৈ কঁপি উঠিছে । অৰ্থনৈতিক দিশতো অনুপ্ৰবেশে বিপজ্জনক পৰিস্থিতিৰ সৃষ্টি কৰিছে । ভূমিৰ ওপৰত অবাঞ্ছিত হেঁচা পৰিছে । অসমৰ অৰ্থনীতি মূলঃ কৃষিভিত্তিক । ঔদ্যোগিক ক্ষেত্ৰত ৰাজ্যখন একেবাৰে পিছপৰা । ৰাজ্যখনৰ সৰহ সংখ্যক লোক কৃষিৰ ওপৰত নিৰ্ভৰশীল । অনুপ্ৰবেশৰ ফলত ৰাজ্যখনৰ কৃষি ভূমিৰ ওপৰত প্ৰচণ্ড হেঁচা পৰিছে পৰিণামত খিলঞ্জীয়া লোকসকলৰ ভৱিষ্যতৰ বাবে প্ৰয়োজনীয় কৃষি-ভূমিৰ পৰিসৰ সংকুচিত হৈ পৰিছে । বছৰ বছৰ ধৰি বানপানীৰ ফলত গৃহহীন হৈ পৰা হেজাৰ হেজাৰ লোকৰ পুনৰ্সংস্থাপনৰ বাবে মাটিৰ অভাৱ বাৰুকৈয়ে পৰিলক্ষিত হৈছে । অথচ, অবৈধ বিদেশীয়ে ইয়াত প্ৰচুৰ খেতিৰ মাটি বেদখল কৰি সুন্দৰ ছহ্স্বান্দ্য জীৱন যাপন কৰিছে । "...... কিন্তু সেই বুলি ইতিহাসৰ এই সত্য অস্বীকাৰ কৰিবলৈ কোনো উপায় নাই যে, পূৰ্ব বংগৰ পৰা আহি অসমত স্থায়ীভাবে বসতি স্থাপন কৰা এই লাখ লাখ মানুহে কেৱল যে, অসমৰ জনবিন্যাসকেই সলনি কৰি দিছে এনে নহয়; তেওঁলোকে বিপুল পৰিমাণৰ কৃষিযোগ্য আৰু বাসযোগ্য মাটি দখল

কৰি অসমৰ খিলঞ্জীয়া মানুহখিনিৰ কাৰণে এটা চিৰস্থায়ী অৰ্থনৈতিক সংকটৰো সৃষ্টি কৰিছে।------" (সম্পাদকীয়/'সূত্ৰধাৰ' ১–১৫ জানুৱাৰী ১৯৯২ সংখ্যা) বিদেশীৰ ভোট নিৰ্ভৰশীল ৰাজনৈতিক নেতাসকলৰ আশীৰ্বাদত এনে অনুপ্ৰবেশকাৰী সকলে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰি ৰাজ্যখনৰ ৰাজনীতিত স্পষ্ট প্ৰভাৱ বিস্তাৰ কৰি, নীতি নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত খিলঞ্জীয়া লোক সকলৰ মতামতক গৌণ কৰাৰ উপক্ৰম ঘটিছে। ১৯৭৮ চনত ৰাজ্যিক মুখ্য নিৰ্বাচনী বিষয়া সকলৰ আগত দিয়া ভাষণত ভাৰতৰ মুখ্য নিৰ্বাচনী আয়ুক্তই অসমত ভোটাৰ তালিকাত বহুলভাবে বিদেশী নাগৰিকৰ নাম অন্তৰ্ভুক্ত হোৱাৰ কথা উল্লেখ কৰে আৰু ইয়াৰ বাবে ৰাজনৈতিক দল সমূহক দোষাৰোপ কৰে– "Another disturbing factor is the demand made by Political Parties for the inclusion in the electoral rolls of the names of such migrants who are not Indian citizens without even questioning and properly determining their citizenship status"। ইতিহাসৰ পৰিহাস এয়ে যে, অসমত আজি চৰকাৰ এটা গঠনৰ ক্ষেত্ৰত অবৈধ অনুপ্ৰবেশকাৰীয়ে নিৰ্ণায়ক ভূমিকা ল'ব পৰা স্থিতি এটা আহি পৰিছে।

যেতিয়া এটা জাতিৰ ভাষা সংস্কৃতিৰ ওপৰত উপৰ্যুপৰি আক্ৰমণ চলে, জাতিটোক অৰ্থনৈতিকভাবে তিল তিলকৈ নিষ্পেষণ কৰা হয়, জাতিটোৰ হাতৰ পৰা ৰাজনৈতিক অধিকাৰ কাঢ়ি নিয়াৰ চক্ৰান্ত চলে, প্ৰিয় মাতৃভূমিতে জাতিটোক সংখ্যালঘুত পৰিণত কৰি, জাতিটোৰ অস্তিত্ব গুৰুত্বহীন কৰাৰ জঘন্য ষড়যন্ত্ৰ চলে, তেতিয়া জাতিটোৰ প্ৰত্যেকৰে অন্তৰত একুৰা জুই জ্বলি উঠে আৰু এই জুই জ্বলিছে জ্বলিবই বুলি ৰাজ পথলৈ ওলাই আহি একোটা আন্দোলনৰ সূচনা কৰে।

এই পটভূমিতে, অসমৰ ৰাইজে সদৌ অসম ছাত্ৰ সংস্থা আৰু সদৌ অসম গণসংগ্ৰাম পৰিষদৰ নেতৃত্বত ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ বিদেশী নাগৰিকৰ বহিষ্কাৰৰ দাবীত ঐতিহাসিক গণ আন্দোলন চলায়। আন্দোলনৰ সময়ছোৱাত সংগ্ৰামী ৰাইজে অবৰ্ণনীয় দুখ-দুৰ্গতি, লঘু-লাঞ্চনা, অত্যাচাৰ নিৰ্যাতন মুৰ পাতি লব লগীয়াত পৰিছিল। পুলিচ, চি আৰ পি, সেনাৰ আতিশয্যত বহুজন চিৰদিনৰ বাবে পংগু হ'ল। শত সহস্ৰজন ছহিদ হ'ল। বহু জীয়ৰী-বোৱাৰীয়ে নাৰী জীৱনৰ অমূল্য সম্পদ সতীত্ব হেৰুৱাব লগীয়াত পৰিল। অৱশেষত, ১৯৮৫ চনৰ ১৫ আগষ্টৰ মাজ নিশা সমাধানৰ স্মাৰক পত্ৰ বা অসম চুক্তিৰ জৰিয়তে আন্দোলনৰ সমাপ্তি ঘটিল।

## সমাধানৰ স্মাৰক পত্ৰ

সমাধানৰ স্মাৰক পত্ৰ বা অসম চুক্তিত সন্নিবেশ কৰা বিদেশী নাগৰিক সম্বন্ধীয় ধাৰা সমূহ হ'ল–

৫ঃ১। বিদেশীসকলৰ চিনাক্তকৰণ আৰু নাম বাতিল কৰণৰ কাৰণে ভিত্তি তাৰিখ আৰু চন হ'ব ১-১-১৯৬৬

৫ঃ২। ১৯৬৭ চনৰ ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত হোৱা সকলক ধৰি ১-১-৬৬ চনৰ আগে অসমলৈ অহা সকলো লোকক নিয়মীয়া কৰা হ'ব।

৫ঃ৩। ১-১-১৯৬৬ (অন্তৰ্ভুক্ত কৰি)ৰ পিছত ১৯৭১ চনৰ ২৪ মাৰ্চলৈ অসমলৈ অহা বিদেশীসকলক বিদেশী আইন ১৯৪৬ আৰু বিদেশী (ন্যায়াধীকৰণ) আদেশ ১৯৬৪ৰ ব্যৱস্থানুযায়ী চিনাক্ত কৰা হ'ব।

৫ঃ৪। চিনাক্ত হোৱা বিদেশীসকলৰ নাম প্ৰচলিত ভোটাৰ তালিকাৰ পৰা ৰদ কৰা হ'ব। এনে লোকসকলে, বিদেশী পঞ্জীয়ন আইন ১৯৩৯ আৰু বিদেশী পঞ্জীয়ন নিয়ম ১৯৩৯ৰ ব্যৱস্থানুযায়ী সংশ্লিষ্ট জিলাৰ পঞ্জীয়ন বিষয়াৰ ওচৰত পঞ্জীয়ন কৰিব লাগিব।

৫ঃ৫। এই উদ্দেশ্যে ভাৰত চৰকাৰে চৰকাৰী যন্ত্ৰৰ যথোচিত শক্তিশালীকৰণৰ ব্যৱস্থা ল'ব।

৫ঃ৬ চিনাক্তকৰণৰ পিছত দহবছৰীয়া এক মিয়াদ শেষ হ'লে, নাম ৰদ কৰা সকলো ব্যক্তিৰে নাম ভোটাৰ তালিকাত পুনৰ্ভুক্তি কৰা হ'ব।

৫ঃ৭। আগেয়ে বহিষ্কৃত কিন্তু অবৈধভাবে অসমত পুনৰ সোমোৱা সকলো লোককে বহিষ্কাৰ কৰা হ'ব।

৫ঃ৮। ১৯৭১ চনৰ ২৫ মাৰ্চ বা পিছত অসমলৈ অহা-বিদেশী সকলক বিধি অনুযায়ী চিনাক্তকৰণ, নাম ৰদ কৰণ আৰু বহিষ্কৰণ অব্যাহত থাকিব। এনে বিদেশী সকলক বহিষ্কাৰৰ বাবে আশু ব্যৱহাৰিক পদক্ষেপ লোৱা হ'ব।

৫ঃ৯। সদৌ অসম ছাত্ৰ সংস্থা আৰু সদৌ অসম গণসংগ্ৰাম পৰিষদে প্ৰকাশ কৰা অবৈধ প্ৰব্ৰজনকাৰী (ন্যায়াধীকৰণৰ দ্বাৰা নিৰ্ণায়ক) আইন ১৯৮৩ৰ প্ৰয়োগৰ ক্ষেত্ৰত থকা কেতবোৰ অসুবিধাৰ প্ৰতি চৰকাৰে বিবেচনা কৰিব।

৬। অসমীয়া মানুহৰ সংস্কৃতি, সামাজিক, ভাষিক পৰিচয় আৰু ঐতিহ্য ৰক্ষা সংৰক্ষণ আৰু বিকাশৰ বাবে যথোপযুক্ত সাংবিধানিক, বিধায়িনী আৰু প্ৰশাসনীয় ৰক্ষণাবেক্ষণ দিয়া হ'ব।

৯ঃ১। যথোপযুক্ত স্থানত দেৱাল, কাঁইটীয়া তাঁৰৰ বেৰ জেওৰা আৰু আন ধৰণৰ প্ৰতিবন্ধকতা নিৰ্মাণ কৰি ভৱিষ্যত অনুপ্ৰবেশৰ বিৰুদ্ধে আন্তঃৰাষ্ট্ৰীয় সীমান্ত নিৰাপদ কৰা হ'ব। সমগ্ৰ আন্তৰাষ্ট্ৰীয় সীমান্তৰ স্থলপথ আৰু নদী পথত নিৰাপত্তা বাহিনীৰ পহৰাদান যথোপযুক্ত ভাবে ঘনীভূত কৰা হ'ব। নিৰাপত্তা ব্যৱস্থা শক্তিশালীকৰণ আৰু ভৱিষ্যত অনুপ্ৰবেশত সফল বা বাধাদানৰ বাবে যথোপযুক্ত তালাচী চকী স্থাপন কৰা হ'ব।

৯ঃ২। ওপৰত উল্লেখ কৰা ব্যৱস্থাসমূহৰ বাদেও আৰু নিৰাপত্তাৰ বিবেচনা মনত ৰাখি, নিৰাপত্তা বাহিনীৰ পহৰাদানৰ সুবিধাৰ বাবে আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ কাষে কাষে এটা ৰাস্তা নিৰ্মাণ কৰা হ'ব। সীমান্ত আৰু ৰাস্তাৰ মাজৰ মাটিখিনিৰ য'ত সম্ভৱ ত'ত জনশূন্য কৰি ৰখা হ'ব। আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ নদী পথৰ পহৰা ঘনীভূত কৰা হ'ব। অনুপ্ৰবেশকাৰীয়ে আন্তঃৰাষ্ট্ৰীয় সীমান্ত পাৰ হোৱাতো বা পাৰ হ'বলৈ চেষ্টা কৰাটো প্ৰতিৰোধ কৰিবলৈ সকলো ধৰণৰ ফলদায়ক ব্যৱস্থা লোৱা হ'ব।

**চুক্তি ৰূপায়ণত চৰকাৰৰ ভূমিকা** ঃ ১৯৮৫ চনৰ ১৫ আগষ্টত চুক্তি স্বাক্ষৰিত হোৱাৰ পিছত সংগ্ৰামী ৰাইজ আন্দোলনৰ সফলতাত উল্লসিত হৈ পৰিছিল। ৰাইজে পৰম বিশ্বাস কৰিছিল যে, চৰকাৰে আন্তৰিকতাৰে চুক্তিৰ সফল ৰূপায়ণ কৰিব। কিন্তু পৰিতাপৰ কথা এয়াই যে, ৰাইজৰ এই পৰম বিশ্বাসক চৰকাৰে চৰম বিশ্বাসঘাতকতা কৰিলে। সংগ্ৰামী ৰাইজৰ আজি দৃঢ় প্ৰত্যয় জন্মিছে যে, কেৱল আন্দোলনটোক বানচাল কৰিবলৈহে এখন চুক্তি কৰা হ'ল। অসমৰ খিলঞ্জীয়া মানুহখিনিৰ প্ৰতি নতুন দিল্লীৰ কোনো আত্মীয়তাবোধ নাই, আছে মাথোন ইয়াৰ প্ৰাকৃতিক সম্পদৰাজিৰ ওপৰত লুভীয়া দৃষ্টি। চুক্তি স্বাক্ষৰৰ দিন ধৰি প্ৰয়াত প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীকে লৈ কেন্দ্ৰত চাৰিজন প্ৰধানমন্ত্ৰীৰ নেতৃত্বত চাৰিখন মন্ত্ৰীসভা গঠন হ'ল। প্ৰয়াত প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ কংগ্ৰেছ (ই) চৰকাৰ, শ্ৰীবিশ্বনাথ প্ৰতাপ সিঙৰ নেতৃত্বৰ ৰাষ্ট্ৰীয় মৰ্চা চৰকাৰ, শ্ৰীচন্দ্ৰ শেখৰৰ নেতৃত্বত সমাজবাদী জনতা দলৰ চৰকাৰ, শ্ৰীপি ভি নৰসিংহৰাওৰ নেতৃত্বত কংগ্ৰেছ (ই) চৰকাৰ। কেন্দ্ৰৰ এই কোনো এখন চৰকাৰেই অসম চুক্তি ৰূপায়ণৰ বাবে আন্তৰিকতাৰে আগবাঢ়ি নাহিল। আনহাতে, অসমৰ সংগ্ৰামী ৰাইজৰ বদ্ধমূল ধাৰণা হ'ল যে অসমৰ বৰ্তমানৰ ৰাজ্যিক চৰকাৰখনৰ বিদেশী নাগৰিকৰ সমস্যা সমাধানৰ বাবে মুঠেই আন্তৰিকতা নাই। বৰঞ্চ এই চৰকাৰখন বিদেশীৰ প্ৰতি সহানুভূতিশীল বুলিহে সংগ্ৰামী ৰাইজৰ মাজত বদনাম আছে। প্ৰকৃততে, বৰ্তমানৰ অসম চৰকাৰৰ বিদেশী নাগৰিকৰ সমস্যা সমাধানৰ বাবে ৰাজনৈতিক ইচ্ছাৰ অভাৱ পৰিলক্ষিত হৈছে।

সমস্যাটো সমাধানৰ ক্ষেত্ৰত, অসম গণ পৰিষদৰ চৰকাৰৰ কাৰ্যাৱলীতো অসমৰ সংগ্ৰামী ৰাইজ সন্তুষ্ট নহয়। সদৌ অসম ছাত্ৰ সংস্থাই চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত অগপ চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰে। আনকি ১৯৮৫ চনত অগপ প্ৰাৰ্থীৰূপে নিৰ্বাচিত অসম বিধান সভাৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীপুলকেশ বৰুৱাই বিদেশীৰ দায়িত্বৰ ভাৰ অগপ চৰকাৰে এৰাব নোৱাৰিব বুলি সমালোচনা কৰিছে। শ্ৰীবৰুৱাৰ মতে – বিদেশী বিতাৰণৰ ক্ষেত্ৰত অগপ চৰকাৰ সম্পূৰ্ণ ব্যৰ্থ হৈছে। (সময় প্ৰবাহ)/৭ জুন ১৯৯২)

**অবৈধ প্ৰব্ৰজনকাৰী (ন্যায়াধিকৰণৰ দ্বাৰা নিৰ্ণায়ন) আইন ১৯৮৩** ঃ ১৯৮৩ চনত এই আইন প্ৰবৰ্তন কৰা হয়। এই আইনখন বিদেশী অনুপ্ৰবেশকাৰী চিনাক্তকৰণ আৰু বহিষ্কৰণৰ ক্ষেত্ৰত ডাঙৰ প্ৰতিবন্ধক স্বৰূপ হৈ পৰিছে। প্ৰকৃততে এই আইনখনক অবৈধ বিদেশী অনুপ্ৰবেশকাৰীৰ ৰক্ষণাবেক্ষণৰ বাবে লোৱা এক ৰাজনৈতিক ব্যৱস্থাহে বুলি ক'ব পাৰি।

ভাৰতৰ সংবিধানত এক নাগৰিকত্বৰ বিধান কৰা হৈছে। ইয়াত ৰাষ্ট্ৰ আৰু ৰাজ্যৰ বাবে বেলেগ বেলেগ নাগৰিকত্বৰ বিধান নাই। সেয়ে, নাগৰিকত্ব, বিদেশী আদি, বিষয় সমূহ সমগ্ৰ দেশখনতে একে ধৰণৰ আইনৰ দ্বাৰা বিচাৰ কৰাটোহে বাঞ্চনীয়। কিন্তু অসমৰ ক্ষেত্ৰত ইয়াৰ ব্যতিক্ৰম ঘটোৱা হ'ল। বিদেশী চিনাক্তকৰণৰ বাবে সমগ্ৰ দেশখনতে প্ৰযোজ্য হোৱা আইন বৈষম্যমূলক দৃষ্টিভংগীৰে, অসমৰ ক্ষেত্ৰত অচল কৰা হ'ল। কেন্দ্ৰই খেনোক দেখি ৰান্ধে বাঢ়ে, খেনোক দেখি দুৱাৰ মাৰে দৃষ্টিভঙ্গীৰে বিদেশীৰ স্বাৰ্থক ৰক্ষা কৰণৰ প্ৰতি গুৰুত্ব দি অবৈধ প্ৰব্ৰজনকাৰী (ন্যায়াধিকৰণৰ দ্বাৰা নিৰ্ণায়ন) আইন ১৯৮৩ৰ প্ৰণয়ন কৰিলে। আইন খনৰ ডাঙৰ ডাঙৰ সুৰুঙাইদি অবৈধ বিদেশী অনুপ্ৰবেশকাৰী ধৰা নপৰি সহজে সাৰি যাব পৰা ব্যৱস্থা কৰা হ'ল। আচলতে আইনখনে, অসমক অবৈধ বিদেশী অনুপ্ৰবেশকাৰীৰ বাবে মুক্ত চৰণীয়া ক্ষেত্ৰত পৰিণত কৰাৰ কেন্দ্ৰৰ মানসিকতাকহে প্ৰতিফলিত কৰিছে।

নিজৰ দেশৰ নাগৰিক আৰু ভূমি খণ্ডক বিদেশীৰ আক্ৰমণৰ পৰা ৰক্ষা কৰাটো চৰকাৰ এটাৰ এৰাব নোৱৰা দায়িত্ব। এই আইনখন চৰকাৰৰ এই গুৰুত্বপূৰ্ণ দায়িত্বৰ প্ৰতি উদাসীন হৈ ৰ'ল। বিদেশী অনুপ্ৰবেশকাৰীৰ চিনাক্তকৰণৰ বাবে চৰকাৰে নিজাববীয়াকৈ লব লগীয়া কোনো উদ্যোগৰ বিধান আইনখনত কৰা নহ'ল। বৰঞ্চ, এই গুৰু দায়িত্ব অসমৰ ৰাইজৰ কান্ধলৈ ঠেলি পঠিওৱা হ'ল।

আইনখনৰ মতে, অসমত কোনো বিদেশী অনুপ্ৰবেশকাৰীৰ বিৰুদ্ধে অভিযোগ দাখিল কৰিবলৈ হ'লে, অভিযোগকাৰী অভিযুক্ত বিদেশীজনৰ বাসস্থানৰ পৰা তিনি কিলোমিটাৰৰ ভিতৰৰ বাসিন্দা হ'ব লাগিব। এই ব্যৱস্থা বিদেশী অনুপ্ৰবেশকাৰী চিনাক্তকৰণৰ পক্ষে এক বিৰাট ডাঙৰ প্ৰহসনহে মাথোন। ইতিমধ্যে অসমৰ বহু ঠাইত বিদেশী অনুপ্ৰবেশকাৰীসকল সংখ্যা গৰিষ্ঠ হৈ পৰিছে। তেনে ঠাই সমূহত অভিযোগকাৰী ব্যক্তি বা পৰিয়ালৰ অন্যান্য লোক বা অন্যান্য আত্মীয় তথা এওঁলোকৰ সা-সম্পত্তি অভিযুক্ত বিদেশী বা তেওঁৰ সমৰ্থক আদিৰ অত্যাচাৰ, উৎপীড়ন আৰু আক্ৰমণৰ সমুখীন হোৱাৰ সম্পূৰ্ণ আশংকা আছে। সীমান্ত আৰু চৰ অঞ্চলকে ধৰি বিদেশী অধ্যুষিত এনে বহু ঠাই আছে, য'ৰ পৰা তিনি কিলোমিটাৰৰ ভিতৰত কোনো ভাৰতীয় নাগৰি[illegible] বসবাস নকৰে। বিদেশী অনুপ্ৰবেশকাৰীৰ বিৰুদ্ধে অভিযোগ দাখিল কৰিবলৈ কোনো ভাৰতীয় নাগৰিক নোহোৱাত এনে ঠাই সমূহৰ বিদেশী সকলক চিনাক্তকৰণ কৰিব পৰা নাযাব। তদুপৰি, অভিযোগ দাখিলৰ পিছত অভিযুক্ত বিদেশীজন অভিযোগকাৰী থকা ঠাইৰ পৰা তিনি কিলোমিটাৰৰ অধিক দূৰলৈ আঁতৰি গৈ এনে অভিযোগ নিৰৰ্থক কৰি পেলোৱাৰ সম্ভাৱনা থাকে।

বিদেশীৰ কবলৰ পৰা দেশক ৰক্ষা কৰিবলৈ কোনো নাগৰিক আগবাঢ়ি আহিলে, দেশ প্ৰেমৰ নিদৰ্শন দেখুওৱাৰ বাবে তেওঁক চৰকাৰে পুৰস্কৃত কৰি এনে কামৰ বাবে অন্যান্য সকলকো উৎসাহিত কৰিব লাগে। কিন্তু আশ্চৰ্যজনকভাবে আইনখনত ইয়াৰ বিপৰীত বিধানহে কৰা হ'ল। বিদেশী অনুপ্ৰবেশকাৰীৰ বিৰুদ্ধে অভিযোগ দিওঁতে অভিযোগকাৰীয়ে ১০০ টকা পৰ্যন্ত মাচুল দিব লগাৰ ব্যৱস্থা কৰা হ'ল। ইয়াক দেশৰ প্ৰতি দায়িত্ব পালনৰ বাবে লগোৱা জৰিমনাহে বুলিব পাৰি।

তদুপৰি, বিদেশী চিনাক্তকৰণৰ বাবে আইনখনত থকা ন্যায়াধিকৰণ, এপিলেট ন্যায়াধিকৰণ, উচ্চ ন্যায়ালয়ৰ দ্বাৰা পুনৰীক্ষণৰ ব্যৱস্থা, ন্যায়াধিকৰণ আৰু ইয়াৰ সদস্যৰ সংখ্যা আদি ব্যৱস্থা সমূহো সমালোচনাৰ উৰ্দ্ধত নহয়। এই ব্যৱস্থাসমূহে বিদেশী অনুপ্ৰবেশকাৰী চিনাক্তকৰণ প্ৰক্ৰিয়াটোক শামুকীয়া গতিহে প্ৰদান কৰিব। আইনখনত থকা দীঘলীয়া আৰু লেহেম ব্যৱস্থাৰ ফলত, যুগ যুগান্তৰ ধৰি বিদেশী অনুপ্ৰবেশকাৰী চিনাক্তকৰণ প্ৰক্ৰিয়াৰে সম্পূৰ্ণ নহ'ব। ইতিমধ্যে, এবাৰ এই আইনখনৰ সংশোধন কৰা হৈছে যদিও ই আইনখনৰ ব্যৱহাৰিক ক্ষেত্ৰত কোনো পৰিবৰ্তন নাসাধিলে।

বিদেশী অনুপ্ৰবেশকাৰী চিনাক্তকৰণ আৰু বহিষ্কৰণৰ বাবে অবৈধ প্ৰব্ৰজনকাৰী (ন্যায়াধিকৰণৰ দ্বাৰা নিৰ্ণায়ন) আইন ১৯৮৩ ৰদ কৰাটো বা সম্পূৰ্ণ সংশোধন কৰাটো অতীব প্ৰয়োজন।

## বৰ্তমান পৰিস্থিতি

ইতিমধ্যে, এই সমস্যাটোৱে এক নতুন মোৰ লৈছে। অসম বিধান সভাৰ যোৱা বাজেট অধিবেশনত অসমৰ মুখ্যমন্ত্ৰীয়ে ১৯৮৭ চনতে ৩০ লাখ বাংলাদেশীৰ অসমলৈ প্ৰব্ৰজন হোৱা বুলি ঘোষণা কৰে। মুখ্যমন্ত্ৰীৰ এই ঘোষণাৰ তীব্ৰ প্ৰতিবাদ কৰি "মুচলিম ফৰামে" পাঁচ মিনিটৰ ভিতৰতে চৰকাৰক গাদীচ্যুত কৰাৰ মুকলি ভাবুকি দিয়ে। তাৎপৰ্যপূৰ্ণভাবে "মুছলিম ফ'ৰামৰ" ভাবুকিৰ পিছতে, বিধান সভাৰ ঘোষণাৰ

প্ৰায় দেৰমাহ পিছত মুখ্যমন্ত্ৰীয়ে বিধান সভাত দিয়া অনুপ্ৰৱেশকাৰীৰ সংখ্যা শুদ্ধ নহয় বুলি লুটি বাগৰ মাৰিলে। অথচ, ইতিমধ্যে বাংলাদেশে সেই দেশৰ পৰা ভাৰতলৈ হোৱা অবৈধ প্ৰব্ৰজনৰ কথা স্বীকাৰ কৰিছে। অলপতে বাংলাদেশৰ প্ৰধানমন্ত্ৰী বেগম খালেদা জিয়াই ভাৰত ভ্ৰমণলৈ আহে। তেখেতৰ ভ্ৰমণৰ সমাপ্তিত ২৮।৫।১৯৯২ তাৰিখে ভাৰত আৰু বাংলাদেশে প্ৰকাশ কৰা যুটীয়া ঘোষণাত বাংলাদেশে স্বীকাৰ কৰিছে যে সেই দেশৰ পৰা ভাৰতলৈ ব্যাপক সংখ্যক অবৈধ প্ৰব্ৰজন ঘটিছে। উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ আৰক্ষী মহাপৰিদৰ্শক আৰু সঞ্চালক প্ৰধান সকলৰ একাদশ সন্মিলনত দিয়া মুখ্যমন্ত্ৰীৰ ভাষণত অনুপ্ৰৱেশকাৰীৰ বিষয়টোৱে স্থান পায়। একে সন্মিলনতে অসমৰ ৰাজ্যপাল গৰাকীয়ে অনুপ্ৰৱেশে নিৰাপত্তাৰ ক্ষেত্ৰত ভাবুকিৰ সৃষ্টি কৰাৰ বিষয়ে উল্লেখ কৰে। ইতিমধ্যে, অসম গণ পৰিষদে বিদেশী সমস্যা সমাধানৰ দাবীত ৰাষ্ট্ৰপতিৰ ওচৰত স্মাৰকপত্ৰ দাখিল কৰিছে আৰু গুৱাহাটী আৰু নতুন দিল্লীত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰিছে। ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ অসম ৰাজ্যিক পৰিষদে বিদেশী সমস্যাৰ ক্ষেত্ৰত উদ্বেগ প্ৰকাশ কৰি চৰকাৰৰ ওচৰত স্মাৰক পত্ৰ দাখিল কৰি ১৫।৬।১৯৯২ তাৰিখে প্ৰতিবাদ দিৱস পালন কৰিছে। ভাৰতীয় জনতা পাৰ্টিয়েও অনুপ্ৰৱেশকাৰীক শীঘ্ৰে বহিষ্কাৰৰ দাবী উত্থাপন কৰিছে। ভাৰতীয় জনতা পাৰ্টিৰ অসমৰ বিধায়িনী দলৰ নেতা গৰাকীয়ে আনকি বিদেশী অনুপ্ৰৱেশকাৰীৰ বহিষ্কাৰৰ ক্ষেত্ৰত প্ৰয়োজন হ'লে বিধান সভাৰ মজিয়াতো মুখ্যমন্ত্ৰীক সমৰ্থন জনাব বুলি ঘোষণা কৰে।

ইতিমধ্যে সদৌ অসম ছাত্ৰ সংস্থাৰ তৰফৰ পৰা সংস্থাৰ সভাপতি আৰু সাধাৰণ সম্পাদক স্বাক্ষৰিত তাৎপৰ্য্য পূৰ্ণ বিবৃতি এটাত কোৱা হৈছে–

" ......... বিধান সভাত মুখ্যমন্ত্ৰীৰ স্বীকাৰোক্তি আৰু পূৰ্বৰ লোক পিয়লৰ তথ্যপাতিৰ আধাৰত খোকোজা নথকাকৈ ক'ব পাৰি যে ১৯৯১ চনৰ লোক পিয়লত অতি ক'মেও ৫০ লাখ বাংলাদেশীৰ নাম অন্তৰ্ভুক্ত হৈছে। ১৯৯১ চনৰ লোক পিয়লত অসমৰ জনসংখ্যা প্ৰায় ২৫০ লাখৰ ওচৰা ওচৰি হ'ব। তাৰে ভিতৰত ৫০ লাখতকৈ অধিক বাংলাদেশী হ'লে লোক পিয়লৰ প্ৰতিবেদনত অসমীয়া ভাষাৰ স্থান কি হ'ব সেয়া সহজে অনুমান কৰিব পাৰি। ছাত্ৰ সংস্থাই জানিব পাৰিছে যে ১৯৯১ চনৰ প্ৰতিবেদনত অসমীয়া ভাষাক লঘু কৰা হৈছে। ফলত অসমৰ খিলঞ্জীয়া মানুহখিনিৰ সমুখত আটাইতকৈ ডাঙৰ দুৰ্যোগটো আহি পৰিছে।"

**সাৰ্বভৌমত্বৰ প্ৰতি ভাবুকি :** মুক্তি সংগ্ৰামত ভাৰতে বাংলাদেশক সৰ্বতোপ্ৰকাৰে সহায় নকৰাহেঁতেন বাংলাদেশৰ স্বাধীনতা সহজসাধ্য নাছিল। স্বাধীনতা লাভ কৰাৰ পিছত, ভাৰতৰ সৈতে, কৃতজ্ঞতাৰ স্বাক্ষৰ স্বৰূপে দেশখনে চিৰস্থায়ী মৈত্ৰিত্বৰ বান্ধোনত বান্ধ খাব বুলি সকলোৱে আশা কৰিছিল। সকলোৰে পৰম বিশ্বাস আছিল যে, পৰৱৰ্তী, দিনবোৰত দেশখনৰ পৰা ভাৰতলৈ অবৈধ অনুপ্ৰৱেশৰ সোঁত বন্ধ হ'ব। কিন্তু, বাস্তৱিকতে তেনে নহ'ল। শ্বেখ মুজিবুৰ ৰহমানৰ হত্যাৰ পিছৰে পৰা দেশখনৰ নেতৃত্বই ভাৰতক বৈৰী হিচাপে গণ্য কৰাটো পৰিলক্ষিত হৈছে। বৰ্তমান বাংলাদেশ, ভাৰতৰ চিৰ বৈৰী পাকিস্তানৰ প্ৰতিহে বেছ সদ। বৰ্তমান কাশ্মীৰক ভাৰতৰ বিচ্ছিন্ন কৰাৰ আন্দোলনত পাকিস্তানৰ সম্পূৰ্ণ হাত আছে। নিকট বা দূৰ ভৱিষ্যতে, ভাৰত বিৰোধী কাৰ্যৰ বাবে, বাংলাদেশ যে পাকিস্তানৰ বাবে বেছ সুবিধাজনক ক্ষেত্ৰ হৈ নপৰিব বুলি কোনো চিন্তাশীল লোকে ক'ব নোৱাৰে। ভাৰতৰ সাৰ্বভৌমত্বৰ প্ৰতি প্ৰচণ্ড বিপজ্জনক দিন সেইদিনাই হ'ব, যিদিনা অসমত অবৈধভাবে থকা লক্ষ লক্ষ বিদেশী অনুপ্ৰৱেশ কাৰীয়ে ভাৰতৰ বিৰুদ্ধে পাকিস্তান আৰু বাংলাদেশৰ লগত হাত মিলাব। অলপতে 'মুছলিম ফ'ৰামে কৰা ঘোষণা তাৎপৰ্যপূৰ্ণ অসমত বৰ্তমান ৭০ লাখ মুছলিম সম্প্ৰদায়ৰ লোক আছে। বৰ্তমান বিভিন্ন জাতি গোষ্ঠীয়ে নিজৰ নিজৰ পৰিচয় বিচৰাত অচিৰেই মুছলিম সকলে সংখ্যাগৰিষ্ঠ জাতি হিচাপে আত্ম প্ৰকাশ কৰিব বুলি "মুচলিম ফ'ৰামে" দাবী কৰিছে। ফ'ৰামে এই কথাও দ্বিধাহীনভাৱে কৈছে যে, বিদেশীৰ কথা বিচাৰ নকৰি সকলো মুছলিম সম্প্ৰদায়ৰ লোকক স্বদেশী বুলি গ্ৰহণ কৰা সকলোৰে বাবে মঙ্গল হ'ব।

উল্লেখ কৰা ভাল হ'ব যে দেশ বিভাজনৰ সময়ত গ্ৰুপিঙৰ ব্যৱস্থা অনুযায়ী অসমক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰিব বিচৰাৰ কথা সকলোৱে জানে। অসমৰ ৰাইজৰ একান্ত ইচ্ছা আৰু লোকপ্ৰিয় গোপীনাথ বৰদলৈ প্ৰমুখ্যে নেতাৰ বলিষ্ঠ নেতৃত্বৰ ভূমিকাৰ বাবে, অসম ভাৰতৰ লগতে থাকিল। ইতিহাসৰ পৰিহাস যে, বাংলাদেশীৰ নীৰৱ আক্ৰমণৰ বাবে আপোনা আপুনি অসম যেন আজি গ্ৰুপিঙৰ তেনে ব্যৱস্থাত ক্ৰমান্বয়ে অন্তৰ্ভুক্ত হৈ গৈ আছে।

**পৰিশিষ্ট :** বৰ্তমান অসম আৰু ইয়াৰ খিলঞ্জীয়া অধিবাসী সকলৰ বাবে ঘোৰতম সংকট কাল। ধৰ্মীয় হওক বা ভাষিক হওক, যি কোনো সাম্প্ৰদায়িক গোড়ামি পৰিহাৰ কৰি সমস্যা সমাধানৰ বাবে, প্ৰতিজন নাগৰিকেই আগবাঢ়ি আহিব লাগিব। কোনোৱে যাতে স্বধৰ্মী বা স্বভাষী হোৱাৰ বাবেই বিদেশীৰ প্ৰতি অনুকম্পা প্ৰদৰ্শন নকৰে। সেইদৰে পৰধৰ্মী বা পৰভাষী হোৱাৰ বাবেও কাকোৱেই বিদেশী সজোৱাৰ প্ৰৱণতাই যাতে কাৰো মনত স্থান নাপায় সেয়া লক্ষ্য ৰাখিব লাগিব। ৰাজনীতিবিদ সকলেও নিজৰ দলক বিদেশী ভোটেৰে ক্ষমতাত ৰখাৰ চিন্তা পৰিহাৰ কৰি, অসমৰ স্বাৰ্থক অগ্ৰাধিকাৰ দি সমস্যা সমাধানৰ বাবে আগবাঢ়ি আহিব লাগে। ইয়াৰ বিপৰীতে ক্ষমতাৰ আশাত বিদেশী অনুপ্ৰৱেশকাৰীক ৰক্ষণা-বেক্ষণ দিয়া ৰাজনীতিবিদক অসমৰ ইতিহাসে চিৰদিন গৰিহণা দিব।

অসম আন্দোলনৰ সময়ত, আন্দোলনৰ ঘোৰ বিৰোধী জনেও বিদেশী বহিষ্কাৰৰ বাবে ১৯৭১ চনটো লব লাগে বুলি দাবী জনাইছিল। অসম চুক্তিমতে, ২৫।৩।৭১ আৰু তাৰ পিছৰ বিদেশীক বহিষ্কাৰৰ ব্যৱস্থা হৈছে। সেয়ে, এতিয়া অসম চুক্তিয়ে অসমত থাকিবলৈ স্বীকাৰ কৰি লোৱা লোক সকলেও পূৰ্বৰ আকাশ আৰু মাটিৰ কথা পাহৰি, অসমৰ আকাশ আৰু মাটিক নিজৰ বুলি আঁকোৱালি লৈ, ইয়াৰে খিলঞ্জীয়া অধিবাসী সকলৰ লগত একাত্ম হৈ পৰক। খিলঞ্জীয়া মানুহখিনিৰ সুখ আৰু দুখৰ সমভাগী হওক আৰু চুক্তিয়ে বহিষ্কাৰ কৰিব বিচৰা বিদেশী সকলৰ চিনাক্তকৰণ আৰু বহিষ্কৰণৰ ক্ষেত্ৰত সৰ্বতোপ্ৰকাৰে সহায় সহযোগ আগবঢ়াওক। অন্যথা অযথা সন্দেহ অবিশ্বাস, শংকা, ঘাত প্ৰতিঘাত, সংঘাতৰ সৃষ্টি হৈ অসমখন, চিৰকলীয়া অশান্তিৰ ক্ষেত্ৰ হৈ পৰিব। কাৰো বাবে মঙ্গলজনক নোহোৱা, তেনে এখন অসমত সকলোৱে মাথোন জুইৰ ওপৰেদিহে খোজ কাঢ়িব লাগিব। ■



সূত্ৰধাৰ ◻ ১–১৫ জুলাই, ১৯৯২



# যিচাম মানুহৰ টোপনি হিতেশ্বৰ শইকীয়াই হৰণ কৰিছে

দেৱব্ৰত বৰগোহাঞি

অসমৰ ৰাইজে কিছুমান শ্লোগান আজি বহুদিনৰ আগৰে পৰাই শুনি আহিছে। অৱশ্যে বহু দিন বুলি কোৱাতকৈ বহু বছৰ বুলি কলেহে শুদ্ধ হ'ব। শ্লোগানৰ এই মামৰে ধৰা ৰেকৰ্ডখন উত্তৰাধিকাৰীসকলে হেঁকেৰ-পেকেৰকৈ আজিও চলাই আছে। নচলালে একো উপায়েই নাই দেখোন। বেচেৰাহঁতলৈ বেয়াই লাগে। ভাত-মুঠিৰ এনেদৰে মুদা মাৰিলে বাৰু কোনজন মানুহৰ সহ্য হ'ব। পেটৰ অন্নমুঠি কাঢ়ি নিয়াজনৰ বিপক্ষে হুংকাৰ দিবলৈ অৱশ্যে গণতান্ত্ৰিক দেশ এখনৰ নাগৰিকৰ পূৰামাত্ৰাই অধিকাৰ থাকে। তেনেক্ষেত্ৰত তেওঁলোকৰ দৰে বৃহৎ সংগঠনৰ নেতৃত্ব দিয়া বিয়াগোম নেতাসবৰ সেইকণো অধিকাৰ নাথাকিবনে! তাতে আকৌ এওঁলোকৰ নাম অসম প্ৰেমীৰ তালিকা খনৰ শীৰ্ষত অনবৰতে ধ্ৰুৱ তৰাটোৰ দৰে টটকৈ জিলিকি থাকে। অসমৰ 'অসমপ্ৰেমী' সকল ভোকত থাকিব – নাই, নাই, ই কেতিয়াও হ'ব নোৱাৰে। কিবা এটা কৰিব লাগিব। সেয়েহে এওঁলোকে পুনৰ উলিয়াই ললে ১২ বছৰৰ পুৰণি 'সেই' ৰেকৰ্ডখন। জোৰ-জবৰদস্তি আৰু অতি কৌশলেৰে ৰেকৰ্ডখন বজাই ৰাইজৰ কৰ্ণপটহত এফাকি 'নতুন অসমৰ' মন্ত্ৰ দিবলৈ যত্ন কৰে। 'অসম প্ৰেমী'ৰ নামাৱলী গাত মেৰিয়াই লোৱা অসমৰ এই বৃহৎ বৃহৎ সংগঠনবোৰে তেওঁলোকৰ পূৰ্বৰ অভিজ্ঞতাৰ পৰা এই কথা ভালদৰেই জানে যে এই ৰেকৰ্ডখন বজাৰ লগে লগে অসমৰ মানুহবোৰে নৃত্য কৰিবলৈ আৰম্ভ কৰিব। এলা-পেচা নৃত্য নহয় এয়া। একেবাৰে তাণ্ডৱ নৃত্য। নৃত্যৰত অৱস্থাত মানুহবোৰে সকলোবোৰ সমূলঞ্চে পাহৰি পেলায়। গাত লাগি থকা শেষ বস্ত্ৰকণ কেতিয়া গাৰপৰা খহি পৰে তাকো এওঁলোকে গম নাপায়। দূৰৈৰপৰা এই দৃশ্য উপভোগ কৰা অসম প্ৰেমীসকলে উলংগ মানুহবোৰৰ ৰঙীন ফটো তুলি ৰাখে। গোপনে। পিছত এই উলংগ মানুহৰ ফটোবোৰক মুলধন হিচাপে লৈ এওঁলোকে ব্যৱসায় আৰম্ভ কৰে। হাতলৈ আহে মুঠি মুঠি টকা। কিমধিকমিতি!

অসমৰ হোজা গাঁৱলীয়া লোক সকলেও আজি-কালি এওঁলোকৰ কথাটো টং কৰিব পাৰিছে নেকি! কাৰণ এওঁলোকে দেখিছে যে যেতিয়াই এই 'মাৰ্কা' মৰা অসমপ্ৰেমীৰ ভাত-মুঠি মোকলোৱাত কষ্ট হয় তেতিয়াই

> ◆
>
> হিতেশ্বৰ শইকীয়াই 'পুব ফালে সূৰ্য উদয় হয়' বুলি ক'লে আপুনি কব লাগিব 'নহয় সূৰ্য পশ্চিম ফালেহে উদয় হয়।' হিতেশ্বৰে শান্তি বিচাৰিলে আপুনি বিচাৰিব লাগিব অশান্তি। তেহে আপুনি 'স্বয়ম্ভু অসমপ্ৰেমী' প্ৰজাঘৰীয়া সাংবাদিক-বুদ্ধিজীৱীৰ আগত অসম প্ৰেমী হ'ব পাৰিব। 'অসম প্ৰেমী'ৰ চাৰ্টিফিকেট খন পাবলৈ হ'লে আপুনি শইকীয়াৰ বিৰোধিতা কৰিবই লাগিব। নহলে আপোনাৰ নিস্তাৰ নাই!
>
> ◆

এওঁলোকে এনে এখন ৰেকৰ্ড অসমৰ মানুহক বজাই শুনায়। অন্য সময়ত মানে লক্ষ্মী দেৱী হাতত থকা অৱস্থাত এওঁলোকে এইখনৰ ফালে ভুলতো মূৰ তুলি নাচায়। এইবোৰ কাৰণতে নেকি আজি-কালি গাঁৱৰ মনেশ্বৰ দাইটিহঁতেও এওঁলোকক চকুপাৰি দেখিব নোৱাৰে। আজিৰপৰা ঠিক ১০ বছৰ মানৰ আগতে মনেশ্বৰ দাইটিয়েও বোলে সেই ৰেকৰ্ডখনৰ গানৰ তালে তালে নাচোন ধৰিছিল। দাইটিৰ একমাত্ৰ আন্দাৰ পেন্টটো খহি পৰাৰ কথা পিছত সেই ফটোখন দেখিহে গম পাইছিল। অকল দাইটিয়েই কিবা উলংগ আছিল নে? ফটোত থকা গোটেই জাক মুনিহ-তিৰোতা, ডেকা-ডেকেৰী ......... ছি: ঘিণেই লাগে।"

"হিতেশ্বৰ শইকীয়াই অসমখন শেষ কৰিলে। অসমৰ যুৱ-শক্তিক ধ্বংস কৰিবলৈ হিতেশ্বৰে ৰাং কুকুৰ সদৃশ সেনা-বাহিনীক অসমলৈ আমন্ত্ৰণ কৰি আনিছে। হত্যা আৰু বিভাজনৰ ৰাজনীতিৰে অসমক তিল তিলকৈ নিঃশেষ কৰিবলৈ মুখ্যমন্ত্ৰী শইকীয়াই সদায়েই চেষ্টা কৰি আহিছে। দুৰ্নীতিৰ সম্ৰাট হিতেশ্বৰ শইকীয়াই অসমখনক ডুবালে। ইত্যাদি ইত্যাদি।"

–এইখনেই সেই অসমপ্ৰেমী মখাই বজাই থকা ৰেকৰ্ডখন। পুৰণি ৰেকৰ্ডখনৰ লগত আগৰ চি,আৰ,পি শব্দটোৰ ঠাইত এতিয়া 'সেনা-বাহিনী' শব্দটো মাথো সংযোজন কৰা হৈছে। ১৯৭৯ চনত প্ৰফুল্ল-ভৃগুৱে উলিওৱা এই ৰেকৰ্ডখনৰ পৈত্ৰিক সম্পত্তি হিচাপে তেওঁলোকৰ উত্তৰাধিকাৰী সকলে লাভ কৰিছে। আলাউদ্দিনৰ চাকিটোতকৈ মূল্যৱান এই ৰেকৰ্ডখনি জানো সহজে এৰিব পাৰি! হিতেশ্বৰ শইকীয়া বোলাজন অসমৰ ৰাজগাদীত থাকিলে এওঁলোকৰ চলিবলৈ বোলে বৰ অসুবিধা হয়। "ৰবি মই প্ৰফুল্ললৈ ফোন এটা কৰি চাওঁ বুলি" জাতীয় বাক্য কব নোৱাৰি। আৰু মানে বহুত কিবা কিবি নোৱাৰি তাৰ উপৰি দাদাগিৰিও নচলে।

সেয়েহে পুৰণি ৰেকৰ্ডখন .বজাই চেষ্টা এটা চলাই চাইছে। কিজানিবা ফুল ফুলেই ! বাকীবোৰ আৰু নকওঁ। ৰাইজলৈ থ'লো।

**ৰজাঘৰীয়া বনাম প্ৰজাঘৰীয়া বুদ্ধিজীৱী**

এই শব্দ দুটা আপুনি কৰবাত নিশ্চয় ইতিমধ্যে শুনিছে বা পঢ়িবলৈ পাইছে। প্ৰকৃতাৰ্থত কবলৈ গ'লে অসম ভূমিত আলহী খাবলৈ অহা এই শব্দ কেইটাৰ বেছি দিন হোৱা নাই। বিদেশী শব্দ ! অসমত একেবাৰে নতুন। আপ্যায়নত কিবা ভুল হৈ যায় বুলি আমন্ত্ৰণকাৰী সকল খুবেই সচেতন। খুৱাই-বুৱাই নোদোকা কৰিম বুলি পূৰ্ব প্ৰতিশ্ৰুতি দিয়াতহে এওঁলোকে অসমত পদাৰ্পণ কৰিছে। উদ্দেশ্য, খাৰখোৱা অসমীয়াক শত্ৰু কোন মিত্ৰ কোন তাক ভালদৰে বুজাই দিয়া।

ৰজাঘৰীয়া সাংবাদিক বা বুদ্ধিজীৱী কেনেকৈনো হয় তাক জানিবৰ আপোনাৰ মন নাযায়নে। শব্দ দুটাৰ আমন্ত্ৰণকাৰী সকলৰ মতে যি গৰাকী সাংবাদিক বা বুদ্ধিজীৱীয়ে 'শান্তি' 'আলোচনা' আদি শব্দবোৰ উচ্চাৰণ কৰিব তেওঁকেই বোলা হ'ব ৰজাঘৰীয়া সাংবাদিক। কাৰণ হিতেশ্বৰ শইকীয়াই কোৱা কথাবোৰকে উক্ত সাংবাদিক বা বুদ্ধিজীৱী গৰাকীয়ে কবলৈ গৈছে। ৰজাঘৰীয়া বুদ্ধিজীৱীবোৰৰ ওপৰত এওঁলোকে আৰু কিছুমান নতুন বিশেষণ জাপি দিয়া দেখিবলৈ পোৱা গৈছে। বিশেষণ বোৰ হৈছে উচ্ছিষ্টজীৱী, আপোচকাৰী, পদলেহন কাৰী, ধুৰন্ধৰ আদি। এই যে শুৱলা শব্দবোৰ দেখিছে এইবোৰ কেতিয়াবা আপোনাৰ নামৰ আগে-পিছেও লাগি যাবহি পাৰে। অৱশ্যে এনেয়ে নহয়। যি মুহূৰ্তত আপুনি 'শান্তি', 'আলোচনা' আদি লাগে বুলি মাত মাতিব তেতিয়াই প্ৰজাঘৰীয়া বুদ্ধিজীৱী (স্বয়ম্ভূহে কিন্তু) সকলে আপোনাক ক'ব "আৰু এটা দেশ আৰু জাতিৰ শত্ৰুৱে অসমৰ গণশত্ৰু হিতেশ্বৰ শইকীয়াৰ টকাৰ লোভত পৰিল। 'এই আপোচকাৰী সকলে ৰাইজৰ আদালতত এদিন জৱাবদিহি হ'ব লাগিব। হিতেশ্বৰৰ উচ্ছিষ্ট খোৱা এই সকলক ৰাইজে আজি চিনিবৰ হ'ল।" দেখিলে আপোনাৰ ওপৰত কেনেকৈ অসম বিৰোধীৰ লেবেল খন মাৰি দিলে। কিয় ? আপুনি প্ৰশ্ন কৰিবলৈ উৎসুক হৈ পৰিব। উত্তৰ সহজে পাব। হিতেশ্বৰ শইকীয়াই কোৱা কথাষাৰ কিয় আপুনি ক'ব ? ঠিকেইতো আপুনি কিয় ক'ব ?

হিতেশ্বৰ শইকীয়াই 'পুব ফালে সূৰ্য উদয় হয়' বুলি ক'লে আপুনি কব লাগিব 'নহয় সূৰ্য পশ্চিম ফালেহে উদয় হয়।' হিতেশ্বৰে শান্তি বিচাৰিলে আপুনি বিচাৰিব লাগিব অশান্তি। তেহে আপুনি 'স্বয়ম্ভু অসমপ্ৰেমী' প্ৰজাঘৰীয়া সাংবাদিক-বুদ্ধিজীৱীৰ আগত অসম প্ৰেমী হ'ব পাৰিব। 'অসম প্ৰেমী'ৰ চাৰ্টিফিকেট খন পাবলৈ হ'লে আপুনি শইকীয়াৰ বিৰোধিতা কৰিবই লাগিব। নহলে আপোনাৰ নিস্তাৰ নাই !

কেশৱ গগৈক অসমৰ 'ধ্ৰুৱ তৰা' সজোৱা সাধুটো নকলে এই দৃশ্যটো অলপ আধৰুৱা হৈ ৰ'ব। স্বয়ম্ভূ অসমপ্ৰেমী বুদ্ধিজীৱী সকলে অশেষ কষ্ট কৰিছে কেশৱ গগৈক ভাবী মুখ্যমন্ত্ৰী পাতিবৰ বাবে। কেশৱ গগৈৰ আগে-পিছে ফুল চন্দন চটিয়াই এওঁলোক আজিও ভাগৰি পৰা নাই। সৎ আৰু নিষ্ঠাবান নেতা বুলি ইতিমধ্যে কেইবাখনো চাৰ্টিফিকেট গগৈ ডাঙৰীয়াই পালেই। 'শ্যামন্তক মণি' যেন চাৰ্টিফিকেট পাই বেচেৰা গগৈ ডাঙৰীয়াই দিল্লীত প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী আদিৰ আগত দেদাউৰি পাৰি আছে বোলে। তাকে দেখি শুনি দুই এজনে মন্তব্য কৰিছে "অমুকক মৈত উঠোৱা নাইতো।"

গোলাপ বৰবৰা চৰকাৰৰ পতনৰ ইতিবৃত্ত বহুতেই বোধহয় জানে। তিনিচুকীয়াৰ সেই মদৰ বেপাৰীৰ বিপক্ষে গোলাপ বৰবৰাই লোৱা দৃঢ় পদক্ষেপক প্ৰশংসা নকৰি নোৱাৰি। ২০/২৫ খন মদৰ মহল নিজৰ দখলত ৰখা বেপাৰীজনৰ পৰা বৰবৰা চৰকাৰে উক্ত মদৰ মহলবোৰ চৰকাৰৰ হাতলৈ নি থলুৱা অসমীয়া যুৱকৰ মাজত ভগাই দিছিল। প্ৰচুৰ অৰ্থ সম্পত্তিৰ গৰাকী এই মদৰ বেপাৰীজনৰ লগত গোপনে হাত মিলালেগৈ প্ৰজাঘৰীয়া সাংবাদিকৰ নয়নৰ মণিয়ে। তাৰ পিছৰ অধ্যায়টোৰ কথা সম্ভৱ নকলেও হ'ব।

আজি কেইদিন মানৰ আগৰ কথা। বন্ধু এজন আহিছিল অমুকৰ ওচৰলৈ। সুধিলো, আচ্ছা তই ক'চোন কিছুমান ব্যক্তি বা সংগঠনে আজি-কালি কিছুমান দাবী কৰে। যেনে আমি ৰাইজৰ পক্ষত, ৰাইজৰ বাবে চিৰদিন সংগ্ৰাম কৰি যাম, অসমৰ জনসাধাৰণ আমাৰ লগত থকালৈকে আমি কোনো দেশদ্ৰোহীৰ বশ্যতা স্বীকাৰ নকৰো আৰু বহুতো এনেধৰণৰ উক্তি কৰে। কথাবোৰত কিবা গণ্ডগোল থকা যেন নালাগেনে। আচলতে কথাবোৰ ৰাইজে এনেদৰে কলেহে অলপ ভাল লাগিব নেকি - অমুক ব্যক্তিজনৰ পক্ষত আমি ৰাইজমখা আছো, অমুক খন কাকত আমাৰ কাকত ........।

বন্ধু গৰাকীয়ে হাঁহি মাৰি কলে "তয়ো ইমান অঁকৰা হৈ আছনে ? নাজাননেকি অসমখন আজি-কালি অসম প্ৰেমীৰে ভৰি গ'ল বুলি। ইমান সোপা অসমপ্ৰেমীৰ মাজত তিষ্ঠি থাকিবলৈ হ'লে অলপ গৰম হবই লাগিব দেচোন। 'মই একনম্বৰ অসম প্ৰেমী' বুলি জোৰেৰে চিঞৰিব পাৰিব লাগিব। নহলে যে বেচেৰাহঁতৰ চাউল কঠাই মুকলি নহয়।"


সূত্ৰধাৰ
ডাকযোগেও আপুনি পাব
বছৰেকীয়া বৰঙণিঃ ১৪৪ টকা
ছমহীয়া বৰঙণিঃ ৭২ টকা
ডাক মাচুলৰ পৰা ৰেহাই দিয়া হ'ল।
আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফট অথবা চেক যোগে পূৰ্বী প্ৰকাশন প্ৰাঃ লিঃ, গুৱাহাটীৰ নামত তলৰ ঠিকনালৈ পঠিয়াওকঃ
চাৰ্কুলেচন মেনেজাৰ
সূত্ৰধাৰ
জনজেবা হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী-৭৮১০০১






# জ্ঞানাৰ্জনৰ কাৰণে পঢ়িব লগীয়া এশখন কিতাপ

ল'ৰা-ছোৱালীৰ কাৰণে লেখা 'কিতাপ পঢ়াৰ আনন্দ' নামৰ এখন কিতাপত এটা বিশেষ প্ৰসঙ্গত মই তলৰ কথাখিনি লিখিছিলোঃ

'মানৱ জাতিৰ সৰ্বোত্তম চিন্তা আৰু কথাবোৰ জানিবলৈ হ'লে আমি স্বভাবতেই পঢ়িব লাগিব সৰ্বোত্তম কিতাপবোৰ। যিবোৰ কিতাপত প্ৰতিভাৱান লোকসকলৰ মহৎ চিন্তা আৰু কল্পনা-শক্তি ফুটি উঠিছে, যিবোৰ কিতাপে যুগ যুগ ধৰি মানুহক চিন্তা আৰু কল্পনাৰ খোৰাক যোগাইছে, যিবোৰ কিতাপৰ মাজত মানুহে যুগ যুগ ধৰি জীৱনৰ অৰ্থ আৰু বিশ্ব-ৰহস্যৰ ব্যাখ্যা বিচাৰিছে, সেইবোৰ কিতাপকে আমি সৰ্বোত্তম কিতাপ বুলি কওঁ। গোটেই পৃথিৱীতে কেইবাহাজাৰ বছৰ ধৰি ৰচিত লাখ লাখ কিতাপৰ মাজৰ পৰা আমি মাত্ৰ এটা জীৱন-কালত পঢ়ি শেষ কৰিব পৰা এনেকুৱা সৰ্বোত্তম কিতাপ কেনেকৈ বাছি উলিয়াম ? আমাৰ নিচিনা সাধাৰণ পাঠকৰ কাৰণে এই কাম একেবাৰেই অসম্ভৱ। প্ৰথমবাৰৰ কাৰণে আমি যেতিয়া কোনোবা এখন মহানগৰত ফুৰিবলৈ যাওঁ তেতিয়া আমাক গাইড্ অৰ্থাৎ বাট চিনাই দিয়া মানুহৰ দৰকাৰ হয়। কিতাপৰ বিশাল জগততো পথ-প্ৰদৰ্শক নহলে আমাৰ অৱস্থা হব অধিক মাছত বগলী কণা হোৱাৰ নিচিনা। পশ্চিমৰ উন্নত দেশবোৰত শিক্ষাব্ৰতী পণ্ডিতসকলে অশেষ পৰিশ্ৰম কৰি শিক্ষাৰ্থী আৰু সাধাৰণ জ্ঞান-পিপাসু মানুহৰ কাৰণে এনেকুৱা অৱশ্য-পঠনীয় কিতাপৰ বহুতো তালিকা কৰি উলিয়াইছে। উদাৰণ স্বৰূপে ডঃ ৰবাৰ্ট বি হাচিনছ যেতিয়া চিকাগো বিশ্ববিদ্যালয়ৰ প্ৰেছিডেণ্ট আছিল তেতিয়া তেওঁ সকলো ছাত্ৰই বাধ্যতামূলকভাবে পঢ়িবৰ কাৰণে ৪৩২ খন Great Books অৰ্থাৎ মহৎ কিতাপৰ তালিকা প্ৰস্তুত কৰি দিছিল। তেওঁৰ মতে এই ৪৩২ খন কিতাপ পঢ়িলেই যি কোনো মানুহ পশ্চিমীয়া সভ্যতাৰ মহত্তম ভাব-সম্পদ তথা সাহিত্য-দৰ্শন-বিজ্ঞানৰ লগত মোটামুটিভাবে পৰিচিত হব পাৰে। উইল ডুৰাণ্ট নামৰ আন এজন পণ্ডিতে বাছি বাছি মাত্ৰ ১০০ খন কিতাপৰ তালিকা কৰি কৈছে যে এই এশখন কিতাপ খৰচি মাৰি পঢ়িলেই যি কোনো মানুহে জ্ঞান-বিজ্ঞানৰ বিভিন্ন শাখাৰ লগত পৰিচিত হৈ নিজকে শিক্ষিত মানুহ বুলি দাবী কৰিব পাৰে.......... ।

মোৰ এই কিতাপখন (কিতাপ পঢ়াৰ আনন্দ) ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সকলৰ বাহিৰেও আন মানুহেও বোধহয় পঢ়িছে। কাৰণ কিতাপখন প্ৰকাশ হবৰ দিন ধৰি বহুত পাঠকে মোক এই বুলি অনুৰোধ কৰিছে যে তেওঁলোকৰ উপকাৰৰ কাৰণে মই উইল ডুৰাণ্টৰ ১০০ খন কিতাপৰ তালিকাখন প্ৰকাশ কৰিব লাগে। তেওঁলোকৰ অনুৰোধ ৰক্ষা কৰি তলত তালিকাখন প্ৰকাশ কৰা হ'ল। কিন্তু তাৰ আগতে দুটা কথাৰ প্ৰতি পাঠকসকলৰ মনোযোগ আকৰ্ষণ কৰা উচিত হব। প্ৰথমতে, পশ্চিমীয়া পণ্ডিতসকলে প্ৰস্তুত কৰা এই তালিকাবোৰত সন্নিবিষ্ট আটাইবোৰ কিতাপেই পশ্চিমৰ অৰ্থাৎ ইউৰোপ-আমেৰিকাৰ কবি, দাৰ্শনিক আৰু বৈজ্ঞানিক সকলে লেখা কিতাপ। এই তালিকাবোৰত প্ৰাচ্যৰ মহান সভ্যতা-সংস্কৃতিয়ে সৃষ্টি কৰা মহৎ গ্ৰন্থবোৰৰ উল্লেখ নাই। সেইকাৰণে ভাৰতীয় জ্ঞান-পিপাসু পাঠকে উইল ডুৰাণ্টৰ তালিকাত উল্লিখিত এশখন কিতাপৰ উপৰিও আৰু কিছু কিতাপ পঢ়াৰ দৰকাৰ হব। দ্বিতীয়তে, সম্প্ৰতি এই কিতাপবোৰ ইমান দুষ্প্ৰাপ্য আৰু দুৰ্মূল্য হৈ পৰিছে যে বেছিভাগ পাঠকৰ কাৰণেই কিতাপবোৰ কিনি পঢ়াটো বোধহয় অসম্ভৱ হব। সেইকাৰণে কিতাপবোৰ সংগ্ৰহ কৰিবলৈ পাঠকসকলে ৰাজহুৱা বা চৰকাৰী পুথি-ভঁৰালবোৰৰ ওপৰত হেঁচা দিয়াটো উচিত হব।

উইল ডুৰাণ্টে হিচাপ কৰি দেখুৱাইছে যে এজন মানুহে যদি সপ্তাহত সাত ঘণ্টাকৈ কিতাপ পঢ়ে আৰু এখন কিতাপ পঢ়ি শেষ কৰিবলৈ তেওঁক দহ ঘণ্টাতকৈ বেছি সময় নালাগে, তেন্তে উইল ডুৰাণ্টৰ তালিকাৰ এশখন কিতাপ পঢ়ি শেষ কৰিবলৈ তেওঁক চাৰিবছৰ সময় লাগিব।

## জ্ঞানাৰ্জনৰ কাৰণে এশখন কিতাপ

(1) The Outline of Science by J.A.Thompson (2) The Human Body by Logan Clendering (3) The New Dietetics by J.H. Kellog (4) Principles of Psychology by William James (5) The Outline of History by H.G.Wells (6) Folkways by W.G. Sumner (7) The


Golden Bough by Sir J.Frazer (8) The Human Adventure by Breasted and Robinson (9) The Wisdom of China by Brian Brown (10) The Bible (11) History of Art by Ellie Faure (12) History of Science by H.S.Williams (13) History of Greece by J.B.Bury (14) Histories by Herodotus (15) The Peloponnesian War by Thucydides (16) Lives of Illustrious Men by Plutarch (17) Greek Literature by G.Murray (18) Illiad by Homer (19) Odyssey by Homer (20) Prometheus Bound by Aeschylus (21) Oedipus Tyrannus and Antigone by Sophocles (22) All plays of Euripides translated by Gilbert Murray (23) Lives of the Philosophers by Diogenes Laertius (24) Dialogues by Plato (25) Nicomachean Ethics by Aristotle (26) Politics by Aristotle (27) On the Nature of Things by Lucretius (28) Aeneid by Virgil (29) Meditations by Marcus Aurelius (30) Decline and Fall of the Roman Empire by Edward Gibbon (31) Rubaiyat of Omar Khayyam translated by Fitzgerald (32) Heloise and Abelard by George Moore (33) Divine Comedy by Dante (34) History of English Literature by H.Taine (35) Canterbury Tales by Geofrey Chaucer (36) Mont St. Michel and Chartres by H.Adams (37) History of Music by C.Gray (38) The Rennaisance in Italy by J.A.Symands (39) Autobiography by B.Cellini (40) Lives of the Painters and the Sculptors by G.Vasari (41) History of Modern Philosophy by H.Hoffding (42) The Prince by Machiavelli (43) The Age of the Reformation by P.Smith (44) The Literature of France by E.Faguet (45) Gargantua and Pantagruel by Rabelais (46) Essays by Montaigne (47) Don Quixot by Cervantes (48) Plays of Shakespeare, Esp. Hamlet, Macbeth, Othello, Romeo and Juliet, Julius Caeser, Henry IV, Merchant of Venice, As you Like it, A Midsummer Night's Dream, Timon of Athens and The Tempest (49) Reflections by Rochefoucauld (50) Plays of Moliers Esp. Tartuffe, The Miser, The Misanthrope, The Bourgeois Gentleman, The Feast of the Statue (51) Essays by Bacon (52) Works of Milton, Esp. Lycidas, L' Allegro, Il Penserosc, Sonnets, Areopagitica (53) Leviathan by Hobbes (54) Ethics, and On the Improvement of the Understanding by Spinoza (55) Portraits of the 18th Century by Sainte-Beuve (56) Works of Voltaire Esp. Candid, Zadig, and essays on Toteration and History (57) Confessions by Rousseu (58) Origins of Contemporary France by H.Taine, (60) Life of Samuel Johnson by Boswell (61) Tome Jones by H.Feilding (62) Tristram Shandy by L.Sterne (63) Gulliver's Travels by Jonathan Swift (64) Treatise on Human Nature by David Hume (65) Vindication of the Rights of Woman by Mary Wollstonecraft (66) The Wealth of Nations by Adam Smith (67) Napoleon by E.Ludwig (68) Main Currents of 19th Century Literature (69) Faust by Goethe (70) Conversations with Goethe by Eckermann (71) Poems by Heine (translated by Louis Untermeyer (72) Poems by Keats (73) Poems by Shelley (74) Poems by Byron (75) Pere Goriot by Balzac (76) Works of Faubert Esp. Mme Bovary and Salammbo (77) Le Miserables by Victor Hugo (78) Penguin Isle by Anatole France (79) Poems by Tennyson (80) Pickaick Papers by Charles Dickens (81) Vanity Fair by Thackeray (82) Fathers and Childern by Turgeniev (83) The Brothers Karmazov by Dostoievski (84) War and Peace by Tolstoi (85) Peer Gynt by Ibsen (86) Descent of Man by Darwin (87) Introduction to the History of Civilisation in England (88) Works by Shopenhauer (89) Thus Spake Zarathustra by Nietzsche (90) The Rise of American Civilisation by C. and M.Beard (91) Poems and Tales by E.A. Poe (92) Essays by Emerson (93) Walden by Thoreau (94) Leaves of Grass by Whitman (95) Letters and Speeches by Lincoln (96) Jean Christophe by R.Rolland (97) Studies in the Psychology of Sex by H.Ellis (98) The Education of Henry Adams by H.Adams (99) Creative Evolution by H.Bergson (100) Decline of the West by Spengler.





# আত্ম-কথা

ৰসানন্দ অভাজন



চাকৰিৰ পৰা অৱসৰ লোৱাৰ পিছত আনবোৰ গতানুগতিক অৱসৰপ্ৰাপ্তৰ দৰে নিজকে এটা আমনিদায়ক চৰিত্ৰত পৰিণত নকৰি সামান্য সাহিত্য চৰ্চাৰে সময়ৰ সদ্‌ব্যৱহাৰৰ লগতে নিজেও এটা বিমল আনন্দৰ স্বাদ লবলৈ মনে মনে পাঙিলো। মোৰ এই গোপন উদ্যমৰ আভাস কেনেবাকৈ পাই মোৰ মানুহজনীয়েও বৰ আনন্দ পালে।

বেচেৰী মোৰ মানুহজনীৰ লিখা পঢ়া বুলিবলৈ বৰ এটা বেছি নাই। মেট্ৰিক ফেল কৰাৰ পিছত বৰ বেছি কষ্ট নকৰাকৈ বাপেক-মাকে মোক পাই যোৱাত বিয়া দি দিলে। তেতিয়া ময়ো চৰকাৰী চাকৰি এটাত সোমাইছো। স্কুলীয়া দিনৰে পৰা মোৰ সাহিত্যত ৰাপ। যৌৱনৰ দুৱাৰডলিত ভৰি দি অপৈণত ভাবৰ আবেগত মই বহুতো কবিতা লিখি সেইবোৰ আমাৰ চুবুৰিত প্ৰতি দেওবাৰে আবেলি বহা সাহিত্য চ'ৰাত পাঠ কৰি এটা সৰুসুৰা নামো লাভ কৰিছিলো। পিছলৈ ডেকা তেজৰ পিৰপিৰণিত লুকাই চুৰকৈ সৰুকৈ এখন উপন্যাসেই লিখি পেলাইছিলো। আনকি বিয়াৰ পিছৰ দুটা বছৰত চলি থকা প্ৰেম, অনুৰাগ, আবেগ, বিৰহ আদিৰ বিভোলতাৰ মাজতেই এদিন এওঁ গম নোপোৱাকৈ মোৰ চিনাকি এজন প্ৰকাশকৰ ওচৰলৈ উপন্যাসখনৰ পাণ্ডুলিপি লৈ গৈছিলো। মানুহজন ভদ্ৰ বুলিয়ে কব লাগিব। কাৰণ ইয়াৰ এবছৰমানৰ পিছত এদিন তেওঁ নিজেই আমাৰ ঘৰলৈ আহি পাণ্ডুলিপিখন মোক ঘূৰাই দি অগ্ৰজৰ দৰে উপদেশ এটা দি গ'ল– 'আপুনি বুজিছে এইখন বৰ্তমানে আপোনাৰ ট্ৰাংকত পাঁচবছৰ মান পেলাই থৈ দিয়ক। তাৰ পিছত উলিয়াই পঢ়ি কিবা যোগ-বিয়োগ কৰিবলগীয়া থাকিলে কৰি আকৌ মোৰ ওচৰলৈ লৈ যাব। তেতিয়া প্ৰকাশ কৰি দিম।'......... কিন্তু পাঁচ বছৰৰ প্ৰয়োজনেই নহ'ল। মোৰ প্ৰথমটো ল'ৰা জন্ম হোৱাৰ দুবছৰমানৰ পিছতেই এদিন ট্ৰাংকটো খোলোতে সেইখন পাই উলিয়াই ওপৰে ওপৰে পঢ়িয়ে এওঁ দেখে বুলি লাজত পোনচাটেই ৰান্ধনি ঘৰলৈ গৈ জুহালত সুমুৱাই দি কেৰাচিন ঢালি দিয়াচলাই মাৰি দিলো। এওঁ সেই সময়ত ফুৰিবলৈ গৈছিল।

ইতিমধ্যে মোৰ তিনিটা ল'ৰা-ছোৱালী হ'ল। ডাঙৰটো চিৰাচৰিতভাবে ভোদাই মাৰ্কা। মাজুটোৰ মগজত বুদ্ধি আছে যদিও সচৰাচৰ অসমীয়া ল'ৰাৰ ফৰ্মূলাৰে ধোদৰ পছলা। তৃতীয়জনী ছোৱালী। কনভেন্ট গচকা আলসুৱা তনুমন। ল'ৰা দুয়োটাই চাকৰিত সোমাইছে। মাজুৰ চাকৰিটো মাতব্বৰী ধৰণৰ নহয় যদিও চাপ্লাই অফিচত ভাল টেবুল এখন পোৱাৰ সুবাদত তাৰ বাহিৰা পইছাৰ আমদানি বেছ ভাল বুলি মাকে গৰ্বেৰে মোক যহায় থাকে।

অৱসৰ পোৱাৰ পিছতেই মই নিজকে আৱিষ্কাৰ কৰি পালো যে চেমনীয়া আৰু যৌৱনকালত ভাব-ভক্তিৰে জ্বলোৱা সাহিত্য স্পৃহাৰ বন্তি গছি এতিয়াও মোৰ অন্তৰত টিমিক্‌টামাক্‌কৈ জ্বলি আছে। এতিয়া মাত্ৰ শলিতাডাল বঢ়াই দিলেই হ'ল। তাৰবাবেও চিন্তা নাই। গোঁসাই থাপনাৰ আগত নুমাওঁ নুমাওঁ হোৱা চাকিৰ শলিতা বঢ়াই দিয়াৰ অভ্যাস মোৰ মানুহজনীৰ আছেই। পতিৰ প্ৰতি থকা তেওঁৰ অবিচল ভক্তি, অনুৰাগ আৰু উচ্ছকাংক্ষাই যে তেওঁক দিনকদিনে মূৰ্খ কৰি পেলাইছে বেচেৰীৰ অকণো জ্ঞান নাই। তেওঁৰ মতে, মই জ্ঞানপীঠ, অকাদেমী ইত্যাদিৰ বঁটাৰ প্ৰতি হাত নেমেলাই ভাল। কিন্তু ৰাজ্যিক বা তেনেধৰণৰ বঁটা এটা মই নিশ্চয় পাব লাগিব। সাহিত্যিক পেঞ্চনৰ কাৰণে দৰ্খাস্ত এখন দিব লাগে বুলি তেওঁ মোক প্ৰায়ে কুটুৰি থাকে। ইপিনে সাহিত্য সভাৰ অধিবেশনৰ সময়ত টিভি আৰু বাতৰি কাকতত সভাপতিক হেজাৰ হেজাৰ ৰাইজে আদৰি নিয়াৰ দৃশ্য দেখিলে তেওঁ নাকৰ পাহি দুটা ফুলাই হুমুনিয়াহ কঢ়াটো এটা সাধাৰণ ঘটনা।

অৱশেষত মোৰ অদম্য বাসনা আৰু তেওঁৰ আকলুৱা উছাহত উপন্যাস এখনকে আৰম্ভ কৰিবলৈ মনস্থ কৰিলো। মোৰ মানুহজনীৰ মতে, মই দেহ-মন ঢালি লিখিবলৈ লাগি যাব লাগিব। কোনেও যাতে আহি মোক আমনি নিদিয়ে তালৈ তেওঁ সদা-সতৰ্ক চকু ৰাখিব। চাহ, তামোল যেতিয়াই লাগে তেওঁ দি থাকিব।

লিখা কাগজ আৰু হাতত কলমটো তুলি লৈ ওপৰৰ চিলিঙলৈ চাই ধ্যান-মগ্ন যোগীৰ দৰে ভাবিবলৈ ধৰিলো আৰম্ভণিখিনি কি দৰে কৰো। কিছু একান্তমনে চিন্তা কৰাৰ লগে লগে মই যেন এটা গভীৰ চাকনৈয়াত পৰি গলো। যিমান সহজ বুলি ভাবিছিলো, এতিয়া দেখিছো এইটো এটা দুৰুহ কাম। বিভিন্ন প্ৰকাৰ ভাবে আহি মোৰ মগজত এনেদৰে জুমুৰি দি ধৰিলে যে মই উৱাদিহ নেপালো। জঁট বান্ধি যোৱা ভাবৰ সমষ্টিৰ আঁত বিচাৰি মই হাবাথুৰি খালো। উপায়ান্তৰ হৈ ভাবৰ হেন্দোলনিৰ পৰা মনটো আঁতৰাই কিছু সময় ৰৈ দিলো। কিন্তু আকৌ আন এটা সমস্যাই উক্ দি উঠিল। কিঁবা এটা ভাব যোগাৰ কৰিলেইতো নহব, এটা উপযুক্ত ভাষাও কলমৰ আগত আহিব লাগিব। কথা চেলেংপেটেংকৈ ভাবিব পাৰি, কিন্তু লিখাৰ ভাষা গম্ভীৰ আৰু মাৰ্জিত হ'ব নেলাগিব জানো ? চিলিঙৰ পৰা চকু নমাই হাতৰ কলম কাগজৰ ওপৰত থৈ দিলো আৰু লগে লগে প্ৰথমবাৰৰ বাবে মোৰ এটা উপলব্ধি আহিল, খাঁটি সোণেৰে যেনেকৈ অলংকাৰ গঢ়িব নোৱাৰি, তেনেদৰে কেৱল জীৱনৰ অভিজ্ঞতাৰেই সাহিত্য সৃষ্টি কৰিব নোৱাৰি। মোৰ যে কল্পনা শক্তিক আৰু ভাষা দুয়োটাৰেই অভাৱ।

কিন্তু সাহিত্য স্পৃহাৰ বন্তি গছি মোৰ তেতিয়াও নুমাই যোৱা নাছিল। সেয়েহে বোধকৰো মোৰ নিঃসহায় আৰু পুতৌলগা অৱস্থা দেখি স্বয়ং আই সৰস্বতীয়ে দয়া পৰবশ হৈ আচম্বিতে এই লাইনটো মোক যোগান দি দিলে– 'হতাশ শব্দটো মানুহৰ জীৱনৰ কলংক স্বৰূপ। এই সুন্দৰ আৰু বিনন্দীয়া পৃথিৱীত যিজনে হতাশা বিচাৰি ফুৰে তেওঁ মূৰ্খ আৰু এই পৃথিৱীৰ অযোগ্য। এয়া মই ভগৱানৰ কৰুণা লাভ কৰা মহৎ লোকৰ বাণীত পঢ়িছো। কিন্তু এনে সুন্দৰতাৰ এটা সামান্য অংশও মই আজিলৈকে দেখা নাই বা উপলব্ধি কৰা নাই। আজি মই সুন্দৰৰ সেন্দুৰীয়া পথ



বিচাৰিবলৈ ওলাইছো, যি পথেদি গ'লে অতীতৰ দুখ-বেদনা আৰু হতাশা জৰ্জৰিত জীৱনৰ কথা একেবাৰে পাহৰি যাম আৰু সমুখত দেখিম সূৰ্যোদয়ৰ প্ৰথম ৰেঙণি।............' বাঃ কি অপূৰ্ব ভাষা মোৰ কলমৰ আগৰ পৰা ওলাই গ'ল। কিন্তু, ইয়াৰ পিছত কি লিখিম ?

ভাবৰ গভীৰতাত নিমগ্ন হৈ মই পিছ চোতাল পালোগৈ আৰু ডাঙৰ দাৰ্শনিকৰ দৰে ইমূৰ-সিমূৰ পায়চাৰী কৰিবলৈ ধৰিলো। মোৰ তেতিয়া বাহ্যিক জ্ঞান নাই। ৰাস্তাইদি কোন কলৈ গৈছে মোৰ ভ্ৰূক্ষেপ নাই। কাণ দুখন বহিৰ্জগতৰ পৰা বিচ্ছিন্ন।

তেনেতে মোৰ আপুৰুগীয়া ভাবৰ শিখৰত আপ্লুত হৈ থকা সেই অৱস্থাত হঠাৎ এনে এটা কৰ্তৃত্বমিহলি কণ্ঠস্বৰে আহি মোৰ কৰ্ণ-কুহৰত খুন্দা মাৰি দিলেহি– যিটোৱে আকাশত ওপঙি থকা কল্পনা সাম্ৰাজ্যৰ পৰা মোৰ সত্ত্বাটোক ধুপুচকৈ চোতালৰ মাটিত পেলাই দিলে আৰু তেতিয়াই চক খাই উঠা চকু দুটাৰে নিৰ্ভুল দেখিলো ৰান্ধনি ঘৰৰ দুৱাৰ মুখত স্বয়ং মোৰ তেওঁ দণ্ডায়মান। মোৰ ভ্ৰমাত্মক চকুলৈ চাই তেওঁ এমখৰা ধমকি দি উঠিল– 'তেনেকৈ ট-টকৈ চাবলৈ আক' কি হ'ল ?' তাৰ পিছত আকৌ একেটা উশাহেৰে ক'লে– 'আপুনি এতিয়া এনেয়েহে আছে। বজাৰলৈকে যাওকচোন, মাছ অকণ পায় যদি লৈ আনকগৈ। মাছ-চাছ কিবা এটা নহলে ৰাতি মাজুটোৱে হুলস্থুলখন লগাব। আপুনিও খাব লাগে।...... হেৰি কৰিব দেই, পৰাপক্ষত চালানী মাছ নানিব। এনেকৈয়ে যাব পাৰিব। পায়জামাটোৰ ওপৰত পাঞ্জাৱীটো আছেই। ৰব, মই পইছা আনি দিছো। বেগটোও আনি দিওঁ।'

পতিৰ সাহিত্য কীৰ্তিত গৰৱিনী হ'ব খোজা সৰলা, অৱলা আৰু পৰম নিষ্ঠাৱতী মোৰ অৰ্দ্ধাঙ্গিনী মোৰ মানুহজনী গম্ভীৰ খোজেৰে ভিতৰলৈ গ'ল।

আৰু মই ? পালে মাছৰ লগতে সিহঁতক খুজি বৰফ এটুকুৰাও আনিব লাগিব বুলি মনতে ভাবি পেলালো। ।





# কালচক্ৰ ঃ সন্ধিক্ষণ

ডাঃ আনন্দেশ্বৰ বৰঠাকুৰ



মেধিয়নীক দেখি সেউতী ৰঙত ৰাংঢালী হ'ল। "বাইদেউ আপোনাক ডাঙৰীয়াই আহিবলৈ দিলে জানো ?"

কপট খঙৰ ভাব এটা লৈ মেধিয়নীয়ে সেউতীক ক'লে "তই এইবোৰ কৰিছ বুলি মোক আগতেই নজনালি কিয়। মই যিটো উধাতু খাই আহিছো এতিয়াহে মোৰ মুখলৈ পানী আহিছে।"

ইতিমধ্যে শইকীয়াই গা ধুবলৈ কুঁৱাৰ পাৰৰ পিনে বেঙা মেলিলে। মনে মনে ভাবিলে এতিয়া কুঁৱাটো পুতিব লাগিব। দমকল এটাকে বহুৱাব লাগিব। ল'ৰালি কালতে পেহীয়েকৰ চোঁচৰি ফুৰা পোনাকণ পুখুৰীত পৰি পিছদিনা ওপঙি থকা দৃশ্যটো আজিও মনত আছে। সেউতীয়ে জুহালত চাহ দিবলৈ পানী তপতালে। মেধিয়নীয়ে ৰান্ধনি ঘৰৰ পিনে সোমাই গৈ সুৰক সুধি চাউল-পাত পাচলি মা-মছলা কি ক'ত আছে বুজি বাজি ল'লে। সেউতী চাহৰ পানী গিলাচত বাকি মেধিয়নীক মাতিলে, "বাইদেউ আপুনি ইমান উত্ৰাৱল নহ'ব, কালিযে মোৰ কি হৈছিল, মই বুজিব নোৱাৰিলো। চাহ-পানী এঢোক খাই লকহিচোন।"

ৰান্ধনি ঘৰৰ পৰা ওলাই আহি ঘিলাপিঠা দুখনৰ সৈতে চাহ-পানী টোপা বাতি এটাত বাকি লৈ অকণমান সেউতীকো খাবলৈ দিলে। পৰম তৃপ্তিৰে সৈতে চাহকণ মুখত দি সেউতীয়ে মনে মনে ভাবিলে এইজনীয়ে আগৰ জনমত সঁচাকৈ কিজানি তাইৰ বায়েক আছিল। ভাত, দাইল লৰালৰিকৈ বহাই দি কোনোবা পাকত বাৰীৰ পাছফালে গৈ দোৰোণ ফুলৰ আগ কেইটামান ছিঙি আনিলে মেধিয়নীয়ে। কোৰোকাটোত থোৱা কলাখাৰখিনিত পানী মিহলাই সেই খাৰেৰে সৈতে দোৰোণ ফুলৰ আগ ৰান্ধিলে। ঘৰৰ পৰা দি পীঠওৱা পুৰণি কুজি থেকেৰা কেইফুলামানেৰে মণ্ড মাহৰ বৰাৰ টেঙা আঞ্জা ৰান্ধিলে। ইতিমধ্যে শইকীয়াই দোকান খুলিবলৈ যাবলৈ ওলালত মেধিয়নীয়ে মজিয়াত ভাত বাঢ়ি দিলে। যোৱাৰ আগতে মেধিয়নীয়ে ক'লে "আহিবৰ সময়ত চ'ক বজাৰত মাগুৰ মাছ পালে বোপাই কেইটামান লৈ আহিবা। বাৰীত কাঁচকল নাই। দুই এপদ অন্যান্য পাচলিও আনিলে ভাল হ'ব। তাইক পেৰি পেৰি সুধি কিনো খাবৰ মন যায় সেই অনুপাতে মই ৰান্ধিবলৈ যতন কৰিম। আজি বোপাক লৰালৰিকৈ ভাতকেইটা দিলো। আধাফুটীয়া হ'লনে কি ক'ব নোৱাৰো।"

পৰম তৃপ্তিৰে সৈতে ভাত খাই শইকীয়াই কলে 'ভাতকেইটা বৰ সোৱাদ লাগিছে। এতিয়া আপোনাৰ জাকৰ মুখত জুতি লাগিলেই হয়।'

শ্ৰীমন্তক ঘৰতে থাকিবলৈ কৈ সেউতীৰ হাতত টকা কেইটামান দি মধু শইকীয়া দোকান মুৱা হ'ল। আজি অলপ পলম হ'ল। বাইচাইকেল জোৰেৰে চলাবলৈ ল'লে, মনত নানা চিন্তা নানা পৰিকল্পনা। আত্মবিভোৰ হৈ গৈ থাকোতে কেতিয়ানো দোকানৰ সমুখত চাইকেলৰ পৰা নামি তলা খুলিলে শইকীয়াই উমানকে নেপালে। কলামনক আজিকালি দোকানতে থাকিবলৈ দিয়ে। সি পিছ দুৱাৰেদি ওলোৱা-সোমোৱা কৰে।

সেইদিনা দোকানত এটা নতুন ঘটনা ঘটিল। শইকীয়াৰ দোকানৰ ওচৰতে এখন কিতাপৰ দোকান আছিল। স্কুলীয়া পাঠ্যপুথি কাগজ-পেন্সিল আদি কৰি নানা তৰহৰ যাৱতীয় ছাত্ৰৰ প্ৰয়োজনীয় বস্তু সমূহ তাত আছিল। দোকানৰ মালিক নামনিৰ মানুহ। প্ৰায় একে সময়তে তেওঁ তাত দোকান খুলিছিল। দুয়োৰো মাজত মিলো আছিল যথেষ্ট। তেওঁ আহি শইকীয়াক কলেহি ঘৰৰ পৰা দেউতাকৰ টান বেমাৰ হোৱাৰ খবৰ আহিছে বুলি। মানুহ এজন পঠিয়াই দিছে তেওঁক লৈ যাবলৈ। দোকানত কাম কৰা ল'ৰাটোৰ হাতত চাবি-কাঠি এৰি দি যাবলৈ টান পাইছে। তাতে এতিয়া স্কুলৰ পৰীক্ষাবোৰ শেষ হোৱাৰ লগে লগে নতুন পাঠ্যপুথি আনি দোকান ভৰাই পেলালে। শইকীয়াক কাকূতি কৰি ক'লে, 'আপুনি দোকানখনৰ ভাৰ লওক। ঘৰৰ মালিকক মই কৈছো, মাজৰ বেৰখন মোৰ খৰচতে ভঙাই দিয়ক। কেচ বাকচটো আপোনাৰ ইয়াতে থাকিব। বিক্ৰীৰ হিচাপটো বেলেগে ৰাখি পিছত মোক বুজাই দিলেই হ'ব। পিতা বাচি আছেনে নাই নাজানো, যদি কিবা হৈছে এমাহলৈ ঘৰৰ পৰা ওলাব নোৱাৰিম। আমাৰ সমাজখন বৰ কাঢ়া।'

ঠাকুৰীয়াৰ কথাখিনিৰ উত্তৰ কি দিব নিদিব বুলি ভাবি থাকোতে ঘৰৰ মালিক চইফুদ্দিন চাহাব আহি ওলালে। তেখেতে গোটেই ঘটনাটো আগদিনা নিশাতে শুনিছে। মানুহজন বৰ ভাল। ধৰ্মত থাকে। শইকীয়া আৰু ঠাকুৰীয়াক দুয়োকে নিজৰ পো-যেন ভাবি মৰম কৰে। ওচৰৰ বালিবাটত তেওঁৰ ঘৰ। এইটো সম্পত্তি ঘৈণীয়েকৰ পিনৰ পৰা পোৱা। শইকীয়াক তেওঁ ক'লে "দুয়ো ওচৰা-ওচৰিকৈ কাম কৰিলা। আজি মানুহজনৰ বিপদত উদ্ধাৰ কৰা।"

ইমান ডাঙৰ দায়িত্ব এটা পালন কৰিবলৈ ভয় খাইছিল যদিও মানুহজনৰ বিপদৰ কথা বুজি কলে–

"হ'ব বাৰু, আপুনি এবাৰ দোকানৰ ষ্টকৰ লিষ্ট এটা মোক দিয়ক।"

"সেইবোৰৰ সময় মোৰ নহ'ব। কলো নহয় আপুনি যি কৰে সেয়ে হ'ব। মোৰ ঘৰৰ অৱস্থাৰ বিৱৰণ গৈ পাই চিঠিৰে জনাম।"

সেইদিনালৈ সৰস্বতী বুক ষ্টল বন্ধ থাকিল। হাজিৰা মানুহ আনি শইকীয়াই মাজৰ বেৰখন ভঙালে। দুখন দোকান মিলি এতিয়া এখন দোকান হ'ল। ইয়াৰ ভিতৰতে ডাকঘৰৰ পৰা জমা টকাৰ দুশ টকা উলিয়াই আনি ঠাকুৰীয়াৰ হাতত দি কলে "হাতত থকা হলে মই আৰু দিলোহেঁতেন, বিয়াখনে মোৰ কঁকাল ভাঙিলে। আপোনাৰ আজি বিপদৰ সময়। বিক্ৰী-বাৰ্তা হলে পিছত আৰু দিম।"

টকাকেইটা হাতত পাই ঠাকুৰীয়াই সৰগ ঢুকি পোৱা যেন পালে। "সখি আপুনি মোৰ কোন জনমৰ কুটুম আছিল মই নাজানো। হাত মোৰ একেবাৰে খালি হৈ আছিল। এতিয়া অন্ততঃ পিতাৰ চিকিৎসা কৰিবগৈ পাৰিম।"

আবেলি মৰিয়নীলৈ গৈ ঠাকুৰীয়া ঘৰলৈ বুলি ভাটিমুৱা হ'ল। বিশ্বাস আৰু দায়িত্ববোধ দুয়োটাই শইকীয়াক চিন্তাত নিমগ্ন কৰি ৰাখিলে। সৰস্বতী বুক ষ্টলৰ কাম কৰা ল'ৰাটোৰ নাম আগতে কি আছিল শইকীয়াই নেজানে। শইকীয়াৰ তাত কাম কৰা ল'ৰাটোৰ নাম কলামন আছিল বাবে গাৰ বৰণ বগা হোৱাৰ বাবে তাক বগামন বুলি মাতিছিল। বগামন পিছফালে ঠাকুৰীয়াৰ চালিখনতে থাকে। কলামনকো একেলগে থাকিবলৈ দিহা কৰি দিলে। সৰস্বতী বুক ষ্টলৰ গ্ৰাহক বিলাকক দোকান পিছদিনাৰ পৰা খুলিব বুলি শইকীয়াই কলে। বজাৰৰ পৰা বস্তু কেইপদমান লৈ দোকান বন্ধ কৰি সেইদিনা ঘৰ আহি পাওঁতে সাজ লাগি ভাগিছিল। চ'ৰা ঘৰত মেধি বহি আছিল। ভিতৰলৈ গৈ মেধিয়নীক বস্তুখিনি গটাই দি মুখ-হাত ধুই বাহিৰৰ কোঠাত বহিলহি। দুয়োৰে সমুখত সুৰই চাহ-জলপান দি গ'ল। মেধিয়ে কলে পিছদিনা শহুৰেক-শাহুৱেক আহিব বুলি। লগতে ক'লে "মই আজি বৌৱেৰক লৈ নাযাওঁ, নিব খুজিলেও তাই নাযায় বুলি মই জানো। কাইলৈ খুৰীটি আহিলে কেছাৰীৰ পৰা আহি লৈ যামহি।"

শইকীয়াই মনে মনে তলকা মাৰি কথাবোৰ শুনিলে। চিন্তাগ্ৰস্ততাত তেওঁৰ মনটো অৱসন্ন হৈ আছিল। "তুমি এনেকৈ কেলেই চিন্তা কৰি আছা ? আমি নাই জানো। নেওগ আৰু বৰাক কাইলৈ মই বতৰা জনাম। 'গোটেইবোৰে দেখোন তোমাক আগুৰি আছো।" অলপ সময় নিস্তব্ধতাৰ মাজেৰে পাৰ হৈ গ'ল। হাঁৰিকেন লেম্পটো জ্বলাই টেবুলখনৰ ওপৰত সুৰই থৈ গলহি।

"ককাই আজি আৰু এটা কথা হ'ল মোৰ দোকানৰ ওচৰৰ 'সৰস্বতী বুক ষ্টল'ৰ গৰাকী ঠাকুৰীয়া আজি তেওঁৰ ঘৰলৈ যাবলগীয়া হ'ল। দেউতাকৰ টান নৰীয়া। তেওঁৰ দোকানখনৰ ভাৰ মোক দি গ'ল। মানুহজনৰ অৱস্থা দেখি মই এৰাব নোৱাৰিলো। দোকান দুখনৰ মাজৰ বেৰখন তেওঁ ভাঙি দিলে। কিমান টকাৰ বস্তু আছে তাৰো সম্ভেদ দিব নোৱাৰিলে। মই তাকেই ভাবি আছো মানুহজনৰ বিশ্বাসখিনি কেনেকৈ ৰাখো। তাতে এতিয়া কিতাপৰ চিজিন। আলমাৰিবোৰ স্কুলৰ পঢ়া কিতাপেৰে ঠাহ খাই আছে।

"হেৰা তোমাৰ ভাবিবলৈ কি আছে। শ্ৰীমন্তক কাইলৈৰ পৰা কামত লগাই দিয়া। সি দেখোন তোমাক কৈছিল কাৰবাৰ এটা কৰিব বুলি।"

"সেই কথাটোকে মই ভাবি আছো। ককাইদেউক মোৰ দোকানখনত বহুৱাই দি মই ঠাকুৰীয়াৰ দোকানখনৰ ভাৰ লম। পইছাৰ হিচাপৰ কথা, কড়ি-ক্ৰান্তি পাইলৈকে ঠিক ৰাখিব লাগিব।"

পিছদিনা পুৱা শ্ৰীমন্তক লৈ মধু শইকীয়া দোকানলৈ বুলি ওলাল। দোকান খুলি সেৱা কৰি ধূপ-ধুনা জ্বলাই ঠাকুৰীয়াৰ কেচ বাকচত হাত দিলে। অন্তৰখন ভয়ত কঁপি উঠিল। ইমান ডাঙৰ বিশ্বাস এটাৰ মাজত অবিশ্বাসৰ কেৰোণ যাতে নোসোমায় তাকে ভগৱন্ত পুৰুষক খাটিলে। দোকান খোলাৰ লগে লগে দুটা আইনাৰ গিলাচত শ্ৰীমন্ত আৰু শইকীয়াক বগামনে বিস্কুট দুখনেৰে সৈতে চাহ দি গ'ল। শইকীয়াক সুধিলে "অলপ বজাৰ কৰিব লাগিব। আমাৰ চাৰিজনৰ কাৰণে চাউল কম হ'ব। পাচলিও দুই-এপদ আনিব লাগিব।" টকা এটা শ্ৰীমন্তক শইকীয়াৰ বাকচৰ পৰা উলিয়াই দিবলৈ কলে। "বজাৰৰ হিচাপটো মোক দিবি।"



বগামনক বজাৰলৈ পঠিয়াই শইকীয়াই ইফালে-সিফালে গৈ কিতাপৰ আলমাৰিবোৰ চাবলৈ ললে। তেনেতে গ্ৰাহক আহিবলৈ আৰম্ভ কৰিলে। স্কুলৰ ৰিজাল্ট ওলোৱাৰ পিছৰ পৰা পাঠ্যপুথি বিচাৰি অহা গ্ৰাহকৰ লাইন নিচিগা হ'ল। সেইদিনা ভালেমান পইছা কেচ বাকচত গোট খালে। এইবাৰ আলমাৰিবোৰত চকু ফুৰাই দেখিলে কেইবাবিধো কিতাপ নকৈ আমদানি কৰিব লাগিব। পোষ্ট অফিচত খালাচ কৰিবলগীয়া পাৰ্চেলবিলাকৰ লিষ্ট চাই চাই সেই অনুপাতে আন্দাজ কৰি কিতাপবোৰ মগাই অনাৰ চিঠি লিখিবলৈ ললে। সাজ লগাৰ পিছত দোকান বন্ধ কৰি শ্ৰীমন্তক লগত লৈ হিচাপ পত্ৰবোৰ ঠিক কৰিবলৈ আৰম্ভ কৰিলে। গাওঁৰ পৰা অহা সৰহীয়াকৈ কিতাপ নিয়া মানুহবোৰে শইকীয়াৰ দোকানৰ পৰাও এপদ-দুপদকৈ তেলৰ বটল, বাৰ্লিৰ টেমা, বিস্কুট লুজেন আদি কৰি বস্তু নিবলৈ ধৰাৰ কাৰণে সেইখন দোকানৰো বিক্ৰী বাঢ়িল। পুৰণি গ্ৰাহক ভালেমানে শইকীয়াক ক'লে – "আপুনি দুইখন দোকান একেলগ কৰি লোৱাৰ কাৰণে ভাল পাইছো, অসমীয়া মানুহে এনেকৈ কৰিলেহে উধাব পাৰিব।"

শ্ৰীমন্ত সেইদিনা গ্ৰাহকে বিচৰা বহুতবোৰ বস্তু লিষ্ট কৰিলে। দুই-এখন ডাঙৰ দোকানে পাইকাৰী দৰত সেইবোৰ বস্তু দিয়ে।

ইতিমধ্যে বগামনে চাহ-জলপান আনি দি গৈছিলহি। হোটেলৰ ভাতৰ জাগাত বগামনে ৰন্ধা তপত ভাতকেইটা সেইদিনা দুয়ো সৰহকৈ খাইছিল বুলিহে ভোকত পেটৰ কেচু-কুমটিবিলাকে তেতিয়াও উজান দিয়া নাছিল। দোকানৰ তলা বন্ধ কৰি ক'লামন, বগামন দুয়োটাকে পিছফালৰ চালিখনত থাকিবলৈ দি দুয়ো ঘৰমুৱা হ'ল। প্ৰসন্নতাৰে মধু শইকীয়াৰ মন উপচি পৰিল। ধনৰ টোপোলাটো কঁকালৰ মোনাখনত ভালকৈ বান্ধি চাইকেলত উঠিল। পিছফালে ফুটষ্টেপত ভৰি দি শ্ৰীমন্তই থিয় দিলে। ৰজামৈদাম পাৰ হৈ শইকীয়াই চাইকেল চলাই ঘৰৰ দুৱাৰমুখ পালেহি। নঙলাৰ সমুখত চৈ লগোৱা গাড়ীখন দেখি বুজিলে ঘৰৰ পৰা শাহুৱেকহঁত অহা বুলি। বাহিৰৰ চ'ৰা ঘৰত বলো মেধি আৰু শহুৰেক কথা পাতি আছিল। টেবুলখনত হাৰিকেনৰ লেম্পটো ইতিমধ্যে কোনোবাই জ্বলাই থৈ গৈছিল। দেউতাকক দেখি শ্ৰীমন্তই বজাৰৰ পৰা কিনি অনা বস্তু কেইপদ ভিতৰলৈ থবলৈ বুলি আগবাঢ়ি গ'ল। যোৱাৰ আগতে সুধিলে – 'পিতাই আহিলি, বৌটিও আহিছে নেকি ?'

মধু শইকীয়াহঁত ভিতৰলৈ সোমাল। শইকীয়াই শাহুৱেকক মাত দি ধনৰ টোপোলাটো লোহাৰ ট্ৰাংকৰ ভিতৰত সুমুৱাই চাবি-কাঠি মাৰি বাহিৰলৈ আহিল। মেধিয়ে মাত লগালে। "তোমাৰ কাৰণে ৰৈ আছো, নবৌৱেৰক লৈ মই এতিয়া ঘৰমুৱা হম। গৰাকী আহিল যেতিয়া কিহৰ চিন্তা আৰু ?"

মেধি কাকতিৰ পুৰণি চিনাকি – কেছাৰীলৈ অহা-যোৱা কৰোতে তাহানিতে কাকতিয়ে মেধিক লগ পাইছিল। সেই চিনাকিৰ গইনা লৈয়ে শইকীয়াৰ বাবে তেখেতৰ ঘৰলৈ ছোৱালী খুজিবলৈ গৈছিল।

মূৰটো জোঁকাৰি কাকতিয়ে মাত লগালে "সমাজ মাতি ছোৱালী উলিয়াই দিছো, ছোৱালীয়েও পিছফাললৈ বুলি চাউল চটিয়াই ঘৰৰ নঙলা ঠেলি তোমালোকৰ এইখিনি ওলাইছেহি। আমাৰ হিচাপত গৰাকী তুমিহে, বোৱাৰীক মই বাদ দিয়া নাই। আমি আলেঙে-আলেঙে আলেখ-লেখ চোৱা মানুহ। চহৰৰ কথা ভালকৈ ভুকে নাপাওঁ। আমাক পাচিবা যি হয় আমি কৰিম।"

হো হো কৈ হাঁহি এটা মাৰি মেধিয়ে মাত লগালে। "গৰাকী কোন সেই বিচাৰ কৰিবলৈ গৈ দাইটিৰ লগত কাজিয়া কৰিবলৈ ললে মধুৰ মুখ শুকাব। হ'ব বাৰু, আপুনি কোৱাৰ দৰেই হ'ব। সাজ লাগি কেতিয়াবাই ভাগিল। সৰু জনী ছোৱালীয়ে শিয়ালৰ হোৱা শুনিলেও ভয় খায়। ঘৰৰ ওচৰৰ মানুহ এজনী বহুৱাই থৈ আহিছো। এতিয়া গা কৰোহে বুলিছো।"

ইতিমধ্যে মেধিয়নীয়ে দুৱাৰ ডলিত থিয় দিছিল। মুখত তামোল এমোকোৰা চোবাই-চোবাই শইকীয়াক কলে – "বোপা চিন্তা নকৰিবা। আজি গদীয়াবায়েও চাই গৈছিল, একো ভাবিবলৈ নাই বুলি কৈছে। দদাইয়ে অনুমতি দিলে আমি যাবলৈ বিচাৰো।"

"যোৱা – যোৱা মোৰ আই দেৰি হ'ব। দেৰি হ'ব মানে দেৰি হলেই।" মেধিহঁত দুয়ো জপনামেলি বাহিৰ ওলাল।

"কণবাপৰ মাক মই চাইকেলত উঠো তই পাৰিবি নহয় কেৰিয়াৰত জঁপিয়াই বহিব ?"

খিলখিলকৈ হাঁহি মেধিয়নীয়ে কলে – "কোনোবাই দেখিব নেকি আকৌ।"

ফুটষ্টেপত ভৰি দি লাহে লাহে চাইকেলখন চলাই কোনোবা এঠাইত গৰু-গাড়ীৰ চকাই লোৰ কাটি যোৱা ঠাইত চাইকেলখন খাড়া কৰি কিনাৰৰ ওখ মাটিত ভৰি দি মাত লগালে। "দেখিলে দেখিব মোক যদি কোনোবাই কাৰোবাৰ বোৱাৰী চুৰ কৰি অনা বুলি ভাবে ভাবিব।"

চাইকেলৰ কেৰিয়াৰত বহি মেধিয়নীয়ে গিৰিয়েকক জোকালে। "এইজন যেনিবা কোনোবা চফল ডেকা হৈ আছে কোনোবাই তেনেকৈ ভাবিবলৈ।"

"আজি ডেকা নহলো বুলি এদিন জানো নাছিলো ? তই সেইবোৰ পাহৰিয়েই গ'লি। এদিন নেদেখিলে মোৰ হিয়াখন ধান বনাদি বানে। তোৰখনৰ সম্ভেদো মই পাইছিলো। মাৰৰ ঘৰলৈ গলে মোক সকীয়াই থৈ যাৱ সোনকালে তোক লৈ আহিবৰ বাবে।"

"কিনো কথাবোৰ কয় এইটোৱে।"

"মোৰ মুখ খোলালে মজা পাবি আকৌ।"

"হৈছে হৈছে কোনোবাই শুনিলে কি বুলিব ?"

"কিনো বুলিব ?"

"বুঢ়া হলহি লাজ নাইনে।"

হাঁহি খিকিন্দালিৰ মাজেৰে দুয়ো ৰং ৰহইচ কৰি তৰাজানৰ পুল পোৱাৰ আগতে ট্ৰাংক ৰোডৰ পৰা বাওঁহাতে নামি যাবলৈ আৰম্ভ কৰিলে। এইবাৰ মেধিয়নী চাইকেলৰ পৰা নামিল। মেধিও নামিল। বাট খলা বমা। কোনোবা পাকত কলে "দেখাক দেখি একাদশী নকৰিবি তই আকৌ।"

মেধিয়নীয়ে সুধিলে – "সাঁথৰ এৰি কিনো কৈছে কওক।"

"নহয় অ, মধুৱে নকৈ ঘৰ পাতিবলৈ লৈছে। তাৰ কথা সুকীয়া, তাৰ ঘৈণীয়েকৰ বেমাৰটো তোৰ গাত লম্ভিলে মই ত্ৰাহি হৰি মধুসূদন কৰিব লাগিব। ল'ৰা-ছোৱালীৰ আগত নাকটো ৰাখিবলৈ টান হ'ব।"

"কিনো কথাবোৰ কয় ? লাজ নেপায় নে. ? তাল এপাতেৰে নেবাজে। গৰু চুৰ কৰি, পঘাদাল হাতত লবলৈ লাজ কৰিলেও নচলে।"

স্বামী-স্ত্ৰীৰ জীৱনৰ গোপন ৰহস্য ফুটি উঠিল দুয়োৰো মুখত।

নিস্তব্ধতাৰ মাজেৰে দুয়ো আগুৱাই গৈ থাকিল। "খুৰীটিক মই আজিহে লগ পালো, মানুহজনীৰ গাত কিবা এটা আছে দেই।"

"দাইটিয়ে মাতি আছে তেওঁলোকৰ ঘৰলৈ। যোৱাহে হোৱা নাই। গলেহে দেখিবি সেইজনী এজনী সাক্ষাৎ লখিমী। তিনিটাকৈ মেটমৰা ভঁৰাল। এগোহালি গৰু। মাছে উখল-মাখল কৰি থকা প্ৰকাণ্ড পুখুৰী। ঘৰলৈ গলে যিটোহে আদৰ সাদৰ পোৱা যায়। তাতে বুজিব পাৰি।"

"জীয়েকজনীয়েও মাকৰ আঁহটো পাইছে। সৌ-সিদিনা সোমায়েই ঘৰখন চিজিল কৰি পেলালে। আমাৰ বোপা দুৰ্ভগীয়া ল'ৰা। ভগৱন্ত পুৰুষে চকু মেলি চাইছে। এতিয়া কোনো বিঘিনি নোহোৱাকৈ মানুহজনী খালাচ হলেই হয়।"

"কিয় নাজানো ল'ৰাটোক মোৰ বৰ ভাল লাগে। নিজৰ ককাই ভাই নাই কাৰণে মধুক নিজৰ ভাই যেন লাগে।"

"সিহঁত হালে জানো আপোনাক কম সন্মান কৰে।"

কথা-বতৰাবোৰ লেহেম গতিত চলি থাকে। কোনোবা এটা সময়ত নঙলামুখত থিয় হৈ মেধিয়নীয়ে নঙলাডাল খুলি দিয়ে। পিছে পিছে দুৱাৰডলিয়েদি চাইকেলখন চ'ৰা ঘৰৰ ভিতৰলৈ লৈ গৈ বেৰত আউজাই থয়। মেধিয়নীয়ে নঙলাডাল মাৰি ঘৰৰ ভিতৰ সোমোৱাৰ আগতেই গোটেইজাক ল'ৰা-ছোৱালী চ'ৰা ঘৰলৈ ওলাই আহিছিল। মাকক দেখিয়ে অকণমান জনীয়ে কান্দি কান্দি মাকক সাবটি মাৰি ধৰি গোচৰ তৰিলে। মাজু বায়েকে তাইক আন্ধাৰলৈ আঙুলিয়াই সেইটো ভূত-ভূত বুলি ভয় খুৱাইছিল। মাজু জীয়েক কামিনীয়ে জেক-জেকাই উঠিল। "মা তই তাইৰ কথা নুশুনিবি। মোক তাই চিকুটি থাকে। দুখ পোৱাকৈ চিকুটে।"

"নিচিকুটিম নেকি? মূঢ়াটোত বহি বহি তাই টোপনিৰ ভাও জুৰি থাকে। মই সাৰে থাকিবলৈ কলেও তাই ভাও ধৰে। মোৰ ভয় নেলাগিষ নেকি?"

এইবাৰ মেধিয়ে মাত লগালে – "ইহঁত দুটা কলৈ গৈছিল? কণবাপ আৰু সৰুকণ।"

কণবাপে তপৰাই মাত লগালে – "মই পিছপিনে চোতালত পঘা বাটি আছিলো। আপুনি কৈছিল নহয় গাভিনী গৰুজনীৰ পঘাডাল নতুনকৈ বাটি দিব লাগে বুলি। অকলে এটাই পঘা বাটিব নোৱাৰি কাৰণে মই সৰুকণকো লগত লৈছিলো। মই চাকিটো বাহিৰলৈ লৈ যাওঁতে কণমায়ে ৰাউচি ধৰিলে। লেমটো থাকিলেও তাইক ওচৰত চাকিটো লাগে।"

সেইবোৰ কথোপকথন চলি থাকোতে মেধিয়নীয়ে ভিতৰ সোমাই কাপোৰ সলাই হাত-ভৰি ধুলে। ৰান্ধনি ঘৰৰ পিনলৈ লৰালৰিকৈ আগবাঢ়ি গ'ল। বাটত যাওঁতে ৰিঙিয়াই বৰ জীয়েক লাহৰীক সুধিলে – "লাহৰী থাপনাত চাকি বন্তি লগালি নে?"

চোতালৰ একাষে সৰু ঘৰটো। থাপনাখন তাতেই পাতি লৈছিল। বংশীবাদন আৰু লখিমী গোসানীৰ ছবিৰে সৈতে সেইখিনি থাপনা। ছবিকেইখনৰ সমুখৰ পীৰাখনতে কীৰ্ত্তন নামঘোষা আদি দুই এখন পুথি। সময় পালে মেধিয়ে সন্ধিয়া চাকিৰ পোহৰত তাতে পুথি পঢ়ে কঠ এখন পাৰি লৈ।

লাহৰীয়ে উত্তৰ দিলে, "লগালো মা, আজি সেৱা কৰি গোঁসাইক কলো, খুৰীৰ গাটো সোনকালে ভাল কৰিবলৈ। খুৰাদেউৱে আমাক বৰ মৰম কৰে।"

কণমায়ে ইতিমধ্যে বাপেকে মূঢ়াটোক বহি থকা পাই তেওঁৰ কোঁচৰ মাজত সোমাইছিল। "চাকিটো লৈ গলে ভয় নকৰিম জানো দেউতা?"

"কেলেই লেমটো নাছিল জানো?"

"কিনো কয় দেউতাই, লেমৰ জুইকুৰা ভিতৰত লুকাই থাকে নহয়। ভূতে জানো পোহৰটো দেখি ভয় খাব। চাকিটো নহলে মই ভূত কেনেকৈ খেদিম?"

"বাৰু তেতিয়া সিহঁতক পঘা বাটিবলৈ লেমটোকে লৈ যাবলৈ নিদিলি কেলেই।"

"ইহ আপুনি কিনো কথাবোৰ সুধি থাকে, লেমটো লৈ গলে গোটেইখন আন্ধাৰ নহ'ব জানো, আপুনিও ভয় খাব।"

গোটেইকেইটা ল'ৰা-ছোৱালীয়ে তাইৰ কথা শুনি কিৰিলি পাৰি হাঁহিলে।

মেধিয়ে এটা কৃত্ৰিম গাম্ভীৰ্যৰে কলে, "অ, সমস্যাটো অকণমান জটিলেই। অহা মঙলবাৰে তোক মই ক'লা সূতাৰে বান্ধনি মন্ত্ৰ মাতি কঁকালত মেৰিয়াই লবলৈ ৰচি এডাল বাটি দিম। সেইডাল কঁকালত থাকিলে তোৰ ওচৰে পাঁজৰে এমাইল দূৰলৈকে ভূত আহিব নোৱাৰে।"

"এমাইল মানে কিমান? তৰাজানৰ পুললৈকে এমাইল হবনে?"

"হ'বতো আকৌ।"

"সেইডাল কঁকালত থাকিলে মই আউসীৰ দিনা অকলে-অকলে তৰাজানৰ পুলৰ পৰা ঘূৰি আহিব পাৰিমনে?"

"নহয়, আউসীৰ দিনা নহয়, বেজে মাহত দুদিন নঙলা খুলি দিয়ে, সেইদিনা যাব নোৱাৰিবি।"

"অইন দিনা একা"

"অইন দিনা পাৰিবি। পিছে ৰাতি অকলে সৰু ছোৱালী বাহিৰলৈ ওলাই নগলেই ভাল নেকি।"

মাকৰ ভাত ৰান্ধোতে অলপ দেৰি হৈছিল। কণমায়ে নোখোৱাকৈ শুলে, তাইক তুলিবৰ সাধ্য নেথাকে। বাৰে বাংকৰা কথা কৈ মেধিয়ে তাইক সাৰে ৰাখিবলৈ যত্ন কৰিছিল।

"কিয় দেউতা কঁকালৰ ৰচিডালে তেতিয়া কাম নকৰিব নেকি?"

"কাম নকৰিব মানে সেই কথা মুখতে নানিবি। কাম কৰিব ভূত, আলসনি একো আহিব নোৱাৰে। পিছে –" মেধিয়ে ক্ষন্তেক থমকি ৰ'ল।

"পিছে কি হ'ল দেউতা?"

"কম জানো? তই যি হে ছোৱালী ছাঁটোক বাঘ যেন দেখিবি।"

"নেদেখো – নেদেখো মই নেদেখো, তোমাক কথা দিছো দেউতা। মই ছাঁটোক বাঘ যেন নেদেখো।" মেধিৰ গালখনত হাত ফুৰায় কণমায়ে।

"তেতিয়াহলে কম নেকি?"

উত্তৰটো দিওঁতে দেৰি কৰা বাবে কণমাইয়ে পেনপেনাবলৈ ধৰিলে। "আপুনি বৰ কিবা দেউতা কথাটো নকয় কেলেই।"

"এই নিশাখন কেউপিনে দীঘলাবোৰ ওলায়। আন্ধাৰত মানুহ, গৰু-নেদেখি সিহঁতে কেউপিনে পিত্‌পিতাই কৰি ফুৰে।"

"কি দীঘলা মানে সাপ নেকি?"

উচাপ খাই উঠাৰ ভাও ধৰি মেধিয়ে কলে "সেয়া তই বিঘিনি কৰিলিয়ে নহয়। আজি সৰ্বনাশ হ'ব।"

অপৰাধীৰ ভাব এটা লৈ কণমায়ে মুখত হাত দি ভাবিলে – "মই পাহৰিলো দেউতা।"

গহীন হোৱাৰ ভাও যুৰি মেধিয়ে বৰ-জীয়েকক মাতিলে "লাহৰী তই শুনিলিনে?"

"শুনিলো দেউতা, আস্তিক, আস্তিক, আস্তিক" বুলি তাই তিনিবাৰ উচ্চাৰণ কৰিলে।

কামিনীয়ে উত্তৰৰ সুৰত ক'লে। "গৰুন্দ, গৰুন্দ, গৰুন্দ।"

"উস্ এইবাৰহে ৰক্ষা" ভয়ত কণমাইৰ মুখখন শুকাই গৈছিল।

"ৰক্ষা হ'ল মানে?"

"এতিয়া আৰু সেই দীঘলা আহিব নোৱাৰে। লাহৰী আৰু কামিনীয়ে বাণ মাৰি দিলে। দেখিছ বায়েৰে তোক কিমান ভাল পায়। তাই গৰুন্দ পখীৰ নাম নোলোৱা হলে আজি বিপদেই আছিল।"

"মাজু বাইদেউক মই ভাল নেপাওঁ নেকি?"

কামিনীয়ে চকু পকাই জেকজেকাই উঠিল – "ভাল পাৱ যদি চিকুট কেলেই?"

বুজনিৰ সুৰত কণমায়ে উত্তৰ দিলে "মৰম থাকিলে বোলে চিকুটিলেও দুখ নেপায়। দেউতাই সিদিনা কোৱা নাছিল জানো? মই পিছল খাই পৰি দুখ পাই কান্দোতে মাটিৰ – কি বুলি কৈছিল দেউতা, মাটিৰ কি?"

লাহৰীয়ে সোঁৱৰাই দিলে "পৃথিৱী"। অ, মাটিৰ পৃথিৱীখনে সৰু সৰু ল'ৰা-ছোৱালীক বৰ ভাল পায়। সেইকাৰণে বোলে মাটিত পৰিলে দুখ নেপায়। সৰু সৰু ল'ৰা-ছোৱালীবোৰে কিমান পৰে কেঁচুৱা অৱস্থাত। হাত-ভৰি নেভাঙে নহয়?"

"ৰবি, তেতিয়াহলে তোকো মই মৰম কৰো নহয়? তোক মই চিকুটিলে তই দুখ পাৱনে নেপাৱ চাওঁ!"

"অ, দেউতা" বুলি চিঞৰি দেউতাকক সাবট মাৰি কোলাৰ মাজত ভালকৈ সোমাই ললে।

"চাওকচোন, মাজুবাইদেউৰ কথা। মোক ভাল পায় যদি এনেকৈ লগাই থাকে কিয়?"

আটাইকেইটা ল'ৰা-ছোৱালীকে বুজনিৰ সুৰত কলে, – "কোঢ়াল নকৰিবিচোন। এই তহঁতৰ আটাইতকৈ মৰমৰ আটাইতকৈ সৰু ভনী নহয় জানো? তাইক কেলেই এনেকৈ লগাই থাক?"

সিহঁতৰ যুঁজখনৰ ইমানতে সামৰণি পৰিল।

এইবাৰ মেধিয়ে কণমাইলৈ চাই ক'লে – "ইমান ডাঙৰ ভূত এটাৰ কোলাত উঠি সাবটি লবলৈ তোৰ যেতিয়া ভয় লগা নাই, তই আৰু আজিৰ পৰা ভূতক ভয় নকৰিবি।"

"ইস্ আমাৰ দেউতা ভূত হবলৈ যাব কিয়? দেউতা ইমান ধুনীয়া দেখিবলৈ! মই মাজে মাজে থাপনাত থকা কৃষ্ণ গোঁসাইজনাৰ ছবিখনলৈ চাই ভাবো, আমাৰ দেউতাৰ নিচিনাই কৃষ্ণ গোঁসাই দেখিবলৈ।"

উচাপ্ খাই উঠাৰ দৰে উঠি মেধিয়ে কলে – "এইবাৰ মাৰক সুধিব লাগিব, মোৰ কৃষ্ণ গোঁসাই হোৱাত আপত্তি নাই।"

"মাক কেলেই সুধিব লাগিব।" বুজিব নোৱাৰি কণমায়ে সোধে। ইতিমধ্যে তাইক কোঁচত লৈ মেধি ৰান্ধনি ঘৰ পায়গৈ। সাউতকৈ ভাতৰ কিমান আগবাঢ়িল চাই ল'লে। "কণবাপৰ মাক, তোৰ সৰু জীয়ৰীয়ে আজি সৰ্বনাশ কৰিবলৈ ওলাইছে।"

দাইলৰ তলত খৰি কেইডাল আগবঢ়াই দি মেধিয়নীয়ে সুধিলে "কিনো সৰ্বনাশ কৰিবলৈ ওলাইছে? মইনো তাইৰ কি পানী খোৱা পুখুৰীত বিহ দিলো।"

দেউতাকৰ কোলাৰ পৰাই কণমায়ে মাত লগায় – "দেউতাই কথাবোৰ বৰ পাক লগাই কয়।"

"নকবি আৰু এই পাকবোৰ খোলোতে মোৰ মূৰ কেতিয়াবা ঘূৰাই যায়।"

বাকী ল'ৰা-ছোৱালীকেইটাও পিছফালে আহি থিয় দিয়ে। দেউতাকৰ কথাৰ অইন অৰ্থ আছে। সিহঁতে জানিছে কিবা ৰগৰ তোলা কথাৰে মাকক এতিয়া জোকাব।

ইঙ্গিততে বাটত আহোতে ঘৈণীয়েকক মধু শইকীয়াৰ ঘৈণীয়েক সেউতীৰ অসুখটোৰ গইনা ধৰি জোকোৱাৰ কথাখিনিৰে নতুনকৈ আকৌ পাতনি মেলিলে – "তই মূৰ ঘূৰোৱাৰ কথা মোক নকবি হলে দেই, তহঁতৰ সেই বেমাৰটোক মই বৰ ভয় কৰো।"

ল'ৰা-ছোৱালী গোটেইজাকৰ আগত গিৰিয়েকৰ ফটা মুখখনত কেনেকৈ চুঙা চাই সোপা দিব ভাবিবলৈ ধৰিলে। পতাখনত আধাৰটাকৈ থোৱা জিৰা-ধনীয়াখিনি বটি বটি কলে, "আপুনি এনেকুৱা চলাহী কথাৰে মোৰ মূৰ ঘূৰাবলগীয়া নকৰিলে, মূৰটো ঘূৰিব কেলেই?"

"আমাৰ দেউতা ইমান ভাল, চলাহী কথা কিয় ক'ব? নহয় দেউতা?" কণমায়ে বাপেকৰ মুখত চুমা এটা খাই কলে।

"তোৰ সৰু জীয়ৰীয়ে মোক কৃষ্ণ গোঁসাই পাতিবলৈ ওলাইছে। সজকথা। বাপেকক গোঁসাই বুলি ভবা বেয়া জানো? এই ল'ৰা-ছোৱালীকেইটাৰ মগজত অকণমানো ঘিউ নাই। সেইটো সিহঁতে তোৰ পৰাই পাইছে। লখিমী, ৰাধিকা, ৰুক্মিণীহঁতৰ বাহিৰেও ষোল্লশ গোপিনী। ইহঁতৰ লগত তই সতিনী খাটিব পাৰিবি জানো?"

"আপোনাৰ ল'ৰা-ছোৱালী কেইটাক সোধকচোন, ইমানবোৰ মাহীমাকৰ লগত সিহঁতে থাকিব পাৰিবনে নোৱাৰে?"

আচৰিত হৈ কণমায়ে সোধে, "দেউতা, কৃষ্ণ গোঁসাইৰ ষোল্ল শজনী গোপিনী আছিল নেকি? ইমানবোৰ ঘৈণীয়েকৰ নাম কেনেকৈ মনত ৰাখিছিল? বৰ বুদ্ধি দেই আমাৰ কৃষ্ণ গোঁসাইৰ! বৰ বাইদেউ কেনে মজা হ'ব, আমি বাৰীৰ পিছফালে এখন বৃন্দাবন পাতি ল'ম। দেউতাই বাঁহী বজাব। আমি আটায়ে গোপিনীবোৰৰ লগত নাচিম, কেনে মজা হ'ব।" কণমায়ে হাত চাপৰি বজাই নাচিবলৈ ধৰে।

লাহৰীয়ে কণমাইক সুধিলে "দেউতাই বাঁহী বজাব জানে জানো?"

"নেজানিলে শিকি ল'ব। কিনো সেইটো ডাঙৰ কথা। কৃষ্ণ গোঁসাই ওপজোতে শিকি আহিছিল নেকি? ম'ৰা চৰাইৰ পাখি এতিয়া ক'ত পাম? আপোনাক মুকুট এটা পিন্ধাই দিব লাগিব নহয়। আপুনি মুকুট পিন্ধি কেছাৰীলৈ যাবনে বাৰু?"

চকুত ধোঁৱাই ধৰিছিল। আটাইবোৰ খিলখিলকৈ হাঁহি বৰঘৰ পালেহি। আৰু অলপ সময় গলে দাইল-ভাত হ'ব, সেইটোৰ বুজ মেধিয়ে পালে। এইবাৰ মূঢ়াটোত বহি কোঁচত কণমাইক লৈ বাকীকেইটা ল'ৰা-ছোৱালীক ভেকাহি এটা মাৰিলে। "তহঁতে এনেকৈ হাঁহিছ কেলেই? এইবোৰ হাঁহিবলগীয়া কথা নহয়। ম'ৰা চৰাইৰ পাখি বিচাৰিব লাগিব। আমাৰ ঘৰত তাহানি এখন ম'ৰা চৰাইৰ পাখিৰ বিচনী ৰাখিছিলো। খুৰাদেউৰকে সুধিলে গম পাম। তেনেকুৱা বিচনী কিনি আনি তাৰ পৰাই কাটি কাটি ভালেমান কৃষ্ণ গোঁসাইৰ মুকুট বনাব পৰা যাব। এটা মুকুট পুৰণি

OKDISCD

হলে নতুন মুকুট এটা পিন্ধি ললেই হ'ল। পিছে সেই মুকুট পিন্ধি কেছাৰীলৈ গলে আমাৰ হাকিমে মোক চাকৰিৰ পৰা খেদিব।"

কথাবোৰ কণমাইৰ মনঃপুত নহ'ল। "খেদিলে খেদিব। আপুনি কৃষ্ণ গোঁসাই হলে কালীয় দমনৰ দৰে সেইটো হাকিমক মাৰি পেলাব পাৰিব নহয়। চাকৰি নেথাকিলে কেনে মজা হ'ব। আপুনি কৃষ্ণ গোঁসাই হলে আমি দিনটো উমলি থাকিব পাৰিম, বৰ বাইদেৱে সাজি দিয়া কইনা-দৰাখিনি পুৰণি হৈ লেতেৰা হৈ গৈছে। সদায়নো কিমান কইনাক ধুৱাই থাকিম। আপুনি কৃষ্ণ গোঁসাই হলে বৰ মজা হ'ব। ঘৰতে থাকিব। ককাইদেউ, বাইদেউহঁত স্কুললৈ গুচি গলে মোৰ ঘৰত অকলে থাকিবলৈ বৰ বেয়া লাগে। মাৰ লগতনো কিমান থাকিম? মায়ে কথা নকয়, 'হাঁ', 'হুঁ'-কৈ উত্তৰ দি থাকে। আমাকনো এইজনী কি মা আনি দিলে আপুনি। ভাল মা এজনী আনিব নোৱাৰিলেনে?"

তাইৰ কথা শুনি আটাইবোৰে কিৰিলি পাৰি উঠে। মেধিয়ে কিন্তু গহীন হৈ থাকে। ভাজিখন হলেই মেধিয়নীয়ে খাবলৈ মাতিব। "এই তহঁতে হাই-উৰুমি কৰি নাথাকিবি। কণমাইৰ সমস্যা এটা হৈছে কাৰণেহে এইবোৰ কথা উলিয়াইছে। চাকৰি নাথাকিলে মাহ পূৰা হলে দৰমহাৰ টকাকেইটা নাপাম নহয়। দৰমহা নহলে ঘৰখন চলিব কেনেকৈ তাকে মই ভাবিছো।"

"হাকিমক হুকুম দিব। কৃষ্ণ গোঁসাইৰ ভয়ত কঁপি থাকিব নহয়। আপোনাক দৰমহা দিবলৈ ক'ব।"

"হওঁতে ক'ব পাৰিম। কিন্তু তেওঁ কৃষ্ণ গোঁসাইক নেমানে।"

"নেমানে? কেলেই নেমানে?"

"কাৰণ তেওঁ মুছলমান মানুহ। তেওঁ কৃষ্ণ গোঁসাইক ভয় নকৰে। তেওঁলোকে আল্লাক ভয় কৰে, খোদাক ভয় কৰ।"

"আল্লা-খোদানো কোন? মোক দেখুৱাই দিবচোন। মই আল্লাক ক'ম।"

"ঈশ্বৰকেই তেওঁলোকে আল্লা-খোদা বুলি কয়। ঈশ্বৰক মই তোক কেনেকৈ দেখুৱাম, মই নিজেই দেখা নাই।"

"ঈশ্বৰক দেখা নাই?" আচৰিত হৈ কণমায়ে সোধে।

কণমায়ে ৰ' লাগি বাহিৰৰ আন্ধাৰবোৰলৈ চাই থাকিল। কিছু বেলিৰ মূৰত তাই কয় "এস্ এইবোৰ ভাল কথা নহয়, আপোনাৰ লগত আজি অইন কথা পাতো।"

"কি কথা পাতিবি পাত, মই তোৰ গোলাম আছোৱেই নহয়।"

"দেউতা, এটা কথা কওঁ, বেয়া পাব নেকি?"

"তই কিবা কলে মই বেয়া পাম? কিনো প্ৰশ্ন সোধ?"

"নহয়, নাই মানে।"

"নহয়, নাই মানে কি ক'চোন?"

"সিদিনা বৰ বাইদেৱে মাজু বাইদেউক কোৱা শুনিছিলো, তৰাজানৰ পুলৰ কাষত কোনোবা বাগানৰ মেনেজাৰ এজন থাকে বোলে। নামটো সিহঁতে দুৱৰা বুলি কৈছিল। আপুনি চিনি পায় নেকি?"

"বাটত আহোতে যাওঁতে নতুনকৈ সজা ঘৰটো দেখিছো, চিনাকি নাই। তেওঁলোক টকা-পইছা থকা মানুহ। ঘৰত গাড়ী আছে – গাড়ীত ফুৰে।"

"গাড়ী মানে?"

"মটৰ গাড়ী আকৌ।"

"মানে ধেত্ ধেত্ যে শব্দ কৰে মটৰ গাড়ী।"

"ওঁ।"

"দেউতা আমাৰো এখন মটৰ গাড়ী কিনিব লাগে। মোৰ হাতত গোটাই থোৱা ছটা পইছা আছে। গাড়ী কিনিবলৈ মই পইছাকেইটা দিব পাৰিম।"

"সেইখিনি পইছাৰে নহ'ব অ' কণমাই, বহুত পইছা লাগিব। তই ক'লি যেতিয়া গাড়ী এখন কিনিব লাগিব। কণবাপ, তই ডাঙৰ হলে কাম কৰি কণমাইক গাড়ী এখন কিনি দিব লাগিব।"

"দিম দেউতা।" দেউতাকে কি উত্তৰ বিচাৰে কণবাপ আৰু সৰুকণে জানে। এনেকৈ কথা পাতি কিয় সময়বোৰ পাৰ কৰিছে সেইটোও সিহঁতে জানে। কণবাপৰ কথা শুনি কণমায়ে আনন্দত কিৰিলি পাৰি হাঁহে।

"পিছে দুৱৰাৰ কথাটো কিয় উলিয়ালি?"

আঙুলিটো চুঁহি চুঁহি কণমাইয়ে বৰ বায়েকৰ পিনে চাই সুধিলে, 'কম জানো'

"ক, দেউতাক ক'লে কি বেয়া হ'ব।"

"দেউতা তেওঁলোকৰ ছোৱালী এজনী বৰ বাইদেউৰ লগত পঢ়ে বোলে, ধুনীয়া ধুনীয়া ফৰক, ধুনীয়া ধুনীয়া কিলিপ মাৰি আহে। বাইদেউক তাই কৈছিল, মাকক দেউতাকে বোলে তুমি বুলি মাতে। আপুনি কেলেই মাক তই তই বুলি মাতে, বৰ বেয়া শুনি। আমাৰ মা আপোনাৰ ঘৰৰ কামকৰা চাকৰণী নেকি?"

"কথাটো তেনেদৰে মই কোনোদিন ভবা নাছিলো, তই মাৰক তই বুলি মতা বাবে বেয়া পাৱ নেকি? হ'ব বাৰু আজিৰ পৰা নামাতো।"

তেনেতে মেধিয়নী দুৱাৰডলিত থিয় হৈ সুধিলে "এইবোৰ বাৰে বাংকৰা কথা কৈ ল'ৰা-ছোৱালী কেইটাৰ মূৰ এইদৰে চোবাইছে কেলেই? আপোনাক আজি বাটত আহোতে পৰুৱাই পালে যেন পাওঁ। ভাত চেঁচা হ'লহি, খাবলৈ আহক।"

"কণবাপৰ মাক, আপোনাৰ হুকুম শিৰোধাৰ্য। আপুনি যিহকে কয় বন্দীয়ে তাকে কৰিব।"

"কিনো কয় এখেতে। কি আপোনা-আপুনিখন কৰিছে।"

কণমাইক কোঁচত লৈ মেধিয়ে থিয় দিলে "ব'ল, খাবলৈ যাও।" আটাইকেইটাকে মেধিয়ে হেঁচুকিলে।

"আপুনি ল'ৰা-ছোৱালীক কি কুমন্ত্ৰ দিছে নাজানো।"

"কণমায়ে কৈছে সেই নতুনকৈ অহা মানুহঘৰৰ গিৰিয়েকে বোলে ঘৈণীয়েকক তই বুলি নামাতে। মই এতিয়াৰ পৰা আপোনাক আপুনি বুলিয়ে মাতিম। মোৰ কথা শিলৰ ৰেখা। কণমাই হেন লখিমী ছোৱালীৰ কথা মই পেলাব নোৱাৰো।"

কণমায়ে হাঁফোলা মেলি মাকৰ কোলাত উঠেহি। "মা আজি তই মোক ভাত খুৱাই দিবি। দেউতাক আজিৰ পৰা মই একো কথা নকওঁ। সব ওলট-পালট কৰি দিয়ে। মই তই বুলি কোৱা শুনিলেহে বেয়া পাওঁ। আপুনি বুলিবলৈতো কোৱা নাই।"

কণমাইক কোলাত লৈ ৰান্ধনি ঘৰৰ পিনে আগবাঢ়ি যাওঁতে মাকে বুজালে, "আমাৰ দিনৰ কথাবোৰ পুৰণিকলীয়া আছিল। দেউতাৰে মোক তই বুলি মাতিলে মই ভালহে পাওঁ। সেইটো সলালে কাউৰী ম'ৰা পখী হবলৈ যোৱাৰ নিচিনা হ'ব। আমাৰ কথাবোৰ আগৰ দৰে থাকক। আগলৈ যিবোৰ বদলে বদলিব।" পৰম আনন্দৰে সৈতে কণমাই, কণবাপ, সৰুবাপ আৰু মেধি চাৰিও খাবলৈ বহিল।

(ক্ৰমশ)





# দুটা কবিতা

## গৌতম বৰদলৈ

### মৃত্যু

মোৰ পৰিচিত যিসকল এই পৃথিৱীৰ পৰা গুচি গ'ল
তেওঁলোকৰ সকলোৱে স্ব-ইচ্ছাৰে যাব খোজা নাছিল
বেছিভাগেই নাজানিছিল – সময় হোৱাৰ কথা
কোনেও ভবা নাছিল শৈশৱবোৰ স্মৃতি হ'ব বুলি
উষাবোৰ নিশা হব বুলি

হঠাৎ সৰি পৰা হাইঠাৰ দৰে
খুড়াদেউ কঁপিছিল

বুকুৰ প্ৰেয়সীৰ মেঘ ক'লা চুলিতাৰি
বগা হোৱা দেখি
মৃগনাভ সুগন্ধৰ কোমল ছালখন কোঁচ খোৱা দেখি

বোমাত যাৰ চকুযুৰি হেৰাইছিল
বাহাদুৰৰ কথা সুকীয়া আছিল।
পুতেকে নোচোৱাত গছত ওলমি
সিপাৰলৈ চাইছিল
সিদিনা সি চকুৰে দেখিছিল।
মৰিম, মৰিম বুলি মুখেৰে বলকা
কোনোদিনে মৰিব নোখোজা
আইতাক কিনো ৰোগে পালে – ক'বকে নোৱাৰো
একেদিনে গুচি গ'ল।
আৰু সেই যে বুকুত ভুকুৱাই ক্ষোভেৰে গৰজা
ডেকাটোৱে জনাই নাছিল–
ক'ত আছে শুই তাৰ নেলেখা মৰণ
আৰু সেই মাহীদেউৰ পোনাটি
জন্মিয়ে মৰিম বুলি জানিছিল নে সি?
সকলোৱে জানিছিল মাথো এটা কথা
কিবা এটা হ'ব বুলি কাহানিবা
কোনে নিজে মাতিছিল? কোন কঁপি উঠিছিল?
পৃথিৱীক, প্ৰকৃতিক ভালপোৱা সকলোৱে
দেখিলেই মুদিছিল ভীতিভৰা দুই চকু
শুনিলেই বুজিও নুবুজা সেই জটিল সাঁথৰ □



### আজি সন্ধ্যা

আজি সন্ধ্যা শেষ বনহংস উৰি যোৱাৰ ক্ষণত
অনিৰ্বচনীয় শব্দবন্যাৰে মুখৰিত
এটি বিনয়ী সূৰ্য
শুকান নদীত সৰি পৰিছিল
নদীৰ পাৰ কিমান দূৰৈত?
নৰাগজি চাপৰি অচল অটল–
অচল-অটল ককাদেউতাৰ কিংবদন্তি
অভিজ্ঞতাৰ মহাসাগৰ বুকুত সামৰা মোৰ ককাদেউতা
ভাগৰি পৰিছিল এনে এক ক্ষণতেই
এনে এক বিয়লিৰ বুৰঞ্জীত–
বুৰঞ্জীয়ে কোৱা নাই কুওাঘাট বিলৰ কথা
বিলৰ বুকুৰ শিলৰ ব্যথা
দেখিছানে শিল বিলৰ বুকুত?
ক'ত লুকাল দেওঁৰাজ হাঁহ?
ক'ত হেৰাল হাড়গিলা?
ভে'ৰ গছৰ সৰিল গুটি, নগজিল গছ
পাটকাইৰ ইতিহাস কোনে কৰে তচনচ?
বানপ্ৰস্থী দেউতাহঁতৰ যৌৱনবোৰ কোনে জানে?
তাহানিৰ দিন সুখৰ নাছিল, নাছিল সহজ–
আছিলনে তাহানি লুইতৰ বুকু ইমান শুকান?
নাছিলনে চাপৰিত হৰিণৰ জাক?
আছিল, আছিল, সকলো আছিল,
আজান আছিল, সন্ধিয়া আছিল,
শৰালি আছিল, শলিতা আছিল,
পৃথিৱী আছিল, আছিলো মই
কবিতা আছিল নিজৰ ঘৰত।
ৰংপুৰৰ নাচনীজনী এতিয়াও আছে, তাহানি আছিল
আজি সন্ধ্যাও নাচিছিল তাই, হাঁহিছিল তাই
কঁপি উঠিছিল ইৰিণা-বিৰিণা
শুকান নদীত সৰি পৰিছিং বিনয়ী সূৰ্য।
আজি সন্ধ্যা, প্ৰাচীন সন্ধ্যা
এই সন্ধ্যা বিৰল, সৰল, তেনেই নিৰল
কবিতাৰ স'তে সাঁতুৰি নাদুৰি
আজি সন্ধ্যা অজৰ অমৰ। □

# এদিন যদি সঁচাই

যোগেন টাইড

এদিন যদি সঁচাই তোমাৰ পদুলিৰ পৰা আঁতৰি যায় ধানৰ গোন্ধ
মোৰ ফালে ফালে উভতি উভতি চোৱা ঐনিতমেৰে উৰ্বৰ দুপৰীয়াবোৰৰ যদি
মহামাৰীত মৃত্যু হয়
কি হ'ব মোৰ চৰাই খেদি ফুৰা স্বভাৱ

কুমলীয়া ঘাঁহ আৰু তোমাৰ চকুৰ চেলাউৰি চুই দৌৰি ফুৰা সুহুৰিবোৰৰ
অসুখ হলে নিশ্চয় মোৰ মুখত ঘা লাগিব

মাৰ মুখৰ অমৃত আৰু দেউতাৰ মাছ মৰা হাতদুখন যেতিয়া আমাৰ পৰা
নিৰুদ্দেশ হ'ব
কি সুখেৰে মুখৰিত হ'ব আমাৰ ঘৰ

তোমাৰ হাতৰ পৰা মোৰ হাতৰ দূৰত্ব বাঢ়ি গৈ যদি আমাৰ মাজত
সংঘৰ্ষ হয়
তোমাৰ ওঁঠৰ পৰা মোৰ ওঁঠ পিছলি আহিলে, যেতিয়া মই তোৰ বিৰুদ্ধে
সূচনা কৰিম বিদ্ৰোহ
কেনে লাগিব আমাৰ পৃথিৱী পৃথিৱীৰ শ্যামল স্বপ্ন

ভোক আৰু মৃত্যুত যদি মই পাহৰি যাওঁ সৌৰভমুগ্ধ অৰণ্য
শইচবিভোৰ দিন আৰু প্ৰেমবোধ পাহৰি যদি মই অকস্মাৎ ভাল পাই
পেলাম পাপ আৰু লালসাৰ চৰ্চা
ক্ৰমশঃ বাঢ়ি অহা হিংসা আৰু দুখগ্ৰস্ততাত যেতিয়া মোৰ ওঁঠ,
ওঁঠৰ নিম্নাংশ স্পৰ্শকাতৰ সিৰা স্তব্ধ হৈ যায়
ছাঁ আৰু জোনৰ অভাৱত যদি তোমাৰ আঙুলিৰ দৰে চঞ্চল বেগৱতী
মানাহ উন্মাদ হৈ উঠে
সেউজীয়াৰ অন্য এক কাৰক শিশুৰ বাবে যদি মই আকাশ আৰু ফলৰ
প্ৰাৰ্থনা পাহৰি যাম
মই কি হ'ম কি হ'ব ফুলৰ ৰেণু কি হ'ব সূৰ্যৰ উদয়

মই যদি সমৰ্থন নকৰো ৰুটিৰ প্ৰচুৰ বিতৰণ
নিৰ্বাক নিৰ্বোধ হৈ থাকো সমুখতে দেখিও অত্যাচাৰৰ ব্যাপক বিস্তাৰ
কি হ'ব চিঞৰৰ অথবা ধুমুহাৰ অৰ্থ । □





# মনীষী উবাচ

মুখলেছুৰ ৰহমান

## ডক্টৰ ক্লিফোৰ্ড

স্বনামধন্য ধৰ্ম-প্ৰচাৰক ড° ক্লিফোৰ্ডে বাৰ্মিংহামৰ কাৰ্চলেন নামৰ এক বিশেষ অনুষ্ঠানত যোগ দিবৰ বাবে নিৰ্দ্ধাৰিত সময়তকৈ কেইমিনিটমান আগতে গৈ উপস্থিত হ'ল। কৰ্তব্যৰত পুলিচ কৰ্মচাৰীজনে তেওঁক ভিতৰ সোমোৱাত বাধা দি কলে, "ভিতৰত আসন খালি নাই ডাঙৰীয়া, সেয়ে দুঃখেৰে সৈতে মই আপোনাক জনাওঁ যে আপুনি ভিতৰলৈ যাব নোৱাৰে।"

ধৰ্ম-প্ৰচাৰক গৰাকীয়ে উত্তেজিত হৈ ক'লে "তুমি জানানে মই কোন ? মই হ'লো বিশ্ববন্দিত ধৰ্ম প্ৰচাৰক ডক্টৰ ক্লিফোৰ্ড।"

"হয় নেকি ? এতিয়ালৈকে মই দুজন ডক্টৰ ক্লিফোৰ্ডক ভিতৰলৈ যাবলৈ দিছো। আপুনি তিনি নম্বৰ।"

## কোনান ডয়ল

কোনান ডয়ল তেতিয়া পেৰিচত। হোটেললৈ যাব বুলি তেওঁ এখন ঘোঁৰা বাগী মাতিলে। কোচোৱানে তেওঁৰ ফালে একে থিৰে অলপ সময় চাই থাকি কলে, "ড° ডয়ল, মোৰ ধাৰণা হৈছে সম্প্ৰতি আপুনি কনস্তান্তিনোপল আৰু বুদাপেষ্টত কিছুদিন আছিল আৰু মিলানৰ পৰাও বৰ বেছি আঁতৰত নাছিল।"

চাৰ্লক হোম্চৰ স্ৰষ্টা কোনান ডয়ল কোচোৱানৰ কথাত বৰ আচৰিত হ'ল। তেওঁ হাঁহি মুখেৰে কোচোৱানক কলে,



"তুমি ইমানবোৰ কথা কেনেকৈ জানিলা, ক'ব পাৰিলে পাঁচ ফ্ৰাঙ্ক পাবা।"

"আপোনাৰ ট্ৰাঙ্কৰ লেবেল পঢ়িয়েই মই তথ্যবোৰ সংগ্ৰহ কৰিছো।" কোচোৱানৰ সৰল উত্তৰ।

## মাৰ্ক টোৱেন

মাৰ্ক টোৱেনে এবাৰ পশ্চিমৰ কোনো এখন চহৰত বক্তৃতা দিবলৈ গৈছিল। চহৰত অৱতৰণ কৰাৰ পিছত সেই ঠাইৰ



ৰাস্তা-পদুলি বা দেৱালত সেইদিনাৰ বক্তৃতাৰ কোনো বিজ্ঞাপন দেখা নাপাই তেওঁ মনে মনে ক্ষুব্ধ হ'ল। নিৰ্দিষ্ট ঠাইত উপস্থিত হৈ তেওঁ দোকানী এজনক সুধিলে, "এইফালে আজি কৰবাত বক্তৃতা হোৱাৰ কথা আছে নেকি ?"

"তেনেকুৱা যেনেই লাগে। কিয়নো আজি মোৰ দোকানত কণী ঢেৰ বিক্ৰী হৈছে।"

## থৰো

নিসৰ্গবাদী হেনৰী ডেভিড থৰো তেতিয়া মৃত্যুশয্যাত। তেওঁৰ লগত দেখা কৰিবলৈ আহিল তেওঁৰে ধাৰ্মিক খুৰাক এজন। তেওঁ কলে, "তুমি এতিয়া ভগৱানৰ লগত শান্তি স্থাপন কৰ..."

থৰোৱে শান্তভাৱে উত্তৰ দি... ভগৱানৰ লগত কোনো দিনেই লিপ্ত হোৱা নাই, সেয়ে শান্তি স্থাপনৰ কোনো প্ৰশ্ন নুঠে।"

## ভলতেয়াৰ

১৯২৭ চনত ইংলণ্ডত ফৰাচী... ইংৰাজৰ বিদ্বেষ ভাৱৰ এক ... ৰূপ দেখা পাইছিল ভলতেয়াৰে... এদিনাখন যেতিয়া তেওঁ হোটেললৈ...



আছিল, বাটত এদল ইংৰাজে তেওঁক ... কৰি চিঞৰিবলৈ ধৰিলে, "ফৰাচীটোক ... পেলা, তাক ফাঁচিত দে।"

ভলতেয়াৰে অলপ বৈ শান্ত কণ্ঠে... কলে, "মোৰ অপৰাধ মই এজন ফৰা... নহয়নে ? আৰু সেই কাৰণেই তোমালো... মোক মাৰি পেলাব খুজিছা। কিন্তু ইং... নোহোৱা বাবে তোমালোকৰ ওচৰত... লাঞ্ছনা ভোগ কৰিবলগীয়া হ'ল সেয়া... নিজ চকুৰেই দেখা পালা।"

ভলতেয়াৰৰ এই মন্তব্যত উত্তে... জনতাই লাজ পাই তেওঁক হোটেললৈ... আগবঢ়াবলৈ গ'ল।

## ড° জনচন

দাম্পত্য জীৱনত চূড়ান্ত অসুখী ভদ্ৰলোকে তেওঁৰ পত্নী বিয়োগৰ ... দিয়েক পিছত পুনৰ বিয়া কৰালে। ... প্ৰসঙ্গত ড° জনচনে মন্তব্য কৰিছিল, "... হ'ল অভিজ্ঞতাক পৰাজিত কৰি আ... জয়।"


# 'অন্য এক দৃষ্টিত হিৰণ্য কুমাৰ'

জ্ঞানানন্দ শৰ্মা পাঠক

এসময়ত এলাহাবাদ বিশ্ববিদ্যালয়ৰ 'ৰাজনীতি' বিষয়ত এম এ পৰীক্ষাত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ ৰি দুটাকৈ সোণৰ মেডেল পোৱা; ফুটবল, ীবল, টেনিছ, বেড্‌মিন্টনত স্কুলৰ পৰা বিদ্যালয় পৰ্যন্ত অসামান্য কৃতিত্ব ুওৱা; আই-পি-এছ চাকৰিত চমকৰ ষ্টি কৰি সহযোগী সকলৰ ঈৰ্ষাৰ পাত্ৰ হোৱা; ১৯৭২ চনত অষ্ট্ৰেলিয়ান পুলিচ কাডেমীত বিশ্বৰ ৩৩খন দেশৰ পুলিচ িয়া সকলৰ প্ৰশিক্ষণৰ অন্তত প্ৰতিভাৰ গেৰে প্ৰথম স্থান অধিকাৰ কৰি সোণৰ মেডেল পোৱা; দুৰ্ধৰ্ষ চিকাৰী; জীয়া-ভৰলী, পিলী, দিয়ুঙত ৫৭ কেজি ওজনৰ মাছ ৰশীত ধৰি চুইডেনৰ আন্তৰ্জাতিক বৰশী ধাৰা প্ৰতিযোগিতাত সোণৰ পদক লাভ ৰা; আকস্মিক বক্তৃতা আৰু আবৃত্তিৰে াতাক সম্মোহিত কৰিব পৰা অনন্য ক্তিত্বৰে সমৃদ্ধ হিৰণ্য কুমাৰ ভট্টাচাৰ্যই মাৰ সাহিত্যত লেখক স্বৰূপে আত্মপ্ৰকাশ ৰে আশীৰ দশকত তেওঁৰ 'কাৰাৰুদ্ধ ৱনৰ বাকৰুদ্ধ কাহিনী' খনেৰে – যিখন ায়েৰী প্ৰকাশ হোৱাৰ লগে লগেই অসমৰ াহিত্য আৰু ৰাজনৈতিক জীৱনত চৰাজেভো হত্যা' সদৃশ আলোড়নৰ সৃষ্টি ছিল।

তেতিয়া অসম আন্দোলন তুংগত। াৰ যিমান দূৰ মনত পৰে হোমেন ৰগোহাঞি আৰু হীৰেণ গোহাঁই – এই ৱনৰ বাহিৰে, সমগ্ৰ অসম উপত্যকাত, ত্তৰ অসমীয়া সমাজৰ প্ৰায় সকলোৱেই বেগৰ প্ৰবাহৰ তৰংগমালাত। কি কু- হৰ চাকনৈয়াত পৰি হিৰণ্য ভট্টাচাৰ্যৰ ৰে এজন প্ৰতিভাশালী চিন্তাবিদ অধ্যয়নপুষ্ট নুহে কিয় যে সোণৰ অসম গঢ়া খনিকৰ কলৰ লগত পৰি আত্মজাহ দিবলৈ গৈছিল সেইটো মোৰ বোধগম্য নাছিল।

মাজে মাজে অসমৰ বিভিন্ন কাগজ-পত্ৰত ৰণ্য কুমাৰৰ ৰাজনৈতিক, অৰ্থনৈতিক য়ৰ ওপৰত ভেটি কৰি লিখা তথ্য াধি সমৃদ্ধ প্ৰবন্ধপাতি পাওঁ আৰু গ্ৰহেৰে পঢ়ি থাকো। ৰাজনীতি-অৰ্থনীতি সম্পৰ্কে মো জ্ঞানৰ পৰিসৰ অতি সীমিত আৰু দুখলগা কাৰণে সেইবিলাক লেখাৰ ওপৰত মোৰ মানসিক প্ৰতিক্ৰিয়াখিনি মই মোৰ মনতেই সামৰি থৈছো। যাযাবৰী ভঙ্গীত লিখা তেখেতৰ 'কাৰাৰুদ্ধ জীৱনৰ বাক্‌ৰুদ্ধ কাহিনী'য়ে মোক বাক্‌ৰুদ্ধ কৰি ৰাখিছে। মনে মনে, অকলে অকলে কান্দি কান্দি মোৰ মনৰ প্ৰতিক্ৰিয়া মই মোৰ মনতেই ৰাখি থোৱাৰ বাহিৰে প্ৰকাশৰ মাধ্যম আন কোনো মোৰ হাতত নাই। ইয়াৰ বাহিৰে তেখেতৰ অন্তৰ্স্পৰ্শী কবিতা কিছুমানৰ 'নজৰুল-প্ৰবাহ' আৰু 'জ্যোতি-প্ৰপাত'ৰ তুমুল কলৰোল মই শুনি থাকো কেছেটত নাইবা পঢ়ি থাকো মাজে মাজে সমুখৰ ব্ৰহ্মপুত্ৰখন আৰু সুদূৰৰ সীমনাত থকা কাঞ্চনজংঘাৰ শাখা-প্ৰশাখাৰ বিস্তীৰ্ণ বিশাল বলয়প্ৰান্তলৈ অসহায় ভাবে চাই চাই।



হিৰণ্য কুমাৰ ভট্টাচাৰ্য

সংকলন স্বৰূপে এতিয়াও আত্ম-প্ৰকাশ নকৰা হিৰণ্য কুমাৰৰ চুটি গল্পবোৰ প্ৰায়েই পঢ়িবলৈ পাওঁ। সেইবোৰ পঢ়ি কেতিয়াবা আমোদ পাওঁ, কেতিয়াবা মনটো বেয়া লাগি যায়। এই সম্পৰ্কে মোৰ উপলব্ধি এয়াই যে তেখেতৰ বেছিভাগ গল্পয়েই তেখেতৰ নিজৰ জীৱনৰে বিভিন্ন অভিজ্ঞতাৰ অকৃত্ৰিম ৰূপায়ণৰ প্ৰচেষ্টা।

'দিন-কণা', 'বলো-কাকা', 'উদ্যোগ পৰ্ব', 'নিবনুৱা বোপা', 'পৰিত্ৰাণ', 'স্বপ্ন-ভংগ', 'উত্তৰা', 'পদত্যাগ' এই গল্পবোৰৰ মাধ্যমেৰে হিৰণ্য কুমাৰে আশীৰ দশকৰ 'অসমৰ অস্তিত্ব ৰক্ষা'ৰ সৰ্বনাশী, হুতাশনী বীভৎসতাৰে পৰিসমাপ্তি ঘটা আন্দোলনটোৰ প্ৰতি তেখেতৰ স্বপ্ন-ভংগ, শ্লেষ, বক্ৰোক্তি আৰু ব্যংগাত্মক ৰূপায়ণ কৰাই আমাক দেখুৱাইছে – য'ত প্ৰতিফলিত হৈছে তেখেতৰ মোহভংগৰ বাস্তৱ প্ৰতিচ্ছবি।

'দিন-কণা' গল্পটো ১৯৮৩ চনৰ যেতিয়া সোণৰ অসম গঢ়া সোণাৰী সকলৰ ব্যস্ততা তুংগত। অতি সীমিত পৰিসৰতে হিৰণ্য কুমাৰে উগ্ৰ অসমীয়া জাতীয়তাবাদৰ হাস্যকৰ আৰু নিন্দনীয় পৰিণতি, অতি নিপুণতাৰে আঁকি দেখুৱাইছে। পানী-কলৰ মিস্ত্ৰী, পেইন্টাৰৰ সন্ধানত বিব্ৰত অসম-প্ৰেমীৰ পৰিশ্ৰান্ত, বিভ্ৰান্ত অৱসাদ; আন্দোলনৰ অগ্ৰণী নেত্ৰীৰ ঘৰত নেত্ৰী গৰাকীৰ দ্বাৰা বাংলাদেশী তিৰোতাৰ দ্বাৰা ধান-জৰা, ধান-খুন্দা কামত লুকাই-চুৰকৈ নিযুক্তি দিয়া; আমাৰ ৰাজনৈতিক জীৱনৰ কৰ্ণধাৰ এম এল এ সকলে নিৰ্বিবাদে, নিঃসংকোচে, অকুণ্ঠ আৰু অনুশোচনাহীন চিত্তেৰে গতানুগতিক প্ৰক্ৰিয়াৰে বাংলাদেশী সকলক নাগৰিকত্বৰ প্ৰমাণ পত্ৰ দিয়া – এইবোৰ ৭০, ৮০ আৰু ৯০ দশকৰ আমাৰ দৈনন্দিন জীৱনৰ জ্বলন্ত সমস্যা। পৃথিৱীৰ ভিতৰতে এই এটা মাত্ৰ জাতি-সত্তা। যিটো সত্তাৰ এক বুজন সংখ্যক কৰ্মবিমুখ, এলেহুৱাক ৰাজনৈতিক পৃষ্ঠপোষকতা, চৰকাৰী বেৰেকত ৰাখি চৰকাৰী ভঁৰাল উদং কৰি খুৱাই থকা হৈছিল – সেই পৰম পূজ্যপাদ 'ধোদ' সকলৰেই উত্তৰাধিকাৰী আমি সকলোৱেই বৃহত্তৰ অসমৰ, সকলোৱেই সকলো জন-গোষ্ঠীয়েই যি কৰ্মৰ প্ৰতি সম্পূৰ্ণ বিমুখ – স্কি পৰৰ মূৰত কঠাল ভাঙি, আনক দোষ জাপি দি – খাই-বই আৰামত জীৱন নিৰ্বাহ কৰিবলৈ বিচাৰে, যি শ্ৰমৰ বিকল্প হিচাপে আলস্যক গ্ৰহণ কৰি, আবেগৰ জোৱাৰত উটি ভাহি গৈ কেইদিনমানৰ কাৰণে হয়তো জামাতুল্লা ভৱনৰ বাৰান্দাত বহি লৈ জোতা পালিছ কৰি আঠ অনাৰ ঠাইত দহ-বিশ টকা লৈ অসম প্ৰেম তথা দেশ-প্ৰেমৰ চূড়ান্ত নিদৰ্শন দেখুৱাই সস্তীয়া জনপ্ৰিয়তা অৰ্জন কৰি নিজকেই ধন্য মানিছিল আৰু আমাৰেই শীৰ্ষস্থানীয় বুদ্ধিজীৱী সাংবাদিকৰ একাংশই তেওঁলোকক মূৰত তুলি লৈ কৃতাৰ্থ হৈছিল।

'বলোকাকা' গল্পটোৰ মাত্ৰ দুটা চৰিত্ৰ – বলোকাকা আৰু জেমছ। এলেহুৱা, এলাইবাদু, পৈতৃক অৰ্জনত খাই-বৈ আৰামপ্ৰিয় জীৱন যাপন কৰি সময় কটোৱা জেমছৰ বলোকাকাক কোৱা কথাষাৰ 'তুমি বুঢ়া বয়সত আৰাম কৰিব পাৰিবা' আৰু বলোকাকাৰ নিৰ্লিপ্ত প্ৰত্যুত্তৰ 'এতিয়ানো মই কি কৰিছো ?' ইয়াৰ দ্বাৰাই হিৰণ্য কুমাৰে কৰ্মবিমুখতাই পংগু কৰা আমাৰ জন-জীৱনৰ নতুন চাম পুৰুষৰ অহেতুক-দম্ভ আনক উপদেশ দি ফুৰা মানসিকতাক বলোকাকাৰ দৰে এজন তথাকথিত অশিক্ষিত প্ৰৌঢ় ব্যক্তিৰ মাত্ৰ 'এতিয়ানো মই কি কৰিছো'ৰেই নিষ্ঠুৰ ভাবে উদঙাই দেখুৱাইছে।

'উদ্যোগ-পৰ্ব'ত আমাৰ সোণৰ-অসম গঢ়া চৰকাৰখনৰ কাৰ্যকলাপৰ প্ৰতি ভট্টাচাৰ্যৰ তীব্ৰ, তিৰ্যক ব্যংগ আৰু বিদ্ৰূপৰ জয়-দৌল উঠিছে। এই গল্পটোৰ মাধ্যমেৰে হিৰণ্য কুমাৰে আমাৰ প্ৰশাসন যন্ত্ৰটোৰ ওপৰত নিৰ্মম অস্ত্ৰোপচাৰ কৰি দেখুৱাইছে – নিৰ্মম এই কাৰণেই যে এই অস্ত্ৰোপচাৰত 'এনাছথেছিয়া' দিয়া হোৱা নাই। যাৰ অস্ত্ৰোপচাৰ কৰা হৈছে সেই সকলে বিবেকৰ দংশনত অৰ্দ্ধমৃত নিশ্চয় হৈছে – যদি বিবেক বা আত্ম-সমালোচনা বোলা অশৰীৰী অৱস্থিতি এটাৰ কথা তেখেতসকলৰ জীৱনযাত্ৰাৰ অভিধানত এতিয়াও আছে। এই বাস্তৱভিত্তিক গল্পটোত হিৰণ্য কুমাৰৰ ব্যক্তিগত অভিজ্ঞতাৰ বোলৰ পৰশ লাগি আছে। অসমৰ থলুৱা লোকক শ্ৰম-মুখী, উদ্যোগমুখী কৰিবলৈ প্ৰচাৰ-সৰ্বস্ব প্ৰচাৰেই – বহুতো উদ্যোগীৰ অকাল আৰু অপমৃত্যু ঘটোৱাইছে – যাৰ কৃতিত্ব চৰকাৰে গ্ৰহণ কৰি গৌৰৱান্বিত হৈ আত্মপ্ৰৱঞ্চনা কৰিব পাৰে। বাস্তৱভিত্তিক এইকাৰণেই বুলিছো – কিয়নো মোৰ ঘৰৰ নিচেই কাষৰেই বোন্দা অঞ্চলৰ উদ্যোগী সকলৰ তলা-বন্ধ উদ্যোগবোৰৰ উৎপাদনবোৰ মই সদায়েই নিজ চকুৰে যোৱা কেইবছৰে দেখি আহিছো। 'নিবনুৱা বোপা' শীৰ্ষক গল্পটোতো হিৰণ্য কুমাৰে এসময়ৰ হেমচন্দ্ৰ বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, লক্ষ্মীনাথ ফুকন, মহীচন্দ্ৰ বৰা, দণ্ডিনাথ কলিতা, চন্দ্ৰধৰ বৰুৱা এই প্ৰাতঃস্মৰণীয় ব্যক্তিসকলৰ দৰেই নিৰ্ভীকভাবে আমাৰ শিক্ষিত যুৱক সকলৰ শ্ৰম-বিমুখতা, শাৰীৰিক শ্ৰম কৰিবলৈ থকা জন্মগত বিতৃষ্ণা আৰু মাত্ৰ অফিচত বহি আৰামী চকীৰ পৰা অসমৰ উদ্যোগৰ দ্ৰুত উন্নয়নৰ স্বপ্ন দেখা বিলাসিতাক অতি নিষ্ঠুৰভাবে ক্ষত-বিক্ষত কৰি উলংগ কৰি দেখুৱাইছে। লক্ষ্মীনাথ বেজবৰুৱা – ভোলানাথ বৰুৱাই সম্বলপুৰকে মুখ্য কাৰ্যালয় কৰিও যে উদ্যোগ পৰিচালনা কৰিব পাৰি আমাক দেখুৱাই থৈ গৈছে। আমি কিন্তু এতিয়াও একো নকৰাকৈয়েই বিৰলা-টাটা-দালমিয়া হবলৈ বিচাৰো আৰু একো কৰিব নোৱাৰি আনক আমাৰ দুৰৱস্থা আৰু শোচনীয় অৰ্থনৈতিক অনগ্ৰসৰতাৰ কাৰণে জগৰীয়া কৰি দেশপ্ৰেমৰ পৰিচয় দি আত্মসন্তুষ্টি লভো।

'পৰিত্ৰাণ' গল্পটোৰ মৌজাদাৰৰ চৰিত্ৰ ৰূপায়ণ বেছ সুন্দৰ হৈছে। এই মৌজাদাৰ জন বেণুধৰ শৰ্মাৰ 'আলহী কেইবিধ'ৰ বজ্ৰলেপ গোষ্ঠীৰ যদিও এইজন বজ্ৰলেপ 'ওফৰা-জেং-বজ্ৰলেপ'হে। পৰৰ মূৰত কঠাল ভাঙি খোৱা মৌজাদাৰক চুঙা চাই সোপা দিয়া চেমনীয়া মুকুলৰ চৰিত্ৰটোৰ ৰূপায়ণ সফল হৈছে।

'স্বপ্ন-ভঙ্গ'ৰ উদ্দেশ্যধৰ্মিতা বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ দৰে উৎকটভাবে প্ৰকট। এই গল্পটোৰ অন্তৰ্নিহিত বাণীত বৰ্তমানৰ সন্ত্ৰাসবাদিকতাক আঁকোৱালি লোৱা এচাম দিক্‌ভ্ৰান্ত যুৱকৰ প্ৰতি ভট্টাচাৰ্যৰ সকীয়নি প্ৰতিস্ফুট হৈছে। এই গল্পটো যেন ভট্টাচাৰ্যৰ জীৱনৰ কোনো এটা মুহূৰ্তৰ প্ৰতিবিম্ব। 'উত্তৰণ' গল্পটোত আশীৰ দশকৰ দেশোদ্ধাৰ আৰু সোণৰ অসম গঢ়া অসম-হিতৈষী সকলে কেনেকৈ এটা প্ৰজন্মক সম্পূৰ্ণভাবে ধ্বংস কৰিলে হিৰণ্য কুমাৰৰ আত্মোপলব্ধি আৰু বক্তব্যত সুন্দৰকৈ ফুটি উঠিছে সাংবাদিক যোগেন গগৈৰ চৰিত্ৰায়ণত। 'দেশপ্ৰেম কাৰো একচেটিয়া সম্পত্তি নহয়' – এয়া যেন প্ৰকৃতাৰ্থত বিগত চৰকাৰৰ চৰ্দাৰ বল্লভভাই পেটেল সদৃশ কৰ্ণধাৰ সকলৰ প্ৰতি কৰা হিৰণ্য কুমাৰৰ তেজোদীপ্ত তীব্ৰ ঘৃণা আৰু বিষোদ্‌গাৰৰ নিৰ্ভীক প্ৰকাশ। ইয়াত হিৰণ্য কুমাৰে 'সাংবাদিকতা'ৰ মাধ্যমেৰে, পৰীক্ষা নিদিয়াকৈ প্ৰথম-শ্ৰেণীৰ প্ৰথম হোৱা দেৱী সৰস্বতীৰ পুত্ৰ কেইজনমানক মূৰৰ ওপৰত তুলি লৈ, সময়ত নিজে চৰকাৰী পুৰস্কাৰ, বাছৰ, কাঠৰ পাৰ্মিট লোৱা এচাম শিয়াল সাংবাদিকৰ, মুখায়েই নহয়, ছালবোৰো চেলাই দিছে। ওপৰোক্ত গল্প কেইটাত হিৰণ্য কুমাৰে কনক সেন ডেকাৰ দৰেই সত্য আৰু অপ্ৰিয় সত্য কৈ নিৰ্ভীক আৰু এটা দুঃসাহসী চিন্তাশীল ভাবধাৰাৰ পৰিচয় দি আশীৰ দশকৰ অসমৰ আৰ্থ-সামাজিক-ৰাজনৈতিক জীৱনৰ প্ৰতিফলন খুব নিপুণতাৰে দেখুৱাইছে। এই লেখাবোৰে এই কথাটো স্পষ্টভাবে দেখুৱায় যে কনক সেন ডেকাৰ দৰেই হিৰণ্য কুমাৰে নিজৰ ভুল স্বীকাৰ কৰি আত্মবিশ্লেষণ কৰিবলৈ কুণ্ঠিত নহয়।

ঠিক সেইদৰে 'পদত্যাগ' গল্পটোৰ যোগেদি হিৰণ্য কুমাৰে আমাৰ কিছুমান ভণ্ড ৰাজনীতি-ব্যৱসায়ীৰ মুখাবোৰ অতি নিপুণতা আৰু আয়াসেৰে খুলি দিছে। হিৰণ্য কুমাৰৰ বেছি ভাগ গল্পতেই তেওঁৰ জীৱন দৰ্শনৰ আলেখ্য ফুটি উঠিছে। বহু ক্ষেত্ৰত কিছুমান গল্প যেন অতি-ব্যক্তি-কেন্দ্ৰিক হৈ পৰিছে। তেখেতৰ 'ড্ৰাইভাৰ প্ৰবৰ' এটা সুন্দৰ গল্প য'ত লেখাৰ ভঙ্গীত মই বিজয় শংকৰ শৰ্মাক দেখিছো। গল্পটোত অসমীয়াৰ কৰ্ম-বিমুখী মানসিকতা, অহংকাৰ, মিছা ভেম – এই সকলোখিনি 'প্ৰতিভা' ভট্টাচাৰ্যই তেখেতৰ হাস্য-ব্যংগ-বিদ্ৰূপৰ বাণেৰে সমৃদ্ধ কৰি তুলি নতুন পুৰুষক আত্মবিশ্লেষণ কৰি চাবলৈ যেন অনুৰোধ কৰিছে।

ওপৰত উল্লেখ কৰা কেইটিমান গল্পৰ উপৰিও, হিৰণ্য কুমাৰে দুখনমান উপন্যাসিকা পাঠকলৈ আগ বঢ়াইছে। মই অৱশ্যে এই উপন্যাসিকা কেইখনক উপন্যাসিকা বুলি লবলৈ টান পাইছো। প্ৰকৃতাৰ্থত এই কেইটা এফ্ স্কট্ ফিট্‌জেৰাল্ড (F. Scott Fitzerald)ৰ 'দি বেবী পাৰ্টী (The Baby Party), বা কেথেৰিণ এন্ পৰ্টাৰ (Katherine Anne Porter)ৰ 'এ দে'জ ৱৰ্ক' (A Day's Work) বা ডেনমাৰ্কৰ গল্পকাৰ মাৰ্টিন এন্দাৰছন নেকছ' (Martin Anderson Nexo)ৰ 'বাৰ্ডছ্ অব্ পেছেজ' (Birds of Passage)ৰ দৰে সমাকাৰৰ বা সমগোত্ৰীয় গল্প দীৰ্ঘতাৰ ফালৰ পৰা। আমাৰ মালিক ককাইটিৰ দীঘল গল্পবোৰৰ বাহিৰেও অসমীয়া আধুনিক গল্পকাৰ ভবেন্দ্ৰনাথ শইকীয়াৰ 'গ্ৰহণ', মেদিনী চৌধুৰীৰ 'মই, ইদ্ৰিছ আৰু বাবুলাল' অথবা মহেন্দ্ৰ বৰঠাকুৰৰ 'বৰনামঘৰত দুঃশাসন বধ'ৰ দৰে হিৰণ্য কুমাৰৰ 'উইল' আৰু 'বিকৰ্ষণ' দুটা সুন্দৰ দীঘলীয়া গল্প। 'উইল'খন পঢ়িয়েই মই তেখেতক মোৰ শলাগনি জনাই কৈছিলো যে 'উইল'ৰ কাহিনীটোত বিবৰ্দ্ধনৰ যথেষ্ট

থল আছে। সেই একেটা কথায়েই 'বিকৰ্ষণ'ৰ ক্ষেত্ৰতো খাটে। হিৰণ্য কুমাৰৰ এই দীঘল গল্প দুটা পঢ়াৰ পিছত মোৰ এলিজাবেথ বৱেন (Elizabeth Bowen)ৰ দুখন উ'ন্যাস, সম্ভৱতঃ 'হাউছ ইন পেৰিছ' (House in Paris) আৰু 'দেথ অৱ দি হাৰ্ট' (Death of the Heart)ৰ ৰচনা-শৈলীৰ কথা মনত পৰিছিল। হিৰণ্য কুমাৰৰ দুয়োটা গল্পৰেই বৰ্ণনাত মানুহৰ কামনা-বাসনাৰ কথা অ'ত-ত'ত টুকুৰা-টুকুৰকৈ প্ৰকাশ কৰা ধৰণটো বৱেনৰ দৰে। পাঠকক উত্তেজনাৰ শীৰ্ষলৈ অকোৱা-পকোৱা বাটেদি লৈ গৈ বিমোৰত পেলায়। হাইক'টত উইলখন পঢ়াৰ পিছতেই সগৰ্বে দিলীপ-গীতা ওলাই যোৱাৰ পাছত সমগ্ৰ সম্পত্তিৰ অধিকাৰিণী হোৱাৰ পিছতো সৰ্বহাৰা হৈ যোৱা, উইল পঢ়াৰ আগলৈকে মোৰ সহানুভূতি বা সমবেদনাৰ পৰা বঞ্চিত হৈ থকা, দীপালীজনীলৈ চোন মোৰ আটাইখিনি কৰুণা, দয়া, সহানুভূতি একে সময়তে প্ৰচণ্ড গতিত ওলাই আহিছিল। এই শতিকাৰ অন্যতম মহাকাব্য বিমল মিত্ৰৰ 'কড়ি দিয়ে কিনলাম'ৰ অন্তৰ্নিহিত বাণী – যি মৰ্ম মই উপলব্ধি কৰিছিলো ৰামচন্দ্ৰ সত্তাৰ দীপঙ্কৰৰ চৰিত্ৰায়ণৰ মাধ্যমেৰে, সেই নিষ্ঠুৰ সত্য প্ৰতিভাত হৈছিল হাইক'ৰ্টত একেবাৰে অকলশৰীয়া হৈ এটা প্ৰচণ্ড ভূমিকম্পত বিধ্বস্ত হৈ যোৱা দীপালীৰ অৰ্থ আৰু সম্পদৰ প্ৰতি থকা লালসাৰ চৰম পৰাজয়, যি পৰাজয়ে দীপালীৰ অন্তৰাত্মা কঁপাই তুলি ভাবিবলৈ হয়তো বাধ্য কৰাইছিল – টকাৰে সকলো কিনিব পাৰিলেও সুখ আনন্দ কেতিয়াও কিনিব নোৱাৰি। প্ৰমথনাথ বিলীৰ কথাষাৰ বাৰে বাৰে মোৰ মনলৈ আহিছিল 'কড়ি দিয়ে অন্ততঃ জীবনেৰ আনন্দ কেনা যায় না।' এনে এটা সময়ত মোৰ দীপালীৰ আগৰ বেয়া কামবিলাক পাহৰি যাবৰ মন যায় – তাইক নতুন চকুৰে নতুনকৈ চাবৰ মন যায়। এয়াই হ'ল হিৰণ্য কুমাৰৰ কৃতিত্ব গল্পকাৰ হিচাপে – চৈয়দ আব্দুল মালিকৰ দৰে একো আৰু নকৈ – বহুতো কৈ দিয়াৰ অপ্ৰত্যক্ষ শৈলীৰ কলাসুলভ প্ৰয়োগৰ নিদৰ্শন।

ঠিক এনে এটা শৈলীৰেই আধাৰত হিৰণ্য কুমাৰে লিখিছে "বিকৰ্ষণ' শীৰ্ষক দীঘলীয়া গল্পটো। এই গল্পটোৰ শেষ অংশত যেতিয়া প্ৰশান্তই অশান্ত মূৰ্তি ধৰি তাৰ জীৱনক লৈ খেলা কৰা পাৰুলক ওলাই যাবলৈ কয়।

–'শুনা পাৰুল, তুমি মোৰ বাবে 'আছিলা অনাঘ্ৰাত কুমাৰী – তাৰ প্ৰমাণ তুমি বহুবাৰ পাইছা। আজি মোৰ বাবে তুমি এগৰাকী কামোন্মত্তা পতিতা বাদে আন একো নহয়। উচ্ছৃংখল হোৱা সহজ, কিন্তু, অনুগত পতি, পত্নী বা মাতৃ হোৱা কষ্টসাধ্য।'

হিৰণ্য কুমাৰৰ 'বিকৰ্ষণ'ৰ যৱনিকা পতন ইয়াতেই নহ'ল। কিয়নো যি শাৰী কথাৰে পৰিসমাপ্তি ঘটাইছে – সেয়েই আকৌ মোৰ দৰে পাঠকক বিমোৰত পেলাইছে। অশান্ত প্ৰশান্তৰ ৰুদ্ৰমূৰ্তিৰ অন্তৰালত মই দেখিবলৈ পাওঁ এটা নিৰালম্ব, অসহায়, প্ৰত্যাখ্যাত চক্ৰান্তৰ বলিৰ মুমুৰ্ষু সত্তা এটাক – যি অন্তৰাত্মা কঁপোৱাই কান্দি কান্দি কয় ঃ

"উৎকণ্ঠ আমাৰ লাগি
কেহ যদি প্ৰতীক্ষিয়া থাকে
সে ধন্য কৰিবে আমাকে।"

দিলীপ- দীপালী, গীতা-সিদ্ধাৰ্থ, পুনৰ দিলীপ-গীতা, প্ৰশান্ত-পাৰুল, পাৰুল-হান্দা, প্ৰশান্ত-পাৰুল এওঁলোকৰ জীৱনৰ কথাবোৰ, সমস্যা আৰু জটিল সংঘাতবোৰ হিৰণ্য কুমাৰে চেকভ, মোপাছা, মম, শীলভদ্ৰ, চৈয়দ আব্দুল মালিক, ভবেন শইকীয়া, মহিম বৰা, হোমেন বৰগোহাঞিৰ দৰেই বাস্তৱৰ ওপৰত ভেটি কৰি লিখা আৰু সেই কাৰণেই প্ৰাণৱন্ত আৰু মৰ্মস্পৰ্শী ৰূপায়ণ। এওঁৰ এইকেইটা গল্পত ভাবালুতা নাই। দৃষ্টিভঙ্গীত তাচ্ছিল্য বা নিন্দাসূচক অৱজ্ঞাখিনি প্ৰণৱজ্যোতি ডেকাৰ গল্পবোৰৰ দৰেই তীক্ষ্ণ, ক্ষুৰধাৰ আৰু জ্বালাময়ী। এওঁৰ 'বিকৰ্ষণ'ত মই ৰমা দাশৰ 'দুৰ্যোগৰ ৰাতি'ৰ দীপিৰ অভিনয় আৰু ছলনা, আব্দুল মালিকৰ 'কাঠফুলা'ৰ বেদানাৰ বিশ্বাসঘাতকতাৰ প্ৰতিবিম্বৰ অস্পষ্ট ৰেঙণি দেখিবলৈ পাওঁ।

এই গল্প দুটাৰ চৰিত্ৰ সমূহৰ মনস্তাত্ত্বিক সংঘৰ্ষৰ লগতে বহিৰ্দ্বন্দ্বও সূক্ষ্ম ৰূপায়ণ ঘটিছে আৰু তাত বিশ্বাসযোগ্যতা আৰু বাস্তৱতা হাতত ধৰা-ধৰিকৈ গৈছে। এই গল্প দুটাৰ চৰিত্ৰ বিবৰ্দ্ধনত হিৰণ্য কুমাৰে মিছ আইভি কম্পটন বাৰনেট (Miss Ivy Compton Burnett)ৰ দৰে সংযত সংলাপৰ মাধ্যম শৈলীৰ সুন্দৰ প্ৰয়োগ কৰিছে।

বহুমুখী প্ৰতিভাৰ হিৰণ্য কুমাৰ প্ৰকৃতাৰ্থত এজন কাব্যিক অনুভূতি সম্পন্ন কোমল হৃদয়ৰ মানুহ – এওঁৰ অনুভূতিবোৰ পাতাল-সলিলা। 'কাৰাৰুদ্ধ জীৱনৰ বাক্‌ৰুদ্ধ কাহিনী'ৰ লেখক হিৰণ্য ভট্টাচাৰ্য মানুহজন সেই বিখ্যাত কিতাপখনৰ বেটুপাতৰ বিক্ষুব্ধ বিদ্ৰোহী নহয় – যাৰ চকুৱেদি ধাৰাসাৰে, নিৰৱচ্ছিন্ন ভাবে নিৰ্গত হৈছে অগণন অগ্নিস্ফুলিংগৰ বেদনাৰ্ত যমদগ্নি জ্যোতি। এইজন হিৰণ্য কুমাৰৰ কবি-সত্তাটোৱে তেওঁৰ বিভিন্ন গল্পৰ মাজে মাজে বিজুলীৰ দৰে এই জ্বলে – এই মৰে ঃ

–"উত্তৰৰ দিশে হিমালয়ৰ দুই এটা শৃংগই মেঘৰ ওৰণিখন গুচাই হঠাতে ভুমুকি মাৰিছে।" (উদ্যোগ পৰ্ব)

– "ঘন কুঁৱলীৰ বিৰুদ্ধে ফেৰ মাৰি নিস্তেজ বেলিটো লাহে লাহে উঠি আহিল।" (স্বপ্নভংগ)

–"নৰাবোৰৰ ওলমি থকা নিয়ৰৰ টোপালবোৰত ৰ'দৰ জিলিকনিয়ে সমগ্ৰ পথাৰখনকে মণিমাণিক্য খচিত বাদামীৰঙৰ এখন কাৰ্পেটৰ ৰূপ দিছে।" (স্বপ্নভংগ)

–"অন্তৰৰ ৰিক্ততাই আকাশৰ শূন্যতাক গ্ৰাস কৰি পেলাব খুজিছে।" (মৰহি নোযোৱা ফুল)

হিৰণ্য কুমাৰৰ গল্প, ডায়েৰী আৰু অসংখ্য কবিতাৰ মাজে মাজে মই অ'ত-ত'ত হোমেন বৰগোহাঞিৰ অস্পষ্ট প্ৰতিমূৰ্তিটোৱে ভুমুকি মৰা দেখো। এজন অসাধাৰণ অধ্যয়নশীল মানুহ, হিৰণ্য কুমাৰৰ লেখাত অস্কাৰ ৱাইল্ড, এমিল লুডউইগ, টলষ্টয়, এডগাৰ এলেন প', চাৰ্চিল, জন ৰাছেলৰ বাহিৰেও লক্ষ্মীনাথ বেজবৰুৱা, সত্যেন বৰকটকী, মেদিনী চৌধুৰী, হেম বৰুৱা, হীৰেণ গোহাঁই, শৰৎ চাটাৰ্জী, মৈত্ৰেয়ী দেৱী, যাযাবৰ আৰু সৰ্বশেষত ৰবীন্দ্ৰনাথৰ প্ৰতিধ্বনি শুনো। ৰাজনৈতিক চিন্তাধাৰাৰ লেখাসমূহত মই হিৰণ্য কুমাৰৰ এটা প্ৰচেষ্টা দেখিবলৈ পাইছো। য'ত তেওঁ তেওঁৰ বক্তব্যৰ যোগেদি এম এন ৰায়, জয়প্ৰকাশ নাৰায়ণ আৰু দীনদয়াল উপাধ্যায় – এই ত্ৰিমূৰ্তিৰ ৰাজনৈতিক চিন্তাধাৰাৰ সমন্বয় সাধনৰ প্ৰতি একাগ্ৰতা। তথাপি হোমেন বৰগোহাঞিৰ কাব্যিক ব্যক্তিত্বৰ উন্মেষ এওঁৰ লেখাত পাওঁ যিটো ভট্টাচাৰ্যৰ গল্পবোৰত সিঁচৰতি হৈ আছে হোমেন বৰগোহাঞিৰ লেখাবোৰত থকাৰ দৰেই ঃ

– "বহাগীৰ মুখত যেন হঠাৎ এক অপাৰ বিস্ময় ফুটি উঠিল, আৰু পাছ মুহূৰ্ততে সেই বিস্ময়ৰ উত্তুংগ শৃংগ জলমলাই উঠিল, এক নতুন প্ৰভাতৰ স্বৰ্ণ-স্পৰ্শত, এক নতুন চেতনাৰ আনন্দ উন্মেষত।" (পিতা-পুত্ৰ)

– "জীৱনৰ বাটত সি গৈ থাকোতে হঠাৎ সি একোবাৰ থমকি ৰৈ যাব, আৰু হেমন্তৰ আবেলিৰ দৰে বহাগীৰ মুখখন মনত পৰি এক কৰুণ বিষণ্ণতাত তাৰ মনটো সেমেকি উঠিব। নদীৰ লাৱণ্যই তাক বহাগীৰ কথা মনত পেলাই দিব। ডাৱৰীয়া আকাশৰ তলত বতাহে ঢৌ খেলাই থকা সেউজীয়া ধাননিয়ে তাক বহাগীৰ কথা মনত পেলাই দিব, বাঁহ গছৰ আগত ওলমি ৰোৱা দশমীৰ জোনে তাক বহাগীৰ কথা মনত পেলাই দিব........" (পিতা-পুত্ৰ)

শান্তিৰ গংগোত্ৰীৰ কৰুণা বিচাৰি হাহাকাৰ কৰি কান্দি কান্দি গৈ আছিল 'ব্যথাবিষে নীলকণ্ঠ' অশান্ত প্ৰশান্ত।

এই ক্ৰন্দনতেই প্ৰশান্তৰ চৰম পৰাজয়ৰ গ্লানি আৰু দীপালীৰ পূৰ্ণবিজয়ৰ জয়জয়ন্তী বৈভৱ। যিজনী দীপালীক প্ৰশান্তই বেশ্যাতকৈও অধম বুলি নীচ, পতিতা বুলি, কামাসক্তা কামিনী বুলি নিজৰ কোঠাৰ পৰা অভাৱনীয় ভাবে দুৰ্ব্যৱহাৰ কৰি উলিয়াই দিছিল – সেইজনী বেশ্যাৰেই, সেইজনী পতিতাৰেই জয় হ'ল অৱশেষত। এয়া যেন যৌৱন-উদ্ধতা কামনা-কাতৰ দীপালীৰ অস্পষ্ট প্ৰতিমূৰ্তিৰ পিছত থিয় দিছেহি যাযাবৰৰ 'জনান্তিক'ৰ মলী সেন আৰু যেন অৱজ্ঞা, বিদ্ৰুপ তাচ্ছিল্য আৰু আত্মপ্ৰসাদৰ সুৰত প্ৰশান্তক ওৰে বাটে কৈ আহিছে, প্ৰতি ক্ষণে প্ৰতি ক্ষণে, অবিৰাম অবিৰত সংগতৰ নিষ্ঠুৰতাৰে;

– শুনা প্ৰশান্ত, তুমি মোক খেদি দিলেও তোমাৰ মনোজগতৰ পৰা মোক নিৰ্বাসন দিব কেতিয়াও নোৱৰা – কেতিয়াও নোৱৰা। সেই ক্ষমতা তোমাৰ নাই – কোনো পুৰুষৰেই নাই। মই নাৰী, মই প্ৰকৃতি, ময়েই মোহিনী। তুমি য'তেই নেথাকা – য'লৈকে নোযোৱা, মোৰ মায়াজালে তোমাক কেতিয়াও কোনো পথ্যে মুক্তি নিদিয়ে। হে বন্দী, বিদায়।–

এইখিনি হিৰণ্য কুমাৰৰ বক্তব্য নহয়। 'বিকৰ্ষণ'ৰ এয়াই আকৰ্ষণ। ইয়াতেই নিহিত হৈ আছে হিৰণ্য কুমাৰৰ কাহিনীৰ অকথিত বেদনাৰ কথা। সূ





# নাটক আৰু নাট্যকাৰ

মুনীন শৰ্মা

লেখক ● ড° পোনা মহন্ত ●
২য় সংস্কৰণ – জানুৱাৰী, ১৯৯২ চন।
প্ৰকাশক ঃ 'বনলতা' ডিব্ৰুগড়।

'লেখকৰ দু-আষাৰ'ত গ্ৰন্থকাৰে জানিবলৈ দিয়া মতে এই পুস্তকখনি লিখাৰ পৰত সৰ্বসাধাৰণ নাট্যামোদী পঢুৱৈ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ কথাহে বিশেষকৈ মনত ৰখা হৈছিল। সেইপিনৰ পৰা চাবলৈ গলে ড° মহন্তৰ 'নাটক আৰু নাট্যকাৰ' উপৰোক্ত দুই পাঠক সমাজৰ বাবে এখনি উপযুক্ত 'হাত-পুথি' হৈছে বুলি ক'ব পৰা যায় নিঃসন্দেহে। নাট্য-সাহিত্যৰ গৱেষক তথা নাট্য শিল্পৰ সতে জড়িত ব্যক্তিসকলে হয়তো 'নাটক আৰু নাট্যকাৰ'ত যথেষ্ট চিন্তাৰ খোৰাক নেপাবও পাৰে – কিন্তু এই কথা অনস্বীকাৰ্য যে নাট্য-শিল্পৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে প্ৰাথমিক জ্ঞান আহৰণ কৰিবলৈ ইচ্ছুক পঢুৱৈ সকলে এই পুথিখনিৰ পৰা আৰু অধিক জ্ঞানৰ প্ৰেৰণা লাভ কৰাৰ থল আছে। পুথিখনিৰ ভাব-ভাষা অতিকৈ সৰল আৰু প্ৰাঞ্জল। ভুৰুকাত হাতী ভৰোৱা প্ৰচেষ্টাত এনে ধৰণৰ ভাব-ভাষাৰ সৰলতা পাঠক সমাজৰ বাবে কিমানদূৰ সহায়ক হ'ব পাৰে সেই কথা সহজেই অনুমেয়। কিয়নো, পাণ্ডিত্যপূৰ্ণ ইতিহাস অনুসন্ধানৰ প্ৰতি সৰহ সংখ্যক পঢুৱৈয়েই অনীহাগ্ৰস্ত – তাৰ ওপৰত ভাষাৰ বোজাটো ভাব আৰু তথ্যৰ দৰেই গধুৰ হলে আকৰ্ষণৰ ঠাইত বিকৰ্ষণৰ সম্ভাৱনাই অধিক হয়।

নাট্য শিল্পৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কীয় বিশ্লেষণত ড° মহন্তই যাদু-বিশ্বাস আৰু তৎসম্পৰ্কিত অনুষ্ঠানসমূহ (Magical beliefs and rituals) সম্পৰ্কে কোনোধৰণৰ পোনপটীয়া উল্লেখ কৰা নাই। কৰা হলে পঢুৱৈ সমাজে শিল্প-সাহিত্যৰ উৎস আৰু বিকাশ সম্পৰ্কে এটি বস্তুনিষ্ঠ দৃষ্টিভংগীৰ সতে ঘনিষ্ঠভাবে পৰিচিত হোৱাৰ সুযোগ পালেহেঁতেন। যি কি নহওক, 'পূৰ্বৰঙ্গ'ৰে পৰা আৰম্ভ কৰি প্ৰাচীন গ্ৰীক, ৰোমান, তথা মধ্যযুগীয় ইউৰোপৰ নাটক আৰু নাট্যকাৰৰ সৈতে পাঠকক পৰিচয় কৰাই দিয়াৰ ক্ষেত্ৰত লেখকৰ কোনো ঠাইতেই খোকোজা লগা নাই।

'এপিক থিয়েটাৰ ঃ ব্ৰেখট' শীৰ্ষক অধ্যায়টিত ব্ৰেখটৰ নাট্য-দৰ্শন সম্পৰ্কীয় বহুখিনি গুৰুত্বপূৰ্ণ কথাই সন্নিবিষ্ট হৈছে যদিও ৰচনাখনিৰ শেষৰ পিনে ব্ৰেখটীয় নাটৰ এলিনেইশ্যন এফেক্টৰ লগত শংকৰ-মাধৱৰ অংকীয়া নাটত বহু-ব্যৱহৃত তদ্ৰূপ পদ্ধতিৰ প্ৰয়োগৰ সামঞ্জস্য সম্পৰ্কে লেখকে বিস্তৃত আলোচনালৈ নগৈ 'এই বিষয়ে বিস্তৃত আলোচনাৰ থল আছে' বুলি মন্তব্য কৰি অধ্যায়টিৰ মোখনি মাৰিছে। বিষয়টো যে খুবেই গুৰুত্বপূৰ্ণ আৰু স্থানান্তৰত হলেও যে ইয়াৰ কিছু বিশদ আলোচনাৰ প্ৰয়োজন আছিল – সেই কথাষাৰ পাঠকে নিশ্চয় অনুভৱ কৰিব। ধৰ্ম-প্ৰচাৰৰ উদ্দেশ্যে ব্যৱহৃত এলিনেইশ্যন এফেক্ট আৰু দ্বন্দ্বমূলক বস্তুবাদৰ প্ৰচাৰৰ অৰ্থে ব্যৱহৃত এলিনেইশ্যন এফেক্টৰ মাজত গুণগত কোনো পাৰ্থক্য নাইনে ? আমাৰ আন্তৰিক আশা, ড° মহন্তই পুথিখনিৰ পৰৱৰ্তী সংস্কৰণত এই সম্পৰ্কে তেখেতৰ সমালোচনামূলক আলোচন দাঙি ধৰি আমাক উপকৃত কৰিব।

সুখৰ কথা 'নাটক আৰু নাট্যকাৰ'ৰ দ্বিতীয় সংস্কৰণত 'ভাৰতীয় চিন্তা' শীৰ্ষক এটি অংশ আৰু 'আৰ্থাৰ মিলাৰ'ৰ বিষয়ে এটি প্ৰবন্ধ সংযোজন কৰা হৈছে। কোৱা বাহুল্য যে দুয়োটিৰ সংযোজনেই নাট্যানুৰাগী পাঠকৰ বাবে সুখপাঠ্য তথা মোটামুটিভাবে তথ্য-সমৃদ্ধ। দ্বিতীয় সংস্কৰণত অধ্যায় সমূহৰ ঐতিহাসিক ক্ৰম ৰক্ষাৰ ক্ষেত্ৰত লেখকে যত্ন লোৱা দেখা গৈছে – যদিও এনেধৰণৰ পুথিত এনে কৰ্মফেৰি কিছু অসুবিধাজনক।

পৰিশেষত এই কথা দোহাৰিবই লাগিব যে সামগ্ৰিকভাবে নাটক আৰু নাট্যকাৰ সম্পৰ্কে প্ৰাথমিক কিছু তথ্য আহৰণ কৰিবলৈ আৰু গোটেই বিষয়টি সম্পৰ্কে প্ৰাৰম্ভিকভাবে এটি সমালোচনামূলক দৃষ্টিভংগী আয়ত্ত কৰিবলৈ ড° পোনা মহন্তৰ 'নাটক আৰু নাট্যকাৰ' এখনি সৰল অথচ তথ্যসমৃদ্ধ আৰু সুখপাঠ্য হাতপুথি। সূ

# কবীন ফুকনৰ এটি কবিতা

অৰূপ কুমাৰ গোস্বামী

কবীন ফুকনৰ সদ্য প্ৰকাশিত "কোনে কয় নুপুৰায় আঁউসীৰ ৰাতি" শীৰ্ষক সঙ্কলনত সন্নিবিষ্ট "কল্কিৰ জ্ঞান মন্দিৰ ঃ তত্ৰ সৰ্বনাশ সঙ্কেত" (অসংশোধিত খচৰা এটি "সূত্ৰধাৰ"তে পোনতে ছপা হোৱা মনত পৰে) কল্পিত পাওঁ ঃ স্বশাসিত এখনি বিশ্ববিদ্যালয়, অৰ্থাৎ অপেক্ষাকৃত স্বয়ংসম্পূৰ্ণ এখণ্ড আধুনিক "সমাজ বাস্তৱ"। আধুনিক অসমীয়া কবিয়ে তাৰ এক তিৰ্যক অথবা ব্যঙ্গ চানেকি আঁকিছে। বিশ্ববিদ্যালয়টিৰ ব্যাপক বিজুতিৰ পৰিপূৰ্ণ শুধৰণিৰ উজু নিৰ্ভুল উপায় থাউকতে নাই হবলা! কবিয়ে এক আশ্চৰ্য নিৰ্লিপ্ত ভঙ্গীৰে সেই বাস্তৱৰ প্ৰতি কটাক্ষ কৰিছে। পোনতে কবিয়ে শীৰ্ষোদ্ধৃতি অথবা এপিগ্ৰাফ লেখি আনিছে সেই ধ্ৰুপদী অনুষঙ্গ য'ত মহাকবি মিল্টনে মৰণ মুলুকৰ কল্পনা কৰিছে– যি মুলুক উত্যক্ত ঈশ্বৰৰ শাওপাতত অসৎ ৰূপত অভিশপ্ত থাকিবৰ বাবেই সৃষ্টি হ'ল, স্বাভাৱিকতাৰ নিয়ত মৰণেই য'ত অস্বাভাৱিকতাৰ শ্ৰীবৃদ্ধিৰ উপজীব্য। পিছ মুহূৰ্ততে আধুনিক কবিয়ে প্ৰাচীন পদ ৰচনাৰ দেৱস্তুতি অথবা ভটিমাৰ ভঙ্গী গ্ৰহণ কৰি প্ৰাৰ্থনা কৰিছে যে যি ব্যভিচাৰে কল্কিৰ নালন্দাত, অৰ্থাৎ আধুনিক বিশ্ববিদ্যালয়ত "লঙ্গৰ" পেলাইছেহি কল্কি অৰ্থাৎ সৰ্বক্ষয়ঙ্কৰ যুগদেৱতাই সেয়া আঁতৰাই শুদ্ধাচাৰ প্ৰতিষ্ঠা কৰক। মালিতা বা মূল কাহিনী অংশত প্ৰকাশ যে ছাতৰ ঘাইকৈ অনুদ্যমী, কুলপতি "পাপৰ পথৰ ৰসিক ৰথী" আৰু "লোকে" অৰ্থাৎ ৰাইজে নালন্দাৰ কেন্দ্ৰত "বিয়াগোম চেঙেলী"য়ে কৰ্মশালা পতাত প্ৰতিক্ৰিয়া নকৰে। কুলপতিয়ে দোষযুক্ত কাম কৰি সেয়াই আইনতঃ শুদ্ধ বোলাবলৈ প্ৰথমে "লগাই দিলে আইনৰ জুই"। পাছত নুমাব নোৱৰা সেই জুইত "নিজে পুৰি মৰি কোনোমতে বস্ত্ৰবিবৰ্জিত হৈ"হে থাকিল। কিন্তু হাৰিৰ মাজৰ আধুনিক নালন্দাত হোৱা দিয়া শিয়ালৰ সঙ্গৰ অভাৱ নাই। পণ্ডিত বোলোৱা কিন্তু আচলতে বেপাৰীমনা অনেকৰ লগেৰে– হোৱা-দিয়া আনুগত্য কুলপতিয়ে লাভ কৰিবলৈ সমৰ্থ হ'ল– ক্ৰমবৰ্দ্ধমান সংখ্যাৰ তেনে লোকেৰে পৰিবেষ্টিত হৈ কুলপতিয়ে "ভ্ৰষ্টালয়ৰ পতি" হেন শোভা পালে। মালিতাংশত কবিয়ে পুনৰোক্তি কৰি জোৰ দি কৈছে যে সেয়াই কল্কিৰ আধুনিক নালন্দাৰ বাস্তৱ স্বৰূপ – তাৰ প্ৰতি চকু মুদি থাকিলে সেই বাস্তৱে অগণন জনগণক "চিকুটিব"হে। দুখ-বেজাৰ সামৰি কবি-বান্ধৱৰ কুলসচিব চৰিত বৰ্ণন অংশও ধৈৰ্য ধৰি শুনি আঁতাবলৈ আৰু তাৰ প্ৰতি সমুচিত সঁহাৰি জনাবলৈ কবিয়ে অসমীয়া-ভাষী শ্ৰোতা-পাঠক-লগৰীয়াক আহ্বান কৰিছে। কুলপতি অহাৰ আগৰে পৰাই কুলসচিব নালন্দাত "প্ৰভু" সাজি আছিল। "লগেৰে গঢ়িব উভয়ে নিজৰ নিজৰ নছিব" মন্ত্ৰ সাৰোগত কৰি কুলপতি-কুলসচিব যুতি পাতিলে। পিছে– কাগজ কানুন পঢ়ি চাবলে" যত্ন নকৰি, "লোকলৈ বুলি হুল পুতি পুতি নিজেই ফুটি মৰি" কুলসচিবে মহাকৰ্মফল আৰ্জিলে। প্ৰকৃতপক্ষে, কুলসচিবৰ কুলপতি হৈ নালন্দাত এদিন নিজে বহাৰ এক গোপন কিশোৰসুলভ "ৰতিবিলাসী" তথা "অশালীন" কল্পনা আছিল, যি নেকি তেওঁৰ কাল হ'ল– বহুত পণ্ডিতেই "তেওঁক পিঠিত খুচিলে," স্বয়ং কুলপতিয়ে তেওঁৰ "কঁকাল ভাঙিলে"। ব্যাপক ৰাইজে সম্প্ৰতি অৱজ্ঞা কৰা এই বিষণ্ণ, নিৰানন্দ আৰু অৰ্বাচীন নাটকৰ আঁৰৰ যি প্ৰৰোচনা তাৰ অৱশ্যে নিৰসন নাই– সি হ'ল ঃ হুতাহৰ ধোৱা

উগাৰি ওকালি চান কাঢ়ি কাঢ়ি ধুমধাম খোৱা-বোৱা কুলসচিব যদি কল্কিৰ নালন্দাৰ সঁচাকৈ জ্ঞানৰহে পূজাৰী, তেওঁৰ ক্ৰুদ্ধ যুগদেৱতাৰ হাতত বিড়ম্বনা কেনেকৈ হব পাৰে ভাবি চাবলগীয়া! কল্কিৰ বিশ্ববিদ্যালয়ৰ মাজ মজিয়াত মালিতা জুৰি স্থানীয় জগত একণিকে বিশ্লেষণ কৰি চিনাবলৈ তৎপৰ হোৱা আমাৰ কবিক আৰু তেখেতৰ সতীৰ্থসকলক ষড়যন্ত্ৰকাৰী ভাৱৰীয়াসকলে "পাপকাৰ্যৰ কণ্টক" বুলি আঁতৰাবলৈ অভিসন্ধিৰ ত্ৰুটি নকৰিলে, কিন্তু নোৱাৰিলে। "জোলোঙাত আঁটি সাচতীয়া ভাঙি" আদালতৰ খৰচী যুঁজৰ সমুখ হব লগীয়া পৰিস্থিতিত তেখেতসবৰ "প্ৰাণগঙ্গা" শুকা নহ'ল। ক্ষমতাৰ সৈতে 'সতী' যাব পৰা বহু চৰিত্ৰ বিশ্ববিদ্যালয়ৰ এই নাটকৰ মঞ্চত দেখা গ'ল, পানীৰ তলৰ শিহুৰ দৰে "ধূৰ্ত" আন কিছু চৰিত্ৰৰো অন্ততঃ উমান পোৱা হ'ল। কিন্তু নালন্দাৰ মূল সম্ভাৱনাৰ পথত অগ্ৰসৰ হোৱাটো সুদূৰপৰাহত হৈয়েই ৰ'ল। সৃষ্টিশীল জ্ঞানাৰ্জনৰ খ্যাতি নহয়, বিশ্ববিদ্যালয়ৰ কুলাচাৰ ভ্ৰষ্টতাহে অদ্যাপি চাৰিওফালে "ৰজনজনাই" থাকে।

কবিয়ে বিশ্ববিদ্যালয়ৰ তেওঁৰ জগতক শেহলৈ "জাৰজ" (........by curse/Created) আখ্যা দিছে। জাতিয়ে সঁচাকৈ পূৰঠ ভালপোৱা ব্যতীত সংশ্লিষ্ট বিশ্ববিদ্যালয়ৰ জন্ম দিলে নেকি? যিহেতুকে জন্ম হৈ জীৱনৰ বাটত বিশ্ববিদ্যালয়টিয়ে ইতিমধ্যে কিছুদূৰ আগবাঢ়িব পাৰিলে, সেয়ে বিশ্ববিদ্যালয়টিয়ে তাৰ জনক সংশ্লিষ্ট জাতিৰ পৰা ওপৰঞ্চি ভালপোৱাহে বিধিসম্মতভাবে দাবী কৰিব নোৱাৰেনে? বিশ্ববিদ্যালয়ৰে সাহিত্য বিভাগ এটিত ঘাইকৈ আধুনিক কবিতাৰ শিক্ষা দিয়া আমাৰ কবিৰো প্ৰচ্ছন্ন আশা সেই মৰ্মেই। সংক্ষিপ্ত ভণিতাত কিন্তু প্ৰকাশ যে কবিয়ে সম্প্ৰতি অব্যাহত বিশ্ববিদ্যালয়ৰ অস্বাভাৱিক (perverse) পৰিবেশত তেখেতৰ ইচ্ছা ফলিয়াব নোৱাৰে বুলি জানে

নাজানো এই কবিতা লেখি কবি কিমান তৃপ্ত। নাজানো কোনোবা ভৱিষ্যতে, যেতিয়া দেশৰ বিশ্ববিদ্যালয়ৰ শিক্ষা জগতৰ গুণগত পৰিবৰ্তন সাধন হব তেতিয়া, ভাগ্যবান আৰু সম্যক সমাজচেতনা থকা গুণী সক্ৰিয় "লোকে" বিশ্ববিদ্যালয়ৰ দুখৰ দিনৰ বিচাৰাত্মক পদ-বুৰঞ্জী দুফাকি লেখি গ'ল বুলি কিতাপ ঘুকটি আমাৰ কবিক বাহবা দিবনে নিদিয়ে। কিন্তু কবিয়ে "বছৰৰ লেখত পাঁচ"টাৰ বুকুত লেখি শেষ কৰা এই কবিতা নিজে "উৎকৃষ্ট চুপতি" বুলি ক'লেও আমি "অকবি সমসাময়িক পঢুৱৈয়ে "তাতকৈ অধিক কিবা" বুলি নাভাবি নোৱাৰো। অৱশ্যে এই কথা ঠিক যে বিশ্ববিদ্যালয়ৰ বিজ্ঞান-প্ৰযুক্তিৰ বিভিন্ন শাখাৰ কোনোটোতে সৃষ্টিশীল জ্ঞান চৰ্চা মুঠেই সম্ভৱ হোৱা নাই বুলি আমাৰ আধুনিক কবিয়ে ইঙ্গিত দিব নোৱাৰে আৰু দিব খোজাও নাই। কবিৰ স্বজ্ঞাত (intuition) তেনে জ্ঞানৰ জন্ম হোৱাটো বা নোহোৱাটো প্ৰতিফলিত হ'ব নোৱাৰে। এই কবিতাৰ ভাব-ভাষা এনে স্বচ্ছনেকি (transparent) যে তাৰ মাজেদি বিশ্ববিদ্যালয়ৰ বাস্তৱ কোনো ঘটনা বা ঘটনাক্ৰম দেখি থাকিব পাৰি? কবিতাৰ পঢুৱৈ হিচাপে সেই কথাত আমাৰ কিন্তু বিশেষ মনোযোগ নাথাকে। আমি সবিস্ময়ে ওলোটা দিশতহে ৰবঞ্চ চকু থবলৈ প্ৰয়াস পাওঁ। কবিৰ মূক হৈ নপৰিবলৈ সফলভাবে যত্নপৰ নীতিবোধজড়িত প্ৰতিক্ৰিয়াৰ কি ডাঠ বোল কবিতাটিৰ ছত্ৰেছত্ৰে সনা আছে! সেই ডাঠ অনুভূতিৰ অন্তৰালতহে তাৰ কাৰণ হিচাপেই আমি অনুমান কৰো যথাৰ্থ আৰু ঐকান্তিক বিদ্যানুৰাগৰ অভাৱত শিক্ষা-প্ৰশাসনত অৱশ্যম্ভাৱী হৈ উঠা কলঙ্কৰ কথাটো। এপিগ্ৰাফ, ভটিমা, মালিতা, ভণিতা, ইত্যাদি মিশ্ৰিত আঙ্গিকত ব্যক্ত কবিৰ প্ৰতিক্ৰিয়া আধুনিক কাব্যধাৰাৰ অনুকূলেই অতি আত্মসচেতন। বিদগ্ধ আত্মসংযম কবিৰ প্ৰতিক্ৰিয়াৰ এটা বিশেষ গুণ, যেন কবিৰ জনা আছে যে সমসাময়িক বিবৰ্তন-উন্মুখ বহু পৰ্যায়বদ্ধ (Polymorphous) জ্ঞান সৃষ্টিৰ প্ৰক্ৰিয়াত কবিৰ শিক্ষা প্ৰশাসন সম্পৰ্কীয় নীতিবোধ হব পাৰে এটি সক্ৰিয় উপাদান কিন্তু তেনে জ্ঞান সৃষ্টিৰ সামুদায়িক বাস্তৱিক প্ৰেৰণা কবিৰ সেই নীতিবোধেৰে সমাৰ্থক হব নোৱাৰে। ☐





# লীলা-খেলা

ডাঃ মুক্তিপ্ৰসাদ গগৈ

## জাহ্নু বৰুৱা আৰু তেওঁৰ ফিৰিঙতি

ফুল এটি ধুনীয়া বস্তু। সি গোলাপ তগৰ নাইবা যি ফুলেই নহওক লাগে। বঢ়িয়া গোন্ধ ওলোৱা ফুল আৰু ধুনীয়া আৰু মৰম লগা। ৰঙা মদাৰো ধুনীয়া ফুল – গোন্ধ নাথাকিলেই বা। 'মদাৰৰে ফুল পূজাতো নালাগে, লাগে মাথো আকাশতেজুই জ্বলাবলৈ।' চ'ত বহাগ মাহত নেচনেল হাইৱেৰ কাষে কাষে ওখ গছবোৰত ফুলি থকা ৰঙামদাৰ ফুলবোৰ দেখি এই গানৰ শাৰীকেইটালৈ মনত পৰে। সেইদৰেই ধুনীয়া বহাগৰ কপৌ ফুলবোৰ। পিছফালৰ বাৰীৰ তামোল গছত নিজে নিজে হোৱা নাইবা কোনো কোনোৱে বহু কষ্টেৰে ফুলনিত গছৰ গাত বান্ধি ৰোৱা শিপাৰ পৰা হোৱা কপৌফুল অতি মনোমোহা। কপৌফুল এবিধ অৰ্কিড (Orchid)। বহুত বছৰৰ আগতে দাৰ্জিলিঙৰ জিমখানা (Gymkhana) ক্লাবত হোৱা এখন ফুলৰ প্ৰদৰ্শনী চোৱাৰ সুযোগ হৈছিল দেশ স্বাধীন হোৱাৰ কেইবছৰমানৰ পিছতে। ইংৰাজী প্ৰভাৱ তেতিয়া দেশত পূৰা মাত্ৰাই আছিল। ফুলৰ বেছি ভাগেই আছিল অৰ্কিড আৰু তাৰে ভিতৰত থাকে থাকে সজোৱা আমাৰ ধুনীয়া কপৌফুল। বহুত ফুলৰ মাজত থকা এই কপৌফুল কিমান ধুনীয়া মই এই প্ৰদৰ্শনীতহে গম পাইছিলো। ফুল বস্তুটো কিমান মনোমোহা আৰু মৰমলগা হ'ব পাৰে তাক বুজিবলৈও এনে সুবিধা লাগে।

সৌন্দৰ্য বস্তুটো কেৱল ফুলতে আৱদ্ধ হৈ থকা নাই। ধুনীয়া মুখখন নাইবা এটা সুঠাম দেহো সেইদৰেই ধুনীয়া হ'ব পাৰে। ধুনীয়া গাভৰুৰ শৰীৰৰ বহুতো ছবি পৃথিৱীত শিল্পী সকলে আঁকি গৈছে। সেইবোৰ চিৰকালৰ আমাৰ মানৱ সংস্কৃতিৰ অতি আদৰণীয় বস্তু। অতি নামকৰা ভাৰতীয় ব্যায়ামবীৰ শ্ৰীমনোতোষ ৰায়ৰ শৰীৰ আৰু তেওঁৰ গোটেই শৰীৰৰ পেশী সঞ্চালন দেখিছিলো তেওঁৰ তেনেই ডেকা বয়সত, ই কি এটা সুন্দৰ দৃশ্য নেদেখিলে বুজা টান। এদিন ৰাতিপুৱা পাঁচমান বজাত গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামৰ ফালে গাড়ীৰে গৈ আছো, হঠাতে দেখিলো বগা 'টি চাৰ্ট আৰু বগা চুটি হাফপেন্ট পিন্ধি এজন অতি সুঠাম ডেকা লাহে লাহে দৌৰি আহি আছে। ৰাস্তাৰ দাঁতিৰ মানুহে ঘূৰি তেওঁলৈ চাই আছে। তেওঁক পাৰ হৈ গাড়ীখন ৰখালো। আকৌ ঘূৰি চালো।



তাৰ পিছত গাড়ীখন ঘূৰাই লৈ আকৌ লাহে লাহে তেওঁৰ ফালে আগবাঢ়িলো আকৌ ভালকৈ চাবৰ বাবে, ইমান ধুনীয়া তেওঁৰ গাৰ গঠন প্ৰত্যেকটো খোজতে ফুটি উঠা তেওঁৰ শৰীৰৰ মাংস পেশীৰ লয়লাস! জোৰেৰে আগ বাঢ়ি মোৰ বন্ধু এজনৰ ঘৰলৈ গৈ তেওঁকো লগত লৈ ফুটপাথত থিয় হৈ ৰ'লো তেওঁক আৰু ওচৰৰ পৰা চাবলৈ। ওচৰ পাই তেওঁ আগৰ দৰে একে বেগতে তলমূৰকৈ লাহে লাহে দৌৰি পাৰ হৈ গ'ল। 'সাধনা কেৱল সাধনা, সাধনাৰ বাহিৰে এনে শৰীৰ নহয়' মোৰ বন্ধুৱে কলে। পিছত গম পালো আৰু পৰিচয়ো হলো। তেওঁ 'মিষ্টাৰ এচিয়া' উপাধি জয় কৰা শ্ৰীহৰকান্ত বৰগোঁহাই। পৃথিৱীত এইবোৰো সুন্দৰ বস্তু।

১৯৮২ চনত বম্বেত অনুষ্ঠিত হকিৰ বিশ্বকাপ খেলা হৈছিল, খেলাধূলা মোৰ সৰু কালৰে নিচা। যদিও নিজে ভাল খেলুৱৈ নাছিলো, এটা কামৰ লগত মিলাই বম্বেত হকি খেলা চাবলৈ গলো। তাতো দুই এজন বন্ধুৰ লগত কেইবাখনো খেলা চালো। তাৰে এখন আজিলৈকে মনত থকা খেলা আছিল পশ্চিম জাৰ্মানী আৰু অষ্ট্ৰেলিয়াৰ মাজত। দুয়োটা বিশ্বত অতি শক্তিশালী দল। হকি এটা অতি দ্ৰুতবেগেৰে খেলা খেল। বলটোও সৰু। দুয়োটা দলে গা-মন পুতি প্ৰথমৰে পৰা ইমান দ্ৰুত বেগেৰে খেলিবলৈ ললে বলটো প্ৰতি চেকেণ্ডতে এবাৰ এফালে ইবাৰ যিটো দলৰ ফাললৈ যাবলৈ আৰম্ভ কৰিলে। খেলুৱৈ সকলেও ইমান বেগেৰে দৌৰি খেলিবলৈ ললে যেন বলটোৰ লগে লগেহে যাব। এটাই এটা গ'ল দিলে ইটোৱে এগ'ল দিয়ে। এইদৰে ৩–৩ ড্ৰ হ'ল, 'এক্সট্ৰা টাইম'ত আকৌ ২–২ গ'ল ইটোৱে সিটোক দিলে। শেষত পাঁচটাকৈ পেনাল্টি দিলে প্ৰত্যেককে, দুৰ্ভাগ্যবশতঃ অতি ভাল খেলিও অষ্ট্ৰেলিয়া দলটো হাৰিল। সি যিয়েই নহওক, খেলখন ইমান ভাল হৈছিল যে আমাৰ নিচিনা নিৰপেক্ষ দৰ্শকৰে অতি উত্তেজনা আৰু তাৰ লগতে হৃদকম্পন হৈছিল। খেলখন ইমান চকুত লগা হৈছিল যে ই ঠিক খেলা নহয় যেন এক অতি সুন্দৰ ছবিহে। মই মোৰ লগৰীয়া আৰু শালপতি ৰমেশ চান্দানীক কৈছিলো 'ৰমেশ জীৱনত কিজানি ইমান ধুনীয়া আৰু ভাল লগা বস্তু মই দেখা নাই।' 'মোৰো সেই একেই ভাব হৈছে। আমি এই খেলখন আজি চেলিব্ৰেট (celebrate) কৰিবই লাগিব।' সুন্দৰ সুঠাম দেহৰ এই খেলুৱৈসকলৰ প্ৰবল গতি আৰু ক্ৰীড়াকৌশল এক অতি মনোমোহা দৃশ্য হিচাপে মোৰ মনত এতিয়াও ভাহি আছে। ছবিত হলেও যি এবাৰ কেইজনীমান ধুনীয়া ছোৱালীয়ে কৰা 'চিনক্ৰোনাইজদ্ চুইমিং' দেখিছে তাৰ সৌন্দৰ্য পাহৰিব নোৱাৰে। সেইদৰেই

পাহৰিব নোৱাৰে মানস নদীৰ শিলৰ উপৰেদি বাগৰি যোৱা পানীয়ে অনবৰতে কৰা শব্দখিনিৰ মাধুৰ্য ।

জাৰৰ দিনৰ সন্ধিয়াৰ সুগন্ধী শেৱালি ফুল, ৰজনীগন্ধা বাৰিষাৰ পদুম, ভেট ফুল, বহাগৰ কপৌফুল, গৰম দিনৰ বিদেশৰ টিউলিপ ফুল সকলো ধুনীয়া বস্তুৰ দৰেই জাহ্নু বৰুৱাই আগবঢ়োৱা ফিৰিঙতিও এখন অতি ধুনীয়া ছবি ।

ৰাষ্ট্ৰীয় পুৰস্কাৰ পোৱা 'হালধীয়া চৰায়ে বাওধান খায়'কে আদি কৰি জাহ্নু বৰুৱাৰ কেইবাখনো ছবি মই চাইছো । উল্লেখযোগ্য কথা হ'ল বঁটা পাওকেই বা নাপাওক তেওঁৰ প্ৰত্যেকখন ছবিৰে নিজৰ একো একোটা বৈশিষ্ট্য আছে আৰু প্ৰত্যেকখনেই ভাল ছবি ।

প্ৰথমবাৰ ছবিখন দেখুৱাওঁতে মই অলপ অসুবিধাৰ বাবে যাব নোৱাৰিলো । কিন্তু পাঁচ জুনত আকৌ ছবিখন দেখুওৱা হ'ব বুলি জাহ্নু বৰুৱাই মোক আগতেই কৈছিল, গতিকে ময়ো চাবলৈ সাজু আছিলো । কিন্তু ছবিখন চাই দুই এশাৰী লিখাৰ কথা ভবা নাই । ছবি সম্বন্ধে লিখা নাইবা সমালোচনা কৰাৰ মোৰ কোনো অভিজ্ঞতা নাই । ছবি এখন 'ভাল' 'বৰ ভাল' 'বৰ ধুনীয়া' 'বেয়া' এইদৰেই বৰ্ণনা দিয়া অভ্যাস । তাকো কথা পাতোতে । লিখাত নহয় । কিন্তু চাৰি জুনত শ্ৰীহোমেন বৰগোহাঞিৰ লগত টেলিফোনত কথা পাতোতে তেখেতক কৈছিলো যে মই পিছদিনা 'ফিৰিঙতি' চাবলৈ যাম বুলি । 'তেন্তে আপুনি সেই বিষয়ে নিলিখে কিয় ।' ছবি সমালোচনাত মোৰ অক্ষমতাৰ কথা কওঁতে তেখেতে কলে 'মই আপোনাক সমালোচনা কৰিবলৈ কোৱা নাই, আপোনাৰ যি মন যায় লিখিব ।'

জাহ্নু বৰুৱা আমাৰ ফালৰে ল'ৰা । জাহ্নু মোতকৈ বহুত সৰু বুলিয়েই ল'ৰা বুলি কৈ মই ভাল পাওঁ, তেওঁ এই শব্দটো ভাল নাপাবও পাৰে । চেপন তিনি আলিৰ পৰা দুমাইলমান দূৰত বকতাৰ নেমুগুৰি গাঁৱৰ তেওঁ । চেপন তিনি আলিৰ পৰা পাঁচ মাইল দূৰত পূবলৈ মোৰ ঘৰ । সেই ঠাইকেইখনৰ মানুহৰ সাধাৰণ পৰিবেশ তেনেই একে । জাহ্নু মৰাণৰ স্কুলতে পঢ়া । সেইখন স্কুলৰ তেনেই আৰম্ভণিতে ময়ো ষষ্ঠমান শ্ৰেণীলৈকে তাতে পঢ়া । জাহ্নুৰে কোৱা মতে কিছুদিন পিছত ওচৰতে বৰপথাৰৰ এখন ভেনচাৰ স্কুললৈ গ'ল । স্কুলৰ পৰা মেট্ৰিক পৰীক্ষাৰ ফলাফল ভাল কৰিবৰ বাবে দেউতাকে তেওঁক লৈ গ'ল বুলি কলে । সেইখন স্কুল জাহ্নুৰ দেউতাক আৰু কেইজনমানে মিলি পতা । সি যিয়েই নহওক সেইখিনি ঠাইত ডাঙৰ দীঘল হৈ পঢ়াশুনা কৰি সেই ঠাইৰ মানুহ; তেওঁলোকৰ ব্যৱহাৰ কথা বতৰা আৰু সাধাৰণ পৰিবেশে পেলোৱা চাপখিনি আমাৰ সকলোৰে আছে পিছলৈ য'তে নুফুৰো নাইবা নাথাকো লাগে । জাহ্নুৰো আছে । তেওঁ আগবঢ়োৱা ছবিবোৰতো এই কথাবোৰ প্ৰতিফলিত হৈছে । জাহ্নু বৰুৱা আজি প্ৰায় বিশ বছৰমান বম্বেত আছে । ইউৰোপ, আফ্ৰিকা, দক্ষিণ পূব এচিয়া, অষ্ট্ৰেলিয়া, ছোভিয়েত ৰাছিয়াকে আদি কৰি বহুত দেশ আৰু ঠাই ফুৰিছে । প্ৰায় বেছিভাগ দেশৰে গাওঁ, গাঁৱলীয়া পৰিবেশৰ লগত তেওঁৰ চিনাকি । তেওঁ ইউনাইটেড নেচনচৰ ডেভেলপমেন্ট প্ৰগ্ৰেমৰ লগতো জড়িত আছিল ।

গুৱাহাটীলৈ আহিলে মাজে সময়ে মোৰ লগত দেখা হয় । হয় তেওঁ মোৰ তালৈ আহে নাইবা কেতিয়াবা মই যাওঁ । জাহ্নুৰ অতি লেখত লবলগীয়া কথা হ'ল তেওঁৰ সৰলতা – কথা-বতৰা, পিন্ধন উৰণ, আচাৰ ব্যৱহাৰ সকলোতে । জীৱনত বহু কৃতকাৰ্যতা আৰু সন্মান লাভৰ পিছতো জাহ্নু জাহ্নু হৈয়েই আছে অন্য একো হৈ যোৱা নাই । জাহ্নু অন্তৰ্মুখী (Introvert) নহয় কিন্তু তেওঁ অল্পভাষী । সেই কাৰণেই হয়তো সকলো বস্তুৰেই অতি সূক্ষ্মদৃষ্টিৰে চাব পাৰে । যেই কোনো কামৰ নাইবা বস্তুৰ খুটিনাটিলৈ নগলে কোনো কথাতে সাফল্য লাভ কৰিব নোৱাৰি । জাহ্নুৰ পৰিচালক জীৱনৰ সাফল্যৰ এটা প্ৰধান কাৰণ এইটো বুলি মই ভাবো ।

তেওঁৰ এই দিশটো 'ফিৰিঙতি'ত বৰকৈ ওলাই পৰিছে । অতি সাৱধানে ৰচনা কৰা এক কাহিনী লৈ নিৰ্মাণ কৰা এই ছবিখনত জীৱনৰ নিষ্ঠুৰতাত নিজকে হেৰুৱাই পেলোৱা ঋতু বৰুৱাই আকৌ এক নতুন আশা, নতুন আদৰ্শলৈ জীৱনটো ঘূৰাই আনিবলৈ কৰা চেষ্টা আৰু তাত পোৱা বাধা বিঘিনি, মৰম ভাল পোৱা, কিন্তু আকৌ আগৰ দৰেই যদিও নতুন ধৰণৰ বিপদৰ সমুখীন হৈ জীৱনত দ্বিতীয়বাৰৰ বাবে সকলো শেষ হৈ যোৱাৰ আশঙ্কাত আতঙ্কিত আৰু বিহ্বল হৈ পৰিছিল যদিও গাঁৱৰ ৰাইজৰ সঁহাৰিত পুনৰ এক ক্ষীণ আশা সঞ্চাৰিত হোৱাত জীয়াই থকাৰ কথা ভাবিবলৈ সম্ভৱ হ'ল । ঋতু বৰুৱাৰ অতি মৰমৰ স্কুলঘৰখন দুৰ্বৃত্ত সকলৰ হাতত জ্বলিপুৰি শেষ হ'ল কিন্তু তাৰ ঠাইত আকৌ এটা নতুন ঘৰ সজা হ'ল । এক নতুন জীৱনৰ সঞ্চাৰ হ'ল ।

অতি শক্তিশালী কাহিনী । প্ৰত্যেকটো দৃশ্য ঘটনা ইমান ধুনীয়াকৈ অঁকা হৈছে, বেছিভাগ অভিনেতা অভিনেত্ৰীৰ অভিনয়, নেপথ্য সংগীত, গানকেইটা, সংগীত পৰিচালনা, চিত্ৰগ্ৰহণ ইমান ভাল হৈছে বৰ্ণনা কৰিব নোৱাৰি । ছবিখনৰ কাহিনী আৰু চিত্ৰ নাট্য জাহ্নু বৰুৱাৰ নিজৰ, ফিৰিঙতি এক চিত্ৰকৰৰ অতি সুন্দৰ চিত্ৰ । মলয়া গোস্বামীৰ অতি সুন্দৰ অভিনয় সম্পৰ্কে ইয়াত মই লিখাৰ একো প্ৰয়োজন নাই । তেখেতৰ আৰু সাফল্য আমি কামনা কৰো ।

মোৰ বোধেৰে ফিৰিঙতি আন্তৰ্জাতিক বোলছবিৰ প্ৰতিযোগিতাতো যথেষ্ট আদৰ আৰু ভাল স্থান পাব । মলয়া গোস্বামীয়েও পাব । তাৰ বাবে জাহ্নু বৰুৱাক আগতীয়াকৈয়ে অভিনন্দন জনাব পাৰো বুলি মোৰ বিশ্বাস । দ্বিতীয় শ্ৰেষ্ঠ ছবি হিচাপে 'ফিৰিঙতি'য়ে ৰাষ্ট্ৰীয় বঁটা পোৱাৰ খবৰ পাই মই তেওঁলৈ অভিনন্দন জনাই লিখিছিলো – 'প্ৰথম বঁটা সত্যজিৎ ৰায়ে পাইছে । গতিকে তুমিও প্ৰথম বঁটা পাইছা বুলিয়েই ধৰিব পাৰা ।' ছবি পৰিচালনাত জাহ্নু বৰুৱাৰ পাৰদৰ্শিতা আৰু সাফল্য আমাৰ সকলো অসমীয়া মানুহৰে এক গৌৰৱৰ বিষয় । তেওঁৰ পৰা আমি আৰু বহুত আশা কৰিব পাৰো ।

অলপতে 'চানডে অবজাৰভাৰ' নামৰ ইংৰাজী কাগজত জাহ্নু বৰুৱাৰ এটা প্ৰবন্ধ পঢ়িছিলো, অন্যান্য কথাৰ ভিতৰত তেওঁ তেওঁৰ পত্নী গায়ত্ৰী বৰুৱাৰ কথা লিখিছিল । ইংৰাজীত এটা কথা আছে "Behind every successful man there is a woman".

সেই কাৰণেই জাহ্নুৰ কথা লিখিবলৈ লওঁতে গায়ত্ৰীৰ কথা মনত পৰিছে । গায়ত্ৰী নিজেও এক গুণান্বিতা ছোৱালী । জাহ্নুক তেওঁ ছবি নিৰ্মাণত সহায় কৰে । ছবি নিৰ্মাণ সম্পৰ্কে ইতিমধ্যে তেওঁ যথেষ্ট জ্ঞান আৰু অভিজ্ঞতা অৰ্জন কৰিছে । জাহ্নু আৰু গায়ত্ৰীলৈ আমাৰ মৰম আৰু শুভেচ্ছা থাকিল । লগতে শুভেচ্ছা থাকিল 'ফিৰিঙতি'লৈ ।





# ৰাতুল ভৰালীয়ে তেওঁৰ প্ৰতিভাৰ স্বীকৃতি পাবনে ?

পদ্ম পাটৰ

কলিকতাৰ আঠনম্বৰ ৰাছেল ষ্ট্ৰীটৰ অসম ভৱন । দুশ আঠনম্বৰ কোঠা । দুৱাৰখনত দুটা সৰু সৰু টুকুৰ । ইয়েচ । ল'ৰা এজন সোমাই আহিল । পিন্ধনত সাধাৰণ হাফ হায়িং চাৰ্ট এটা আৰু নীলা লংপেন্ট । মোক সুধিলে ইয়াত যে দিলীপ শৰ্মা আছিল গ'ল নেকি ? উত্তৰত গ'ল বুলি ক'লো । ল'ৰাজন ওলাই গৈছিল । পাঁচমিনিটমানৰ পিছত ল'ৰাজন আকৌ সোমাই আহি ক'লেহি– মোক দুশ বাৰ নম্বৰত থাকিবলৈ দিছিল যদিও এক দম্পতিক তাত থাকিবলৈ দিয়াত মোক ইয়াতে থাকিব দিছে । মই এৰাতি থাকিম । আপোনাৰ অসুবিধা নহয়তো একো ? "অসুবিধা– নাই নাই । এই অসম হাউচটো সকলোৰে বাবে । ভালহে পাম- লগ এজন হ'ব কথা পতাৰ ।" চিনাকি হ'লো । মোৰ পৰিচয় ইতিমধ্যে দিলীপৰ পৰা পাইছেই– ক'লে । দহ মিনিটমান কথা পতাৰ পিছতে, তেওঁ গৈ দুটা সৰু বেগ লৈ পুনৰ সোমাই আহিল ।

সেইদিনা আছিল আঠাইশ এপ্ৰিল । ১৯৯১ চন । গাটো মোৰ বিশেষ ভাল নাছিল । কিবা এটা বিশেষ কামত এই কলিকতাত আছোহি । আমি কথা-বতৰা পুনৰ আৰম্ভ কৰিলো । দীঘলীয়া কথা । অন্তহীন কথা । কথা পাতি থাকোতে থাকোতে ৰাতি ৯ বাজিল । মোক ক'লে– কথাৰ মাজতে– মোৰ কাগজ-পত্ৰ অলপ চাই-চিতি ল'ব লাগে– দাদা এজনৰ ওচৰৰ পৰা আহো । তেওঁ ওলাই গৈছিল বেগ এটাৰ পৰা ফাইল এটা উলিয়াই লৈ ।

এইজন সাধাৰণ বুলি ভবা ল'ৰা প্ৰকৃততে সাধাৰণ নাছিল । শিক্ষা জীৱনত ক'তোৱে দ্বিতীয় হৈ নোপোৱা অসাধাৰণ, মেধাবী ছাত্ৰ যোৰহাট ইঞ্জিনিয়াৰিং কলেজৰ পৰা ১৯৮৪ চনত মেকানিকেল ইঞ্জিনিয়াৰিঙত ফাৰ্ষ্ট ক্লাছ ফাৰ্ষ্ট হোৱা, ১৯৬১ চনত যোৰহাটৰ ওচৰৰ কেন্দুগুৰিত জন্ম গ্ৰহণ কৰা দণ্ডেশ্বৰ ভৰালীৰ সুপুত্ৰ ৰাতুল ভৰালী । ৰাতুল ভৰালী যোৰহাট আৰু ওচৰ পাঁজৰৰ বিশাল অঞ্চলত এক চিনাকি নাম । ১৯৭৬ত শ্ৰীভৰালীয়ে যোৰহাট চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা প্ৰথম বিভাগত মেট্ৰিক পাছ কৰি ৭৮-ত যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ প্ৰি ডিগ্ৰী বিজ্ঞান শাখাৰ পৰাও প্ৰথম বিভাগত উত্তীৰ্ণ হয় । তাৰ পিছতে তেওঁ যোৰহাট ইঞ্জিনিয়াৰিং মহাবিদ্যালয়ত নাম ভৰ্তি কৰি ইঞ্জিনিয়াৰ হোৱাৰ সপোন দেখে । ইঞ্জিনিয়াৰিং পঢ়ি থাকোতেই তেতিয়াৰ কলেজৰ প্ৰিন্সিপাল শ্ৰীযুত শশী শৰ্মাদেৱে মৰমতে কেতিয়াবা কৈছিল– "তোমালোকে সকলোৱে ইঞ্জিনিয়াৰিং পাছ কৰি পি ডব্লিউ ডি, ইৰিগেশ্যন, এ এছ ই বিত চাকৰি বিচৰা । কিয় স্কুলত কাম কৰাত গুৰুত্ব নিদিয়া ?" কথাষাৰে শ্ৰীভৰালীৰ মনত ৰেখাপাত কৰিছিল । সেয়েই প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ পাছ কৰাৰ পিছতো শিক্ষাগুৰুজনাৰ কথা শিৰোধাৰ্য কৰি শিক্ষকতা কৰাৰ মানসেৰে অধ্যক্ষৰ কথামতে সেই কলেজতে আৰম্ভ কৰিলে শিক্ষক জীৱনৰ । লগতে সহযোগ কৰিলে বন্ধু শ্ৰীপ্ৰণৱ বৰা (তৃতীয়) আৰু শ্ৰী চিৰঞ্জীৱ শইকীয়া (চিভিল) ই । প্ৰথম শ্ৰেণীৰ আগ শাৰী তিনিওজনেই ভাবিছিল সেই কলেজত খালি হৈ থকা পদত তিনিও চাকৰি পাব । কিন্তু ভাগ্যৰ কি বিৰম্বনা প্ৰিন্সিপালো আচৰিত হ'ল । দিছপুৰৰ শিক্ষাবিভাগৰ পাকচক্ৰত প্ৰথম, দ্বিতীয়, তৃতীয় হোৱা (প্ৰথম শ্ৰেণীৰ) কোনোৱে চাকৰি নেপালে– খবৰ আহিল তাৰ বহু তলৰ (কুৰিৰ তলৰ) ছাত্ৰইহে কলেজত চাকৰি পোৱাৰ । প্ৰিন্সিপাল শ্ৰীযুত শৰ্মাই নিয়োগৰ সময় হোৱা দেখি শ্ৰীৰাতুলক মাতি দিছপুৰলৈ গৈ, নিয়োগ পত্ৰবোৰ চাই আহিবলৈ কৈছিল । দিছপুৰলৈ গৈ শ্ৰীভৰালীয়ে গম পালে সকলো উলট-পালট হৈছে সেই সময়ৰ শিক্ষা সচিব শ্ৰী ৰবীন বৰাদেৱক সুধিলত ক'লে– 'মই উপায়হীন । ওপৰৰ আদেশমতেই মই কাম কৰিব লাগিব ।' তদুপৰি ক'লে শ্ৰীভৰালীৰ আবেদন পত্ৰই তেওঁ পোৱা নাই । পিছত তদন্ত কৰি পালে যে এক দুষ্ট চক্ৰই তেওঁৰ আবেদন পত্ৰকেই বিভাগীয় সহায়কৰ সহায়ত নোহোৱা কৰি ৰাখিছে ফাইলত । সেই সময়ত অসম চৰকাৰৰ টেকনিকেল শিক্ষা বিভাগৰ সঞ্চালক আছিল– ডঃ শৰৎ বৰুৱা । এই গৰাকী সঞ্চালকে এদিন ইঞ্জিনিয়াৰিং কলেজৰ ছাত্ৰ সকলক উদ্দেশ্যি কৈছিল– "তোমালোকৰ নিচিনা ব্ৰিলিয়ান্ট ল'ৰাবোৰ কলেজতহে থাকিব লাগে । আজি-কালি প্ৰায়বোৰেই ইৰিগেশ্যন, পি ডব্লিউ ডি' এ এছ ই বি লৈ ঢাপলি মেলে । এ এছ ই বিৰ জীপ গাড়ী চলোৱাতকৈ ইডুকেশ্যনৰ জীপগাড়ী চলোৱা ভাল ।" এনে মহৎ উপদেশ দিয়া এই গৰাকী সঞ্চালকক শ্ৰীভৰালী যেতিয়া যোৰহাট ইঞ্জিনিয়াৰিং কলেজত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ কিয় চাকৰি (শিক্ষকৰ চাকৰি) টো নাপালে কথাটো সুধিবলৈ যাওঁতে শ্ৰীভৰালীক চিনিকে নোপোৱা কথাষাৰ আৰু শেষত 'আই এম, হেল্পলেচ' বুলি হোপলেচ উত্তৰ দিয়া ডাইৰেক্টৰ জনাৰ কথাই 'উপদেশতকৈ আৰ্হি ভাল' অসমীয়াত থকা সেই প্ৰবাদ বাক্যষাৰক উপলুঙা নকৰিলেনে ? আজিৰ সময় বৰ নিষ্ঠুৰ । ইয়ে বৰ্তমানে প্ৰতিভাৰ স্বীকৃতি নিদিয়ে । স্বীকৃতি আছে তোষামোদকাৰীৰ, পদলেহনকাৰীৰ, যাৰ ধন আছে তাৰ, আৰু এচাম সুবিধাবাদীৰ । সেয়েই আমাৰ শিক্ষা জীৱনত অন্ধকাৰ নামিছে । বিভাগীয় মুৰব্বীবোৰো এনে অৱনতিৰ ঘাই কাৰণ শিক্ষা বিভাগত যদি ৰাজনৈতিক হস্তক্ষেপ আৰু 'পিছ দুৱাৰখন' বন্ধ নহয়– অনতি পলমে এই বিভাগটো এটা 'ডাষ্টবীন'ত পৰিণত হ'ব । শিক্ষকৰ প্ৰতি ছাত্ৰৰ ভক্তি নোহোৱা হৈ আহিছে এনেবোৰ কাৰণতেই । এগৰাকী প্ৰতিভাবান ছাত্ৰক যিমানেই সুবিধা দিব পৰা যায় সিমানেই জাতিৰ কাৰণে, দেশৰ কাৰণে মঙ্গল কিন্তু আজি সেয়া হৈছেনে ?

শিক্ষা জীৱনত পোৱা এই প্ৰথমটো আঘাতত অতি প্ৰতিভাবান ছাত্ৰজনে

পৰিচিত শ্ৰীভড়ালীয়ে এই শিক্ষক জীৱনৰ মোহ এৰিবলৈ বাধ্য হৈছিল। ইয়াৰ বাবে যাইকৈ দায়ী আছিল আমাৰ শিক্ষা বিভাগ, বিভাগীয় মুৰব্বী বিষয়াসকল। প্ৰথম শ্ৰেণীৰ প্ৰথম আসন পোৱা শ্ৰীভৰালীলৈ ইতিমধ্যে চৰকাৰৰ ভালেকেইটা বিভাগৰ পৰা নিয়োগ পত্ৰ আহি আছিল কিন্তু শিক্ষকতা কৰাৰ মনৰ অদম্য হেঁপাহত সেইবোৰ চাকৰিত যোগ দিয়া নাছিল। অৱশেষত অৱস্থাই বাধ্য কৰোৱাত জলসিঞ্চন বিভাগৰ কামতেই যোগ দিব লগা হ'ল।

এনেদৰে এই চাকৰিত কেইবাটাও বছৰ পাৰ হোৱাৰ পিছত সকলোৰে দৃষ্টিত অতি বিচক্ষণ, দূৰদৃষ্টি সম্পন্ন, খুব উদাৰ মনৰ গৰাকী বুলি পৰিচিত শিক্ষা বিভাগৰ অতি উচ্চ ক্ষমতা বিষয়া এগৰাকীৰ দৃষ্টিত পৰিল শ্ৰীভৰালী। শ্ৰীভৰালীয়ে ভবা নাছিল দুটা দিনৰ ভিতৰতে অসম ইঞ্জিনিয়াৰিং কলেজত অধ্যাপক চাকৰি পাব। এইগৰাকী তীক্ষ্ণ বুদ্ধিৰ লোক আছিল শ্ৰীঅশোক কুমাৰ শইকীয়া, শিক্ষা বিভাগৰ আয়ুক্ত। শ্ৰীভৰালীয়ে ১৯৯০ চনৰ এপ্ৰিলৰ ১১ তাৰিখে শ্ৰীশইকীয়াক দেখা কৰিছিল, সেইদিনাই ফাইলত নোট দিছিল আৰু পিছদিনা হৈছিল– ইঞ্জিনিয়াৰিং কলেজৰ চাকৰি। শ্ৰীভৰালীয়ে এটা ডাঙৰ উশাহ পাইছিল। শ্ৰীঅশোক শইকীয়াৰ এনে কাৰ্যত আচৰিত একো নাছিল, যোগ্য জনক উচিত কামৰ দায়িত্ব দি নিজৰ কৰ্তব্য পালন কৰিছিল। অসম ইঞ্জিনিয়াৰিং কলেজত তেতিয়া অধ্যক্ষ আছিল শ্ৰীঅৰ্পণা পদ্মপাণি। তখেত আছিল কাৰিকৰী শিক্ষাবিভাগৰ সঞ্চালকো। অধ্যাপনাৰ কামত আত্মনিয়োগ কৰিছিল হে মাত্ৰ এনেতে খড়গপুৰ আই আই টিৰ পৰা (CRYOGANIC) ক্ৰায়োগেনিক ইঞ্জিনিয়াৰিঙত গৱেষণা কৰিবৰ বাবে (ডঃ কাঞ্চন চৌধুৰীৰ তত্ত্বাৱধানত) শ্ৰীভৰালীলৈ আবেদন আহে। এনে খবৰ পাই উৎসাহিত হৈ অধ্যক্ষ শ্ৰীপদ্মপাণিয়ে চৰকাৰক বিভাগীয়ভাৱে স্পনচ'ৰ কৰিবলৈ পৰামৰ্শও আগবঢ়ায়। কিন্তু অতি পৰিতাপৰ কথা যে যিহেতু আবেদনখন অধ্যক্ষৰ যোগেদি নকৰি শ্ৰীভৰালীয়ে পোনপটীয়া ভাৱে শিক্ষাবিভাগৰ আয়ুক্তলৈ কৰিলে তাতেই জগৰ ধৰি, নীতি বিৰুদ্ধ কাম কৰা বুলি কৈ ভৰালীলৈ আবেদন খনকেই ঘূৰাই পঠায়। তদুপৰি এয়াই নহয়– ভৰালীক বেলেগ বিভাগৰ পৰা অহা বুলি কাৰণ দৰ্শাই সেই বিশেষ বিভাগটোত গৱেষণা কৰাৰ পৰা শ্ৰীভৰালীক বঞ্চিত কৰে। উল্লেখযোগ্য যে এনে বিশেষ বিষয়ৰ ওপৰত গৱেষণা কৰাৰ সুযোগ পোৱা শ্ৰীভৰালীয়েই একমাত্ৰ ছাত্ৰ। যি সময়ত আমি এনে কাৰ্যত উৎসাহ যোগাই, এনে গৱেষণাৰ বাবে আগবাঢ়ি যাবলৈ দিব লাগিছিল তাৰ বিপৰীতে আমি পৰশ্ৰীকাতৰ মনোভাৱ গ্ৰহণ কৰি কাৰ ক্ষতি সাধন কৰিছো ? এয়াই আমাৰ শিক্ষকৰ শিক্ষানীতিৰ নমুনা। উল্লেখযোগ্য যে এই প্ৰজেক্টটো আছিল জাৰ্মান চৰকাৰৰ তত্ত্বাৱধানত (CLOSED CYCLE CRYREARITOR) আৰু শিক্ষা জীৱনৰ কৃতিত্বাৱলীৰ ওপৰত ভিত্তি কৰিহে এনে প্ৰাৰ্থী বাছনি কৰে। এইদৰেই শ্ৰীভৰালীয়ে দ্বিতীয়বাৰৰ বাবেও হতাশ হ'ব লগা হ'ল।

অকল এয়াই নহয়– অসমত অসমীয়া ছাত্ৰৰ প্ৰতিভাৰ বিকাশত বাধাৰ প্ৰাচীৰ হৈ থিয় দিয়াত বহু শিক্ষা বিভাগৰ বিষয়া, শিক্ষক, অধ্যক্ষৰ অৰিহণাও কম নহয়। অসমীয়া ল'ৰাই বিদেশত নতুন শিক্ষা লাভ কৰি আহি আমাৰ শিক্ষাজীৱনৰ নতুনতা অনাটো বহুতো শিক্ষকৰ কাম্য নহয়। সেই সকল ছাত্ৰই আমাৰ শিক্ষক সকলতকৈ অধিক গুণী হৈ বিশেষ ডিগ্ৰীৰে যাতে ওপৰ শ্ৰেণীৰ আসন পাব নোৱাৰে তাতো বহুতৰ খেদ। এনে খেদৰ বলি হয় পুনৰবাৰ ভৰালী।

এইবাৰ ভৰালীলৈ সুবিধা আহিল কিউ, আই পি, (Quality Implement Programme) ত অধ্যয়নৰ বাবে। এই সুবিধা পোৱাৰ বেলিকাও, অধ্যক্ষ গৰাকীয়ে শ্ৰীভৰালী বেলেগ বিভাগৰ পৰা অহা বুলি কৈ প্ৰগ্ৰাম ক'অৰ্ডিনেটৰলৈ মনোনীত নকৰিবৰ বাবে লিখা কাৰ্যৰ অন্তৰালত কি নিহিত আছিল ? এইবোৰ আমাৰ শিক্ষা জগতৰ অন্তৰায় নহয়নে ? অসমীয়া জাতি যে পৰশ্ৰীকাতৰ, এনেবোৰ কাৰ্যই প্ৰতীয়মান কৰে। এনেবোৰ নানান বাধা এইগৰাকী প্ৰতিভাবান ছাত্ৰ তথা ইঞ্জিনিয়াৰে মূৰ পাতি লৈ অগ্ৰসৰ হৈছিল নিজৰ প্ৰতিভাৰ সন্ধানত। আকৌ কাণপুৰ আই আই টিয়ে শ্ৰীভৰালীক নিজৰ প্ৰতিভাৰ ভিত্তিতেই 'ৰব'টিকচ' (ROBOTICS) বিষয়ত গৱেষণাৰ বাবে মাতে। শ্ৰীভৰালী এনেবোৰ কাৰণতেই অসমৰ গৌৰৱৰ কাৰণ হ'ব লাগিছিল কিন্তু সেয়া নহ'লগৈ।

প্ৰতিভাৰ মৃত্যু নাই। ই শত বাধা অতিক্ৰমি বিকশিত হয়। শ্ৰীভৰালীৰ জীৱনতো সেয়ে হ'ল। ইতিমধ্যে বেংককৰ Asian Institute of Technology ৰ পৰা চিঠি আহিল, এই ইন্‌ষ্টিটিউটে সম্পূৰ্ণ বৃত্তি দি ইণ্ডাষ্ট্ৰিয়েল মেনেজমেন্ট বিভাগত উচ্চ শিক্ষা লাভৰ (Master Engg.) বাবে ভাৰতীয় জাতীয় ছাত্ৰৰূপে বিশেষ সুবিধা আগবঢ়ায় আৰু কাণপুৰৰ আবেদন বাদ দিব লগা হয়। এই বিভাগত এনে উচ্চ শিক্ষালাভৰ সুযোগ পোৱা শ্ৰীভৰালী অসমৰ তৃতীয়জন ছাত্ৰ। প্ৰথম গৰাকী আছিল বৰ্তমান যোৰহাট ইঞ্জিনিয়াৰিং কলেজৰ Computer Science বিভাগৰ মুৰব্বী ডঃ মাধৱ বৰা। শ্ৰীভৰালীক এনে উচ্চ উচ্ছাকাংক্ষাৰ অন্তৰালত আছিল আন এগৰাকী কৃতিমন্ত শিক্ষকৰ অনুপ্ৰেৰণা। তেওঁ আছিল পৃথিৱী বিখ্যাত হাইড্ৰ'লজিষ্ট, থমাচ্ টেলফৰ্ড বঁটা লাভ কৰোতা ডঃ মদন মোহন শৰ্মা (চিভিল), অসম ইঞ্জিনিয়াৰিং কলেজৰ এগৰাকী অন্যতম অধ্যাপক। শেহতীয়াকৈ অৱশ্যে কলেজৰ অধ্যক্ষ গৰাকীয়ে (শ্ৰীপদ্মপাণি বিভাগীয় সঞ্চালকো) শিক্ষা বিভাগলৈ বিভাগীয় অনুমোদনৰ বাবে লিখিলে। দেখা গ'ল আকৌ বিভাগীয় নিৰ্লিপ্ততা। ইতিমধ্যে শ্ৰীভৰালীয়ে নিজৰ ঘৰুৱা আৰ্থিক দুৰৱস্থাৰ বাবে অসমৰ তেতিয়াৰ ৰাজ্যপাল গৰাকীলৈ মাত্ৰ পাঁচহেজাৰ টকাৰ অৰ্থ সাহায্য বিচাৰি আবেদন কৰিছিল। উল্লেখযোগ্য যে সেই সময়ত বিভাগীয় আয়ুক্ত গৰাকী দীঘলীয়াভাৱে বিদেশ ভ্ৰমণত (Official Tour) আছিল– গতিকেই পোনপটীয়াকৈ ৰাজ্যপালক এই আবেদন জনাইছিল। শ্ৰীভৰালীৰ আকৌ দোষ হ'ল কিয় তেওঁ পোনপটীয়াকৈ এনে আবেদন কৰিব ? বিভাগীয়ভাৱে সহায়ৰ কথা দূৰতে থাকক, শ্ৰীভৰালীক 'এক্সপ্লেইন কল' কৰা হ'ল এই কাৰ্যৰ বাবে। আচৰিত কথা, আমাৰ ভৱিষ্যতৰ বংশধৰ সকলৰ, ভৱিষ্যতৰ যুৱক-যুৱতী সকলৰ, ভৱিষ্যতৰ শিক্ষানুৰাগী সকলৰ মনত পোহৰ বিলাই জগত জ্যোতিষ্মান কৰিব বিচৰা 'গুৰুভাই' সকলে, শিক্ষা বিভাগৰ পৰা বিভাগীয় সহায়কলৈ নিৰ্দেশ জাৰি কৰিলে– ৰাতুল ভৰালী নামৰ এই ল'ৰাজনে যাতে আই পি পি পাব নোৱাৰে তাৰ বাবে No objection certificate নিদিবলৈ। কিন্তু অতি সুখৰ বিষয় যে শ্ৰীভৰালীলৈ ইতিমধ্যেই এই বিভাগেই (ETE/13/87/pt/11/3, ২৪ ডিচেম্বৰ ১৯৯০, তাৰিখে International Pass port পোৱাত বাধা নাই বুলি চিঠি দি ৰাখিছিল। শিক্ষা বিভাগৰ এইবোৰ সন্ধিয়ে কিন্তু ভৰালীক আৰু বাধা দি ৰাখিব নোৱাৰিলে।

অসমত যদি যোৱা দহবছৰীয়া জাতীয় মহা আন্দোলনৰ ফলশ্ৰুতি 'অসম চুক্তি'ৰ মৰ্মে যদি অসমত এখন আই আই টি হয় তাত শিক্ষকতা কৰিবহি কোনে ? কাণপুৰ, খড়গপুৰ আদিৰ আই আই টিৰ অধ্যাপকসকল আহি ? বাহিৰৰ পৰা অহাতকৈ আমাৰ স্থানীয় ল'ৰাক (শ্ৰীভৰালীৰ লেখীয়া) বাহিৰত বৃত্তি আদি দি উচ্চ শিক্ষিত কৰি অনাত বাধা কি ? তাৰ পিছতো বাহিৰৰ লোক আহি আই আই টি চলালে আন্দোলন কৰাৰ বাবেই এই বাট সূচল কৰি এতিয়াৰ পৰাই ৰাখিছে নেকি – কেৱল আন্দোলনৰ বাবেই ? নহলে এনেবোৰ বাধা কিহৰ স্বাৰ্থত ? উৎসাহ, অনুপ্ৰেৰণাৰ সলনি আমি হেঙাৰ দিছো– এইবোৰ প্ৰতিভাবান ছাত্ৰৰ বিকাশত। এইবোৰ দিশৰ প্ৰতিহে আমাৰ ৰাজ্যৰ ছাত্ৰ নেতা সকলে অতি গুৰুত্ব সহকাৰে মনকাণ দিয়া উচিত। যি সময়ত অন্যান্য ৰাষ্ট্ৰ, ৰাজ্যই পোহৰৰ গতি খেদি আগবাঢ়িছে সেই সময়ত আমি তিমিৰাচ্ছন্ন অন্ধকাৰলৈ গতি কৰিছো। এয়াই আমি। অসমীয়া জাতিৰ পৰিচয় ইয়াতেই সীমাবদ্ধ ?

২৯ এপ্ৰিল। পুৱা চাৰে সাত বজা। ভৰালী ৰেডি হৈছিল। মই পোন্ধৰ মিনিটমান পুনৰ কথা পাতিলো। আৰু দুখনমান ছবি ললো। কিছুসময় কথা পাতি নতুন জীৱন যাত্ৰাৰ প্ৰতি শুভেচ্ছা জনালো। গাত তেতিয়াও সেই আগদিনা দেখা সাধাৰণ সাজযোৰ। কথাত ভদ্ৰতা। সেই সাজেৰেই গৈ শ্ৰীভৰালী বেংকক পাবগৈ। শ্ৰীভৰালীক বেংকক বিমান বন্দৰলৈ আহি এচিয়ান ইন্‌ষ্টিটিউটৰ কৰ্তৃপক্ষই আগবঢ়াই নিবহি। কোঠাটোৰ পৰা ওলাই যাওঁতেও হাতত আৰু কান্ধত সেই সাধাৰণ সৰু বেগ দুটা। কিন্তু বুকুত যেন আছিল জগত জিনা সাহস। মনত আছিল দুৰ্বাৰ স্বপ্ন– সকলো বাধা অতিক্ৰমি সেই সপোনক বাস্তৱত পৰিণত কৰাৰ। দমদম বিমান বন্দৰমুখী টেক্সিখনত উঠাৰ আগতে শ্ৰীভৰালীক পুনৰ কৰমৰ্দন কৰিলো– নতুন জীৱনৰ শুভেচ্ছা জনায়॥ ✿

সভ্যতা

# মানৱ সভ্যতা আৰু সংস্কৃতিঃ অতীত, বৰ্তমান আৰু ভৱিষ্যত

পবিত্ৰ কুমাৰ শৰ্মা

চাৰি

কৃষি ভিত্তিক সভ্যতাৰ আৰম্ভণিত মানুহৰ ব্যক্তিগত মাটি নাছিল। মাটিত হোৱা উৎপাদনৰ বাহিৰেও সকলো হাতিয়াৰ, অস্ত্ৰশস্ত্ৰ, ঘৰত পোহা জীৱ-জন্তু আদি সেই সময়ৰ সকলো সম্পদ সমূহীয়া আছিল। উৎপাদন বঢ়োৱাৰ উদ্দেশ্য আগত ৰাখি দলপতিয়ে ক্ৰমে ক্ৰমে কৃষিৰ মাটি ভগাই একোটা পৰিয়ালক দিয়াৰ ব্যৱস্থা কৰিলে। তেতিয়া প্ৰতিটো পৰিয়ালৰ নিৰ্দিষ্ট খেতিৰ মাটি, পশুধন, নাঙল আৰু অন্যান্য হাতিয়াৰ নিজৰ হ'ল। পৰিয়াল ভিত্তিক জীৱনৰ সূচনা হোৱাৰ পৰাই পৰিয়ালৰ জ্যেষ্ঠ জনে পৰিয়ালৰ নেতৃত্ব ললে। ব্যক্তিগত মালিকানা প্ৰচলিত হোৱাৰ পাছত পৰিয়াল বিলাকৰ মাজত সম্পত্তিৰ অধিকাৰ লৈ প্ৰতিদ্বন্দ্বিতা হ'ল। যাৰ প্ৰতিপত্তি বেছি তেনে দলপতিয়ে নিজে ভাল মাটি নিজৰ কাৰণে ৰাখিবলৈ ললে, এনে দৰেই ধনী আৰু দৰিদ্ৰ কৃষক শ্ৰেণীৰ বিভাজন হ'ল। শোষক আৰু শোষিত দুই শ্ৰেণীত সমাজ পৃথক হৈ পৰিল।

কৃষিভিত্তিক জীৱন ধাৰাক কেন্দ্ৰ কৰিয়েই পৃথিৱীৰ বেলেগ বেলেগ ঠাইত মানৱ সভ্যতাৰ বিভিন্ন বৈশিষ্ট্যই গঢ় লৈছিল। নীল নদীক কেন্দ্ৰ কৰি বিকাশ হৈছিল মিছৰীয় সভ্যতাৰ। ধৰ্ম-বিশ্বাস, পুৰোহিত শ্ৰেণীৰ প্ৰাধান্য আৰু ৰজাক ঐশ্বৰিক গুণৰ অধিকাৰী বুলি প্ৰতিপন্ন কৰি মিছৰীয় সভ্যতাত নগৰ ৰাষ্ট্ৰ আৰম্ভ হৈছিল। প্ৰাচীন মিছৰত গণিত শাস্ত্ৰ, জ্যোতিৰ্বিদ্যা আৰু চিকিৎসা বিজ্ঞানৰ উৎকৰ্ষ হৈছিল। খৃঃ পূঃ চতুৰ্থ শতিকাত চিত্ৰলিপিও আৰম্ভ হৈছিল মিছৰত। মিছৰীয় ৰাষ্ট্ৰত সৈন্য, প্ৰহৰী, ঘাতক আৰু কাৰাগাৰ আছিল। মাটিৰ অধিকাৰ কাঢ়িলৈ ধন-সম্পত্তিৰ অধিকাৰী হোৱা সম্ভ্ৰান্ত শ্ৰেণীয়ে প্ৰহৰী আৰু সৈন্যৰ সহায়ত দাসসকলৰ ওপৰত প্ৰভুত্ব কৰিছিল। দাস মালিকৰ খেতি-পথাৰ, পশুধন আৰু ঘৰদুৱাৰ পহৰা দিছিল প্ৰহৰীয়ে। সৈন্যদলৰ সেনাপতিৰ পৰাই শেষত ৰজা হৈছিল। এইদৰে মিছৰত প্ৰথমতে ৪০ খন সৰু সৰু ৰাষ্ট্ৰৰ উদ্ভৱ হৈছিল খৃঃ পূঃ চতুৰ্থ শতাব্দীত। এই ৰাষ্ট্ৰ'বিলাকে নিজৰ ভিতৰতে ক্ষমতাৰ বাবে যুদ্ধবিগ্ৰহত লিপ্ত হৈছিল। খৃঃ পূঃ তিনি শতিকাত পৰাজিত ৰজাৰ ৰাজ্য অধিকাৰ কৰি মিছৰীয় সম্ৰাট ফাৰাওঁ নামে জনাজাত হ'ল। মিছৰৰ মাটি, পানী আৰু প্ৰজাৰ মালিক আছিল ফাৰাওঁ। বংশানুক্ৰমে ফাৰাওঁসকলে মিছৰত ৰাজত্ব কৰিছিল। ফাৰাওঁৰ আদেশতে মিছৰত তৈয়াৰী হৈছিল ৰজাৰ সমাধি মন্দিৰ পিৰামিড। কাষতে তৈয়াৰ হৈছিল স্ফিংকছ্ – ভয়ঙ্কৰ নৰসিংহ মূৰ্তি। মানুহৰ মাজত ভয় সুমুৱাই ফাৰাওঁৰ প্ৰাধান্য নিষ্কন্টক কৰাই আছিল পিৰামিড আৰু স্ফিংকছ্ নিৰ্মাণৰ উদ্দেশ্য। নিষ্ঠুৰতা আছিল ফাৰাওঁৰ শাসনৰ মূলমন্ত্ৰ। বিদ্ৰোহীক আৰু তেওঁলোকৰ আত্মীয়-কুটুম্বক নাশ কৰি ৰজাৰ প্ৰাধান্য অকন্টক কৰা হৈছিল।

মিছৰীয় ৰাষ্ট্ৰত কৃষক আৰু কাৰিকৰসকলে কৃষি আৰু উৎপাদন বৃদ্ধিত অৰিহণা যোগাইছিল। কৃষকসকলে তেওঁলোকৰ উৎপাদনৰ খাজনা দিব লাগিছিল। ৰাজকোষ টনকিয়াল হৈছিল কৃষকসকলৰ পৰা আদায় কৰা শস্যসম্ভাৰেৰে। শাসন ব্যৱস্থা চলাবৰ কাৰণে আমোলা শ্ৰেণীৰো উদ্ভৱ হ'ল। খৃঃ পূঃ দ্বিতীয় শতিকাত মিছৰত অৰ্থনীতিৰ চৰম উন্নতি হৈছিল। কিন্তু খৃঃ পূঃ প্ৰথম শতিকাত মিছৰীয় অৰ্থনীতি দুৰ্বল হৈ

মন্দিৰ নিৰ্মাণ, দেৱদেৱীৰ প্ৰতি বিশ্বাস, আত্মাৰ অস্তিত্ব, মৃত্যুভয় সকলোৱেই পুৰোহিত শ্ৰেণীক ধনী দাস মালিকত পৰিণত কৰিলে। পুৰোহিতে স্বয়ং দেৱদেৱীক দেখা পায় বুলি মিছৰীয়সকলে বিশ্বাস কৰিছিল। পুৰোহিতসকলে মন্দিৰৰ ধন-সম্পত্তিৰ অধিকাৰী হৈ আটাইতকৈ ধনী হৈ পৰিছিল। ফাৰাওঁক ঐশ্বৰিক গুণৰ অধিকাৰী কৰি ধৰ্মবিশ্বাসৰ প্ৰাধান্যত প্ৰজাই অতি নিকৃষ্ট জীৱন যাপন কৰিছিল। এনে ৰাজশাসনতে মিছৰত জ্ঞান-বিজ্ঞান চৰ্চা হৈছিল। কৃষক আৰু কাৰিকৰসকলৰ কৰ্মজীৱনৰ প্ৰয়োজনতেই হিচাপৰ বাবে জোখমাখৰ ব্যৱহাৰ হৈছিল।

পৰিল। ইয়াৰ কাৰণ হ'ল কৃষকসকলক সৈন্য বাহিনীত নিয়োগ। ফাৰাওঁসকলৰ আনৰ ৰাজ্য দখল কৰাৰ অভিলাষ কৃতাৰ্থ কৰিবৰ কাৰণে হাজাৰ হাজাৰ কৃষকে যুদ্ধক্ষেত্ৰত প্ৰাণ দিলে। তেওঁলোকে খেতি কৰা মাটিত উৎপাদন বন্ধ হৈ গ'ল। যুদ্ধত মৃত্যু হোৱা কৃষকৰ পৰিয়াল দাসত পৰিণত হ'ল। তেওঁলোকৰ ধন-সম্পত্তি দাস মালিকৰ হস্তগত হ'ল। দুখীয়া আৰু দাসবিলাকে মিছৰৰ ঠায়ে ঠায়ে বিদ্ৰোহ আৰম্ভ কৰিলে। এই বিদ্ৰোহ দমন কৰিবলৈ ভাৰাতীয়া সৈন্য অনা হ'ল। উৰলি যোৱা কৃষক সমাজ আৰু আভ্যন্তৰীণ বিদ্ৰোহে মিছৰীয় ৰাষ্ট্ৰ গাঁথনি সোলোক-ঢোলোক কৰি পেলালে।

মন্দিৰ নিৰ্মাণ, দেৱদেৱীৰ প্ৰতি বিশ্বাস, আত্মাৰ অস্তিত্ব, মৃত্যুভয় সকলোৱেই পুৰোহিত শ্ৰেণীক ধনী দাস মালিকত পৰিণত কৰিলে। পুৰোহিতে স্বয়ং দেৱদেৱীক দেখা পায় বুলি মিছৰীয়সকলে বিশ্বাস কৰিছিল। পুৰোহিতসকলে মন্দিৰৰ ধন-সম্পত্তিৰ অধিকাৰী হৈ আটাইতকৈ ধনী হৈ পৰিছিল। ফাৰাওঁক ঐশ্বৰিক গুণৰ অধিকাৰী কৰি ধৰ্মবিশ্বাসৰ প্ৰাধান্যত প্ৰজাই অতি নিকৃষ্ট জীৱন যাপন কৰিছিল। এনে ৰাজশাসনতে মিছৰত জ্ঞান-বিজ্ঞান চৰ্চা হৈছিল। কৃষক আৰু কাৰিকৰসকলৰ কৰ্মজীৱনৰ প্ৰয়োজনতেই হিচাপৰ বাবে জোখমাখৰ ব্যৱহাৰ হৈছিল। মাটিত কিমান শস্য উৎপাদন হৈছে, এবছৰ খাবলৈ মানুহক কিমান খাদ্য লাগিব, পিতলৰ বাচন তৈয়াৰ কৰিবলৈ কিমান তাম আৰু টিন লাগিব, কোনো এটা কাম কৰিবলৈ কিমান মানুহ লাগিব আদি দৈনন্দিন কাম-কাজৰ মাজেদিয়েই গণিতশাস্ত্ৰৰ উদ্ভৱ হৈছিল। মাটিৰ জোখমাখৰ পৰাই জ্যামিতিৰ উৎপত্তি হৈছিল। সেই দৰেই প্ৰকৃতি পৰ্যবেক্ষণৰ পৰা জ্যোতিৰ্বিদ্যাৰ উদ্ভৱ হৈছিল। প্ৰাচীন মিছৰত কেলেণ্ডাৰো ব্যৱহাৰ হৈছিল। মিছৰত মামীকৰা প্ৰথা আৰু গছ-লতাৰ দ্ৰব্যগুণৰ ভিত্তিত চিকিৎসা শাস্ত্ৰই বিকাশ লভিছিল।

চিত্ৰলিপিৰ সহায়ত মিছৰত জ্ঞান সংৰক্ষণ প্ৰথাও উদ্ভৱ হৈছিল। পেপিৰছৰ পাতত ৭৫০টা চিত্ৰলিপি ব্যৱহাৰ কৰি বিভিন্ন চিনৰ সহায়ত বিষয়বস্তু বুজোৱা হৈছিল। ৰাষ্ট্ৰ ব্যৱস্থা পৰিচালনাৰ কাৰণে আৱশ্যক হোৱা আমোলাৰ প্ৰশিক্ষণৰ বাবে শিক্ষানুষ্ঠান বা পঢ়াশালিও গঢ়ি উঠিছিল। দেৱদেৱী আৰু ফাৰাওঁক কেন্দ্ৰ কৰি নানান আখ্যান, দেৱতাৰ স্তুতি বন্দনা আৰু হিতোপদেশৰ আলমত মিছৰত সাহিত্য সৃষ্টি হৈছিল। সমাধি-মন্দিৰ, ধৰ্ম-মন্দিৰ, নৰসিংহ মূৰ্তি আদিৰ জৰিয়তে প্ৰাচীন দেৱদেৱীৰ প্ৰতি ভক্তি আৰু ৰজাৰ ক্ষমতাৰ প্ৰতি আস্থা বঢ়োৱাৰ কাৰণে মিছৰত শিল্পকলাৰ বিকাশ ঘটোৱা হৈছিল। অনুৰূপ ধাৰাতে সভ্যতা আৰু সংস্কৃতিৰ গঢ় লৈছিল পৃথিৱীৰ অন্যান্য দেশতো।

*আগলৈ*

**পূৰবী প্ৰকাশনৰ পৰা**

*অসমৰ সংবাদ জগতত সংযোজন নতুন আৰু বৰ্ণাঢ্য সাপ্তাহিক*

# জনক্ৰান্তি

প্ৰতি দেওবাৰে

সকলো ধৰণৰ প্ৰবন্ধ-পাতি পঠোৱাৰ ঠিকনা-
সম্পাদক,
জনক্ৰান্তি
মনজেৰা হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী- ১

(এজেন্সিৰ বাবে চাৰ্কুলেচন মেনেজাৰৰ লগত যোগাযোগ কৰক)





# বিবৰ্তনত পদাৰ্থবিজ্ঞানৰ ভাষা

দীপক কুমাৰ বৰকাকতী

সৃষ্টিশীল কল্পনাক মানুহে অকল বিজ্ঞানতেই নহয় জ্ঞানৰ সকলো শাখা-প্ৰশাখাতে সন্মান প্ৰদৰ্শন কৰি আহিছে। কিন্তু কল্পনাকাৰীৰ সৃষ্টিশীল কল্পনাই মানৱ মনক শিহৰিত কৰি তুলিবলৈ আৱশ্যক এটা প্ৰকাশ মাধ্যমৰ। একোটা বিশেষ কল্পনা একোটা বিশেষ মাধ্যমৰ জৰিয়তেহে নিখুঁতভাবে প্ৰকাশ কৰিব পাৰি।

কল্পনাৰ বিস্তৃত দিক্‌বলয় সামৰিব পৰা এটা মুখ্য প্ৰকাশ মাধ্যম হ'ল ভাষা। হয়তো ভাষাই মানুহৰ আটাইতকৈ বিস্ময়কৰ আৱিষ্কাৰ। বৰ্ণ আৰু শব্দ গাঁথনিৰ সূত্ৰৰে ইয়াৰ আৰম্ভণি হৈ স্থান-কাল-পাত্ৰভেদে সমপ্ৰয়োগৰ প্ৰয়োজনত ব্যাকৰণৰ নীতিৰে ই বিজ্ঞান সন্মত ভাবে শেষ হৈছেগৈ। মানৱ মন আৰু সমাজৰ বৌদ্ধিক বিকাশত ভাষাৰ অবদান সুদূৰ প্ৰসাৰী।

ওঠৰশ শতিকাত প্ৰাকৃতিক দৰ্শনত সম্বলিত সত্যৰ উপলব্ধিৰ প্ৰক্ৰিয়াত বিভিন্ন ভাষাৰ বিকাশ ঘটিছিল। তাৰ ভিতৰত পদাৰ্থবিজ্ঞানৰ ভাষা আন ভাষাবোৰৰ মাজৰ পৰা যে বহু পৰিমাণে সুকীয়া সেই সত্যটো ঊনৈশ শতিকালৈ স্পষ্ট হৈ পৰিছিল। ভাষাটোৰ নিৰ্দিষ্ট আৰু স্পষ্ট প্ৰকাশভংগীৰ সাঁচ লবলৈ কেইবা শতিকাৰো প্ৰয়োজন হৈছিল। কুৰি শতিকাৰ আৰম্ভণিত কোৱান্তাম তত্ত্ব আৰু আপেক্ষিকতাবাদে পদাৰ্থবিজ্ঞানৰ ভাষাৰ বিকাশত এটা নতুন দিশৰ সূচনা কৰিলে। তেতিয়াৰে পৰা এই ভাষাৰ বিকাশত গতিবেগ দ্ৰুত হ'ল আৰু এই গতিবেগ আজি পৰ্যন্ত বিৰাজমান। ভাষাৰ এই ক্ৰমবিবৰ্তনত পদাৰ্থবিজ্ঞানে মানৱ সমাজলৈ অলেখ বৰঙণি যোগালে, মানৱ মনৰ অনেক বৌদ্ধিক ধাৰণা সলনি কৰিলে।

এৰিষ্টট'লক পদাৰ্থবিজ্ঞানৰ জনক বুলি হয়তো ক'ব নোৱাৰি। কিন্তু তেঁৱেই Physics, On the Heaven, On Generation and Corruption আৰু Meteorology এই নামৰ চাৰিখন Physical Treaties ৰচনা কৰি থৈ গৈছিল। আধুনিক পদাৰ্থবিজ্ঞানীক শিহৰিত নকৰিলেও পদাৰ্থবিজ্ঞানলৈ Syllogismৰ জৰিয়তে সিদ্ধান্তকাৰী যুক্তিৰ ধাৰণা সোমোওৱাটো গ্ৰন্থ কেইখনত স্পষ্ট। এৰিষ্টট'লতকৈ আগতে য়ুক্লীডে দ্বিঅক্ষীয় জগতৰ নিখুঁত বৰ্ণনা আৰু জোখ-মাপৰ নীতি জ্যামিতিৰ উপপাদ্য-প্ৰতিপাদ্যবোৰত সম্বলিত কৰি থৈ গৈছিল। নিখুঁত বৰ্ণনাৰ সফলতাৰ এনে উদাহৰণ দ্বিতীয় এটা পাবলৈ জগতত বিৰল, কিয়নো আঢ়ৈ হেজাৰ বছৰৰ পিছতো য়ুক্লীডৰ জ্যামিতি আজিকালিৰ স্কুলৰ মান্য পাঠ্যপুথি। কিন্তু জ্যামিতিক ভাষাৰ প্ৰণেতা য়ুক্লীড নাছিল। তেওঁতকৈ প্ৰায় তিনিশ বছৰৰ আগতে পাইথগ'ৰাছেহে প্ৰণয়ন কৰিছিল। প্লেট'য়ে তেওঁৰ একাডেমীৰ প্ৰবেশদ্বাৰত 'Let no man ignorant of geometry enter here' বুলি খোদিত কৰাই জ্যামিতিক ভাষাৰ পৃষ্ঠপোষকতা কৰিছিল।

অতীজৰ বিজ্ঞানীবোৰৰ ভিতৰত সম্ভৱতঃ আৰ্কিমিডিছেই অতি আধুনিকতম পদাৰ্থবিদ। তেওঁ On Floating Bodies নামৰ গ্ৰন্থখনত জলস্থিতি-বিজ্ঞানৰ মূল নীতিবোৰ পৰীক্ষা-নিৰীক্ষাৰ জৰিয়তে লিপিবদ্ধ কৰি থৈ গৈছে। তাৰ পিছৰজন আছিল আলেকজেন্দ্ৰিয়াৰ ট'লেমী। তেওঁ সেইসময়ৰ পোহৰ সম্পৰ্কীয় জ্ঞানবোৰ সম্পাদনা কৰি থৈ গৈছে। ইয়াৰ প্ৰায় ন শ বছৰৰ পাছতহে গ্ৰীক ৰচনাৰাজিবোৰ আৰবসকলে অনুবাদ কৰিবলৈ ধৰে। আৰু লগে লগে তেওঁলোকৰ মৌলিক অবদানো আগবঢ়ায়। ১০০০ খৃঃত আলহা-জেনয়ে সাতোটা খণ্ডত পোহৰ বিজ্ঞান সংকলিত কৰি থৈ গৈছে। ইয়াৰ পাছৰ পাঁচশ বছৰত ক'পাৰনিকাছৰ আগলৈকে প্ৰাকৃতিক জ্ঞান-চৰ্চা তুলনামূলকভাবে কম। অৱশ্যে তেৰশ শতিকাত অংকশাস্ত্ৰত অগাধ বিশ্বাস থকা দাৰ্শনিক ৰ'জাৰ বেকনে কৈ গৈছিল – সূক্ষ্ম নিৰীক্ষণেই প্ৰকৃতিৰ গুপুত ৰহস্যবোৰ জনাৰ প্ৰথম ঢাপ।

পদাৰ্থ বিজ্ঞানত পৰীক্ষা পদ্ধতিৰ জনক হ'ল গেলিলিঅ'। Dialogue Concerning he Two Chief World System আৰু Two New Physics নামৰ গ্ৰন্থ দুখনত তেওঁ ক'পাৰনিকাছৰ সৌৰজগতৰ গ্ৰহবোৰৰ গতিবিধি সম্পৰ্কীয় গণনাৰ পৃষ্ঠপোষকতা আৰু শুধৰণি কৰাৰ লগতে কোনো বস্তুৰ ঋযুৰেখ আৰু ক্ষেপণ-গতিৰ গাণিতিক বিবৰণ সংকলিত কৰিছিল। কিন্তু নিউটনেহে তাত্ত্বিক বিজ্ঞানৰ অন্তৰ্নিহিত ভাবধাৰাটো বুজি উঠিছিল। ভাবধাৰাটো হ'ল এনে এটা গাঁথনি (Structure) বিচাৰি উলিওৱা যাৰ দ্বাৰা একোটা বিষয়ৰ ক্ষুদ্ৰ অংশ এটায়ে গোটেই বিষয়টোৰ সম্যক জ্ঞান আমাৰ চকুৰ আগত দাঙি ধৰিব পাৰে। গতিকে নিউটনে গেলিলিঅ'ৰ বল বিজ্ঞানৰ আলম লৈ গতিৰ তিনিটা সূত্ৰ তেওঁৰ বিখ্যাত The Mathematical Principles of Natural Philosophy নামৰ গ্ৰন্থখনত সংকলিত কৰিব পাৰিলে। কেপলাৰৰ গ্ৰহৰ গতিবিধিৰ ধাৰণাৰ ওপৰত ভিত্তি কৰি মহাকৰ্ষণৰ গাণিতিক ৰূপো তেওঁ দিলে। এই গাণিতিক ৰূপে আজিও সৌৰজগতত বিভিন্ন পৰীক্ষা-নিৰীক্ষা চলাবলৈ নিক্ষেপ কৰা কৃত্ৰিম উপগ্ৰহ আৰু মহাকাশযানৰ গতিবিধি পৰিচালনা কৰে। নিউটনে এৰিষ্টট'লৰ ধাৰণাৰ বিপৰীতে চৰম-স্থানৰ ধাৰণাটো নাকচ কৰে। তাৰ উপৰি তেওঁ ভৌতিক ৰাশিৰ পৰিবৰ্তন অধ্যয়ন কৰিবলৈ ফ্লাক্সিঅ'ন (Fluxion) নামৰ অধ্যায় এটাৰ পাতনি মেলে। অৱশ্যে শেষলৈ লেৱনিজৰ কলন গণিতে ইয়াৰ ঠাই লয়। ডেকাৰ্টে ত্ৰি-অক্ষীয় জ্যামিতিৰে মহাজগতৰ বৰ্ণনা দিছিল যদিও নিউটনে য়ুক্লীডীয় জ্যামিতিহে ব্যৱহাৰ কৰিছিল।

বিজ্ঞান আৰু সমাজত গেলিলিঅ' আৰু নিউটনৰ প্ৰভাৱ অপৰিসীম। বৈজ্ঞানিক

সত্য নিৰ্ধাৰণত গেলিলিঅ'ৰ পৰীক্ষা-নিৰীক্ষাৰ পদ্ধতিয়ে সেই সময়ত গিৰ্জাবোৰে গ্ৰহণ কৰি থকা এৰিষ্টট'লৰ দৰ্শন বাদ দিবলৈ বাধ্য কৰালে। আনহাতে নিউটনৰ গাণিতিক ধাৰণাৰ সংকলনে দেৰশ বছৰৰ পাছত পদাৰ্থবিজ্ঞানৰ ভাষা যে স্পষ্টভাবে আন বৈজ্ঞানিক ভাষাতকৈ বেলেগ তাত সহায় কৰিলে। তাৰ আগলৈকে দাৰ্শনিকবোৰে পদাৰ্থবিজ্ঞানো তেওঁলোকৰ অধ্যয়ন আৰু চৰ্চাৰ ভিতৰৰে বুলি গণ্য কৰিছিল।

সোতৰ আৰু ওঠৰশ শতিকাত নিউটনৰ সূত্ৰৰ পৰা অনেক উপসূত্ৰ আৰু নীতি উলিওৱা হ'ল। সেই সময়ৰ ভিতৰত বাৰ্ণ'লীয়ে জলগতি বিজ্ঞান আৰু গেছৰ গতিবাদৰ ওপৰত কাম কৰিলে। বল-বিজ্ঞানত লাগ্ৰাঞ্জে বৰঙণি যোগালে, তাপ বিজ্ঞানত কেলৰিক তত্ত্ব আগবঢ়োৱা হ'ল। কিন্তু নিখুঁত পৰীক্ষা-নিৰীক্ষাৰ অভাৱত পদাৰ্থ বিজ্ঞান সিমান আগ নাবাঢ়িল।

ওঠৰশ শতিকাত ফ্ৰেংকলীন, কেভেনডিছ আৰু কুলম্বৰ বিদ্যুতৰ ওপৰত কৰা মৌলিক পৰীক্ষাবোৰে সকলোৰে দৃষ্টি আকৰ্ষিত কৰিলে। কেভেনডিছৰ মৃত্যুৰ পাছত তেওঁ এৰি যোৱা টোকাবহী মেক্সৱেলে সম্পাদনা কৰি প্ৰকাশ কৰে। তাত কেভেনডিছে বিভবৰ ধাৰণা উল্লেখ কৰিছিল। কুলম্বেও বিদ্যুতৰ বিপৰীত বৰ্গৰ নীতি উদ্ভাৱন কৰে।

কুৰি শতিকাৰ উন্নতিৰ উৎস ঊনৈশ শতিকাত উদ্ভাৱিত হোৱা ধাৰণাবোৰ। এই সময়তেই পুৰাতন বলবিজ্ঞানে ঠন ধৰি উঠে। কুৰি শতিকাত বহুলভাবে ব্যৱহৃত হেমিলটনীয়ানৰ সমীকৰণটো এই সময়তেই হেমিলটনে গণনা কৰি উলিয়ায়। সকলো ধৰণৰ জলীয় পদাৰ্থৰ গতি অধ্যয়ন কৰিব পৰাকৈ জলগতি বিজ্ঞানৰ উন্নতি সধা হয়। উৰাজাহাজৰ আৱিষ্কাৰৰ লগে লগে এনেধৰণৰ বিস্তৃত অধ্যয়ন কুৰি শতিকাতহে আৰম্ভ হয় আৰু বায়ুগতি বিজ্ঞান শাখা মুকলি হয়। ঊনৈশ শতিকাত হোৱা প্ৰধান প্ৰধান অধ্যয়নৰ বিষয়বোৰ হ'ল তাপ আৰু গেছৰ গতিতত্ত্ব, শক্তিৰ ৰক্ষণ আৰু ফাৰাডে'ৰ বিদ্যুৎ-চুম্বকত্বৰ নীতিবোৰ। এই নীতিবোৰেই বৰ্তমানৰ বিদ্যুৎ ইঞ্জিনিয়াৰিং বিভাগবোৰৰ মূল ভেটি। কিন্তু ওঠৰশ শতিকাৰ তাত্ত্বিক দিশৰ আটাইতকৈ উল্লেখনীয় দিশটো হ'ল চাৰিটা সমীকৰণেৰে সামৰি থোৱা মেক্সৱেলৰ বিদ্যুৎ চুম্বক তত্ত্ব।

এটা নতুন তত্ত্বৰ লগত বিশেষ সূত্ৰেৰে বখানা কিছুমান নতুন শব্দ সাঙুৰ খাই থাকে। সেই শব্দবোৰ গাণিতিক নীতিৰে গাঁঠি পদাৰ্থ বিজ্ঞানৰ শাখা-প্ৰশাখাবোৰৰ ব্যাখ্যা দাঙি ধৰা হয়। এনেদৰেই নতুন শব্দ আৰু নতুন ব্যাখ্যা সংযোজিত হৈ পদাৰ্থ বিজ্ঞানৰ ভাষাৰ উন্নতি হয়। এই প্ৰক্ৰিয়াতেই ওঠৰশ শতিকাত পুৰাতন পদাৰ্থ বিজ্ঞান ঠন ধৰি উঠে। বিমূৰ্ত আৰু কঠিন ভাষাৰ বাবে পদাৰ্থ বিজ্ঞান যে প্ৰাকৃতিক দৰ্শনৰ মাজৰ পৰা আচুতীয়া তাক প্ৰকট কৰি তোলে।

ঊনৈশ শতিকাৰ শেষলৈ পুৰাতন পদাৰ্থ বিজ্ঞানৰ ওপৰত গঢ়ি উঠা মানুহৰ ধ্যান-ধাৰণা ১৮৯৯ চনত মাইকেলছনে কোৱা তলৰ কথাষাৰিৰ পৰাই ধৰিব পাৰি – 'The more important fundamental laws and facts of physical science have all been discovered, and these are so firmly established that the possibility of their ever being supplemented in consequence of new discoveries is exceedingly remote.' লৰ্ড কেলভিনেও তেনে ভাবধাৰাৰে ১৯০০ চনত পুৰাতন পদাৰ্থবিজ্ঞানক 'a graceful and complete edifice' বুলি ঘোষণা কৰিছিল। তেওঁ তেজষ্ক্ৰিয়তা, ৰঞ্জন ৰশ্মি আৰু ইলেক্ট্ৰনৰ দৰে আৱিষ্কাৰ দেখিও পুৰাতন পদাৰ্থবিজ্ঞানৰ ওপৰত ভৰষা ৰাখি কৈছিল – বৰ্তমানে ইয়াক মাথো দুচপৰা কলীয়া ডাৱৰে ঢাকি ধৰি আছে। প্ৰথম চপৰা হ'ল স্থিতিস্থাপক ইথাৰৰ মাজেৰে পৃথিৱীয়ে কৰা গতিৰ ব্যৰ্থ ব্যাখ্যা আৰু দ্বিতীয় চপৰা হ'ল কৃষ্ণকায় বিকিৰণৰ ভৱিষ্যতবাণীত মেক্সৱেল-বল্টজ্‌মেনৰ ধাৰণাৰ বিফলতা। মাইকেলছন আৰু কেলভিনৰ আস্থা সত্ত্বেও পুৰাতন পদাৰ্থবিজ্ঞানে এই দুয়োচপৰা ডাৱৰ কিন্তু আঁতৰাব নোৱাৰিলে, নতুন ধাৰণাৰ আৱশ্যক হ'ল। কুৰি শতিকাৰ আৰম্ভণিত আইনষ্টাইনৰ বিখ্যাত আপেক্ষিকতাবাদে প্ৰথম চপৰা ডাৱৰ বাষ্পভূত কৰিলে। কিন্তু দ্বিতীয় চপৰা ডাৱৰ আঁতৰিবলৈ আৰু পঁচিশ-ত্ৰিশ বছৰ লাগিল, প্লাংকৰ কোৱান্টাম তত্ত্বই যথেষ্ট নাছিল কোৱান্টাম বলবিজ্ঞানৰ অভ্যুত্থানলৈকে ৰ'ব লগা হ'ল।

ঊনৈশ শতিকালৈকে পৰীক্ষা-নিৰীক্ষাত দেখা পোৱা খেলিমেলিবোৰ আঁতৰাবলৈ নতুন নতুন তত্ত্ব আগবঢ়োৱা হৈছিল। কিন্তু কুৰি শতিকাত পৰীক্ষা-নিৰীক্ষাতকৈ তত্ত্বহে আগবাঢ়িল। প্ৰথম চাৰিটা দশকৰ ভিতৰতে কিছুমান তত্ত্বৰ ভৱিষ্যতবাণীৰ শক্তি প্ৰদৰ্শিত হ'ল আৰু পৰীক্ষকসকলে তত্ত্বৰ প্ৰয়োজন অনুসৰি পৰীক্ষাৰ আয়োজন কৰিবলৈ ধৰিলে। পদাৰ্থবিজ্ঞানৰ সামূহিক উন্নতি হ'ল। লগে লগে আৰু নতুন তত্ত্ব কিছুমান আগবঢ়োৱা হ'ল। ন ন শব্দ সংযোজিত হৈ পদাৰ্থবিজ্ঞানৰ ভাষা আৰু চহকী হ'ল।

আইনষ্টাইনৰ মতে ষোল বছৰ বয়সলৈকে আয়ত্ত কৰা ধ্যান-ধাৰণা, কুসংস্কাৰবোৰেই আমাৰ সাধাৰণ জ্ঞান (common sense)। তেওঁ গাণিতিক দৰ্শনেৰে আমাৰ সাধাৰণ জ্ঞানৰ ভ্ৰান্ততা ১৯০৫ চনত বিশেষ আপেক্ষিকতাবাদৰ সূত্ৰত ফঁহিয়াই দেখুৱায়। এই সূত্ৰ দুটাৰ পৰিণাম উল্লেখনীয়। প্ৰথমটো হ'ল – চৰম গতি বুলি একো নাই। সকলোবোৰ গতিয়েই আপেক্ষিক। তাৰ উপৰি যিহেতু সময়ৰ ধাৰণা আমি গতিৰ পৰা পাওঁ, আৰু আনহাতে গতি আপেক্ষিক, গতিকে সময়ো আপেক্ষিক। আনহাতে সময় আৰু মহাকাশ (space) দুয়োটা সংযুক্ত ধাৰণা। এটাৰ সলনি হলে আনটোৰো সলনি হয়।

আন দুটা উল্লেখনীয় পৰিণাম হ'ল – ভৰ আৰু শক্তিৰ সমতা ($E=mc^2$) আৰু পোহৰৰ গতিবেগ অলৰ, পৰীক্ষক আৰু পোহৰৰ উৎসৰ গতিবেগৰ ওপৰত নিৰ্ভৰ নকৰে।

আপেক্ষিকতাবাদৰ অৰ্থ সুদূৰ প্ৰসাৰী। ই সমগ্ৰ প্ৰাকৃতিক বিজ্ঞানৰ গৱেষণাৰ মানসিকতা লাহে লাহে সলনি কৰিলে। গৱেষকসকলে প্ৰতিটো শব্দ আৰু বাক্যৰ অৰ্থ সকলো দিশৰ পৰা পৰীক্ষা কৰি বস্তুগত সত্য নিৰ্ধাৰণ কৰিবলৈ শিকিলে। দৰ্শন শাস্ত্ৰলৈয়ো আপেক্ষিকতাবাদৰ বৰঙণি বিয়পিল। 'It (Philosophy) has become cosmological conception built on the solid basis of physical knowledge accumulated during the last three hundred years of scientific research.'

১৯০০ চনত মেক্স প্লাংকে শক্তিৰ ক্ৰমিক বিকিৰণৰ ধাৰণাৰ আমূল পৰিবৰ্তন কৰি কোৱান্টাম তত্ত্ব আগবঢ়ায়। কোৱান্টাম তত্ত্ব অনুসাৰে শক্তিৰ বিকিৰণ ক্ৰমিকভাবে নহয়। কিছুমান সৰু সৰু গোটত হয়।



প্ৰতিটো শক্তিৰ গোট শক্তিৰ কোৱান্টাই কঢ়িয়ায়। এই তত্ত্ব অনুসাৰে পোহৰ, এক্স-ৰে আৰু আন ঢৌবোৰ শক্তিৰ কোৱান্টাই ঢাপে ঢাপে কঢ়িয়ায়। এই তত্ত্বৰ মূল ধাৰণালৈ আইনষ্টাইনে আলোক-বিদ্যুৎ পৰিঘটনা ব্যাখ্যা কৰে। এই পৰিঘটনাটোৱেই বাইস্কোপক শব্দৰ সংযোজনেৰে কথাছবিৰ পৰ্যায়লৈ তুলিলে। অত্যাধুনিক লেজাৰ ৰশ্মিৰ উৎপাদনৰ তত্ত্বও ইয়েই। নীল ব'ৰয়ে কোৱান্টাম তত্ত্বৰ দ্বাৰাই পৰমাণুৰ গঠন ব্যাখ্যা কৰিবলৈ সমৰ্থ হ'ল। লগে লগে অতীজৰ দৰ্শনৰ বস্তুৰ প্ৰতি থকা অধিবিদ্যাধৰ্মী গুণ লোপ পালে।

১৯২৭ চনলৈ কেইবাটাও দিশৰ পৰা কোৱান্টাম তত্ত্বৰ সত্যতা প্ৰমাণিত হৈ আহিবলৈ ধৰে। লগে লগে প্ৰধানকৈ ব'ৰ, হেইছিনবাৰ্গ, শ্ৰডিনজাৰ আৰু ডিৰাকৰ প্ৰচেষ্টাত কোৱান্টাম বলবিজ্ঞানৰ মূল ভেটিটোৰ খচৰা সম্পূৰ্ণ হয়। তেনেদৰেই পদাৰ্থবিজ্ঞানৰ ভাষা সাহিত্যলৈ এটা মহান অধ্যায় সংযোজিত হ'ল।

কোৱান্টাম বলবিজ্ঞানত আপেক্ষিকতাবাদৰ ধাৰণা ১৯২৮ চনত ডিৰাকে ব্যৱহাৰ কৰে। লগে লগে কোৱান্টাম বিদ্যুৎ গতিবিজ্ঞান অথবা চমুকৈ QEDৰ নতুন অধ্যায় এটা আৰম্ভ হয়। ডিৰাকে তেওঁৰ তত্ত্বৰ দ্বাৰা বিয়োগাত্মক আধানযুক্ত ইলেক্ট্ৰনৰ পৰিপূৰক ধনাত্মক আধানযুক্ত কণিকা এটাৰ স্থিতিৰ কথা ভৱিষ্যতবাণী কৰে। ১৯৩২ চনত মহাজাগতিক ৰশ্মিত কাৰ্ল এণ্ডাৰছনে ডিৰাকে ভৱিষ্যৎবাণী কৰা কণিকাটো আৱিষ্কাৰ কৰে। লগে লগে সকলোবোৰ কণিকাৰ পৰিপূৰক কণিকাৰ স্থিতিৰ ধাৰণা স্থাপিত হয় আৰু পৰমাণু বিজ্ঞানৰ দৃষ্টিভংগীৰ বহুল পৰিবৰ্তন ঘটে। কোৱান্টাম বিদ্যুৎ গতিবিজ্ঞানৰো ভেটি দৃঢ় হয়। চল্লিছৰ দশকটোত এই গতিবিজ্ঞানেই পদাৰ্থবিজ্ঞানৰ মুখ্য ভাষাৰূপে প্ৰকাশ পায়। ই পৰমাণুবিজ্ঞান আৰু মৌলিক কণিকাৰ পদাৰ্থবিজ্ঞানৰ উন্নতিত আগভাগ লয়।

কিছুমান তত্ত্বৰ ভৱিষ্যতবাণীয়ে পৰীক্ষক কিছুমানক সফলতাৰ শিখৰলৈ আগুৱাই নিয়ে। ১৯৩৯ চনত কম বেগী নিউট্ৰনে ইউৰেনিয়াম পৰমাণু বিভাজন কৰাৰ কথা আৱিষ্কাৰ হয়। তেতিয়ালৈ বৈজ্ঞানিক সকলৰ মাজত আপেক্ষিকতাবাদৰ পৰা গণনা কৰা $E=mc^2$ সমীকৰণে পৰমাণু বিভাজন প্ৰক্ৰিয়াত হেৰাই যোৱা ভৰৰ পৰা প্ৰচুৰ শক্তি যে উৎপন্ন কৰিব পাৰি সেই ভৱিষ্যতবাণীটো সুবিদিত আছিল। এই ভৱিষ্যতবাণীটো ১৯৪৫ চনৰ ১৬ জুলাইত নিউ-মেক্সিক'ৰ কাষৰ মৰুভূমিত সফলতাৰে পৰীক্ষা কৰা হয়। ইয়াতেই সৰ্বপ্ৰথম পৰমাণু বোমা ফুটোৱা হয়। দ্বিতীয় মহাযুদ্ধত হিৰ'শ্বিমা আৰু নাগাচাকিত পৰমাণু বোমাই দেখুওৱা ভয়াবহতাই পৰমাণু বোমা আৰু লগতে যুদ্ধৰ বিপক্ষে সামাজিক সজাগতা আনে। লগে লগে পৰমাণু বিভাজন শক্তিৰ উৎপাদক হিচাপে ঠাই পাবলৈ আৰম্ভ কৰে।

কোৱান্টাম বিদ্যুৎ গতিবিজ্ঞানৰ ভাষাই প্ৰায় চাৰি দশক জুৰি পদাৰ্থবিজ্ঞানত প্ৰাধান্য লাভ কৰে। সত্তৰৰ দশকত চালাম আৰু ৱাইনবাৰ্গয়ে বিভিন্ন মৌলিক তত্ত্বৰ যোগসূত্ৰ স্থাপনৰ প্ৰচেষ্টাত বিদ্যুৎ চুম্বকীয় আৰু দুৰ্বল বলৰ এককতা স্থাপন কৰিবলৈ সক্ষম হয়। এই এককতাৰ দ্বাৰা তেওঁলোকে W আৰু Z বুলি দুবিধ মৌলিক কণাৰ ভৱিষ্যতবাণী কৰিছিল। ১৯৮৩ চনত দুয়োবিধ কণিকাই আৱিষ্কৃত হয়। ইয়াৰ লগে লগে পদাৰ্থবিদসকলে আন মৌলিক বলৰ এককতাৰ কথা দৃঢ়ভাবে চিন্তা কৰিবলৈ লয়। তাৰ বাবে বিভিন্ন গ্ৰেণ্ড ইউনিফাইড্ তত্ত্ব (থোৰতে GUT) আগবঢ়োৱা হয়। তাৰ মাজত ১৯৭৬ চনৰ পৰা প্ৰাধান্য পোৱা এটা তত্ত্ব হ'ল কোৱান্টাম ক্ৰ'ম' ডাইনেমিক্স (থোৰতে QED)। যদি পদাৰ্থবিদসকলে ভবাৰ দৰে মৌলিক বলবোৰৰ এককতা স্থাপন হয় তেন্তে আমি বিশ্ব-ব্ৰহ্মাণ্ডৰ নীতিবোৰৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিম।

১৯১৫ চনত আগবঢ়োৱা আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতাবাদে নিউটনৰ মহাকৰ্ষণ শক্তিৰ নীতি সমূহৰ পৰিবৰ্তন ঘটায়। নিউটনে ব্যৱহাৰ কৰা য়ুক্লীডীয় জ্যামিতিৰ সলনি আইনষ্টাইনে ৰি'মেনৰ জ্যামিতি ব্যৱহাৰ কৰে। ৰি'মেনৰ জ্যামিতিত সৰলৰেখাৰ স্থিতি নাই। আইনষ্টাইনে মহাকাশক বক্ৰ বুলি গণ্য কৰে আৰু মহাকৰ্ষণ শক্তিৰ দ্বাৰা পোহৰৰ গতি বক্ৰ হোৱাটো দেখুৱায়। এই ধাৰণাটো ১৯১৯ চনতে পৰীক্ষাৰ দ্বাৰা প্ৰমাণিত হয়। তেতিয়াৰে পৰা আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতাবাদ বিভিন্ন নীতিৰ এককতা আৰু ব্ৰহ্মাণ্ড তত্ত্ব অধ্যয়নত প্ৰাধান্য লাভ কৰে।

পদাৰ্থবিজ্ঞানৰ ভাষাৰ বিবৰ্তনত গাণিতিক ব্যৱহাৰৰ ধাৰণাৰো সাল-সলনি ঘটিছে। আইনষ্টাইনে ইয়াত বিশ্বাস কৰাৰ কাৰণ আছিল ইয়াৰ ভেটি যুক্তিত স্থাপিত। ই পি ৱাইগনাৰে গণিতশাস্ত্ৰ ব্যৱহাৰ কৰাৰ কাৰণ হ'ল তেওঁ তাৰ জৰিয়তে প্ৰকৃতিক তেওঁ দেখাতকৈ, তেওঁ বুজাতকৈ আৰু অলপ বেছি পৰিপাটিকৈ থৈ যাব বিচাৰে। ডিৰাকে আকৌ তাত্ত্বিক পদাৰ্থ বিজ্ঞানত গাণিতিক সৌন্দৰ্য অটল বিশ্বাস হিচাপে গণ্য কৰিছিল। আনহাতে ষ্টিফেন হ'কিঙে তেওঁৰ A Brief History of Time নামৰ গ্ৰন্থত এইবুলি মোখানি মাৰিছে – এটা গাণিতিক তত্ত্ব সম্পূৰ্ণভাবে উদ্ভাৱন কৰিবলৈ চেষ্টা কৰাটো মূলতে ভগৱানৰ মনটো জানিবলৈ কৰা এটা প্ৰচেষ্টা মাথো।

মানৱ সমাজত পদাৰ্থবিজ্ঞানৰ দ্বাৰা হোৱা উন্নতিৰ ফল ভিন ভিন সময়ত ভিন ভিন। ভাপ-ইঞ্জিনৰ আৱিষ্কাৰৰ পিছতেই ১৭৫০ চনত ইংলেণ্ডত শিল্প বিপ্লৱ আৰম্ভ হয়। কুৰি শতিকাৰ আৰম্ভণিৰ পৰা বিশেষকৈ দ্বিতীয় মহাযুদ্ধৰ পিছৰ পৰা শিল্প আৰু ব্যৱহাৰিক বিজ্ঞানৰ প্ৰভাৱ মানৱ সমাজত অভূতপূৰ্বভাবে পৰিবলৈ ধৰে। শিল্প বিপ্লৱৰে পৰা আৰম্ভ হোৱা গাঁৱৰ পৰা নগৰমুখী পৰিব্ৰজন আজিও দৃশ্যমান। এফালে যেনেদৰে জীৱন যাপনৰ মানদণ্ড আগুৱাই গৈছে, আনহাতে শ্ৰমিকৰ শোষণো সমানে বাঢ়ি গৈছে। এইবোৰেই পুঁজিবাদ, সমাজবাদ আৰু কমিউনিজমৰ সৃষ্টি কৰিছে। লগে লগে শ্ৰমিক সংগঠন, সামাজিক আৰু বিভিন্ন চৰকাৰী নীতি-নিয়মৰো সৃষ্টি হৈছে। এই সামাজিক বিবৰ্তন যান্ত্ৰিকতাৰ বাবে বুলি আমাৰ ধাৰণা হয়। কিন্তু মূলতে হয়তো সৃষ্টিশীল কল্পনাহে ইয়াৰ বাবে দায়ী। এই সৃষ্টিশীল কল্পনাই পদাৰ্থবিজ্ঞানৰ দৰে বিজ্ঞানৰ শাখাৰ ভাষাত তত্ত্বৰ ৰূপ লয়। ভাষাৰ উন্নতিৰ সময়ত, তত্ত্বৰ সাল-সলনিৰ সময়ত প্ৰদত্ত ফলমূলেই হৈছে বিভিন্ন আৱিষ্কাৰ। এই আৱিষ্কাৰবোৰেই যান্ত্ৰিকতাত বৰঙণি যোগায়।

পদাৰ্থবিজ্ঞানৰ ভাষাৰ বিবৰ্তন আৰু বিকাশ এতিয়াও মন্থৰ হোৱা নাই। যান্ত্ৰিকতাৰ গতিও সমানে চলিয়েই আছে। এই গতিয়েই নিৰ্ধাৰণ কৰিব মানৱ সমাজৰ গতি। কিন্তু বিভিন্ন সময়ত ই হ'ব ভিন ভিন কাৰণ সালসলনিৰ ধাৰণা কোনো সময়তে এক নহয় সদায়ে আপেক্ষিক।



OKDISC

# বিহুৰাম বড়োৰ জীৱন আৰু কৃতি

হৰিচৰণ দাস

পৃথিৱীত এনে কিছুমান মানুহে জন্ম গ্ৰহণ কৰে যাৰ মৃত্যুৱে মানুহক নতুনকৈ কিছু কথা ভাবিবলৈ বাধ্য কৰায়। সু-সাহিত্যিক বিহুৰাম বড়োও আছিল তেনে এগৰাকী লোক। বড়োদেৱক সভাই-সমিতিয়ে বক্তৃতা দিওঁতে দেখিছিলো। তেওঁৰ মতে বড়ো শব্দ – বিনাই আৰু হুনাইৰ পৰা বিহু শব্দটোৰ উৎপত্তি হৈছে। বিনাই-হুনাইৰ অৰ্থ হ'ল আদান-প্ৰদান। সমন্বয় আৰু সংস্কৃতিৰ বাবে অহোপুৰুষাৰ্থ কৰা এই মানুহজনৰ কণ্ঠ এদিন স্তব্ধ হৈ গ'ল – তেওঁৰ কৰ্মস্থান ৰৌতাৰ এখন কিতাপৰ দোকানৰ সমুখত বাতৰি কাকত পঢ়ি থকা অৱস্থাত। সন্ত্ৰাসবাদীৰ গুলিত অকালতে মৃত্যুক আঁকোৱালি ল'ব লগা হ'ল সু-শিক্ষক, সাহিত্যিক, শিক্ষাবিদ, সমাজকৰ্মী বিহুৰাম বড়োদেৱ।

বড়োদেৱৰ আছিল এক বৰ্ণাঢ্য ব্যক্তিত্ব। সুদীৰ্ঘ ষোল্ল বছৰ ধৰি তেওঁ বড়ো সাহিত্য সভাৰ সৈতে জড়িত থাকি বড়ো সাহিত্য সভাক প্ৰতিষ্ঠা কৰিবলৈ আপ্ৰাণ চেষ্টা চলাইছিল।

বিহুৰাম বড়োদেৱৰ জন্ম হৈছিল দলগাওঁ (দৰং জিলা)ৰ বেছিমাৰীৰ পয়ষষ্ঠিগিৰি গাওঁত, ১৯৪২ চনত। তেওঁৰ পিতৃ আছিল চন্দ্ৰকান্ত বড়ো আৰু মাতৃ আছিল থৰাইশ্বৰী বড়ো। এই গাওঁতে তেওঁৰ শৈশৱ জীৱনৰ দহ বছৰকাল অতিবাহিত হৈছিল। সেই সময়ত গাওঁখনত দেখা দিয়া মহামাৰীৰ পৰা ৰক্ষা পাবলৈ তেওঁলোক সপৰিয়ালে উঠি আহি ৰৌতা পথাৰত বসতি কৰেহি। ১৯৪৮ চনত তেওঁ বেণুৰাম স্বৰ্গীয়াৰী প্ৰাথমিক বিদ্যালয়ত নাম ভৰ্তি কৰে।

বিহুৰাম বড়োদেৱ মেধাৱী ছাত্ৰ আছিল। স্কুলত পঢ়ি থকা কালতে তেওঁ দেউতাকৰ উৎসাহত ৰামায়ণ, মহাভাৰত আদি পঢ়ি শেষ কৰিছিল। শকত আৱত, থুলন্তৰ চেহেৰাৰ বড়োদেৱ খেলাধুলা আদিতো আগৰণুৱা আছিল। ১৯৫২ চনত তেওঁ প্ৰাথমিক শিক্ষা সাং কৰি দলগাওঁ হাইস্কুলত ভৰ্তি হয়।

বড়োদেৱৰ ঘৰুৱা অৱস্থা আছিল অতি শোচনীয়। অৱশেষত অভাৱগ্ৰস্ত হৈ তেওঁ ১৯৫২-৫৪ চনলৈ স্কুলেই এৰিব লগা হৈছিল। এই স্কুল এৰা সময়খিনিত পিছে তেওঁ বহি থকা নাছিল, বৰং সৃষ্টিমুখী প্ৰতিভাই এইখিনি সময়ৰ পৰাহে অঙ্কুৰিত হবলৈ ধৰিছিল। এই সময়তে তেওঁ ৰামায়ণ, মহাভাৰতৰ পৰা দুখন নাটক কাটি উলিয়াই মঞ্চস্থ কৰে।

১৯৫৫ চনত বড়োদেৱে পুনৰ ভকতপাৰা মধ্য ইংৰাজী স্কুলত নাম লগায়। এই সময় ছোৱাত তেওঁ আনৰ ঘৰত থাকি বা শিক্ষকৰ ঘৰত ভাত ৰান্ধি দি স্কুললৈ যাব লগা হৈছিল। ১৯৫৭ চনত তেওঁ দলগাওঁৰ হাইস্কুলত সপ্তমমান শ্ৰেণীত নাম ভৰ্তি কৰে। ৮ম মান শ্ৰেণীত পঢ়ি থকা কালত উৎসাহী ছাত্ৰ বড়োদেৱে হাতেলিখা আলোচনী 'উদ্‌গীৰণ' উলিয়ায়। স্কুলত থকা কালত তেওঁ গধুৰ বস্তু দলিওৱা, ক্ৰিকেট, ফুটবল আৰু ভলীবল খেলত পাৰ্গতালি দেখুৱাব পাৰিছিল। আনফালে স্কুলত হোৱা সভা-সমিতি আদিত গল্প, কবিতা, প্ৰবন্ধ আদি পাঠ কৰি প্ৰশংসা অৰ্জন কৰিছিল।

১৯৫৯ চনত নৱম শ্ৰেণীলৈ উত্তীৰ্ণ হোৱাৰ পিছত তেওঁ স্কুলৰ মাছুল পৰিশোধ কৰিব নোৱাৰি, স্কুলৰ পৰা চাৰি কিঃ মিঃ আঁতৰৰ উত্তৰ বেছিমাৰীৰ এঘৰ মানুহৰ ঘৰত কাম কৰা লগুৱা ৰূপে থাকি অতি কষ্টেৰে স্কুললৈ অহা-যোৱা কৰিছিল। দশমমান শ্ৰেণীলৈ উত্তীৰ্ণ হোৱাৰ পিছতহে তেওঁ পুনৰ স্কুলৰ ছাত্ৰাবাসলৈ উভতি আহে।

১৯৬১ চনত প্ৰৱেশিকা পৰীক্ষাত দুটা বিষয়ত লেটাৰ সহ সুখ্যাতিৰে উত্তীৰ্ণ হয়। মনৰ বলেৰেই তেওঁ গুৱাহাটীৰ কটন মহাবিদ্যালয়ত নাম ভৰ্তি কৰে। তাত তেওঁ ঘৰুৱা শিক্ষকতা কৰি প্ৰয়োজনীয় খৰচখিনি উলিয়াই লৈছিল। এই সময়ছোৱাত তেওঁ পঢ়া-শুনাতকৈও খেলা-ধূলাৰ ক্ষেত্ৰতহে নিজক নিয়োগ কৰে। কটন মহাবিদ্যালয়ৰ হৈ তেওঁ কলিকতা আদি ঠাইতো খেলুৱৈ হিচাপে প্ৰতিনিধিত্ব কৰিছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে, খেলাধূলাত ব্যস্ত থকা বাবে প্ৰাক্-বিশ্ববিদ্যালয়ৰ পৰীক্ষাত তেওঁ সুফল দেখুৱাব নোৱাৰিলে। মনৰ দুখত তেওঁ তেওঁৰ খেলুৱৈ হিচাপে পোৱা পুৰস্কাৰ সমূহ লুইতৰ বুকুত বিসৰ্জন দিয়ে।

১৯৬৭ চনত বড়োদেৱে বড়ো সাহিত্য সভাৰ সৈতে জড়িত হয়। এই সময়ত তেওঁ বিভিন্ন জনৰ দান বৰঙণি তুলি ওদালগুৰিত 'বানাপুৰ প্ৰেছ' প্ৰতিষ্ঠা কৰে। এই প্ৰেছৰ পৰাই তেওঁ প্ৰকাশ কৰি উলিয়ায় বড়ো ভাষাৰ প্ৰথম কাকত 'বনজাৰ'। 'বনজাৰ'ৰ তেওঁ সম্পাদকৰ দায়িত্বও গ্ৰহণ কৰে।

স্নাতক ডিগ্ৰী লোৱাৰ পিছত তেওঁ বেছিমাৰী হাইস্কুলৰ প্ৰধান শিক্ষকৰূপে নিযুক্ত হয়। ইয়াত কেইদিনমান শিক্ষকতা কৰাৰ পিছত ৰৌতাৰ দণ্ড চহৰীয়া হাইস্কুলৰ বড়ো মাধ্যমৰ ছাত্ৰ-ছাত্ৰী সকলৰ দুৰ্দশা মোচনৰ অৰ্থে ৰৌতাত জয়ভদ্ৰ হাগজেৰ বড়ো উচ্চমাধ্যমিক বিদ্যালয় স্থাপন কৰে। ইয়াৰ প্ৰধান শিক্ষকৰ কষ্টকৰ দায়িত্ব বহণ কৰি, বহুতো ত্যাগ স্বীকাৰ কৰাৰ ফলত ১৯৭৬ চনত ইয়াৰ চৰকাৰীকৰণ হয়। মৃত্যুৰ সময়লৈকে তেওঁ এই স্কুলৰ প্ৰধান শিক্ষকৰ দায়িত্ব বহণ কৰিছিল।

সাহিত্যিক বড়োদেৱে বড়ো ভাষাৰ উপৰিও অসমীয়া তথা ইংৰাজী ভাষাতো সাহিত্য চৰ্চা কৰিছিল। বড়ো সকলৰ বাথৌ ধৰ্ম আৰু কৃষ্টিৰ ওপৰত ৰচিত 'গিৰি-বিচায়' তেওঁৰ সাহিত্যিক জীৱনৰ কীৰ্তি স্তম্ভ। এই গ্ৰন্থৰ জৰিয়তে বড়োদেৱে বড়োসকলৰ ঐতিহ্যক পুনৰুদ্ধাৰ কৰি নতুন প্ৰজন্মৰ হাতত অৰ্পণ কৰি গ'ল। 'An Introduction to Bodos' নামৰ গ্ৰন্থখন আধালিখা অৱস্থাতেই ৰৈ গ'ল। তেওঁ সুদীৰ্ঘ বাৰ বছৰকাল বড়ো সাহিত্য সভাৰ সম্পাদক আৰু এবছৰ উপসভাপতিৰ দায়িত্ব গ্ৰহণ কৰিছিল। তেওঁ লিখা সাহিত্য-সংস্কৃতি সমাজ আদি বিষয়ক প্ৰবন্ধৰাজি অগ্ৰদূত, অসমবাণী, The Assam Tribune আদি কাকতত সিঁচৰতি হৈ আছে।

বিহুৰাম বড়োদেৱে অহোপুৰুষাৰ্থ কৰিছিল সমন্বয়ৰ বাবে। সমূহ জনজাতি, অজনজাতিৰ মাজত সম্প্ৰীতি স্থাপন কৰি তেওঁ এখন শান্তিৰে ভৰা সমাজ গঢ়িবলৈ কাম কৰি গৈছিল।

জনজাতি আৰু অজনজাতিৰ মাজত সম্প্ৰীতি আৰু ঐক্যৰ বাবে জীৱন পাত কৰা বড়োদেৱ আমাৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব।





# বাতৰিৰ আঁৰৰ বাতৰি : শেষ কবলগীয়া

বদন বৰুৱা

সদৌ অসম সাংবাদিক সংস্থাৰ সভাপতি শ্ৰীসুৰেশ চন্দ্ৰ বৰঠাকুৰে আৰম্ভণিতে 'অসমৰ কোনো সাংবাদিককে সমালোচনা নকৰাৰ নীতি হিচাপে লৈছো' বুলি কৈ লেখাটোত মোক বেয়াকৈ ব্যক্তিগত আক্ৰমণ (সূত্ৰধাৰ ১-১৫ জুন) কৰাতহে পুনৰ লিখিব লগা হ'ল।

মই আগতে লিখা কথা পুনৰ দোহাৰো যে মফচল সাংবাদিকৰ বেছিভাগেই হয় কলেজৰ প্ৰবক্তা, স্কুলৰ শিক্ষক বা নিগম আদিৰ কৰ্মচাৰী। তেখেত সকলৰ উপাৰ্জন ভাল। সাংবাদিকতাৰ পইছা কেইটা নহলেও হয়। সেই কাৰণে বিভিন্ন ঠাইত ৰঘুমলাৰ দৰে গঢ়ি উঠা মফচল সাংবাদিকৰ অনুষ্ঠান বিলাকে সাংবাদিকৰ সা-সুবিধাৰ কাৰণে বিশেষ মাত নামাতে। ফলত, ভুগিব লাগে কেৱল সাংবাদিকতাকে জীৱিকা হিচাপে লোৱা সকলে। বাচাৱট আয়োগে মফচল সাংবাদিকৰ কাৰণেও মাননীৰ নিৰিখকে ধৰি যথেষ্ট সা-সুবিধা দিয়াৰ পৰামৰ্শ দিছিল। অৱশ্যে যি সকলৰ ঘাই বৃত্তি সাংবাদিকতা (Whose principal avocation is journalism) সেই সকলেহে এই সুবিধা পাব। অসমৰ বাতৰি কাকতে এই পৰামৰ্শ মনা নাই। কিন্তু কোনো সংগঠনে, সদৌ অসম সাংবাদিক সংস্থায়ো এই সম্পৰ্কে দাবী কৰা বুলি শুনা নাই বা কতো প্ৰকাশ পোৱা নাই। কাৰণ বিষয়ববীয়াৰ শতকৰা ৯০ ভাগৰে মূল বৃত্তি সাংবাদিকতা নহয়। গতিকে কৰে কেনেকৈ ?

৫/৬ কিল'মিটাৰৰ আঁতৰে আঁতৰে সাংবাদিক নিয়োগ কৰাৰ কাৰণে মই সাংবাদিকক দোষ দিয়া নাছিলো। দিছিলো কাকতকহে। কৈছিলো এজনে কৰাত কাকতৰ মান উন্নত হোৱা নাই আৰু সাংবাদিকৰো উপকাৰ হোৱা নাই। সম্ভৱ বৰঠাকুৰে ভালকৈ পঢ়ি নাচালে। পঢ়ি নোচোৱাৰ আৰু উদাহৰণ আছে। মই বাব নোলোৱা বোলা কথাষাৰতো এটা খোচা মাৰি লিখিছে – "কোনোবাই দিবলৈ বিচাৰিছিলনে নাই সেইটো অৱশ্যে নিলিখিলে।" মই কিন্তু লিখিছিলো 'অনেক অনুৰোধ কৰা সত্ত্বেও' বুলি। মফচল সাংবাদিক সংস্থাৰ সভাপতিৰ বাব লবলৈ কেইবাজনেও ঘৰতে ধৰিছিলহি।

শ্ৰীবৰঠাকুৰে লিখিছে দুলিয়াজান অধিবেশনত হাজাৰজন সাংবাদিক প্ৰতিনিধি (অসম উপত্যকাত ইমান মফচল সাংবাদিক আছে বুলি জনা নাছিলো) গোট খাই নাম সলনি কৰিছিল। 'বৰুৱাদেৱৰ যদি আপত্তি আছিল তেতিয়াই নামাতিলে কিয় ?' মই অধিবেশনলৈ যোৱা নাছিলো – মাতিম কেনেকৈ ? অধিবেশনলৈ নোযোৱাৰো কাৰণ আছিল। অধিবেশন সম্পৰ্কে অভ্যৰ্থনা সমিতিৰ সম্পাদকলৈ আগতীয়াকৈ এখন চিঠি লিখিছিলো। কিন্তু চিঠিখন যোৰহাটৰ এজন সাংবাদিকে জেৰক্স কৰি বিলাই ফুৰিছিল। ইয়াৰ পৰা মোৰ একো হানি হোৱা নাই। কিন্তু চিঠি এখনো ভালকৈ ৰাখিব নোৱৰা অনুষ্ঠান এটাৰ প্ৰতি স্বাভাৱিকতে আস্থা হেৰাই গ'ল। পাছত অৱশ্যে সম্পাদকে যোৰহাটৰ সাংবাদিক জনে চিঠিখন, চুৰকৈ অনা বুলি কৈ চিঠিৰে দুখ প্ৰকাশ কৰে।

মই এতিয়াও ভাবো নামটোত মফচল থকা হলেই ভাল আছিল নেকি ? পূৰ্ণকালীন সাংবাদিকৰ সংগঠন অসমত ২/৩টা আছে।

সদৌ অসম সাংবাদিক সংস্থাই বাঙ্গালোৰৰ সৰ্বভাৰতীয় সন্মিলনলৈ নিমন্ত্ৰণ পোৱাটো বৰঠাকুৰে গৌৰৱৰ কথা বুলি কৈছে। কেৱল নিমন্ত্ৰণেই নহয় – ৰেলৰ কনচেচন আদিও পাইছিল। গৌৰৱৰ কথা নহয় বুলি ময়ো কোৱা নাছিলো। মাত্ৰ শেনটো হৈ গৈ ফেঁচাটো হৈ উভতি অহাৰ কথাহে কৈছিলো। নিমন্ত্ৰণ পাই গৈয়ো তাত কিন্তু প্ৰতিনিধিত্ব নাপালে। কাৰোবাৰ আপত্তিত দৰ্শক প্ৰতিনিধি বুলিহে আখ্যা দিয়ে। এই বিষয়ে বাহুল্যলৈ নাযাওঁ।

শ্ৰীবৰঠাকুৰে চিঠিত এটা অবান্তৰ প্ৰশ্নৰ অৱতাৰণা কৰিছে। তেখেতে লিখিছে শ্ৰীকীৰ্তিনাথ হাজৰিকাৰ দিনত দৈনিক অসমত শ্ৰীবৰুৱাৰ নামেৰেহে বাতৰি প্ৰকাশ হৈছিল। তেখেত যদি দক্ষ সাংবাদিকেই হয় তেন্তে হাজৰিকাৰ পাছত তেখেতৰ নামটো কিয় কটা গ'ল – বৰঠাকুৰৰ প্ৰশ্ন। আগৰ প্ৰবন্ধত এই সম্পৰ্কে কোনো কথা নাছিল বা মই কেতিয়াও দক্ষ বুলি কোৱা নাছিলো আৰু কেতিয়াও নকওঁ। কাৰণ এতিয়াও শিকিবলৈ বহুত আছে।

শ্ৰীবৰঠাকুৰে মোক খোচ মাৰিবলৈ গৈছে যদিও তেখেতে প্ৰকৃততে শ্ৰীকীৰ্তিনাথ হাজৰিকাৰ দৰে সন্মানীয় আৰু বিশিষ্ট সাংবাদিকজনকহে অৱমাননা কৰিছে। তেখেতে সম্ভৱ বুজাবলৈ গৈছে যে নামত বাতৰি প্ৰকাশৰ কাৰণে মই যোগ্য বা দক্ষ (দক্ষ নহয় বুলি কৈছেই) নহয়। শ্ৰীহাজৰিকাই মোৰ হেঁচাত অনুগ্ৰহ কৰিহে এই সুবিধা দিছিল আৰু তেখেতৰ পাছতে 'মোৰ নামটো কটা গ'ল।'

শ্ৰীকীৰ্তিনাথ হাজৰিকাৰ দৰে বিশিষ্ট সাংবাদিকৰ লগত দৈনিক অসমত ২৩ বছৰ সেৱা কৰি মোৰ বহুত অভিজ্ঞতা হ'ল আৰু বহুত শিকিলো। হাজৰিকাৰ অবিহনে দৈনিক অসমত থাকিবলৈ মন নগ'ল কাৰণে তেখেতে অৱসৰ লোৱা দিনাই ময়ো অব্যাহতি ললো। গতিকে নামত বাতৰি ওলাব কৰ পৰা। এতিয়া আজিৰ অসমতো একে বন্দৱস্ত। বিভিন্ন কাকতত মোৰ নামত প্ৰকাশ পোৱা বাতৰি বিলাক নিশ্চয় সম্পাদকে মোক অনুগ্ৰহ দেখুৱাবলৈ প্ৰকাশ কৰা নাই।

নামত বাতৰি প্ৰকাশ কৰিবলৈ দক্ষ হ'ব নালাগে। লাগে সাহস আৰু কোনো অবজেকচন নথকা। শিক্ষাবিভাগত কাম কৰা সাংবাদিকৰ নিশ্চয় ওপৰৱালাৰ বিপক্ষে নামত বাতৰি প্ৰকাশ কৰা অসুবিধা হ'ব।

মফচল সাংবাদিক সংস্থা গঠন কৰিবলৈ আমিও চেষ্টা কৰিছিলো। কিন্তু সফল নহলো। বৰঠাকুৰ আদিৰ প্ৰচেষ্টাত হ'ল – সুখৰ কথা। ইয়াৰ জোৰ সংগঠনৰ কাৰণে চেষ্টা কৰিলে মফচল সাংবাদিক সকলৰ উন্নতি হ'ব সন্দেহ নাই।

সূত্ৰধাৰ ◻ ১–১৫ জুলাই, ১৯৯২

# ঐতিহ্যমণ্ডিত "আঠখেলীয়া নামঘৰ"

সত্যৰঞ্জন শইকীয়া

আজি কিছু বছৰৰ আগতে অসমত বিদেশী খেদা আন্দোলন চলি থকাৰ সময়ত আমাৰ মাজত অসমীয়া জাতি গঠন প্ৰক্ৰিয়া"ৰ বিষয়ে থেষ্ট আলোচনা-বিলোচনা হৈছিল। এই ষয়ৰ চিন্তা-চৰ্চা এতিয়াও চেগা াবোকাকৈ হৈ আছে যদিও সেই সময়ৰ ৰে গুৰুত্ব লাভ কৰা পৰিলক্ষিত হোৱা ই। 'ভাষা'ক প্ৰধান আধাৰ হিচাপে লৈ াতি গঠনৰ কামত আগবঢ়াৰ ক্ষেত্ৰত তিমধ্যেই আমাৰ মোহভঙ্গ ঘটিছে। অথচ ইখন অসমতে মিলাপ্ৰীতিৰে বাস কৰি গতিৰ পথত অগ্ৰসৰ হবলৈ কামনা কৰা সকলৰ কোনেও এই জাতি গঠন প্ৰক্ৰিয়াৰ প্ৰাসঙ্গিকতা নুই কৰিব নোৱাৰে। অসমীয়া সমাজখন যিমানেই বেছিকৈ গোষ্ঠীগত সংঘাতত জৰ্জৰিত হৈছে, সিমানেই জাতিগঠন প্ৰক্ৰিয়াৰ প্ৰাসঙ্গিকতা বৃদ্ধি পাইছে। সকলো গোষ্ঠীৰে স্বকীয়তা ৰক্ষা কৰাৰ পাছতো এই সকলোকে প্ৰতিনিধিত্ব কৰা বহল অসমীয়া সমাজ এখনৰ কথা আমি ভাবিব পাৰো।

অসমীয়া সমাজত সামাজিক সমন্বয় আৰু সংহতি কেৱলমাত্ৰ এটা ৰাজনৈতিক শ্লোগান নিশ্চয় নহয়। ভাৰতৰ অন্যপ্ৰদেশৰ তুলনাত ধৰ্মীয় আৰু বৰ্ণবাদী গোড়ামিও অসমত একেবাৰেই নগণ্য। এই সমন্বয়ৰ সাঁকোডাল বান্ধি দিয়াৰ বাবে, অসমীয়া হিচাপে আমি ধৰ্মীয় দৃষ্টিকোণৰ পৰা শঙ্কৰদেৱ আৰু ৰাজনৈতিক দৃষ্টিকোণৰ পৰা আহোম ৰজা সকললৈ কৃতজ্ঞতা জনাবই লাগিব। শঙ্কৰদেৱে কেনেকৈ ভিন্ন সম্প্ৰদায়ৰ (মুছলমান ধৰ্মাৱলম্বীকো সামৰি) মানুহক ভকত কৰি আঁকোৱালি লৈ একেখন ৰভাৰ তলত সমবেত কৰিছিল, তাক বৰ্ণাবলৈ গলে বাহুল্য কৰাহে হ'ব। ঠিক একে দৰেই আহোম ৰজাৰ ৰাজত্বকালতো কোনো বিশেষ সম্প্ৰদায়ক ২য় শ্ৰেণীৰ প্ৰজা বুলি গণ্য কৰি শোষণ কৰাৰ নজিৰ পাবলৈ নাই, তাৰ পৰিবৰ্তে ভিন্ন সম্প্ৰদায়ৰ মানুহক একে মৰ্যাদাৰ বিষয়া হিচাপে (বৰুৱা, হাজৰিকা শইকীয়া ইত্যাদি) নিয়োগ কৰি সাম্প্ৰদায়িক সম্প্ৰীতি গঢ়াহে দেখা যায়।



আঠখেলীয়া নামঘৰ

এই উদাহৰণবোৰৰ পৰা এটা কথা স্পষ্ট হয় যে আমাৰ অসমীয়া সমাজত সমন্বয়ৰ এক ঐতিহ্য আছে আৰু সেইখিনিক ভালদৰে ব্যৱহাৰ কৰিব পাৰিলে ভাগি থানবান হবৰ উপক্ৰম হোৱা সমাজখন আকৌ গঢ় লৈ উঠিব। আমি পাশ্চাত্যৰ ভাল গুণবোৰ আহৰণ কৰাৰ ওপৰত যিমান গুৰুত্ব দিওঁ, তাতকৈ অধিক গুৰুত্ব ঐতিহ্য হিচাপে পোৱা ভাল গুণবোৰ উদ্ভাসিত কৰাৰ ওপৰত দিয়া উচিত, কিয়নো এইবোৰৰ ব্যৱহাৰিক উপযোগিতা আমাৰ ক্ষেত্ৰত বেছি। বৰ্তমানৰ পৃথিৱীত সাম্ৰাজ্যবাদী শক্তিবোৰে নিজা স্বাৰ্থত দিশে দিশে বিয়পাই দিয়া বিচ্ছিন্নতাবাদ তথা ৰাজনৈতিক অস্থিৰতা প্ৰতিহত কৰি, এই শক্তিবোৰৰ বিৰুদ্ধে থিয় দিবলৈ হলে আমাৰ দৰে তৃতীয় বিশ্বৰ নাগৰিক সকল ঐক্যবদ্ধ হ'ব লাগিব আৰু এই ঐক্যৰ বাবে আমি আমাৰ সমন্বয়ৰ ঐতিহ্যসমূহ মহিমামণ্ডিত কৰিব লাগিব।



বিভিন্ন ঠাইৰ পৰা নামঘৰলৈ অহা ভক্ত ফটো : স্বমীম আহমেদ

সমন্বয়ৰ এনে এক ঐতিহ্যমণ্ডিত বাহক হৈছে উজনি অসমৰ গোলাঘাট জিলাত অৱস্থিত "শ্ৰীশ্ৰীআঠখেলীয়া নামঘৰ"।

এই পৱিত্ৰ স্থান গোলাঘাট মহকুমাৰ অন্তৰ্গত তিনিখন সৰু নৈ – কাকডোঙা, মক্ৰং আৰু ঘিলাধাৰীৰ সঙ্গমত অৱস্থিত। গোলাঘাটৰ পৰা ধোদৰ আলিয়েদি আহি কমাৰবন্ধা পাৰ হৈ ৰাস্তাৰ সোঁফালে আঠখেলীয়া নামঘৰলৈ যোৱা ৰাস্তাটো পোৱা যায়। এই পথেৰে গোলাঘাটৰ পৰা নামঘৰটিৰ দূৰত্ব প্ৰায় বিশ (২০) কিঃ মিঃ। অৱশ্যে গোলাঘাটৰ পৰা অন্য ৰাস্তাৰেও ইয়ালৈ আহিব পাৰি। যোৰহাটৰ পৰাও তিতাবৰ হৈ ধোদৰ আলিয়েদি সেই একে পথেৰেই আঠখেলীয়ালৈ আহিলে, দূৰত্ব প্ৰায় চল্লিশ (৪০) কিঃ মিঃ হয়। যি পথেৰেই নাহক লাগিলে, যাত্ৰীয়ে পথৰ দুৰৱস্থাৰ বাবে কষ্ট পোৱাটো নিশ্চিত। 'ধোদ'ৰ আলিয়ে নামকৰণৰ সাৰ্থকতা ৰক্ষা কৰিছে, কিয়নো পকী পথৰ ওপৰত ইমান ডাঙৰ গাত আন কতো দেখা নাযায়। ৰাইজৰ মৰমৰ অনুষ্ঠানটি চৰকাৰৰ আন অনুদান নাপালেও জীয়াই থাকিব, কিন্তু যোগাযোগৰ সুব্যৱস্থা পোৱাটো নিতান্তই বাঞ্ছনীয়।

আমি যেতিয়া গোলাঘাটত হাইস্কুলীয়া ছাত্ৰ আছিলো, তেতিয়া যিকোনো পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ আগতে এবাৰ আঠখেলীয়া নামঘৰলৈ গৈ শৰাই আগবঢ়োৱাটো এটা ধৰাবন্ধা নিয়মৰ দৰে আছিল। ব্যক্তিগতভাবে আমাৰ মনত ধৰ্মীয় বিশ্বাস একেবাৰেই নথকা সত্ত্বেও, এই নিয়মটো আমাৰ বাবে পৰীক্ষালৈ সাজু হবলৈ কৰিবলগীয়া এটা কৰ্তব্যৰ দৰে হৈ পৰিছিল। মোৰ যিমানদূৰ মনত আছে – আমাৰ এই সামূহিক যাত্ৰাত মুছলমান ছাত্ৰকে ধৰি সকলো সম্প্ৰদায়ৰ অন্তৰ্ভুক্তি আছিল আৰু তেওঁলোকে তাত কোনোধৰণৰ অসুবিধাৰ সমুখীন হোৱা নাছিল। যি সময়ত ভাৰতবৰ্ষত হিন্দু মৌলিকতাবাদী নেতাৰ আশীৰ্বাদত বিজেপি-ৰ দৰে ৰাজনৈতিক দলৰ অভ্যুত্থান হৈছে, যাৰ প্ৰভাৱৰ পৰা অসমো মুক্ত হ'ব পৰা নাই,





OKDISCD

সেই সময়ত এনে সংহতিৰ এক গভীৰ তাৎপৰ্য আছে। উচ্চ-নীচ, পুৰুষ-মহিলা সকলোৰে প্ৰৱেশৰ অধিকাৰ থকা এই নামঘৰত অজি কেইদিনমানৰ আগতে উপস্থিত হওঁতে এক বহল অসমীয়া সমাজত সমবেত হোৱাৰ অনুভূতি উপলব্ধি কৰিছিলো। সকলো ধৰণৰ সংকীৰ্ণতা বাদ দিব পৰা ইয়াৰ সমাজখনৰ ঐতিহাসিক ভিত্তি বৰ সবল।

এই ইতিহাস বিচাৰি যাওঁতে আমি জনশ্ৰুতি হিচাপে চলি অহা এক মনোমোহা কিংবদন্তীৰ বিষয়ে জানিব পাৰিছিলো। এই কাহিনীৰ বুৰঞ্জীগত ভিত্তি প্ৰতিষ্ঠা হোৱা নাই যদিও নামঘৰটো আৰু ঠাইখনৰ নামকৰণৰ আৰু ইয়াৰ জনগাঁথনিৰ লগত সামঞ্জস্য থকা বাবে ই বিশ্বাসযোগ্য আৰু সত্যৰ ওচৰ চপা।

কিংবদন্তী অনুসৰি, ল'ৰাৰজাৰ অত্যাচাৰত গদাপাণি কোঁৱৰে নগা পাহাৰৰ আশে-পাশে ঘূৰি ফুৰোতে বৰ্তমানে নামঘৰ প্ৰতিষ্ঠা হোৱা ঠাইত উপস্থিত হৈছিলহি আৰু ইয়াতেই কোঁৱৰে এজন দেৱ-পুৰুষক লগ পাই, তেওঁৰ আশ্ৰিত হৈ আছিল। ইয়াত থাকোতেই গদাপাণি কোঁৱৰ ধৰ্মৰ প্ৰতি আসক্ত হৈছিল। কথিত আছে যে, ইয়াত থাকোতেই কোঁৱৰে সপোনত দেখিছিল যে তেওঁৰ শুভ দিন সমাগত হৈছেহি আৰু সেই অনুযায়ী তেওঁ অচিৰেই সিংহাসন লাভ কৰিছিল। ১৬৮১ চনত গদাধৰ সিংহই ৰাজপাট পোৱাৰ পাছতেই এই মহিমামণ্ডিত ঠাইখিনিৰ স্মৃতি যুগমীয়া কৰিবৰ বাবে বিভিন্ন ঠাইৰ পৰা আঠোটা খল বা কুৰি আনি আশ্ৰমৰ চৌপাশে প্ৰতিষ্ঠা কৰি আশ্ৰমখনৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব অৰ্পণ কৰিছিল। জনশ্ৰুতি অনুযায়ী জানিব পৰা যায় যে, এই আঠোটা কুৰি বা খেলৰ দ্বাৰা প্ৰতিষ্ঠিত হোৱা বাবে নামঘৰটিৰ নাম "আঠখেলীয়া নামঘৰ" আৰু অঞ্চলটিৰ নাম আঠখেলীয়া হ'ল। নামঘৰটিৰ প্ৰতিষ্ঠাৰ লগত জড়িত থকা এই আঠোটা খেল বা কুৰি হ'ল – (১) ব্ৰাহ্মণ কুৰি (২) শলাল কুৰি (৩) বৈৰাগী কুৰি (৪) বৰাহী কুৰি (৫) ন'ট কুৰি (৬) নাঙল কুৰি (৭) কছাৰী কুৰি আৰু (৮) বছা কুৰি।

কোনো কোনোৰ মতে বৰাহী কুৰি আৰু ন'ট কুৰিৰ ঠাইত বৰচেতীয়া কুৰি আৰু কাকতি কুৰিহে আছিল। কিন্তু বৰ্তমান সেই দুটা কুৰিৰ সন্ধান নোহোৱা হোৱা বাবে এই কথা সত্য নহয় যেন লাগে।

সুদূৰ অতীতৰ পৰা বৰ্তমানলৈ গতি কৰোতে আঠখেলীয়া নামঘৰে বহুতো পৰিবৰ্তন আৰু পৰিবৰ্দ্ধন লাভ কৰিছে। পোনপ্ৰথমে এই নামঘৰ আছিল এটা ওখ ভেটিত এখন চালিৰ দ্বাৰা নিৰ্মিত আৰু সেই চালিত আছিল এডাল ত্ৰিশূলসহ এখন চন্দন কাঠৰ ঠগা। আঠোটা খেল প্ৰতিষ্ঠা হোৱাৰ পিছত এই মূল চালিৰ পৰা আঠখন শাখা চালি বনাই আঠোটা খেলে তেওঁলোকৰ ধৰ্মীয় আচাৰ পালন কৰিছিল। সেই কালত এই অঞ্চলত অটব্য অৰণ্য থকা বাবে বাহিৰৰ পৰা ইয়ালৈ তীৰ্থযাত্ৰী সহজে আহিব পৰা নাছিল বুলি জনা যায়। কুৰি শতিকাৰ আৰম্ভণিৰ পৰা নামঘৰৰ সেই সৰু চালিৰ উন্নতি সাধন কৰাৰ আঁচনি আৰম্ভ হয় আৰু ঠিক তেতিয়াৰে পৰা আঠোটা খেলৰ মাজৰ সামাজিক বান্ধোন বেছি দৃঢ় হৈ পৰে। আঠোটা খেলৰ প্ৰত্যেকৰে পৰা একোজনকৈ 'কুৰীয়া বাৰিক' আৰু সেই আঠজন কুৰীয়া বাৰিকৰ ওপৰত এজন 'বৰবাৰিক নিৰ্বাচন কৰি তেওঁলোকৰ ওপৰত নামঘৰ পৰিচালনা আৰু সামাজিক গাঁথনি ৰক্ষা কৰাৰ দায়িত্ব অৰ্পণ কৰা হয়। এই কুৰি শতিকাৰ প্ৰথম ভাগতেই নামঘৰত ঠগাৰ পৰিবৰ্তে সিংহাসন প্ৰতিষ্ঠা কৰা হয়। এই সিংহাসনত সম্পূৰ্ণ অসমীয়া আখৰেৰে সাঁচি পাতত লিখা মহাপুৰুষীয়া গুণমালা পুথিখন আছে বুলি জনা যায়।

সময় আগবঢ়াৰ লগে লগে এই নামঘৰলৈ অহা ভক্তৰ সংখ্যা বৃদ্ধি পাবলৈ আৰম্ভ কৰিলে। ১৯৫৬ চনত নামঘৰ পৰিচালনা সমিতি গঠন কৰি নামঘৰৰ সকল্যেবিলাক উন্নয়নমূলক কাম-কাজৰ দায়িত্ব দিয়া হয়, কিন্তু ভাওনা সবাহ আদিৰ দৰে ৰাজহুৱা তথা ধৰ্মীয় কামকাজৰ দায়িত্ব বাৰিক আৰু বৰবাৰিকৰ হাততে ন্যস্ত থাকিল। ১৯৫৬ চনতেই নামঘৰৰ স্থায়ী ভৱন নিৰ্মাণৰ প্ৰথম পৰ্যায়ৰ কাম সম্পূৰ্ণ হয় আৰু ইয়াৰ পিছতেই পাঁচখলপীয় সিংহাসনখন প্ৰতিষ্ঠা কৰা হয়। ১৯৭৪ চনত, ৰাইজৰ বিপুল সমাগমলৈ লক্ষ্য ৰাখি নামঘৰ ভৱনটি আহল বহলকৈ বনোৱাৰ কাম আৰম্ভ হয়। খেলুৱৈ ৰাইজ আৰু ভক্তবৃন্দৰ দান-বৰঙণিৰ ওপৰত ভিত্তি কৰি এই কাম ১৯৭৭ চনত সম্পূৰ্ণ হৈ উঠে। ইয়াৰ উপৰিও আলহীঘৰ, জিৰণি কোঠা, চৌহদৰ পকীবেৰ, মাছ কাছ জীয়াই ৰখা পুখুৰী আদিৰ কামো বিভিন্ন পৰ্যায়ত সম্পূৰ্ণ হৈ উঠিছে। ১৯৮৫ চনত নামঘৰটিৰ ভিতৰত সাত খলপীয়া সিংহাসন পুনৰ প্ৰতিষ্ঠা কৰা হয়। এনেধৰণৰ গঠনমূলক কাম বৰ্তমানো বিভিন্ন পৰ্যায়ত অব্যাহত ভাবে চলি আছে। এইবাৰ আমি যাওঁতে মূল প্ৰৱেশ পথৰ পৰা আধা কিঃ মিঃ মান দূৰত্বত এখন নতুন তোৰণ সম্পূৰ্ণ হৈ উঠা আৰু ইয়ালৈকে ৰাস্তাৰ উন্নয়নৰ কাম কৰি থকা দেখা পাইছিলো।

১৯৭৪ চনৰ তথ্য অনুসৰি নামঘৰটিৰ লগত প্ৰত্যক্ষভাবে জড়িত খেলুৱৈ ৰাইজৰ সংখ্যা আছিল ৬৭২ ঘৰ, কিন্তু বৰ্তমান এই সংখ্যা আৰু প্ৰায় ১০০ ঘৰ বৃদ্ধি পোৱা বুলি আমাক নামঘৰৰ এক কৰ্মকৰ্তাই জনাইছিল। খেলুৱৈ ৰাইজৰ ওপৰিও নিতৌ যথেষ্ট সংখ্যক বছৰটোৰ ভিতৰত ভাদ মাহতেই ইয়াত সৰ্বাধিক তীৰ্থযাত্ৰীৰ সমাগত হয়। খেতিবাতি সামৰাৰ পাছত মাঘ আৰু ফাগুন মাহতো ভক্তৰ সংখ্যা বৃদ্ধি পায়। সচৰাচৰ দৈনিক দুই প্ৰসঙ্গ নাম লোৱা হলেও ভাদ মাহত ই চাৰি প্ৰসঙ্গলৈ বৃদ্ধি পায়। আমাক নামঘৰৰ এক কৰ্মকৰ্তাই জনোৱা মতে যোৱা বছৰ, সৰ্বাধিক যাত্ৰীৰ সমাগম হোৱা ভাদ মাহৰ কোনো এটা দিনত ইয়ালৈ যাত্ৰী কঢ়িয়াই অনা চাৰিচকীয়া গাড়ীৰ ('বাছ'কে ধৰি) সংখ্যা আছিল ৩৬৫ খন। আজি কেইদিনমানৰ আগতে তালৈ যাওঁতে আমি নামঘৰটোকে কেন্দ্ৰ কৰি চৌপাশে এক উখল-মাখল পৰিৱেশ দেখা পাইছিলো।

আঠখেলীয়া নামঘৰৰ বিষয়ে কবলৈ গৈ অসমীয়া জাতি গঠনৰ কথা কওঁতে, ডব্লিও, এইচ অ'ডেনৰ "Lecturing on Navigation while the ship is going down" শীৰ্ষক উক্তিটো আমাৰ মনলৈ আহিছে। তথাপিও আমি আশাবাদী, কিয়নো, অসমৰ ভৌগোলিক সীমাৰ ভিতৰত থকা মানুহখিনিক 'অসমীয়া' বুলি ভবাৰ ক্ষেত্ৰত আমাৰ এক দুৰ্বলতা আছে। আমাৰ মাজত এক স্বতঃস্ফূৰ্ত সংহতিৰ (Natural Solidarity) ভাব জাগিবৰ বাবে 'আঠখেলীয়া নামঘৰ'ৰ দৰে সমন্বয়ৰ ঐতিহ্যমণ্ডিত প্ৰতীকবোৰক উদ্ভাসিত কৰি তোলাৰ প্ৰয়োজনীয়তা অতি প্ৰবল।

**বিশেষ দ্ৰষ্টব্য ঃ** নামঘৰৰ ইতিহাস, 'স্মৃতি' নামৰ নামঘৰৰ ত্ৰিবাৰ্ষিক মুখপত্ৰখনিৰ পৰা সংগ্ৰহ কৰা হৈছে। ■





# অৱক্ষয়ৰ গৰাহত অসম কৃষি বিশ্ববিদ্যালয়


স্বপ্না ৰেজবৰুৱা

"Assam is green but has no green revolution".

অসমৰ শিক্ষাজগতৰ কেন্দ্ৰবিন্দু – বিশ্ববিদ্যালয়কেইখনত আজি কেইবাবছৰো ধৰি চলি অহা দুৰ্নীতি, অন্যায়, অনিয়মে যি সীমাৱদ্ধতাৰ সৃষ্টি কৰিছে সেই সীমাৱদ্ধতাই অসমৰ চিন্তাশীল ব্যক্তিসকলৰ মনত ভয়াবহতাৰ সৃষ্টি কৰিছে। বিশেষকৈ অসম কৃষি বিশ্ববিদ্যালয়ত চলি থকা দুৰৱস্থাই শৈক্ষিক দিশৰ লগতে কৃষি জগততো ভাবুকিৰ সৃষ্টি কৰিছে। অন্য বিশ্ববিদ্যালয়তকৈ কৃষি বিশ্ববিদ্যালয়ৰ পৰিসৰ বহুত বহল আৰু ব্যয়বহুল। কাৰণ ইয়াত শিক্ষা (Education), সম্প্ৰসাৰণ (Extention) আৰু গৱেষণা এই তিনিটা বিষয় সাঙোৰ খাই আছে। এই তিনিওটা দিশৰ সমান্তৰাল সফলতাৰ ওপৰতে এখন দেশৰ কৃষি অৰ্থনীতি নিৰ্ভৰ কৰে। অসম এখন কৃষি প্ৰধান ৰাজ্য হৈও আজিলৈকে কৃষিৰ ক্ষেত্ৰ স্বনিৰ্ভৰশীল হ'ব নোৱৰালৈ চাই অসম কৃষি বিশ্ববিদ্যালয়ৰ অৱদান যথেষ্ট বুলি ক'ব নোৱাৰি।

অসম কৃষিৰ ক্ষেত্ৰত স্বনিৰ্ভৰশীল হ'ব নোৱাৰে যেতিয়ালৈকে অসমত সেউজ বিপ্লৱ গঢ়ি নুঠে; আৰু সেউজ বিপ্লৱ গঢ়ি নুঠে যদিহে অসম কৃষি বিশ্ববিদ্যালয় প্ৰকৃতাৰ্থত কৃষকৰ বিশ্ববিদ্যালয় হৈ নুঠে। যদিও অসম কৃষি বিশ্ববিদ্যালয়ক Farmers University বুলি কোৱা হয়, প্ৰকৃতাৰ্থত এইখন বৰ্তমান ডিগ্ৰী সৃষ্টিকাৰী আৰু চাকৰি সৃষ্টিকাৰী যন্ত্ৰতহে পৰিণত হৈছে। বিশ্ববিদ্যালয় সম্পৰ্কে এজন জ্যেষ্ঠ অধ্যাপকক সোধাত ক'লে – "বিশ্ববিদ্যালয় খুলিনো আমি কি কৰিছো! কেইটামানক ডিগ্ৰী দিছো আৰু অঙহী বঙহীক চাকৰি দিছো। এয়ে বিশ্ববিদ্যালয়।"

কৃষি বিজ্ঞান নিশ্চয় সমাজ বিজ্ঞান নহয়। ই এক সম্পূৰ্ণ বিজ্ঞান আৰু ইয়াৰ গৱেষণাগাৰ হোৱা উচিত পথাৰ। শিক্ষাৰ মূল ভেটি হোৱা দৰকাৰ কৃষি। কিন্তু ইয়াৰ পৰিবৰ্তে অসম কৃষি বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মূল ভেটি হ'ল পুথি। ইয়াত বৰ্তমান যি পাঠ্যক্ৰম আছে, যি পৰীক্ষা পদ্ধতি চলি আছে সেয়া সম্পূৰ্ণ পুথিগত। এনে শিক্ষাৰে শিক্ষিত সকলৰ পথাৰৰ ব্যৱহাৰিক জ্ঞান সীমাৱদ্ধ। কোনোদিনে তেওঁলোকৰ কৃষকৰ লগত সম্পৰ্ক গঢ়ি নুঠে। ফলত কৃষি বিজ্ঞান আৰু কৃষকৰ মাজত এক বিৰাট ব্যৱধানে দেখা দিছে। অসম কৃষি বিশ্ববিদ্যালয়ৰ অষ্টম সমাবৰ্তন উদ্দেশ্যে ড° এম এছ স্বামীনাথনে (President of International Union for the Conservation of Nature and Natural Resources) দিয়া ভাষণত উল্লেখ কৰিছিল – Educated youth having degrees even in professional fields like engineering, medicine and agriculture are unwilling to seek or accept jobs in rural and neglected areas because of the lack of essential infrastructure for the avality of life they desire. Here again it is only through the development of programmes which will faciliate a continuous involvement of the student community in rural



অসম কৃষি বিশ্ববিদ্যালয়ৰ মূল প্ৰৱেশ পথ। ফটো ঃ স্বপ্না ৰেজবৰুৱা

development projects that the mental aversion to working in the countryside can be overcome.

ড° স্বামীনাথনৰ পৰামৰ্শ অনুকৰণ কৰাটো দূৰৰে কথা। অসম কৃষিবিশ্ববিদ্যালয়ৰ চৌহদৰ ভিতৰত শৈক্ষিক পৰিবেশ ৰক্ষা কৰাতে কৰ্তৃপক্ষ ব্যৰ্থ হৈছে। কৃষি উপযোগী পৰিবেশ গঢ়ি তোলাতকৈ যেন ধ্বংস কৰাতহে কৰ্তৃপক্ষ উঠি পৰি লাগিছে তেনে ভাবহে জাগি উঠে। বিশ্ববিদ্যালয়ৰ চৌহদৰ ভিতৰত থকা পৰীক্ষামূলক পথাৰ কেইখনলৈ লক্ষ্য কৰিলে এইখন পৰীক্ষামূলক পথাৰ নে চৰণীয়া পথাৰ সেই বিষয়ে সন্দেহ হয়। ইয়াত জলসিঞ্চনৰ ব্যৱস্থাও পুতৌ লগা। আজি কেইবাবছৰ আগতে লাখ টকা খৰছ কৰি সাজি উলিওৱা পানীৰ টেংক পথাৰখনৰ মাজত এটা জৰাজীৰ্ণ জঁকাৰ দৰে থিয় হৈ আছে। কিন্তু আজি পৰ্যন্ত পানী এটোপালো .নালাল। খাই কাৰ্শালা ডালত উঠিল, মাটি চেলেকাৰ মৰণ মিলিল।

যোৱাবছৰ ছাত্ৰৰ পৰীক্ষামূলক কাৰ্যত ব্যৱহাৰ কৰিবলৈ কিছুমান সময়সীমা পাৰ হৈ যোৱা ঔষধ দিয়া হৈছিল। এনে কাৰ্যৰ পৰিণাম কেনে হ'ব পাৰে সেইটো সকলো বিবেকবান মানুহেই উপলব্ধি কৰিব পাৰে। বিশ্ববিদ্যালয় ছাত্ৰসংস্থাৰ তৰফৰ পৰা এই কাৰ্যৰ তদন্তৰ দাবীও তোলা হৈছিল। কৰ্তৃপক্ষৰ এনে কাৰ্যই ছাত্ৰসমাজৰ প্ৰতি অমনোযোগিতাকে প্ৰমাণ কৰে।

কৃষি বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিবেশ ধ্বংস কৰাৰ অন্য এটা নিদৰ্শন হ'ল শিক্ষক নিযুক্তি, প্ৰমোচন আদিত চলা অন্যায় আৰু অনিয়ম। বৰ্তমান শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত যোগ্যতাতকৈ স্বজনপ্ৰীতি আৰু তোষামোদকাৰীয়েহে আগ স্থান পায়। ৰীডাৰ, প্ৰফেছাৰ আদিৰ পদোন্নতিৰ ক্ষেত্ৰতো একেই ব্যৱস্থা। যেতিয়া এজন জ্যেষ্ঠ ব্যক্তিয়ে যোগ্যতা থকা সত্ত্বেও সাক্ষাৎকাৰলৈ আমন্ত্ৰণ নাপায়, অথচ তেওঁতকৈ কম যোগ্যতাৰ কম অভিজ্ঞতাৰ এজন ব্যক্তিয়ে বিষয়াৰ স্বজন বা তোষামোদকাৰী বুলিয়েই সকলো সুবিধা আদায় কৰে তেতিয়া বঞ্চিত জন স্বাভাৱিকতেই হতাশ হ'ব। আৰু এনে হতাশাই তেওঁৰ কৰ্তব্যৰ প্ৰতি স্পৃহা কমাই আনিব। তাৰ ফল ভোগ কৰিব লাগিব ছাত্ৰ সমাজে। তদুপৰি এজন অনভিজ্ঞ অযোগ্য শিক্ষকৰ নিয়োগত বছৰৰ পাছত বছৰ ধৰি ছাত্ৰ সকলে উপযুক্ত শিক্ষাৰ পৰা বঞ্চিত হ'ব। বৰ্তমান কৃষি বিশ্ববিদ্যালয়ত এনেকুৱা ব্যক্তিও অধ্যাপকৰ পদত নিয়োজিত হৈ আছে যি প্ৰবেশিকা পৰীক্ষা আৰু প্ৰাক্‌স্নাতক মহলা তৃতীয় বিভাগতহে উত্তীৰ্ণ হৈছিল। আনহাতে অসমৰ বাকী দুয়োখন বিশ্ববিদ্যালয়তে ব্যক্তিগত পদোন্নতিৰ ব্যৱস্থা প্ৰবৰ্তন হৈ আহিছে। কিন্তু অসম কৃষি বিশ্ববিদ্যালয়ৰ শিক্ষকৰ ক্ষেত্ৰত এই ব্যৱস্থা প্ৰযোজ্য কৰা হোৱা নাছিল। ফলত এযুগৰ ওপৰ কাল এজন ব্যক্তি একেটা পদত থাকিব লগা হৈছে। এই লৈ শিক্ষক সকলে হেঁচা প্ৰয়োগ কৰাত কৰ্তৃপক্ষই লৰালৰিকৈ কেইজনমানৰ ক্ষেত্ৰত প্ৰযোজ্য হোৱাকৈ ব্যক্তিগত পদোন্নতিৰ ব্যৱস্থা কৰে যদিও এই ব্যৱস্থাই সম্পূৰ্ণ ৰূপ পোৱা নাই।

বিশ্ববিদ্যালয় শিক্ষক সংস্থাই বহুদিন ধৰি কৰ্তৃপক্ষৰ ওচৰত তেওঁলোকৰ সমস্যা সমূহ সমাধানৰ দাবী তুলি আহিছিল যদিও কৰ্তৃপক্ষই সেইবোৰ আওকাণ কৰি অবাধ গতিৰে তেওঁলোকৰ অন্যায়, অনিয়ম চলাই গৈয়ে আছে। ফলত শিক্ষক সংস্থাই আন্দোলনৰ কাৰ্যসূচী হাতত ল'বলৈ বাধ্য হৈছে। অন্যায়ৰ বলি হোৱা বহুজনেই আদালতৰ কাষ চাপিব লগা হৈছে। এজন শিক্ষকক যেতিয়া এনেদৰে মানসিক ভাৱে হাৰাশাস্তি কৰা হয় তেতিয়া তেওঁ স্বাভাৱিকতেই শিক্ষাদানৰ ক্ষেত্ৰত গভীৰভাৱে মনোনিবেশ কৰিব নোৱাৰে ফলত এটা সুদূৰপ্ৰসাৰী প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। কৃষি বিশ্ববিদ্যালয় ছাত্ৰ সংস্থাৰ এজন বিষয় ববীয়াই এই সম্পৰ্কে সোধাত কয় - কৰ্তৃপক্ষই শিক্ষক সকলক এইদৰে আন্দোলনমুখী হ'বলৈ বাধ্য কৰোৱাত ছাত্ৰসমাজত যথেষ্ট ক্ষতি সাধন হৈছে আৰু সুস্থ শৈক্ষিক পৰিবেশত ব্যাঘাত জন্মাইছে।

অলপতে কৃষি বিশ্ববিদ্যালয় কৰ্তৃপক্ষই একাডেমীক কাউন্সিলৰ নিৰ্দেশনাও ভংগ কৰি কেইটামান পদৰ বাবে সাক্ষাৎকাৰৰ যো-জা কৰিছিল। ১৯৮৮ চনৰ ১৮ এপ্ৰিলত অনুষ্ঠিত একাডেমীক কাউন্সিলৰ সভাত সিদ্ধান্ত কৰা হৈছিল যে বিশ্ববিদ্যালয়ৰ পদ সমূহ পূৰণৰ বাবে প্ৰত্যেক বছৰৰ জুন আৰু ডিচেম্বৰত বিজ্ঞাপন দিব লাগিব। কিন্তু কৰ্তৃপক্ষই তাকে নকৰি মাৰ্চ মাহতে বিজ্ঞাপন দি কিছুমান পদ পূৰণৰ বাবে সাক্ষাৎকাৰ অনুষ্ঠিত কৰিছিল। পশুচিকিৎসা আৰু গৃহবিজ্ঞান বিভাগৰ পদ সমূহৰ বাবে প্ৰাৰ্থী বাছনি প্ৰক্ৰিয়াও শেষ হ'ল। কিন্তু কৃষি বিজ্ঞান বিভাগত কেইজনমান যোগ্য আবেদনকাৰীক সাক্ষাৎকাৰলৈ নমতাকৈ সাক্ষাৎকাৰ অনুষ্ঠিত কৰিব খোজাত ঘটনাটো পোহৰলৈ আহিল। পাছত শিক্ষক আৰু ছাত্ৰৰ প্ৰবল হেঁচা পৰিল সাক্ষাৎকাৰ বন্ধ ৰাখিবলৈ। জানিব পৰা মতে অৱশেষত আচাৰ্য মহোদয় আৰু মুখ্যমন্ত্ৰীৰ হস্তক্ষেপতহে সাক্ষাৎকাৰ বন্ধ ৰখা হ'ল। যোৱা ১০ জুন তাৰিখে উক্ত পদ সমূহৰ বাবে পুনৰ বিজ্ঞাপন দিয়া হৈছে। এইখিনিতে প্ৰশ্ন হয় যি অনিয়মিত বিজ্ঞাপনৰ বাবে এটা সাক্ষাৎকাৰ অনুষ্ঠিত নহ'ল সেই একে বিজ্ঞাপনৰ জৰিয়তে অনুষ্ঠিত পশুচিকিৎসা বিভাগ আৰু গাৰ্হস্থ্য বিজ্ঞান বিভাগৰ সাক্ষাৎকাৰ বৈধ হ'বনে ?

এনেদৰে হুৰাদুৰাকৈ বিজ্ঞাপন দি সাক্ষাৎকাৰ অনুষ্ঠিত কৰিবলৈ লোৱা কাৰণ বিশ্লেষণ কৰিলে দেখা যায় বৰ্তমানৰ উপাচাৰ্যজনৰ অৱসৰৰ সময় আগষ্টত। সেয়ে তেওঁৰ কাৰ্যকালৰ ভিতৰতে সাক্ষাৎকাৰ অনুষ্ঠিত কৰিব পাৰিলে তেওঁৰ অঙহী বঙহী জ্ঞাতি ভাই কেইজনমানক উচ্চ আসনত বহুৱাই থৈ যোৱাৰ ব্যৱস্থা কৰিব পাৰিব। কাৰণ অতদিনে তেওঁ তাকেই কৰি আহিছিল। এতিয়াও অৱশ্যে তেওঁ একেবাৰে আশা এৰি দিয়া নাই। কাৰণ ১০ জুলাই আবেদনৰ শেষ তাৰিখ হ'লে, সাক্ষাৎকাৰ অনুষ্ঠিত কৰিবলৈ চাৰ্ভিচ ৰুল মতে ১৫ দিন সময় লাগিব। সেয়ে হ'লে জুলাইৰ শেষৰ সপ্তাহত সাক্ষাৎকাৰ অনুষ্ঠিত কৰিব পাৰিব। তাৰপাছত তেওঁৰ কাৰ্যকাল শেষ হবলৈ মাত্ৰ কেইটামান দিন থাকিব। তেনে অৱস্থাত সাক্ষাৎকাৰ অনুষ্ঠিত কৰিলে তেওঁৰ স্বাৰ্থজড়িত উদ্দেশ্যে ওলাই পৰিব। আনহাতে তেনে কাৰ্যই শিক্ষক সকলৰ মনত বিৰূপ প্ৰতিক্ৰিয়া সৃষ্টি হোৱাৰ সম্ভাৱনাই অধিক।


এনেধৰণৰ অন্যায় অনিয়মে শৈক্ষিক পৰিবেশ দূষিত কৰাৰ উপৰিও অন্য এক ৰহস্যজনক ঘটনাই বিশ্ববিদ্যালয়ৰ পৰিবেশ বিষাক্ত কৰিহে তুলিলে। আজি কিছুদিনৰ আগতে বিশ্ববিদ্যালয়ৰ মুৰব্বী জনৰ নাৰী সম্পৰ্কীয় কেলেংকাৰি প্ৰচাৰ হৈছিল। এই সম্পৰ্কে বিশ্ববিদ্যালয়ৰ চৌহদত কিছুমান পষ্টাৰো দেখা গৈছিল। বিশ্ববিদ্যালয়ৰ মুৰব্বী এজনৰ এনে কেলেংকাৰিৰ প্ৰচাৰ সঁচায়ে অতি দুৰ্ভাগ্যজনক তথা লজ্জাজনক। (আগলৈ)





# প্ৰেম, দেশপ্ৰেম, মৃত্যুপ্ৰেম

দ্বিজেন শৰ্মা



গুৰুম, গুৰুম, গুৰুম।
সেই শব্দৰ মাজতে হানিফে চিঞৰি উঠিল, "থাম্, থাম্।" বাকীকেইটা থিতাতে ৰৈ গ'ল। চুপ্ চাপ্। বন্দুকৰ শব্দহীন মৰুভূমিৰ নিস্তব্ধতা জয়াৰ হৈ পৰিল। কিবা অঘটন ? বাকী কেইটাই হানিফলৈ চালে। সিহঁতৰ হাত বন্দুকৰ ঘোঁৰাত।

"আমাৰ বন্দুকৰ শব্দহে দেখোন। শত্ৰুহঁতৰ ক'ত ?" হানিফে সুধিলে।

বাকী কেইটাৰ ইটোৱে সিটোৰ মুখলৈ চালে। হানিফ বয়সত সৰু যদিও সিয়েই প্ৰথমতে কথাটো টং কৰিলে। শত্ৰু সম্পূৰ্ণ নীৰৱচোন। তেনে অৱস্থাত কি কৰিব লাগে নজনা বেডুইনকেইটাই নিজম যুদ্ধ ক্ষেত্ৰৰ আচহুৱা পৰিস্থিতিত অস্বস্তি অনুভৱ কৰিলে।

"অলপ ৰৈ আলেখলেখ চোৱাই উচিত নহ'বনে ?" হানিফে সুধিলে। সৰু ল'ৰাটোৰ পৰামৰ্শ মানি লৈ হটঙা বেডুইনকেইটাই মানুহৰ সঁচহীন সমুখৰ শত্ৰুপক্ষৰ খাৱৈটোলৈ তীক্ষ্ণ দৃষ্টিৰে চাবলৈ ধৰিলে।

খাৱৈটোত ৰাচেলে আৰব বন্দুক স্তব্ধ হৈ যোৱাটো মন কৰিলে। সিহঁতৰ গুলি শেষ ? নহয় নিশ্চয়। পলাইছে ? কিয় পলাব ? কিবা নতুন বুধি ? হ'ব পাৰে। হয়েই। তাই ডেও দি সুৰুঙাটোৰে চালে। পাঁচটা একাগ্ৰ বেডুইনে তাহাঁতৰ খাৱৈটোলৈকে চাই আছে। হয়তো অলপ বিস্মিত, অলপ বিবুধি। "কিন্তু আৰু ক'তপৰ ? এতিয়াই খেদি আহিব," তাইৰ প্ৰাশিক্ষিত মনে কলে। বন্দুকটো দাঙি লৈ ঘোঁৰাত আঙুলি থৈ তায়ো চোপ লোৱা মেকুৰী-দৃষ্টিৰে যমদূতকেইটাৰ গতিবিধি লক্ষ্য কৰিব ধৰিলে। চাৰিটা বয়সীয়া বেডুইন আৰু এটা বেলেগ সাজ পিন্ধা, অলপ বেলেগ গঢ়ৰ ডেকা। 'মোৰ বয়সীয়াই চাগৈ,' তাই আন্দাজ কৰিলে।

ডেকা শব্দটো মনত পৰাৰ লগে লগে তাই নিজৰ লগৰীয়াহঁতলৈ ঘূৰি চালে। খাৱৈটোৰ মজিয়াত তিনিটা ডেকা লাচ। সেইকেইটাৰ কাষত তিনিটা তেজৰ সুঁতি। কিন্তু পিছফালে চাই থাকিবলৈ তাইৰ সময় ক'ত ? সমুখত যম। সমুখলৈ চাই থাকোতেই তাইৰ মন সক্ৰিয় হৈ উঠিল। খন্তেক আগতে সিহঁত তিনিটা জীয়াই আছিল; আশা, উদ্দীপনা আৰু আদৰ্শ ভৰা জীৱ হৈ আছিল; আছিল মৃত্যুকো পৰোৱা নকৰা দুৰ্বাৰ সাহস লৈ। "ৰাচেল, তুমি পিছত থকা; বন্দুক টোঁৱাব নালাগে," সিহঁতৰ এটাই কৈছিল।

শতাব্দীৰ পৰম্পৰা ঃ যুদ্ধক্ষেত্ৰ তিৰোতাৰ নহয়। মাত্ৰ এবছৰ আগতে পোলেণ্ডৰ সৰু ঠাই এখনৰ পৰা সিহঁত জেৰুজালেমত ওলাইছিলহি। আহিছিল হিটলাৰৰ পদানত ইউৰোপৰ ইহুদী নিৰ্য্যতন আৰু নিধন যজ্ঞৰ দুৰ্বিসহ অভিজ্ঞতাৰ জ্ঞান লৈ; আহিছিল এখন নতুন জগত গঢ়িবলৈ য'ত জাতিগত হিংসা, দ্বেষ; নিৰ্য্যতন, নিষ্পেষণ নাথাকিব; আহিছিল এনে এখন ইজৰেইল গঢ়িবলৈ যিখন ইহুদীৰ পিতৃভূমি হলেও এখন আদৰ্শ দেশ হ'ব; পৃথিৱীৰ চুকে-কোণে যতেই অত্যাচাৰ, নিপীড়ন নচলক, সেই হতভাগ্যহঁতৰ সপক্ষে ইজৰেইল সোচ্চাৰ হৈ উঠিব, সংগ্ৰাম চলাব; মানৱ অধিকাৰ সুৰক্ষাৰ সংগ্ৰামত, সত্য আৰু সুন্দৰৰ হকে সংগ্ৰামত সেইখন নতুন দেশে আগভাগ ল'ব। সেই অবিৰাম সংগ্ৰামত ইজৰেইলৰ চকুত থাকিব মানৱ জাতিৰ আহিব ধৰা শতাব্দীবোৰৰ উজ্জ্বল, সুন্দৰ সপোন। সেয়ে সিহঁত সুদূৰ পোলেণ্ডৰ পৰা আহিছিল জীৱন পণ কৰি ইহুদীৰ বাবে এখন নিজা পিতৃভূমি, এখ[ন] আদৰ্শ মানৱ-ৰাজ্য সুপ্ৰতিষ্ঠিত কৰিবলৈ তাহাঁতৰ দৰে আন বহুতো মি[...] জাহাজখনত এহেজাৰ ডেকা-গাভৰ[...] আহিছিল। আহি পোৱাৰ এসপ্তাহ পাছতে দূৰৰ কিবুজ এটালৈ তাহাঁত কেইটা[...] পঠিয়াই দিলে। "শুকান মৰুভূমি সেউজ[...] কৰাগৈ," জাতিৰ পিতাসম বেন গুৰিয়ে[...] তাহাঁতক সম্বোধি কৈছিল। তাহাঁত ভা[...] ভাগ হৈ বিভিন্ন কিবুজলৈ গৈছিল। ক'[...] পোলেণ্ডৰ নৈ-নলাৰ, গছ-গছনিৰ, বৰ[...] আগুৰা প্ৰান্তৰৰ শুৱনি ঠাই, ক'ত পানীৰ গছৰ সঁচ নোহোৱা শুকান বালিৰ কিবুজ কিন্তু বেন গুৰিয়েনৰ নিৰ্দেশ, "সেউজ[...] কৰাগৈ।" তাহাঁত আহিছিল এইখ[...] কিবুজলৈ, পাতি লোৱা গাঁৱলৈ

কিবুজটোত আগৰে পৰা থকা ডকাকেইটাই তাহাঁতক আদৰি লৈছিল। গাহাঁতো ইউৰোপৰ পৰা আগতে অহা হুদী। নতুন হিটলাৰৰ ভয়ত এইবোৰ কলো পলৰীয়া ? শৰণাৰ্থী ? নহয়, ভয়ৰ াপত নহয়, তাঁহাত আদৰ্শৰ তাড়নাত স্বচ্ছাৰে আহিছে; পোলেণ্ডৰ হিটলাৰি বিভীষিকাতকৈও ডাঙৰ বিভীষিকাৰ খামুখি হ'বলৈ প্ৰস্তুত হৈ আহিছে; ইহুদী পিতৃভূমি প্ৰতিষ্ঠাৰ সৰ্বগ্ৰাসী বোজা ববলৈহে াহিছে।

"মৃত্যু ডাঙৰ কথা নহয়। ডাঙৰ কথা 'ল সৃষ্টি। তোমালোক যিটো কিবুজলৈ াবা সেয়াও ইজৰেইলৰ পুণ্যভূমি। তাত সউজ সৃষ্টি কৰাগৈ। ইজৰেইলক শস্য াগে, খাদ্য লাগে, সীমান্তৰ প্ৰহৰী লাগে। তামালোকৰ ডেকাশক্তিৰ কান্ধত সেই গুৰু ায়িত্ব পৰিছে।"

ডেভিদ বেন গুৰিয়েনৰ সেই ভাষণটো াইৰ কাণত এই খাৰৈটোতো বাজি ঠিল। তাহাঁত সকলোৰে কাণত সদায় াজিছিল। শুকান বালিৰ কিবুজটো সউজী কৰিবলৈ তাহাঁতে প্ৰাণপাত কৰি ম কৰিছিল। সকলো থানথিত লাগি াহিছিল কিন্তু যুদ্ধৰ বিকুল বাজি উঠিল।

যুদ্ধৰ কথাত তাই সম্বিত পালে। দূৰত বৈ থকা বেডুইনকেইটাই বন্দুক টোঁৱাবলৈ আৰম্ভ কৰিছে। সিহঁতৰ দেহাৰ ঙ্গীৰ পৰা তাই অনুমান কৰিলে, সিহঁতে ইবাৰ খেদিও আহিব; তায়ো বন্দুকৰ ঘোঁৰাত আঙুলি থলে। এক, দুই, তিনি,– াই ঘোঁৰাটো টানিলে। আনন্দত কৰিলিয়াই আহি থকা আৰবকেইটাৰ এটা াগৰি পৰিল। বাকী চাৰিটা থমকি 'ল।

'মাত্ৰ এটা গুলি বৈছে,' তাই নিজকে 'লে। সমুখত চাৰিটা বেডুইন, খাৰৈত াই অকলশৰীয়া। অনাগতৰ আশংকাত াইৰ বুকু কঁপিল, ডিঙি শুকাল। তেন্তে াই কি কৰিব ?

চকুৰ পচাৰতে তাই পিছপিনে ঘূৰি ালে। তাইৰ ভৰিৰ কাষতে ডেভিদ, াইৰ আগৰ প্ৰেমিক, এতিয়াৰ স্বামী। াদৰ্শৰ বাহিৰেও, ডেভিদৰ বাবেও তাই জৰেইললৈ আহিছে। 'আঃ ডেভিদ'– দ্ধক্ষেত্ৰৰ ৰুক্ষতাৰ মাজতো তাইৰ ীৱনৰ সেই ঘোৰ সংকটৰ মুহূৰ্ততো ডভিদৰ স্মৃতিত খন্তেকতে তাইৰ মন সমেকি গ'ল।

এজাক আৰব গুলি বিকট শব্দেৰে তাইৰ মূৰৰ ওপৰেৰে উৰি গ'ল। দুটামান খাৰৈটোৰ বাহিৰত তাইৰ প্ৰায় সমুখতে পৰিল। 'হৈছিলেই,' তাইৰ হৃৎপিণ্ডৰ ঢুকঢুকনি যেন বন্ধ হৈ গ'ল।

সমুখত চাৰিটা বেডুইন, খাৰৈত তাই অকলে, হাতত মাত্ৰ এটা গুলি। 'নেতা বেন গুৰিয়েন, কোৱা মই কি কৰো ?' তাই বেন গুৰিয়েনক মনত পেলাই দিহা বিচাৰিলে। 'মোৰ লক্ষ্য অব্যৰ্থ কিন্তু তথাপিও তিনটা বেডুইন থাকিব।" লগে লগে ইহুদী সমাজত প্ৰচলিত স্ত্ৰীমাংসলোভী বেডুইনৰ বৰ্বৰতাৰ ভাবমূৰ্তি তাইৰ মনত খেলালত তাই শিয়ৰি উঠিল। তাই বন্দুকৰ কুন্দাটো মাটিত থৈ নলীটো থুঁতৰিত লগালে আৰু ভৰিৰ বুঢ়া আঙুলিটো ঘোঁৰাত থলে। 'ডেভিদ, মই তোমাৰ কাষলৈকে ওলালো' বুলি ভাবি ঘোঁৰাটো টিপিবলৈ ভৰিৰ বুঢ়া আঙুলিটো............

চাট্‌কৰে পোলেণ্ডৰ স্কুলৰ পাঠ্যপুথিৰ কবিতা এফাকি তাইৰ মনত পৰিল ঃ

"হে পিতৃভূমি,
তোমাৰ ভালৰ হকে,
হ'ক মোৰ শতেক মৰণ।"

শতেক মৰণ ? পোলেণ্ডৰ ছোৱালীজাকে হাঁহিছিল। বাৰে-ভচহু কথা। মানুহ এবাৰহে মৰে। কিন্তু এতিয়া তাই আচম্বিতে হৃদয়ঙ্গম কৰিলে, সাম্ৰাজ্যবাদী জ্বাৰৰ আক্ৰমণকাৰী সেনাবাহিনীক বাধা দিবলৈ ওলোৱা সৈনিক-কবিয়ে কিমান শুদ্ধ, কিমান সত্য, কিমান বাস্তৱ কথা এষাৰেই লিখি গৈছে।

বেডুইনৰ হাতত বন্দী হোৱাটো মৰণেই। প্ৰথম মৰণ। ধৰ্ষণ অৱধাৰিত। তাইৰ হৃৎপিণ্ড বন্ধ হোৱাৰ উপক্ৰম হলেও তাইৰ বিজুলী বেগেৰে চলা মনে ক'লে, সেয়া দ্বিতীয় মৰণ। ওহোঁ। গণ-ধৰ্ষিতাৰ সীমাহীন শাৰীৰিক যন্ত্ৰণা হ'ল দ্বিতীয় মৰণ; তাইৰ মানসিক আৰু আত্মিক যন্ত্ৰণা হ'ল তৃতীয় মৰণ। হঠাতে তাই অনুভৱ কৰিলে, ঋষি বেন গুৰিয়েনে, তাইক আশীৰ্বাদ দিছে।

'আৰে, বেডুইনহঁত আগুৱাইছে।'

মুহূৰ্ততে বন্দুকৰ নলীটো তাই থুঁতৰিৰ পৰা নমালে; বন্দুকটো ঘূৰাই নলীডাল সুৰুঙাটোৰে আগবঢ়াই দিলে; বন্দুক গৰ্জি উঠিল; বেডুইন এটা বাগৰি পৰিল। বাকী তিনিটাৰ দুটাই পলাবলৈ উপক্ৰম কৰিলে।

ডেকাটোৱে সিহঁতক আগছি ধৰিলে। খণ্ডত জ্বলিপকি সি বাকী দুটাক বহুতো কিবাকিবি ক'লে। ৰাচেলে দেখিলে, যুদ্ধক্ষেত্ৰত শত্ৰুৰ কথা পাহৰি সিহঁতে যেন ঘৰুৱা কাজিয়াহে আৰম্ভ কৰিলে।

'কিন্তু মই দ্বিতীয় আৰু তৃতীয় মৰণেৰে কি কৰিম ? কাক উদ্ধাৰ কৰিম ? তাৰে বেন গুৰিয়েনৰ কিবুজ সেউজী কৰাৰ নিৰ্দেশ পালিত হ'বনে ? ইজৰেইল মুক্ত ৰাষ্ট্ৰ হ'বনে ? ডেভিদহঁতৰ তেজ এই খাৰৈত শুকাব, কিবুজ সেউজী নকৰে। বেডুইন শিবিৰৰ তম্বুৰ তলৰ মোৰ চকুলোৰ ঢলেও কিবুজ সেউজী কৰিব নোৱাৰে। তেন্তে ? কিহৰ কাৰণে আঁকোৱালি লম শতেক মৰণ ? কিন্তু এতিয়া মই নিৰুপায়। গুলি শেষ। মৰিব খুজিলেও মই এতিয়া মৰিব নোৱাৰো। শেষৰ গুলিটোৰে মই নিজে মৰাই ভাল আছিল। তেতিয়া মই ডেভিদৰ কাষতে থাকিলোহেঁতেন। এতিয়া মোৰ কাৰণে ৰ'ল সীমাহীন যন্ত্ৰণা, অবিৰত চকুলো আৰু অৰ্থহীন শতেক মৰণ। কিন্তু ........

নিজৰ অজ্ঞাতেই লেও-সেও হৈ বেৰত আউজি থকাৰ পৰা তাই পোন হৈ থিয় হ'ল; তাইৰ চকু-মুখত কিবা এটা নোপোৱা পোৱাৰ স্বস্তিৰ আভাস স্পষ্ট হ'ল; ওঁঠ দুটা দৃঢ়তাৰে চেপা খালে; শতেক মৰণৰ মোক্ষম অৰ্থ তাই বিচাৰি পালে।

হঠাতে আৰব জয়ধ্বনিত উচাপ খাই উঠি ওপৰলৈ চাই তাই দেখিলে, খাৰৈৰ ওপৰৰ তিনিহাল শত্ৰু-চকু তাইক দেখি হতভম্ব।

"আৰে, এইজনী ছোৱালীহে," কোনোবা এটাই অবিশ্বাসত আৰু উত্তেজনাত কৈ উঠিল।

"সুন্দৰীও," দ্বিতীয়টো প্ৰশংসামুখৰ হৈ পৰিল। "ডেকেৰী", তৃতীয়টোৱে ঘটনা এটাৰহে বৰ্ণনা কৰিলে। বয়সীয়া বেডুইন দুটাৰ মুখত বিহুৰ কিৰিলি ওলাল। তৃতীয়টোৱে, কম বয়সীয়া ডেকাটোৱে, চুপচাপ থাকিলেও বাকী দুটাৰ লগতে জাঁপ মাৰি খাৰৈটোত নামিল। সি কিন্তু তাইৰ মুৱা নহৈ খাৰৈটোৰ দূৰৰ চুকটোত থিয় হ'লগৈ। বাকী দুটাই তাইৰ কাষ পাই আকৌ এবাৰ যেন হতভম্ব হ'ল।

ৰাচেলে আন্দাজ কৰিলে সিহঁতে কি ভাবিছে। বেহেস্তৰ হুৰীৰ আচল ঠাই নবাব-উজীৰৰ হাৰেমতহে। এই জনীয়ে যুদ্ধক্ষেত্ৰত বন্দুক-বাৰুদৰ মাজত, কেঁচা



তেজ আৰু লাচৰ মাজত কি কৰিছে ? এয়েই নিশ্চয় খন্তেক আগতে সিহঁতৰ লগৰীয়া দুটাক বগৰাই দিছে। গুলি থকা হ'লে হয়তো সিহঁতকো শেষ কৰিলেহেঁতেন। তাইৰ চিন্তাত বাধা পৰিল। বেডুইন দুটাৰ চকুত যৌনক্ষুধাৰ হিংস্ৰতা। এটাই তাইৰ চোলাৰ বুতামত হাত দিলে। নকটা, দীঘল নখ এটাৰ আঁচোৰ তাইৰ বুকুত লাগিল।

খাৰৈৰ সিমূৰত থিয় হৈ থকা হানিফে তাৰ চকুকো বিশ্বাস কৰিব নোৱৰা হ'ল। ইৰাকৰ উত্তৰাঞ্চলৰ ওখ পৰ্বতত থকা কুৰ্দী গাঁও এখনৰ মোল্লাৰ ঘৰৰ ল'ৰা সি। সিও পুণ্য আৰবভূমি কাফেৰ-মুক্ত, ইহুদী-মুক্ত কৰিবলৈ আহিছে; জেহাদলৈ, ধৰ্মযুদ্ধলৈ আহিছে। তাৰ বুঢ়া ককাকে তেওঁৰ ডেকাকালৰ বন্দুকটো তাক দি কৈছিল, "এইটোৰ মান ৰাখিবি।" যুদ্ধ বুলিলেই হিয়া দহি যোৱা তাৰ মাকে থোকাথুকি মাতেৰে কৈছিল, "বোপাই, ধৰ্মযুদ্ধত অধৰমী কাম নকৰিবি।" আৰু তাৰ ১৬ বছৰীয়া ভনীয়েক নছিকাই ? তাই নোলালেই। দূৰৰ পৰাই চকুলোৰে নদী বোৱাই তাই তাক বিদায় দিছিল। আৰু এতিয়া ? মোল্লাৰ ঘৰৰ হানিফে বিস্ময়-বিস্ফোৰিত চকুৰে দেখিলে, লগৰ বেডুইন দুটাই ছোৱালীজনীৰ, হ'ক শত্ৰু, হ'ক ইহুদী, ছোৱালী ছোৱালীয়েই, তাহাঁত সকলো মাতৃজাতিৰ– সেই ছোৱালীজনীৰ চোলাটো টান মাৰি ফালি পেলাইছে। বাকীটোৱে তাইৰ পেটীডাল খুলিবলৈ চেষ্টা কৰিছে।

"ছেঃ, ছেঃ," ঘৃণাত হানিফে মুখ ঘূৰালে। ইহঁত আহিছে জেহাদলৈ নে নাৰী নিৰ্যাতন কৰিবলৈ ? এমুঠি চাহাবে এখণ্ড আৰবভূমিত বিদেশী ইহুদীহঁতক জাপি দিয়াৰ বিৰুদ্ধে এই জেহাদ; এই জেহাদ পুণ্য আৰবভূমিৰ পৱিত্ৰতা ৰাখিবলৈহে। কিন্তু বেডুইন দুটাই কৰিব খুজিছে কি ? লগে লগে তাৰ নছিফালৈ মনত পৰিল। এইজনীৰ দৰে নছিফাও ধকধকীয়া বগী, ওখ সমানেই, বয়স প্ৰায় একেই। কিন্তু নছিফাৰ চুলি এইৰ দৰে সোণালী নহয়, চকুও নীলা নহয়। এইৰ মুখৰ সুপ্ৰতিভতা খেচ্ গাঁৱৰ নছিফাৰ নাই। এইজনী বাঘিনী। কিন্তু অস্ত্ৰহীন বাঘিনীজনীও দুটা বেডুইনৰ আগত শক্তিহীন।

হানিফে মুখ ঘূৰালে। ফটা চোলাটোৰ মাজেৰে তাইৰ বৰফ-বগা বুকুখন উদং হৈ পৰিছে। ইটোৰ হাত তাইৰ কঁকালত। হঠাতে হানিফৰ মূৰত খেলাল, নছিফাৰ বৰফ-বগা কঁকালখন ক'লা অজগৰ এটাই যেন মেৰাই ধৰিবলৈ আৰম্ভ কৰিছে। মোল্লাৰ ঘৰৰ হানিফে বন্দুকটো দ্বিতীয় আৰবটোলৈ টোঁৱাবলৈ তুলি ললে।

'খবৰদাৰ', ডেকা সেনাপতিৰ কৰ্কশ হুকুমত হানিফৰ বন্দুক সৰি পৰাৰ উপক্ৰম হ'ল; বেডুইন দুটা থৰ হৈ গ'ল; ভয়-আশংকাত মৃতপ্ৰায় ৰাচেলৰ মুখলৈ তেজ আহিল।

"বন্দিনীক লৈ আহ," সেনাপতিয়ে হুকুম দিলে।

ৰাচেলে কথাষাৰ শুনিলে, বুজিলে। কিন্তু তাইৰ মনত টিলিঙা বাজিল। তাই বুজি নোপোৱাৰ ভাও জুৰি একেবাৰে নিশ্চল হৈ ৰ'ল। বেডুইন দুটা বিভ্ৰান্ত। শত্ৰুপক্ষৰ সা-সম্পত্তি লুট কৰাৰ লগতে শত্ৰু-নাৰী নিগ্ৰহো যুদ্ধৰ স্থায়ী নীতি। এইজনীয়ে সিহঁতৰ লগৰীয়াহঁতক মাৰিছে; এই জনীক তাহাঁতে ধৰিছে; তাইৰ ওপৰত তাহাঁতৰ হক সিদ্ধ। কিন্তু সেনাপতিৰ হুকুম ওলোটা। কি কৰিব ঠিক কৰিব নোৱাৰি সিহঁতো অচল হৈ ৰ'ল।

হানিফ আগুৱাই আহিল। তাইক ঠাৰে-চিঞৰে ক'লে, 'ওপৰলৈ ব'লা।' তাই কথাষাৰ বুজি পোৱা যেন দেখুৱালে। তাইৰ পৰা আঁতৰি থকা হানিফক হঠাতে তাইৰ ভাল লাগি গ'ল। তাৰ ফালে চাই তাই মৃদু মিচিকিয়ালে। "মই নিজেই পাৰিম," তাই হিব্ৰুতেই ক'লে। তাৰ পিছত এখোজ আগুৱালে; খাৰৈটোৰ পাৰত হাত দুখন থলে, এখোজ ওপৰত খোপনি পুতি একেলাফে তাই ওপৰ পালেগৈ।

'আও,' হানিফ আশ্চৰ্য চকিত হৈ গ'ল। নছিফাই বেগাই দৌৰিবও নোৱাৰে।

চাৰ্জেন্ট জাফৰো স্তম্ভিত হৈ গ'ল। তেওঁৰ মূৰত খেলাল, সমুখত থিয় হোৱা সেইজনী যুদ্ধবন্দী ইহুদীয়নী নহয়; তাই যেন যুদ্ধক্ষেত্ৰ হৈ পৰা আৰব ভূখণ্ডৰ প্ৰতিমূৰ্তিহে। তাইৰ মুখ তেজসিক্ত মৱলাৰ ধকধকীয়া বগা বালি। জাফৰে আৰু দেখিলে, আউলি-বাউলি সোণালী চুলিৰে, ফটা চোলাৰ তলৰ বৰফ-বগা দেহাৰে, উত্তেজনাত জ্বলমল্ নীলা চকুৰে, চিকাৰী জন্তুৰ সাৱলীল ভঙ্গিমাৰে আৰু যুদ্ধক্ষেত্ৰৰ কদৰ্যতাইও ম্লান কৰিব নোৱৰা দেহ-সৌষ্ঠৱৰে এইজনী বেহেস্তৰ হুৰী।

"তুমি যুদ্ধবন্দী। আইন অনুসাৰে তোমাৰ ব্যৱস্থা কৰা হ'ব," চাৰ্জেণ্টে তাইৰ ক'লে। তাই বুজি পালে। এবাৰ জেৰুজালেমত তাইক প্ৰশিক্ষণ দিছিল শত্ৰুপক্ষক জানিবলৈ আৰবৰ ভাষা, নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ, চলাফুৰাৰ কায়দা-কিটিপ শিকাইছিল। লগতে সাৱধান কৰি দিছিল, আৰবী জানো বুলি আৰবৰ আগত বাহাদুৰি নকৰিবা। বাহাদুৰিয়েই মৃত্যু। গতিকে চাৰ্জেণ্টৰ কথাৰ প্ৰতি তাই কোনো সঁহাৰি নজনালে। কিন্তু তেওঁৰ প্ৰতি কৃতজ্ঞতা অনুভৱ কৰিলে। স্বভাৱতেই তাইৰ হিব্ৰু অভিবাদন ওলাল, "চালোম।"

"চালোম" ? চাৰ্জেণ্ট জাফৰ চক্ খাই উঠিল। এই আৰবী কৈছেনে ? আৰবী 'চালাম' এইৰ বিকৃত উচ্চাৰণত 'চালোম' হৈছেনে ? এই যুদ্ধলৈ অহাৰ আগতে সি ইহুদী দেখা নাছিল। সিহঁতৰ অঞ্চলটোত ইহুদী নাছিলেই। সি মাত্ৰ শুনিছে হাজাৰটা ইহুদী-বিৰোধী, ইহুদী-বিদ্বেষী গল্প। অথচ আৰব-ইহুদী মূলতে একে জাতিৰেই। আডাম-ইভ, মুছা-আব্ৰাহাম আদি দুয়োৰো উমৈহতীয়া পূৰ্ব পুৰুষ; বাইবেল কোৰাণৰ প্ৰথম খণ্ডহে; দুয়োৰে ভাষা, ৰীতি-নীতি, সামাজিক বান্ধোন আৰু সংস্কৃতি একে উৎসৰেই পৰা নিগৰি অহা কিন্তু সকলো আৰবে এতিয়া জানে মাত্ৰ এটা কথা; কাফেৰ ইহুদীক পেলেষ্টাইন পৰা, জেৰুজালেমৰ পৰা খেদি নি লোহিত সাগৰত ডুবাই মাৰিব লাগে। তথাপিও 'চালোম' সম্ভাষণ শুনি তাৰো পৰম্পৰাগত আৰবী সম্ভাষণ ওলাল, "তোমাৰ শান্তি হ'ক।"

দুয়ো অলপ আশ্বস্ত হ'ল। ভদ্ৰ ঘৰৰ ভদ্ৰ ডেকাজন এই প্ৰথমবাৰ যুদ্ধলৈ আহিছে। নিৰ্জু হুৰী এজনী হঠাতে যুদ্ধবন্দী হ'লে তেওঁ অপ্ৰস্তুত হোৱাৰেই কথা। সৰুৰে পৰা শিকা তিৰোতা-সংক্ৰান্ত শিষ্টাচাৰে জাফৰক আহুকাল দিছিল সম্ভাষণ বিনিময়ৰ সৰু ঘটনাটোৱে পৰিবেশ পাতল কৰিলে; সি ৰক্ষা পৰিল হুৰীজনীৰ লগত শত্ৰুতা কৰাতকৈ এহাল ডেকা-গাভৰুৰ মাজত যেন সন্ধিহে হ'ল।

"আৰবী জানা ?"

ৰাচেলে ইঙ্গিত দিলে, 'একো বুজ নাই।'

"ইংৰাজী ?" জাফৰে ইংৰাজীত সুধিলে ৰাচেলৰ চকু জিলিকিল। 'অলপ-অচৰপ তায়ো ইংৰাজীত উত্তৰ দিলে।

"ময়ো অলপ-অলপ," হাঁহি জাফৰে
ক'লে।
দূৰৰ পৰা সেনাপতিলৈ চোকা চকুৰে চাই
কা হানিফৰ হাতৰ মুঠি বন্দুকত শিথিল
'ল 'এইজন সেনাপতিৰ হাতত
ছিফাজনীৰ আলৈ-আথানি নহয়।'
দ্ধিমতী ৰাচেলৰ সক্ৰিয় মগজুত ইতিমধ্যে
হুতো চিন্তাৰ, বহুতো ধ্যান-ধাৰণাৰ
মদল ওলাল। 'এইজন ডেকা ধুনীয়া,
স্ত্ৰান্ত, শিষ্টাচাৰী। এওঁৰ তত্বাৱধানত
কালৈকে গণ-ধৰ্ষিতা হ'ব মালাগিব। কিন্তু
কানে জানে ? মতাৰ বিশ্বাস নাই; মতা
াৰবৰ আৰু বিশ্বাস নাই। মই বন্দিনী
হুদীয়নী যেতিয়া বিশ্বাস হবৰ থলেই বা
'ত ? তদুপৰি, এওঁ সৰু বিষয়াহে।
ৰ-সেনাপতিৰ লোলুপ চকুৰ পৰা এওঁ
মাক কেনেকৈ ৰক্ষা কৰিব ? কৰিবই বা
কয় ? এওঁ মোৰ কোন বুকুৰ কুটুম ?
ওঁৰো শিষ্টাচাৰী খোলটোৰ ভিতৰৰ
চল মানুহজন যদি অঘৰী বেডুইন ?'
চেল আকৌ শিয়ৰি উঠিল।

"কি ভাবিছা ?" জাফৰে ভঙা
ংৰাজীৰে সুধিলে।
'প্ৰিয় মিছা মতাই শ্ৰেয়', তাই সিদ্ধান্ত
ৰিলে। খন্তেক তালৈ চাই তলমুৱা হৈ
ই নখেৰে' বালি খুচৰিলে। আকৌ মূৰ
লি তালৈ চালে, তাইৰ ৰঙা ওঁঠ স্মিত
গ'ল, কিবা কওঁ-নকওঁ যেন দেখা
ল। খন্তেক পিছতে জাফৰে তাইৰ
ামল কণ্ঠত শুনিলে, "তুমি ধুনীয়া।"
চাৰ্জেণ্টে যুদ্ধৰ কথা পাহৰি গ'ল।
জিপ্তৰ সৰু চহৰখনৰ তাৰ কোনোবা
শ্বৰীয়ে সেইষাৰ কোৱা যেন তাৰ
গিল।
তলমুৱা ৰাচেলৰ চিন্তাৰ ঘোঁৰা আকৌ
কুৰিলে। 'সৰু হ'ক, বৰ হ'ক, যি
ানো সেনাপতিৰ তম্বুলৈ যাবলৈ মই
জু। পিতৃভূমিৰ ভালৰ হকে তেনে
জাৰটা তম্বুলৈ মই হাঁহিমুখে যাম; যেনে
ভিনয় কৰিব লাগে কৰিম; মই শতেক
ৰণ আদৰি লম।" তাই মনে মনে শপত
ালে, নেতা বেন গুৰিয়েন, মই এইবাৰ
লেগ ধৰণে ইজৰেইল সেউজী কৰিম।'

"এইপিনে আহ," জাফৰে চিপাহী
নিটাক মাতিলে। সিহঁত আগুৱাই আহি
লাম দি থিয় হ'ল। তায়ো সিহঁতলৈ
লে। তাইৰ চোলা ফলাটোৰ হাতত
ন্দুক নাই। চাৰ্জেণ্ট জাফৰে কঠোৰ
তেৰে তাক ধমকি দি উঠিল। 'যা,
খাৱৈটোৰ পৰা বন্দুক বিচাৰি আনগে।"
সি ঘূৰিল। সেনাপতিয়ে বাকী দুটাকো
খাৱৈলৈ পঠালে। "ইহুদীহঁতৰ বন্দুককেইটা
আনগৈ। গুলি ভালকৈ বিচাৰিবি।
তাহাঁতৰ জেপত-মোনাত কাগজ-পাতি পালে
মোক দিবি; ধনবিত পালে তহঁতৰ হ'ব।"

সিহঁত খুচি হ'ল। বন্দুক নথকা বেডুইনটোৱে ঘূৰি তাইলৈ আকৌ এবাৰ লোলুপ দৃষ্টিৰে চালে। 'তাইৰ ওপৰত হক আমাৰ কিন্তু মজা হ'ব সেনাপতিৰ।' তাৰ মনৰ ভাব আন্দাজ কৰি জাফৰে ক'লে, "যুদ্ধবন্দীৰ আইন মতে ব্যৱস্থা কৰাই নিয়ম।"

বেডুইনটোৰ যাওঁ– নাযাওঁ খোজে জনালে, সেনাপতিৰ কথাত সি পতিয়ন যোৱা নাই।

ৰাচেলৰ ভয় লাগিল। বেডুইনকেইটা বৃত্তিধাৰী সৈনিক নহয়। সিহঁত জেহাদৰ হুজুগত অহা সাধাৰণ মানুহ। দুদিন কুচ-কাৱাজ কৰিলেও বৃত্তিধাৰী সৈন্যৰ অনুশাসন সিহঁতৰ নথকাৰেই কথা। খাৱৈত বহি সিহঁতে যদি সেনাপতিক মাৰি পেলোৱাৰ বুদ্ধি পাঙে ? তাইৰো ধৰ্ষণোত্তৰ লাচটো যদি তাতেই পেলাই থৈ যায় ?" আশ্বস্ত হ'বলৈ তাই সেনাপতিলৈ চালে।

তাহাঁতৰ চকুৱে-চকুৱে পৰিল। জাফৰ অপ্ৰস্তুত হ'ল। ৰাচেলৰ মনত টিলিঙা বাজিল। সেনাপতিক হাত কৰাৰ উপযুক্ত সময়। তাই মিছা মাতিলে, "মই আচলতে ইহুদী নহওঁ। ইহুদীয়ে তুলি লোৱা অনাথ পোলিছ শিশুহে।"

আচৰিত হৈ পৰা চাৰ্জেণ্টে লক্ষ্য কৰিলে, এৰা, ইহুদীৰ টন্‌টনীয়া নাক এইজনীৰ নাই। কোন ইহুদীৰ থাকে সোণালী চুলি আৰু নী চকু ? তাইৰ কথাষাৰ বিশ্বাস কৰিবলৈ তাৰ মন গ'ল। 'এইজনী ইহুদী নহলে বিয়া কৰোৱাত বাধা নাই,' এটা অদ্ভুত চিন্তাই তাৰ মনত ভুমুকি মাৰিলে। "সঁচাইনে ?" সি ডাঙৰকৈ সুধিলে।

"এৰা। ইয়ালৈ কিন্তু আহিছো স্বেচ্ছাৰে। মাত্ৰ ডেভিদৰ বাবে। খাৱৈত পৰি থকা দীঘল ডেকাটোৱেই ডেভিদ। মোৰ স্বামী। ইহুদী। ইয়ালৈ অহাত মই কিমান বাধা দিছিলো। কিন্তু আহিল। আহি কিটো হ'ল ?" ডেভিদৰ কথাই হঠাতে তাইক আচ্ছন্ন কৰি পেলালে। সমুখৰ শত্ৰুক সঁচা-মিছা সাধু কোৱাৰ কথা, অলপ আঁতৰৰ বেডুইনহঁতৰ কথা তাই পাহৰি গ'ল। ডেভিদৰ সোঁৱৰণত চকুলোৰ ঢলৰ লগতে তাইৰ হিয়া উজৰা কান্দোনো ওলাল।

নিশ্চল হৈ জাফৰে তাইলৈ চাই ৰ'ল। মাক-বাপেক, চিনাকি গাঁও-দেশ এৰি প্ৰেমিকৰ পিছে পিছে এই অশান্ত মৰুভূমিলৈ অহা, স্বামীৰ শটোৰ কাষতে ধৰ্ষিতা হ'বলৈ উপক্ৰম হোৱা হুৰী যেন ছোৱালীজনীলৈ তাৰ সমবেদনা উপচি পৰিল।

চাওঁতে চাওঁতে সেনাপতিয়ে দেখিলে, তাইৰ গাটোও যেন কঁপি উঠিল। তেওঁ বুজিলে, কান্দোন আৰু চকুলো বন্ধ কৰিবলৈ তাই আপ্ৰাণ চেষ্টা কৰিছে। কান্দোন লাহে লাহে উচুপনি হ'ল; উচুপনি লাহে লাহে পাতল হ'ল; চকুলোৰ ধাৰা কমি আহিল; মাতটোও সৰু হ'বলৈ আৰম্ভ কৰিলে।

চিপাহী তিনিটা ঘূৰি আহিল। খাৱৈত শত্ৰুৰ তিনিটা বন্দুক পালে। গুলি নাই। "এইৰ বন্দুক নাছিল," হানিফে জনালে। "কিন্তু মতা তিনিটা পৰাৰ পাছত এয়েই কিজানি আমালৈ, গুলিয়াইছিল। আমাৰ শেষৰ দুটা এইৰ হাততে পৰিল চাগে।"

"এইনো মাৰিবনে ?" সম্পূৰ্ণ অবিশ্বাসত সেনাপতিয়ে উত্তৰ দিলে। "ভয়ত আধামৰা হৈ খাৱৈৰ বেৰত এই লিপিট খাই আছিল নিশ্চয়।" লগতে ক'লে, "আজিলৈ যুদ্ধ শেষ। কিবুজটো আমাৰ হ'ল। এতিয়া শিবিৰলৈ যাওঁহক।" চিপাহীহঁতে মাৰ্চ আৰম্ভ কৰিলে।

"ব'লা", জাফৰে তাইক ক'লে। "আমিও যাওঁ।"

"ডেভিদক এবাৰ চাই আহোনে ?" তাই ভয়ে ভয়ে অনুমতি বিচাৰিলে। সেনাপতিয়ে যাবলৈ ইঙ্গিত দিলে। তাই লৰ ধৰিলে। খাৱৈ পাই একে জাঁপে তললৈ নামি ডেভিদৰ লাচটোৰ কাষত বহি পৰিল। লগে লগে তাইৰ ধৈৰ্যৰ বান্ধ আকৌ ছিগি গ'ল। কান্দি কান্দিয়েই ডেভিদৰ মুখৰ পৰা তাই চুলিবোৰ গুচাই দিলে; একটীয়া হৈ পৰা ডিঙিটো পোনাই দিলে; হাত দুখন গাৰ কাষেদি থলে; ভৰি দুখন পোন কৰি দিলে। তাইৰ কান্দোন নিজম মৰুভূমিত বিয়পি পৰিল।

খন্তেক পিছতে তাই থিয় হ'ল। বাকী লগৰীয়া দুটাৰ শও তাই ঠিকঠাক কৰি শুৱাই দিলে।

তাহাঁতলৈ চাওঁতে চাওঁতে হঠাতে তাইৰ দুখ-শোক নোহোৱা হৈ প্ৰতিহিংসাৰ জুই



জ্বলি উঠিল। "ডেভিদ, মই জীয়াই আছো। তোমালোকৰ অসমাপ্ত যুঁজ মই চলাই যাম। শত্ৰু-শিবিৰ মোৰ যুদ্ধৰ ঘাটি হ'ব। জানো, আৰবৰ হাতত মই ধৰ্ষিতা হ'ব পাৰো; মই শতেক মৰণলৈ সাজু। মই কিন্তু ডেভিদ তোমাৰেই হৈ ৰ'ম। তুমি আকাশৰ পৰা চাই থাকিবা; কেতিয়াবা পিছল খালে মোৰ কৰ্তব্যৰ কথা, দায়িত্বৰ কথা সোঁৱৰাই দিবা; কেতিয়াবা ভাঙি পৰিলে তুমি কাণে কাণে অভয়বাণী শুনাই যাবা। মই যেন ভুল নকৰো। দৈবাৎ কোনো সেনাপতিৰ ঘৰণী হলেও যেন মই লাহ-বিলাহত ডুবি নাযাওঁ; তোমাক আৰু ইজৰেইলক যেন পাহৰি নাযাওঁ।"

ডেভিদৰ কাষত আঁঠু কাঢ়ি তাই হিব্ৰু স্তুতি-গীত এটা আওৰালে। লগে লগে প্ৰাৰ্থনাও কৰিলে, "শতেক মৰণ আঁকোৱালি লব পৰাকৈ মোক সাহস আৰু শক্তি দিয়া প্ৰভু।"

হঠাতে তাইৰ মনত পৰিল, সেনাপতিয়ে ওপৰৰ পৰা চাই আছে কিজানি। যাবৰ হ'ল। তাই ডেভিদক আকৌ এবাৰ সাবটি ধৰিলে; আকৌ এবাৰ তাইৰ হিয়াৰ টুকুৰাবোৰ চকুলো হৈ ববলৈ আৰম্ভ কৰিলে। আকৌ এবাৰ প্ৰবল ইচ্ছা শক্তিৰে তাই

নিজকে নিয়ন্ত্ৰণ কৰিলে। ডেভিদৰ জেকেটটো খুলি তাই ফটা চোলাটোৰ ওপৰত পিন্ধি ললে। তাই থিয় হ'ল। "জেকেটটো তোমাৰ শেষ স্মৃতি-চিন নহয় ডেভিদ; ই মোৰ ৰক্ষা-কবচো হ'ব। তোমালোকক এৰিলো। ইজৰেইলী সৈন্যই তোমালোকক বিচাৰি আহি কবৰ দিব," তাই মনে মনে ক'লে। সেনাপতিয়ে ওপৰৰ পৰা হাতখন আগবঢ়াই দিলে। সেইখনত ধৰি তাই ওপৰলৈ উঠি আহিল।

"সৌজনেই মোৰ স্বামী," আগৰ কথাৰ আঁত ধৰি তাই ডেভিদক দেখুৱাই দিলে।

"যুদ্ধ সদায় কৰুণ," সেনাপতিয়ে ক'লে। "কৰুণতম হ'ল তিৰোতাৰ বাবে। যুদ্ধত আটাইতকৈ বেছি ভোগে মাকবোৰে, পত্নীবোৰে। আৰব মাক, ইহুদী মাকৰ হিয়া সমানেই খণ্ড-বিখণ্ড হয়।"

তাই একো নামাতি সেনাপতিৰ কাষে কাষে খোজ ললে। তাই ভাবিলে। 'ইহুদী সেনা-বাহিনীয়ে ডেভিদহঁতৰ লগত মোক নেদখি আৰবে ধৰি নিয়া বুলি বুজিব। কিন্তু কতো যুঁজ-বাগৰৰ চিন নেদেখি প্ৰথমতে নিশ্চয় বিস্মিত হব ঃ কিয় মই আত্মসমৰ্পণ কৰিলোঁ! মৃত্যুৰ ভয়ত ? ইতিমধ্যে সংশ্লিষ্ট মহলত তাই দুৰ্ধৰ্ষ ছোৱালী বুলি প্ৰখ্যাত হৈছে। 'কিবুজত তুমি অপচয়," বেন গুৰিয়েনৰ বিশ্বস্ত সহকৰ্মী এজনে এবাৰ কিবুজলৈ আহি তাইক কৈছিল। 'তুমি দেখাত অনা-ইহুদী মেম যেন, তোমাৰ বুদ্ধি প্ৰখৰ, সাহস অসীম। তুমি উৎকৃষ্ট চোৰাংচোৱা হ'ব পাৰিবা। আমাৰ পিতৃভূমিৰ অস্তিত্ব উৎকৃষ্ট চোৰাংচোৱাৰ ওপৰতো নিৰ্ভৰ কৰে। হবানে ?' তাই নহয় বুলি পোনপটীয়া উত্তৰ দিছিল। 'ডেভিদক এৰি মই কলৈকো নাযাওঁ," তাই স্পষ্টকৈ কৈছিল। তেখেতে আশ্বাস দিছিল, 'দুয়ো একেলগে কৰিব পৰা কাম তেন্তে উলিয়াম।" মাজতে তাইক দুবাৰো প্ৰশিক্ষণ দিলে কমাণ্ডো হোৱাৰ, চোৰাংচোৱা হোৱাৰ। এতিয়া তাই স্বেচ্ছাৰে চোৰাংচোৱা হ'বলৈ ওলাইছে। লগত ডেভিদ নাই। পিছত পৰি ৰোৱা ডেভিদৰ স্মৃতিহে তাই লগত লৈছে। কিন্তু.......... তাইৰ মন আকৌ সন্দেহাকীৰ্ণ হৈ গ'ল। 'মই চোৰাংচোৱা হ'বলৈ ওলালো নে কোনোবাটো আৰবৰ ৰক্ষিতা হ'বলৈ ? ডেভিদ, তুমি মোক সুদূৰ পোলেণ্ডৰ পৰা ইয়ালৈ আনিলা। মোক এতিয়াও আৰক্ষণ দিব লাগিব; মোৰ সংকট মুহূৰ্তত মোৰ কাষত তুমি থিয় হ'ব লাগিব ডেভিদ।'

ডেভিদক এৰি তাইৰ চিন্তা-সুঁতিয়ে নতুন পাক খালে। তাই স্বেচ্ছাই আৰবৰ বন্দী হোৱা বুলি জানিলে জেৰুজালেমৰ ওপৰ মহলে আচল কথাটো অনুমান কৰিব পাৰিব। তেওঁলোকে উপলব্ধি কৰিব, ডেভিদৰ অবিহনে তাই নিজেই চোৰাংচোৱাৰ পথ মুকলি কৰি লৈছে। ইহুদী চোৰাংচোৱাই তাইক নিশ্চয় বিচাৰি উলিয়াব; যোগাযোগ স্থাপন কৰিব; উপযুক্ত নিৰ্দেশ দিব। তাই অকলশৰীয়া নহয়। তাইৰ কিহৰ ভয় ?

তাইৰ মনৰ পৰা প্ৰচণ্ড বোজা এটা যেন নোহোৱা হৈ গ'ল। মুকলিমূৰীয়া হোৱাৰ আনন্দই তাইৰ হিয়াত তোলপাৰ লগালে। লগে লগে পোলেণ্ডৰ পঢ়াশলীয়া পাঠ্যপুথিৰ কবিতাৰ পৃষ্ঠা এটা তাইৰ মানসপটত ভাহি উঠিল। ৰুচ জাৰৰ পোতাশালৰ কঠোৰ অত্যাচাৰত মৰণলৈ বাট চাওঁতে মৰিও নমৰা কবিয়ে লুকুৱাই লিখা কবিতা ঃ

"হে পিতৃভূমি,
তোমাৰ কাৰণে বৰা
সীমাহীন যন্ত্ৰণাৰ ৰাতি,
নুপুৱায়ো যদি,
তথাপিও তোমাৰেই দিম জয়ধ্বনি
'জয় পিতৃভূমি।"

তাই নিশব্দে আওৰালে, 'জয় পিতৃভূমি।' কিন্তু নিজৰ কাণতেই জয়ধ্বনি ফাকিৰ দৃপ্ততা যেন হেৰাই গ'ল। এয়া তাইৰ অশ্ৰুসিক্ত জয়ধ্বনি ? খাৱৈটোত ডেভিদহঁতে দিছে ৰক্তাক্ত জয়ধ্বনি ? তাহাঁতৰ প্ৰতিটোপাল তেজেই একোটা জয়ধ্বনি ? ডেভিদ.........

হঠাতে কাতৰ গেঙনি এটা শুনি জাফৰে ঘূৰি চালে। তাইৰ মুখ আৰু দেহা যেন বেদনাৰ প্ৰতিমূৰ্তি। কৰবাত গুলি লাগিছে নেকি ? আশংকাত তেওঁ সুধিলে, "কি হৈছে তোমাৰ ?"

যুদ্ধক্ষেত্ৰৰ ৰুক্ষ পৰিবেশত কণমান সমবেদনাই ৰাচেলৰ মনৰ মাজৰ সৰু ছোৱালীজনীক জগাই দিলে। তাই সৈ কাঢ়িলে। "তোমালোকে হঠাতে আক্ৰমণ কৰিলা। খাৱৈত খোৱা-লোৱা নাই; পানীৰ ছোৰাহী কেতিয়াবাই উদং। ডেভিদহঁত হেৰাই গ'ল। মই শ্ৰান্ত, ক্লান্ত, মোৰ .........

যন্ত্ৰণাক্লিষ্ট তাইৰ চকুলোৱে বাক্যটো শেষ কৰিলে। পুঞ্জীভূত টেন্‌চন লৈ আন্ধাৰ ভবিষ্যতৰ পিনে কণামুনা লাগি খোজ লোৱা নিসংগ বন্দিনীজনীলৈ মায়া-পৰাশ জাফৰে হাতখন আগবঢ়াই দিলে।

হাতখন সমবেদনাৰ। এইখনত আগলৈ সৌহাৰ্দ্যৰ, সাহচৰ্যৰ, বন্ধুত্বৰ, ঘনিষ্ঠতাৰ প্ৰতিশ্ৰুতি ? তাইৰ মনত টিলিঙা বাজিল। তাই তালৈ মূৰ দাঙি চালে। "ধন্যবাদ," তাই ক'লে কিন্তু তেওঁৰ হাতখন ধৰিবলৈ চেষ্টা নকৰিলে। "মই নিজেই পাৰিম," তাই কলে। তাইৰ মাতত আগৰ দৃঢ়তা, চকুত আগৰ দৃপ্ততা আৰু ঋজু দেহাত আগৰ উজ্জ্বলতা স্পষ্ট হৈ পৰিল।

তাইৰ দৃঢ় খোজ ইজৰেইলৰ বালিত পৰিল।

---

*লেৰি কলিন্স আৰু ডমিনিক লেপিয়াৰৰ ডকুমেন্টৰি সদৃশ উপন্যাস "অ' জেৰুজালেম"ৰ এটা বাক্য এই চুটি গল্পটোৰ জুমুথি আৰু সেইখনত সুপৰিস্ফুট মানুহৰ মৃত্যুঞ্জয়ী স্বৰূপটো এইটোৰ আত্মা। লেখক।*



OKDISCD

## এইবাৰ চেপলিন

ৰূপালী পৰ্দাৰ অমৰ কিম্বদন্তী চাৰ্লি চেপলিন পুনৰ ৰূপালী পৰ্দালৈ আহিছে। লৈ আহি আছে 'গান্ধী' খ্যাত পৰিচালক চাৰ ৰিচাৰ্ড এটেনবৰোই।

আঠোটাকৈ অস্কাৰ অৰ্জন কৰা 'গান্ধী'ৰ পিছত ৰিচাৰ্ড এটেনবৰোই নিৰ্মাণ কৰিছিল 'ক্ৰাই ফ্ৰিডম' নামৰ ছবি এখন। এই ছবিয়ে বিশেষ খলকনি তুলিব পৰা নাছিল। তাৰ পিছত বহুদিনৰ বাবে তেওঁ তেওঁৰ প্ৰজেক্ট হাতত লোৱা নাছিল। বৰ্তমান তিয়া অলপতে আৰম্ভ কৰিছে 'চেপলিন' নামৰ ছবিখন– গান্ধীৰ দৰেই জীৱনীভিত্তিক ছবি। দৃশ্যগ্ৰহণ আৰম্ভ হোৱা এই ছবিৰ নিৰ্মাণ সংবাদে বিশ্বৰ চিত্ৰামোদী ৰাইজৰ মাজত কৌতূহলৰ সৃষ্টি কৰিছে।

গান্ধীৰ প্ৰস্তুতিৰ বাবে সময় লাগিছিল দীৰ্ঘ ওঠৰ বছৰ; চেপলিনৰ বাবে কিমান? সাংবাদিকৰ এই প্ৰশ্নৰ উত্তৰত এটেনবৰোই কৈছে– তিনি বছৰ।

## তিনিখন ছবি

বিশ্বকোষৰ ক্ষেত্ৰত প্ৰথম শাৰীৰ স্থান অধিকাৰ কৰা এনচাইক্লপেডিয়া ব্ৰিটানিকাই প্ৰতি বছৰে একোখনকৈ 'ইয়েৰ বুক' প্ৰকাশ কৰে। বছৰটোৰ সকলো বিৱৰণৰ উল্লেখযোগ্য সংবাদ-তথ্য এই সংকলনটিত সন্নিবিষ্ট হয়।

১৯৯০ চনৰ ইয়েৰ বুকখন অলপতে প্ৰকাশ পাইছে। এই সংকলনৰ চিনেমা শিতানত ভাৰতৰ তিনিখন ছবি সন্নিবিষ্ট হৈছে।

সেই ছবি তিনিখন হ'ল– আদুৰ গোপালকৃষ্ণণৰ 'মাথিলুকাল' (মালায়লম), বুদ্ধদেৱ দাসগুপ্তৰ 'বাঘ বাহাদুৰ' (হিন্দী) আৰু উৎপলেন্দু চক্ৰবৰ্তীৰ 'ছন্দনীড়' (বাংলা)।

## প্ৰচাৰৰ কায়দা

হিন্দী ছবিৰ প্ৰচাৰৰ ক্ষেত্ৰত সদায়েই নতুন নতুন কায়দা কিটিপৰ ব্যৱহাৰ কৰা হয়। শেহতীয়া ভাবে মুক্তিলাভ কৰা 'খুদা-গৱাহ' নামৰ ছবিখনৰ প্ৰচাৰৰ বাবে কৰা কায়দা কিটিপে সকলোৰে চকু থিয় কৰাই দিবলৈ সক্ষম হৈছে।

'খুদা-গৱাহ'ক মুক্তি দিয়াৰ আগে আগে অমিতাভ বচ্চনক 'শ্ৰেষ্ঠ অভিনেতা'ৰ বাবে নটৰাজ পুৰস্কাৰ দিয়া হ'ল। এই পুৰস্কাৰ দিয়া হৈছিল 'হাম' নামৰ ছবিখনৰ বাবে। উল্লেখযোগ্য যে 'হাম' ছবিৰ পৰিচালক মুকুল আনন্দেই 'খুদা-গৱাহ'ৰো পৰিচালক। আনকি অমিতাভে শ্ৰেষ্ঠ অভিনেতাৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰা 'অগ্নিপথ' ছবিৰ পৰিচালকো এই একেজনেই।


নটৰাজ পুৰস্কাৰ কোনো বিখ্যাত অনুষ্ঠান বা সংগঠনে দিয়া নাই। আমেৰিকাবাসী ভাৰতীয়ৰ সংগঠন এটিয়ে এই পুৰস্কাৰ দিছে আৰু এই পুৰস্কাৰ দিয়াৰ বাবেই এই সংগঠনটিৰ জন্ম বুলি বহুতে অনুমান কৰে। এই পুৰস্কাৰটোৱে কোনো আন্তৰ্জাতিক গুৰুত্ব দাবী কৰিব নোৱাৰে যদিও দূৰদৰ্শনৰ 'দা ৱৰ্ল্ড দিচ উইক' অনুষ্ঠানত এই বঁটা বিতৰণী অনুষ্ঠান ব্যাপক ৰূপত প্ৰদৰ্শন কৰা হৈছিল।

এই ঘটনাৰ প্ৰায় লগে লগেই প্ৰচাৰ কৰি দিয়া হ'ল– 'খুদা-গৱাহে'ই অমিতাভ অভিনীত শেষ ছবি। লগে লগে চতুৰ্দিশে হুলস্থুল লাগি গ'ল। এই পৰিবেশৰ মাজতে ছবিখনে মুক্তি লাভ কৰিলে। আকৌ ৱৰ্ল্ড দিচ উইকৰ অনুষ্ঠানত অমিতাভ। অমিতাভৰ সাক্ষাৎকাৰ, খুদা-গৱাহৰ প্ৰিমিয়াৰ শ্ব'ৰ দৃশ্য আদি।

খুদা-গৱাহ কোনো শিৰোনামাৰ জন্ম দিব পৰা ছবি নহয়। তথাপিতো ইয়াক সংবাদ বনোৱা হ'ল। 'দা ৱৰ্ল্ড দিচ উইক'ৰ প্ৰতি সাধাৰণ দৰ্শকে সমীহ ভাব প্ৰদৰ্শন কৰে। কৌশল কৰি এই অনুষ্ঠানৰ মাজেৰে অমিতাভ আৰু 'খুদা-গৱাহ'ক প্ৰদৰ্শন কৰি ছবিখনৰ প্ৰচাৰ চলোৱা হ'ল আৰু এই কৌশলী প্ৰচাৰেৰে 'খুদা-গৱাহ'ক অতিৰিক্ত গুৰুত্ব প্ৰদান কৰা হ'ল। চাৱাচ প্ৰচাৰ-পৰিকল্পক!

## আৰু তিনিখন ছবি

অসমীয়া ছবিলৈ তাৰুণ্য আহি আছে নেকি? অন্ততঃ নিৰ্মাণৰ বিভিন্ন স্তৰত থকা তিনিখন ছবিৰ কাহিনীৰ পিনে চালে এই কথাটো সত্য যেন লাগে। এই ছবি তিনিখন হ'ল– পানী, একত্ৰিছ জুন আৰু উন্মেষণ। বানপানীক কেন্দ্ৰ বিন্দু হিচাপে লৈ নিৰোদ চৌধুৰীয়ে ৰচনা কৰা উপন্যাস 'পানী'ৰ চিত্ৰৰূপ দি আছে নবীন পৰিচালক প্ৰফুল্ল শইকীয়াই। ৰঞ্জিৎ শৰ্মাৰ কাহিনীৰে ভাস্কৰ বৰাই নিৰ্মাণ কৰি আছে ফেন্টাচী ধৰ্মী প্ৰেম কাহিনী 'একত্ৰিছ জুন', একেজন ৰঞ্জিৎ শৰ্মাৰ কাহিনীৰেই দীপক শৰ্মাই নিৰ্মাণ কৰি আছে 'উন্মেষণ'। অৱহেলিত এক পূজাৰী আৰু এক নাৰীৰ মানসিক সম্পৰ্কৰ এই কাহিনী 'উন্মেষণ'ৰ মূল বিষয়। 'চৰ্তহীন প্ৰেম সম্ভৱনে?– এই প্ৰশ্নৰ উত্তৰ বিচৰা হৈছে 'একত্ৰিছ জুন'ত। বানপানী সমস্যাক প্ৰথম বাৰৰ বাবে অসমীয়া ছবিলৈ অনা হৈছে পানী ছবিত। বিষয়বস্তুৰ বৈচিত্ৰ্য– শাহু-বোৱাৰীৰ সম্পৰ্কৰ কাহিনীৰ অৱসান-চিত্ৰামোদী ৰাইজৰ বাবে আনন্দৰ খবৰ।



নিৰ্মীয়মান 'উন্মেষণ'ৰ এটি দৃশ্যত লক্ষী চোপ্ৰা আৰু জয়ন্ত ভাগৱতী





'পানী' ছবিৰ নিৰ্দেশনাত প্ৰফুল্ল শইকীয়া আৰু এটি মূখ্য ভূমিকাত চন্দ্ৰ নাৰায়ণ বৰুৱা

## শিল্পীৰ দুৰৱস্থা

অসমৰ এগৰাকী অভিনেতা চৰকাৰী চাকৰিত সোমাল। খবৰটো বাতৰি কাকত যোগে চতুৰ্দিশে বিয়পি পৰিল। এক ভদ্ৰ মহিলাই খবৰটো বৰ ভাল পালে আৰু ক'লে– 'বৰ ভাল লাগিল দেই শুনি। যোৱা দুই বছৰে এখেতৰ ইন্টাৰভিউবোৰ পেপাৰত পঢ়ি আছিলো নহয়– কি দুৰৱস্থা গৈছিল এখেতৰ।'

ওচৰতে বহি আছিল গুৱাহাটীৰ এক যুৱতী। যুৱতীয়ে ক'লে– 'বাইদেউ, সেই দুৰৱস্থা আপুনি ভবাৰ দৰে দুৰৱস্থা নহয়। বগা মাৰুতি চলাই ফুৰিব পৰা দুৰৱস্থাহে। মোহন ঢুলীয়াৰ দুৰৱস্থা আৰু এই দুৰৱস্থাৰ বহু পাৰ্থক্য।'

## পুৰস্কাৰৰ পিছত

ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত বঁটা লাভ কৰাৰ পিছত চিত্ৰ-পৰিচালক, সংগীত পৰিচালক, অভিনেতা-অভিনেত্ৰী আদি ৰাতিটোৰ ভিতৰতে ৰাইজৰ 'নয়নৰ মণি' হৈ উঠে। কিন্তু এই পুৰস্কাৰে কৰ্ম ব্যস্ততা কিমান আনে?

ড° ভবেন্দ্ৰনাথ শইকীয়াৰ কথাকেই ধৰা যাওক। এখেতৰ গল্প-নাটকৰ সাফল্যৰ কথা পুনৰ কোৱাৰ প্ৰয়োজন নাই। অগ্নিস্নানে শ্ৰেষ্ঠ চিত্ৰনাট্যৰ বঁটা পোৱাৰ পিছতো অসমীয়া ছবিত আন পৰিচালকৰ ছবিত এখেতৰ কাহিনী, চিত্ৰনাট্য, সংলাপ দেখিবলৈ পোৱা নাই। অৱশ্যে টি ভি চিৰিয়েল 'দেউতা' হিট হোৱাৰ পিছত টি ভি চিৰিয়েলৰ বাবে কাহিনী বিচাৰি বহুতে এখেতৰ ওচৰ চাপিছে।

বাৰে বাৰে পুৰস্কাৰ পোৱাৰ পিছতো জাহ্নু বৰুৱাক শৈল বৰুৱাৰ বাহিৰে আনৰ বাবে ছবি পৰিচালনা কৰা দেখা নাই।

শ্বেৰ চৌধুৰীৰ ক্ষেত্ৰতো একেই কথা। গান থকা ছবি এখনৰ সংগীত পৰিচালনা কৰাৰ বাবে তেখেতে আগ্ৰহী, কিন্তু কোনেও আমন্ত্ৰণ জনোৱা নাই। মলয়া গোস্বামীৰ হাততো নতুন ছবি নাই। সঞ্জীৱ হাজৰিকাৰ হাততো। অৱশ্যে গৌতম বৰাৰ বাবে এজন প্ৰযোজক আহিছে যিয়ে 'কাঠনীবাৰীৰ ঘাট' কৰিবলৈ আগবাঢ়ি আহিছে। ড° সুশীল গোস্বামীৰ কাহিনী-চিত্ৰনাট্যৰ বনানিয়ে পুৰস্কাৰ পাইছিল, তাৰ পিছতো কোনেও ছবিৰ বাবে কাহিনী-চিত্ৰনাট্য বিচাৰি ড° গোস্বামীক লগ ধৰা নাই।

অসমৰ বাহিৰত অৱশ্যে ড° শইকীয়াৰ কথাটো অলপ বেলেগ। 'শোধ' ছবিৰে ৰাষ্ট্ৰীয় শ্ৰেষ্ঠ ছবিৰ বঁটা অৰ্জন কৰা বিপ্লৱ ৰয় চৌধুৰীয়ে ড° শইকীয়াৰ 'গহ্বৰ' গল্পৰ পৰা নিৰ্মাণ কৰিছিল 'ইয়ে কাহিনী নেহী' নামৰ হিন্দী ছবি এখন। প্ৰখ্যাত শিল্পী শম্ভু মিত্ৰই 'গ্ৰহণ' গল্পটোক নাট্যৰূপ দি কলিকতাত মঞ্চস্থ কৰিছিল। কলিকতাৰ এক প্ৰযোজক-পৰিচালকে ৰবীন্দ্ৰ নাথৰ কাহিনীৰে হিন্দী ভাষাত তেৰখন টেলিফিল্ম কৰিবলৈ লৈ এখন পৰিচালনাৰ বাবে ড° শইকীয়াক দায়িত্ব দিছিল। 'দৰ্পহৰণ' নামৰ সেই টেলিফিল্মখন দূৰদৰ্শনৰ ৰাষ্ট্ৰীয় কাৰ্যক্ৰমত



শ্বেৰ চৌধুৰী

প্ৰচাৰ হৈছিল। 'পৰশুৰামেৰ কুঠাৰ' 'সৰীসৃপ' আদি ছবিৰ পৰিচালক নব্যেন্দু চেটাৰ্জীৰ এখন ছবিৰ বাবেও ড° শইকীয়াই কাহিনী-চিত্ৰনাট্য ৰচনা কৰাৰ কথা।

## উপসংহাৰ–

এগৰাকী অভিনেতাই তেওঁৰ পৰিচিত চিত্ৰ সাংবাদিক এগৰাকীক ক'লে– হেৰা অমুক, তুমি অসমীয়া গল্প-উপন্যাস পঢ়ানে?

'পঢ়ো। কিয়?'

'নাম কোৱাচোন কেইটামান।

সাংবাদিকে ক'লে। তাৰ পিছত সুধিলে– নামবোৰ আপুনি কি কৰে?

'এ, লাগেহে। কোনোবাই সাক্ষাৎকাৰত সুধিলে এই গল্প-উপন্যাসবোৰ ছবি কৰিব পাৰি বুলি ক'বলৈ ভাল হয়।'

ভূপেন্দ্র নাৰায়ণ ভট্টাচাৰ্য

# দিল্লী ভ্ৰমণ

প্লেটফৰ্মৰ পৰা ওলাই আহিয়েই বাহিৰত থিয় হওক, আৰু চাওক– চালকবোৰৰ চকু চিকাৰী মেকুৰীৰ দৰে আপোনাৰ ওপৰত– অৰ্থাৎ, আপোনাক টেক্সী, ৰিক্সা বা অট' চালকবোৰে দূৰে দূৰে নিৰীক্ষণ কৰি আছে। আপুনি সিহঁতৰ দ্বাৰা যিকোনো সময়ত প্ৰতাৰিত হব পাৰে। তাৰ কাৰণে আক্ষেপ কৰি লাভ নাই–, যিহেতু এই নিয়মৰ দ্বাৰাই দিল্লী প্ৰাচীন কালৰে পৰা চলি আহিছে।

এতিয়া আহক হোটেললৈ। চালক সকলে সুবিধা পালেই আপোনাৰ হাতৰ এটাচীটোত ধৰি ক'ব– 'চাহাব! আহক আহক, মইতো আপোনাৰ কাৰণেই ইয়াত ৰৈ আছো।' সি ক'ব– চিংগল চিটেড হ'লে ইমান টকা, ডবল চিটেড হ'লে ইমান টকা ................ কিন্তু কি জানে, সেই ধুৰন্ধৰটোৱে কমৰ ভাড়া যিমান ক'লে– দৰাচলতে সেইটো আচল ভাড়া নহয়। আচল ভাড়া যিমান কৈছিল তাৰ আধা– বাকীখিনি তাৰ চালাকী আৰু চালামী। এই সম্পৰ্কটো ঠিক মেকুৰী আৰু নিগনিটোৰ নিচিনা।

য'তেই নাযাওক কিয় আপোনাৰ ৰক্ষা নাই। ঠগ-প্ৰৱঞ্চক সকলে আপোনাৰ পিছে পিছে আছেই। কোনো এটা বস্তুৰ প্ৰকৃত দাম যদি দুটকা তেনেহলে ফেৰীৱালাবোৰে প্ৰথমে আপোনাক ক'ব– পঞ্চাশ। তেতিয়া 'দুটকাত দিবিনে' বুলি কোৱাৰ কলিজা আপোনাৰো থাকিব লাগিব। নহ'লে কথাটো এচিকটা কেঁচুৰ মূৰেৰে বৰশীত পাঁচ কিলো ওজনৰ বৌমাছ এটা উঠোৱাৰ দৰেহে হব।

লালকিল্লাৰ কাষৰ বজাৰত থিয় হৈ ফেৰীৱালাৰ পৰা শাড়ী, চোলা বা অন্য কোনো সামগ্ৰী কিনিছে আৰু সেইবোৰ আহি চাওক– সেইবোৰ পুৰণি, ফটা-চিটা। অথচ অনাৰ সময়ত কিন্তু বস্তুবোৰ ভালেই আছিল। এইবোৰ হৈছে হাতৰ খেলা। আপুনি হয়তো কিবা ইলেক্ট্ৰনিক সামগ্ৰী কিনি আনি এতিয়া ভাবিছে– এইটো বজাই চাব। আপুনি ভবা মতে সি কিন্তু নাবাজে। কাৰণ ষ্টেৰিঅ'টোৰ নতুন হেডটোৰ সলনি পুৰণি হেড এটা পেকেট কৰাৰ সময়ত নতুবা অইন এটা ভৰাই দিলে; গতিকে ঠোঁহেৰ ঠোঁহেৰ শব্দ হৈছে; মাজে মাজে ঝাঁটি ঝাঁটিকৈ বিকট শব্দ হৈছে। আৰু সেই যে ওৱাকমেনটো, আপুনি কাণত হেডফোন লগাই শুনিব বুলি আনিছিল– সেইটোৱো দেখোন নাবাজে। আৰে বাজিব ক'ৰপৰা? তাৰ প্ৰাণশক্তি বেটেৰীটোৰ সিয়েই হাত চাফাই কৰিলে।

বেটেৰীটো সৰু কথা। সেই যে বৰফৰগানৰ সাধুটো? মনত নিশ্চয় আছে। যি দেশত স্বয়ং ৰজাই চোৰ সেই দেশতনো প্ৰজাসকল কেনেকৈ সৎ হৈ থাকে? এই ক্ষেত্ৰত দিল্লীৰ এটা পৰম্পৰা আছে, গতিকে এই চৌৰ্যবৃত্তিৰ পৰম্পৰা সূৰ্য, চন্দ্ৰ বা পৃথিৱী থাকে মানে চলি থাকিব।

এই যে নতুন দিল্লী আৰু পুৰণি দিল্লী নামৰ যঁজা চহৰ দুখন, সেই দুখনৰ যদি আপুনি এটা তুলনাত্মক বিৱৰণ লিখিবলগীয়া হয়, তেনেহ'লে লিখিব লাগিব এনেকৈ............. পুৰণি দিল্লী মানে এটা গোৱৰ-মূত আদিৰে ভৰি থকা এটা প্ৰাচীন গোহালি আৰু নতুন দিল্লী মানে এটা ধোপাকলি– এখন অতি শুৱনি চহৰ। লালকিল্লাৰ ওচৰৰ কৰিয়াপুলৰ পৰা পুৰণি দিল্লীৰ ফালে সোমাই যাওক। গৈ থাকক, গৈ থাকক। তাৰ পাছত দেখিব এখন কাঠৰ বৃহৎ দলং। এসময়ত এইখন ৰূটিছে সাজিছিল। তাৰ পৰাই সিফালে আৰম্ভ হৈছে পুৰণি দিল্লী নামৰ সেই নৰ্দমাটো। চাহাদ্ৰে, গোণ্ডা, চিলামপুৰ ......... তাতকৈ আমাৰ গুৱাহাটী বহু ভাল।

যমুনা নৈৰ দলঙৰ এটা মূৰেৰে টাংগা, গাধ বা পিঠিত বালি বা চিমেন্টৰ বোজা লোৱা খচ্চৰৰ মিছিল, ভেড়া ছাগলীৰ পাল, এটা বলধে টনা গৰু গাড়ী, টেক্সী, স্কুটাৰ, বাছ সকলো হঁচ্ হুঁচকৈ একেলগে সোমাই আহিছে; এইবোৰ দেখি ভাব হয় আপুনি সঁচাকৈয়ে ভাৰতবৰ্ষৰ ৰাজধানী দিল্লীতেই আছেনে? কোনোৱে বাট এৰি নিদিয়ে– খচ্চৰৰ পিঠিত বোজা দি কাষে কাষে আহি থকা মালিকজনে ভাবে সিহে আগেয়ে যাব লাগে। ভেড়া-ছাগলিৰ পালৰ ৰখীয়াজনে ভাবিছে – তাতকৈ সিহে আগেয়ে যাব লাগিছে। তাৰ পাছত দেখিব হঠাৎ ট্ৰেফিক জাম হৈ গৈছে। দলঙৰ মুখ সম্পূৰ্ণ বন্ধ কোনো ফালেদি কোনোৱে পাৰ হৈ যাব নোৱাৰে। এই সময়তে দেখিব গাধ, খচ্চৰ, গৰু, অটো, স্কুটাৰ সকলোকে ব্যঙ্গ কৰি নীৰৱে আগবাঢ়ি গৈ আছে আৱৰ্জনা কঢ়িওৱা এখন উটৰ গাড়ী – একেবাৰে দুৰ্গন্ধ। আপুনি নাকত ৰুমাল দিবই লাগিব।

নহ'লে ৰক্ষা নাই– দিল্লী এনেকুৱাই।

ইফালে যমুনা নৈৰ দলঙৰ তললৈ চাওক, উত্তৰে, দক্ষিণে, পূবে, পশ্চিমে নৈৰ বালিচৰ আপুনি দেখা নাপায়। তাত জকমকাই আছে হেজাৰ বিজাৰ ফুল, পাচলি, ফল-মূলৰ শাৰী। চকুৰে মনিব পৰা পৰ্যন্ত হালধীয়া পুষ্প সমদল। নিতৌ আবেলি ইয়াক ছিগা হব আৰু পাতৰ একোটা শঙ্কু কৰি তাত ভৰোৱা হব আৰু ৰাতিপুৱা সেইবোৰে বজাৰ দখল কৰি বহিব।

উৰণীয়া মানুহঃ লালকিল্লাৰ ওপৰত থিয় হৈ তলৰ গড়খাৱৈটো দেখাকৈ আপুনি থিয় হওক। আপোনাৰ ওচৰত বিদেশী পৰ্যটক সকলেও তলৰ গড়খাৱৈৰ কাষৰ ঘাঁহনিত বহি থকা মানুহ তিনিজনলৈ চাইছে ............. এজনে চিঞৰিছে, আহক আহক চাই লওক এটা উৰণীয়া মানুহ। আনজনে তাৰ কঁকালত এটা বিশাল ঘূৰণীয়া জামা পিন্ধিছে। জামাটোৰ কাপোৰ ইমান পাতল যে তাক বৰ্ণনা কৰা টান। সি এবাৰ উঠে এবাৰ বহে। এনেকৈ থাকোতে জামাটো বেলুনৰ দৰে ফুলি উঠিল। সহায়কাৰীজনে তাৰ ওপৰত ক'লা আন এটা গাউন পিন্ধাই দিলে। সেইটোৱো ফুলি উঠিল। মানুহজনৰ শৰীৰ নেদেখা হৈ থাকিল– বিদেশী পৰ্যটকবোৰে চিঞৰিলে– লাভ্লি। ফুলা গাউনটোৰ মাজত থকা মানুহজনে এইবাৰ হাত দুখন চৰাই পাখিৰ দৰে মাৰিবলৈ ধৰিলে। আপুনি য'ত থিয় হৈ আছিল এনেকুৱা লাগিব যেন সঁচাকৈয়ে সি এতিয়া উৰি যাব। পৰ্যটকবোৰে ওপৰৰ পৰা দহ টকীয়া বিশ টকীয়া নোট পেলাই দিলে। কাষত থিয় হৈ থকা জনে নোটবোৰ বুটলিছে–

এনেকৈয়ে এক শ্ৰেণীৰ লোকে জীৱিকাৰ সন্ধান কৰিছে। সিহঁতৰ ভৰণ-পোষণ এনেকৈয়ে চলিছে।

মাৰকুৱাৰে ফুঁকোৰ দৰ্শনৰ ওপৰত, লিখা কিতাপ এখন দিল্লীৰ কিতাপৰ দোকানত পাত-পাতকৈ বিচাৰিলো- নাই। এজনে মোক ক'লে– তেনেকৈ বিচাৰি লাভ নাই, কন্নাট প্লেছৰ বি-ব্লকত উঠি 'বুক ওৱাৰ্ম' বিচাৰি লওক– সেইখন দোকানত সকলো কিতাপেই পোৱা যায়। তেওঁৰ কথা মতে 'বুক ওৱাৰ্ম'ত ফুঁকোৰ কিতাপ সঁচাকৈয়ে পালো। দাম ৩১৩ টকা। কিন্তু ঘৰলৈ আহি শুনিলো যিটো দাম ললে সেইটো আচল দাম নহয়– সেইটোৱো দুই নম্বৰী।

তথাপিও দিল্লীত শিকিব লগীয়া এটা বিষয় আছে– সেয়া হৈছে 'সময়ৰ মূল্য'। সময়ৰ সদব্যৱহাৰ সম্পৰ্কে। এজন মানুহে দহ-এঘাৰটামান কামত আবদ্ধ। এক পল সময়ো আপোনাৰ লগত বিনা স্বাৰ্থত নষ্ট নকৰে। আৰু আমাৰ ইয়াত! হামিয়াই-হেকেটিয়াই সময়বোৰ পাৰ কৰিব নোৱাৰো। গছৰ তলত কেৰম এখন লৈ চাৰিজনে খেলো আৰু তাকেই অবলম্বন কৰি চৌচল্লিশজনে আড্ডা মাৰো– আমাৰ কাম নাই। আমাৰ সঁচাকৈয়ে কাম নাই নেকি?

অহা সংখ্যাৰ একপৃষ্ঠাত
চম্পক বৰবৰাৰ চিন্তা-চৰ্চা







Cast a spell. Invite second looks and get into a world of absolute style with a pair of Action. Action. The shoe that's become the rage of young generation. The reason is simple. It's styling, that makes it different. And cushioning that make sure your feet don't get strained at all. In short they spell a world of comfort. Beautifully styled. Available in a wide array of colours to choose from. Absolutely a matchless choice.

action®
Your kind of shoes for your kind of style.